

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ৩০১ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ১০ জুন, ২০২১, ২৬ জেঠ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. 11 ISSUE NO. 301 Dainandin Barta ■ Guwahati, Thursday ■ 10 June 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only






## ৱৰ্ল্ড ইউনিভাৰ্ছিটী ৰেংকিঙত আগুৱালে আইআইটি গুৱাহাটী

**৪১ হ'লগৈ গ্ল'বেল ৰেংক**

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৯ জুন ঃ** উত্তৰ গুৱাহাটীত অৱস্থিত আইআইটি গুৱাহাটীয়ে শিক্ষা আৰু গৱেষণা ক্ষেত্ৰত কেতবোৰ বিশেষ বিষয়ত কেৱল অসম বা ভাৰতকে নেতৃত্ব দিয়া নাই, এতিয়া বিশ্বৰ শিক্ষা খণ্ডতো সবলভাৱে স্বীকৃতি আদায় কৰিবলৈ সক্ষম হৈছে। আগন্তুক ২০২২ বৰ্ষৰ বাবে প্ৰকাশ কৰা কিউএছ ৱৰ্ল্ড ইউনিভাৰ্চিটী ৰেংকিঙৰ তালিকাত আইআইটি গুৱাহাটীয়ে সন্মানজনক স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। এই সম্পৰ্কত শিক্ষা প্ৰতিষ্ঠানটোৰ সঞ্চালক টি এছ সীঠাৰমেন কয় ■ ৮ পৃষ্ঠাত

## উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ প্ৰস্তুতি আৰম্ভ

### ৪০০তকৈ অধিক পৰীক্ষাৰ্থী থকা কেন্দ্ৰ হ'ব খণ্ডিত



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৯ জুন ঃ** অনিশ্চয়তাৰ সমাপ্তি ঘটাই অলপতে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অসমত দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হোৱাটো নিশ্চিত বুলি ঘোষণা কৰাৰ পিছত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সাংসদে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ পদক্ষেপ আৰম্ভ কৰিছে। আজি শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰক পংকজ বৰঠাকুৰে এক নিৰ্দেশনাৰ জৰিয়তে ৰাজ্যৰ সকলো পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সকলোলৈ এক বিশেষ বিষয়ত দৃষ্টি আকৰ্ষণ কৰিছে। এই নিৰ্দেশনাত কোৱা হৈছে যে আগন্তুক জুলাই-আগষ্ট মাহত উচ্চতৰ মাধ্যমিকৰ ■ ৮ পৃষ্ঠাত

**প্ৰধানমন্ত্ৰী মোদীক আকৌ সমালোচনা মমতা বেনাৰ্জীৰ**

## ভাষণৰ বাহিৰে ভেকচিনৰ নামত মোদীৰ পৰা একোৱেই পোৱা নাই

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৯ জুন ঃ** পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ ফলাফলত ক্ষমতা দখলৰ বাবে প্ৰাণে-প্ৰণে চেষ্টা কৰা বিজেপি দল পিছুৱাই অহাৰ পিছৰে পৰা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ধাৰাবাহিকভাৱে সমালোচনা কৰি আহিছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। আজি কলকাতাত আয়োজিত এক সংবাদমেলত মমতা বেনাৰ্জীয়ে কয় যে ক'ভিড ভেকচিনৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে নিতৌ নীতি সলনি কৰি দেশবাসীক ■ ৮ পৃষ্ঠাত

## ক'ভিড আক্ৰান্ত অভিভাৱকৰ বাবে চৰকাৰী চাকৰিয়াললৈ ১৫ দিনলৈ বিশেষ ছুটী

**কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপ**

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৯ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ সকলোবোৰ বিভাগ তথা খণ্ডৰ চাকৰিয়ালৰ বাবে ক'ভিড চিকিৎসাৰ প্ৰসংগত এক বিশেষ ৰেহাই আৰু সকাহৰ কথা ঘোষণা কৰিছে চৰকাৰীভাৱে। যদিহে এইসকল চাকৰিয়ালৰ পিতৃ-মাতৃ বা অন্যান্য নিৰ্ভৰশীল অভিভাৱক, পৰিয়ালৰ অন্যান্য নিৰ্ভৰশীল সদস্য আদি ক'ভিড ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হয়, তেনেহ'লে এই লোকসকলক সহায় কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে চাকৰিয়ালসকলক কিছু সকাহ দিছে। পূৰ্বৰ পৰা নিয়মীয়াকৈ প্ৰাপ্ত নৈমিত্তিক ছুটিৰ উপৰিও ক'ভিড আক্ৰান্তক সহায় কৰাৰ বাবে অতিৰিক্তভাৱে ১৫ দিনৰ বিশেষ নৈমিত্তিক ছুটি প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। এই সময়ছোৱাত আক্ৰান্তসকলক স্বাস্থ্য পৰীক্ষা কৰোৱা, চিকিৎসাত সহায় কৰা, প্ৰয়োজনত চিকিৎসালয়ত ভৰ্তি কৰোৱা, শুশ্ৰূষা ■ ৮ পৃষ্ঠাত




**২০২১ বৰ্ষৰ ১০ জুনত বিজেপি চৰকাৰৰ প্ৰথম মাহপূৰ্তি উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যুগুত কৰা প্ৰবন্ধ**

## এটা দীঘলীয়া যাত্ৰাৰ আৰম্ভণি

হিমন্ত বিশ্ব শৰ্মা২০২১ বৰ্ষৰ ১০ মে'ত অসমৰ জনতাৰ জনাদেশ শিৰোধাৰ্য কৰি অসমৰ নতুন বিজেপি চৰকাৰখনে নিজৰ যাত্ৰা আৰম্ভ কৰে। ইয়াৰ পূৰ্বে হৈ যোৱা পঞ্চদশ ■ ৪ পৃষ্ঠাত


*যাবলৈ গাড়ী নাই, বাইচাইকেলেৰেই... বুধবাৰে গুৱাহাটীৰ ছবি*

**প্ৰদেশ কংগ্ৰেছৰ সভাপতি হ'ব কোন?**

# লবীকেন্দ্ৰিক চৰ্চাত ওলমিছে সভাপতি হ'বলগীয়া নেতাৰ নাম

**সভাপতি পদৰ বাবে সবাটোকৈ গুৰুত্ব লাভ কৰিছিল গোলাঘাটৰ বিধায়ক অজন্তা নেওগৰ নাম ■ এতিয়া লবীত ওলমিছে দেৱব্ৰত শইকীয়া, ভূপেন কুমাৰ বৰা আৰু প্ৰদ্যুৎ বৰদলৈৰ নাম ■ নতুন সভাপতিৰ নেতৃত্বতেই কংগ্ৰেছে ২০২৪ৰ লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হ'ব**







**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** ২০২৪ ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে দেশৰ সবাটোকৈ পুৰণি ৰাজনৈতিক দল কংগ্ৰেছৰ অসম প্ৰদেশ কংগ্ৰেছৰ নতুন সভাপতি কোন হ'ব সেয়া এতিয়াও সঠিক স্থিতিত উপনীত হ'ব পৰা নাই। এইবাৰ বিধানসভাৰ নিৰ্বাচনত ৰাজ্যসভাৰ সাংসদ তথা গহপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰিপুণ বৰাৰ নেতৃত্বত প্ৰদেশ কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও দলে চৰকাৰ গঠন কৰিব পৰাকৈ প্ৰয়োজনীয় আসন লাভ কৰাত ব্যৰ্থ হয়। তদুপৰি ৰাজ্যসভাৰ সাংসদ ৰিপুণ বৰাই দলৰ সভাপতিৰ দায়িত্ব পালন কৰি দলক নেতৃত্ব দিলে যদিও গহপুৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি তেওঁ পৰাজয়বৰণ কৰে। এআইইউডিএফ আৰু বিপিএফৰ সৈতে মহাজোঁট গঠন কৰি কংগ্ৰেছে শাসনভাৰ নিজৰ হাতলৈ আনিবলৈ নোৱাৰাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ ■ ৪ পৃষ্ঠাত




**কাজিৰঙাত আৰক্ষী অধীক্ষকৰ সন্মিলনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা**

## নতুনকৈ গঠন হ'ব ১০টা কমাণ্ডো বেটেলিয়ন

**২৩ হাজাৰ নতুন আৰক্ষী**

**দৈনন্দিন বৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৯ জুন ঃ** ৰাজ্যখনৰ লগতে দেশৰ যি কোনো পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ ১০টা নতুনকৈ কমাণ্ডো বেটেলিয়ান গঠন কৰা হ'ব। সম্পূৰ্ণ বৃত্তিগতভাৱে এই কমাণ্ডো বেটেলিয়ানে দেশৰ প্ৰতি অহা যি কোনো ভাবুকি প্ৰতিহত কৰিব পৰাকৈ সাজু কৰি তোলা হ'ব। ৰাজ্যখনৰ ১২ হাজাৰ যুৱক-যুৱতীৰে গঠন কৰা হ'ব এই বিশেষ কমাণ্ডো বেটেলিয়ন। এইক্ষেত্ৰত নিজ নিজ কামত দক্ষ যুৱক - যুৱতীকহে অগ্ৰাধিকাৰ দিয়া হ'ব বুলি বুধবাৰে কাজিৰঙাত ৰাজ্যখনৰ সকলো আৰক্ষী অধীক্ষকৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আলোচনা কৰি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। ■ ৮ পৃষ্ঠাত




**কাগজ কল ৰক্ষাত উদ্যোগ ল'বলৈ মুখ্যমন্ত্ৰীক আহ্বান**

## প্ৰধানমন্ত্ৰীলৈ ১০ লাখ লোকৰ চহীসম্বলিত স্মাৰক-পত্ৰ প্ৰেৰণ কৰিব জাতীয় পৰিষদে

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ৯ জুন ঃ** নিলামলৈ যোৱা অসমৰ কাগজ কল দুটাৰ সম্পত্তিখিনি বিক্ৰী নকৰি সেয়া পুনৰুজ্জীৱিত কৰাৰ দাবীৰে দহ লাখ লোকৰ চহী সম্বলিত এখন স্মাৰকপত্ৰ ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণৰ সিদ্ধান্ত লৈছে অসম জাতীয় পৰিষদে। জাগীৰোডস্থিত নগাঁও কাগজ কলৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত কাগজ কল কৰ্মচাৰী সংস্থাসমূহৰ সহযোগত আয়োজন ■ ৮ পৃষ্ঠাত

## গহপুৰত বাঢ়নী পানীয়ে ছিঙি নিলে মথাউৰি

**বিশ্বনাথত কুৰিখনকৈ গাঁও জলমগ্ন ঃ বাঢ়নী পানীয়ে উটুৱাই নিয়ে গড়কাপ্তানী পথ ঃ পশুধনৰ ক্ষতি**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৯ জুন ঃ** দিৰিং আৰু ঘিলাধাৰী নদীৰ বাঢ়নী পানীয়ে বিশ্বনাথ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰপথাৰ অঞ্চলৰ কুৰিখনকৈ গাঁও বাঢ়নী পানীয়ে বুৰাই ■ ৮ পৃষ্ঠাত

**দুটা সমষ্টি সংলগ্ন এখন দলঙৰ জৰাজীৰ্ণ অৱস্থা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ জুন ঃ** নগাঁও জিলাৰ দুটাকৈ সমষ্টি সংযোগ কৰা এখন দলঙৰ জৰাজীৰ্ণ অৱস্থাই সমষ্টি দুটাৰ কেইবাখনো গাঁৱৰ ৰাইজক ■ ৮ পৃষ্ঠাত





## ১২১ গছি বন্তি জ্বলাই ৰাষ্ট্ৰীয় বীৰ শ্বহীদ বিৰছা মুণ্ডাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি ডিমৌ আটছাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৯ জুন ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডিমৌ শাখাৰ অন্তৰ্গত থকা ৰাজমাই উপ শাখা উদ্যোগত আজি ৰাষ্ট্ৰীয় শ্বহীদ বীৰ বিৰছা মুণ্ডাৰ ১২১ মৃত্যুবাৰ্ষিকী ৰাজমাইত অৱস্থিত বীৰ বিৰছা মুণ্ডা শ্বহীদ বেদীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন ■ ৮ পৃষ্ঠাত

## দুলীয়াজান-গোৱালপাৰাৰ লক্ষীপুৰত হাতীৰ আক্ৰমণত দুজনৰ মৃত্যু, নাওবৈচাত বন্যহস্তীৰ ৰহস্যজনক মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ৯ জুন ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰত পুনৰ বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱানিশা ১ মান বজাত এজাক বনৰীয়া হাতীৰ আক্ৰমণত লক্ষীপুৰৰ থৰকো গাঁৱৰ ■ ৮ পৃষ্ঠাত



**দৰমহাৰ পৰা বঞ্চিত বৃত্তিমূলক শিক্ষক আৰু প্ৰশিক্ষক, মন্ত্ৰী পীযূষ হাজৰিকাক স্মাৰক-পত্ৰ**

## ৰাষ্ট্ৰীয় কৌশল বিকাশ যোজনাৰ প্ৰশিক্ষকৰ হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৯ জুন ঃ** ৰাষ্ট্ৰীয় কৌশল বিকাশ যোজনাৰ অধীনত ৰাজ্যখনত নিয়োজিত বৃত্তিমূলক শিক্ষকসকলৰ সংগঠন সদৌ অসম এন এছ কিউ এফ বৃত্তিমূলক শিক্ষক সন্থাই শেহতীয়াকৈ ■ ৮ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীলৈ পত্ৰ কৰ্মচাৰী পৰিষদৰ

**ৰাজ্যিক কৰ্মচাৰীৰ বিনামূলীয়া চিকিৎসা সেৱা আঁচনি কাৰ্যকৰী কৰাৰ আহ্বান ঃ শিক্ষকসকলৰ আৰ্জিত ছুটী বৃদ্ধি সন্দৰ্ভতো পত্ৰ ঃ চৰকাৰৰ নতুন নিযুক্তি প্ৰক্ৰিয়াত ৪ শতাংশ হাৰত প্ৰতিবন্ধীৰ বাবে আসন সংৰক্ষণ নিশ্চিত কৰাৰ দাবী প্ৰতিবন্ধী সুৰক্ষা সংস্থাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৯ জুন ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদে বিগত এটা দশক ধৰি চৰকাৰৰ ওচৰত ৰাজ্যিক কৰ্মচাৰীসকলৰ কাৰণে বিনামূলীয়া চিকিৎসা সেৱা আঁচনি ৰূপায়ণৰ বাবে দাবী ■ ৮ পৃষ্ঠাত

## শ শ টোকোৰা চৰাইৰ বাহে দৃষ্টিনন্দন পৰিৱেশৰ সৃষ্টি কৰিছে ঢকুৱাখনাৰ ভবেন বৰাৰ বাৰীত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ৯ জুন ঃ** শ শ বিলুপ্তপ্ৰায় টোকোৰা চৰায়ে আশ্ৰয় লৈ দৃষ্টিনন্দন পৰিৱেশৰ সৃষ্টি কৰিছে ঢকুৱাখনাৰ ভবেন বৰাৰ বাসগৃহৰ চৌহদত। ফলত বৰাৰ পৰিয়ালে শুনিব লগা হৈছে কৃষকৰ গালি। কোনো লোকৰ পোহনীয়া হাঁহ, কুকুৰা চুবুৰীয়াৰ বাৰীত সোমাই অনিষ্ট কৰিলে সেই চুবুৰীয়াই গৃহস্থক গালি পৰা আপুনি নিশ্চয় দেখিছে বা শুনিছে। কিন্তু এইবাৰ এজাক বন্যপক্ষীক নিজৰ গৃহত বিগত পাঁচ বছৰ আশ্ৰয় দি অহাৰ বাবে গাঁৱৰ একাংশ কৃষক লোকৰ গালি-শপনিও শুনিব লগাত পৰিছে ঢকুৱাখনাৰ এঘৰ গৃহস্থই। শ শ টোকোৰা ■ ৮ পৃষ্ঠাত

## বিশিষ্ট লেখক, চিন্তাবিদ, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ড° ৰোহিণী কুমাৰ বৰুৱাৰ বিয়োগ

**মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** বিশিষ্ট লেখক, চিন্তাবিদ, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ড° ৰোহিণী কুমাৰ বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ড° ৰোহিণী কুমাৰ বৰুৱাৰ বিয়োগত অসমে এগৰাকী বিশিষ্ট চিন্তাবিদ আৰু নিবন্ধকাৰ হেৰুৱালে। এগৰাকী প্ৰশাসনিক বিষয়া হিচাপে তেওঁ সুখ্যাতিৰে কাৰ্যনিৰ্বাহ ■ ৮ পৃষ্ঠাত

## লংকাত অৱসৰ প্ৰাপ্ত শিক্ষকৰ মহৎ কৰ্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, লংকা, ৯ জুন ঃ** ব্যস্ততা কৰ্মজীৱন। আনৰ হকে চিন্তা কৰিবলৈ যেন আমাৰ হাতত নাই সময়। কিন্তু ব্যস্ততাৰ এই সময়তো যেন বৰ্তমানো জীয়াই আছে কিছু সৎ মনোবৃত্তিৰ লোক। ঠিক তেনে এটা ঘটনা হৈছে লংকাত। জানিব পৰা মতে লংকাৰ অৱসৰপ্ৰাপ্ত শিক্ষক জিতেন শইকীয়াই পুৱা নিজ ঘৰৰ পৰা লংকা বজাৰ অভিমুখে যোৱা পথত লংকাৰ অ'টো ষ্টেণ্ড সমীপত মাটিত পৰিত্যক্ত অৱস্থাত প্ৰত্যক্ষ কৰে এটা গৰাকীবিহীন মহিলাই ব্যৱহাৰ কৰা পইচা ৰখা বেগ। বেগটো প্ৰত্যক্ষ কৰি বেগটো অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীয়ে মাটিৰ পৰা উঠাই লৈ অ'টো ষ্টেণ্ডত থকা চালকসকলক আৰু বাইজক বেগটো কাৰ জানিবলৈ সোধপোছ কৰে। সকলোৱে নাজানো বুলি কোৱাত আৰু বেগটোৰ গৰাকী নোপোৱাত শিক্ষকগৰাকীয়ে অ'টো ষ্টেণ্ডত থকা চালকসকলক, নিজৰ মোবাইল নম্বৰ দিয়ে যাতে বেগটোৰ গৰাকীয়ে হেৰুৱা বেগটো বিচাৰি আহিলে হেৰুওৱা বেগটো বিচাৰি পোৱাত সুবিধা হয়। পিছত গৰাকীবিহীন বেগটো স্থানীয় আৰক্ষীক চমজাই দিবলৈ শিক্ষকগৰাকী লংকা আৰক্ষী থানালৈ বাওনা হয়। লংকা আৰক্ষী থানাত শিক্ষকগৰাকী উপস্থিত হোৱাত, শিক্ষকগৰাকীৰ ফোনলৈ এটা অচিনাকি ফোন নম্বৰৰ পৰা ক'ল আহে আৰু বেগটোৰ গৰাকী ৰুকচানা বেগমে বেগটো বুলি দাবী কৰে। পিছত লংকা আৰক্ষী থানাৰ চৌহদত আৰক্ষীৰ সন্মুখত অৱসৰপ্ৰাপ্ত শিক্ষকজনে বেগটোৰ গৰাকী ৰুকচানা বেগমক বেগটো চমজাই দিয়ে।

# আন্তৰ্জাতিক টাইকোৱানডো খেলুৱৈ জ্ঞানদ্বীপ কলিতাৰ খেলুৱৈলৈ সাহায্য

## পূব নলবাৰী ক'চিং চেণ্টাৰৰ উল্লেখনীয় পদক্ষেপ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৯ জুনঃ** মহামাৰী কৰ'না ভাইৰাছৰ পৰা ৰক্ষা পাবলৈ চৰকাৰে বান্ধি দিয়া নীতি-নিয়মকে সাৱোগত কৰি খেলুৱৈসকল ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হৈছে। ঘৰতে থাকি অনুশীলন চলাই আছে যদিও খোৱা-লোৱাৰ বিভিন্ন সমস্যা আহি পৰিছে। ২বজাত সান্ধ্য আইন ঘোষণা কৰাৰ লগে লগে দিন-হাজিৰা কৰা কিছু খেলুৱৈ তথা অভিভাৱকে ক'তো কাম কৰিব পৰা নাই। ফলত গভীৰ অৰ্থ সংকটত ভুগিছে এইসকল খেলুৱৈৰ পৰিয়ালে। এই কথা উপলব্ধি কৰি নলবাৰী জিলাৰ অগ্ৰণী ক্ৰীড়া সংগঠন পূব নলবাৰী ক'চিং চেণ্টাৰে খেলুৱৈৰ দুৰ্দশাৰ কথা কিছু হৃদয়ৱান ব্যক্তিক অৱগত কৰোৱাত কেইবাজনো ব্যক্তিয়ে ইতিমধ্যে খেলুৱৈসকলক সহায়ৰ হাত আগবঢ়াইছে আৰু কেইবাজনো ব্যক্তিয়ে সহায় আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিছে। আজি নলবাৰীৰ গৌৰৱ আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো খেলুৱৈ জ্ঞানদ্বীপ কলিতাই দুখীয়া খেলুৱৈৰ পক্ষত থিয় হৈ সাহস আৰু প্ৰেৰণা দিয়াৰ লগতে ২০জন খেলুৱৈৰ মাজত চাউল- ৩কিলো, ডাইল-১কিলো, মিঠাতেল-আধা লিটাৰ, আলু-২ কিলো, পিয়াজ-১ কিলো, বুট, বিস্কুট ইত্যাদি অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰে। খাদ্য-সামগ্ৰী বিতৰণ অনুষ্ঠানত উপস্থিত থাকে জ্ঞানদ্বীপ কলিতা, ভাৰতীয় জনতা যুৱ মৰ্চা নলবাৰী জিলা সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰ্মন, পূব নলবাৰী ক'চিং চেণ্টাৰৰ সভাপতি দীপক কুমাৰ দাস। খাদ্যসামগ্ৰী গ্ৰহণ কৰি খেলুৱৈসকল উৎসাহী হৈ পৰে লগতে জ্ঞানদ্বীপ কলিতাৰ মহানুভৱতাক সকলোৱে ধন্যবাদসহ কৃতজ্ঞতা জ্ঞাপন কৰে।

# ধুবুৰীত কৰ'নাৰ সময়ত এজন যুৱকৰ ব্যতিক্ৰমধৰ্মী সমাজসেৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৯ জুন ঃ** ধুবুৰী চহৰত ৪৫ উৰ্দ্ধ্বৰ দিন হাজিৰা কৰা অথবা চাহ দোকান, গেলামাল দোকানত কাম কৰা নিৰীহ লোকৰ সন্ধানত এজন যুৱক। নাম দিপাংকৰ মজুমদাৰ। দিপাংকৰে নিজৰ স্কুটীত ক'ভিড ভেকচিনৰ সজাগতাৰ বেনাৰ লগাই প্ৰতিদিনে ৰাতিপুৱাৰ পৰা দিনৰ বাৰ বজালৈ ঘূৰিছে ভেকচিন নোপোৱা লোকৰ সন্ধানত। উদ্দেশ্য এটাই দিন হাজিৰা কৰা নিৰীহ লোকসমূহক ভেকচিনৰ প্ৰতি থকা তেওঁলোকৰ অজ্ঞতা দূৰ কৰাই ক'ভিড ভেকচিন দিয়াৰ ব্যৱস্থা কৰাই দিয়া। দিন হাজিৰা কৰা লোকক বিচাৰি ধুবুৰী চহৰৰ চুকে-কোণে স্কুটীৰে ঘূৰি ফুৰিছে যুৱকজন। তেখেতৰ এই অভিযানত প্ৰথম ভেকচিন লাভ কৰা ব্যক্তিগৰাকী হৈছে এজন দিন হাজিৰা কৰা মিঠাইৰ কাৰিকৰ। ক্ৰমে ক্ৰমে এই তালিকাখনত অন্তৰ্ভুক্ত হয় শাক-পাচলি বিক্ৰেতা, ঠেলাচালক, অটো চালক, মাছ বিক্ৰেতা, ফুটপাথৰ চাহৰ দোকানী, গেছ চিলেণ্ডাৰ ডেলিভাৰী দিয়া মানুহ, ফিল্টাৰ পানী যোগান ধৰা মানুহ, দোকানৰ কৰ্মচাৰী, ঘৰৰ দৈনিক কাম-বন কৰা, শাৰীৰিকভাৱে প্ৰতিবন্ধী ইত্যাদি আৰু বহুতো। ইতিমধ্যে সফলতা আহিছে কিছু পৰিমাণে যদিও তেওঁৰ উদ্দেশ্য ৪৫ উৰ্দ্ধ্বৰ চহৰখনৰ প্ৰতিজন ব্যক্তিক ভেকচিনৰ ব্যৱস্থা কৰাই দিয়া। উল্লেখ্য যে ধুবুৰীত বহুত দোকানৰ কৰ্মচাৰীয়ে কোনোমতে দিন হাজিৰা কৰিয়ে জীৱন-জীৱিকা নিৰ্বাহ কৰে। বজাৰত দোকানৰ পৰা কোনো সামগ্ৰী ক্ৰয় কৰিবলৈ হ'লে সেইসমূহ লোকৰ হাতেৰে দোকানৰ সামগ্ৰী ক্ৰয় কৰিব লাগে। ক'ভিডৰ এনে জটিল পৰিস্থিতিত উক্ত কৰ্মচাৰীসমূহ ক'ভিড ভেকচিন নল'লে ক'ভিডে আপোনাক-আমাক সকলোকে অধিক সংক্ৰমিত কৰি পৰিস্থিতি অধিক জটিল ৰূপ লোৱাৰ সম্ভাৱনা প্ৰবল। এয়াই হৈছে বিপদৰ বন্ধু। এই মহান কামত ব্ৰতী হোৱা যুৱকজনৰ নাম দিপংকৰ মজুমদাৰ। পেছাত মেডিকেল ছেল্‌ছত কাম কৰা যুৱকজনে ক'ভিডৰ দ্বিতীয় ৱেভ আৰম্ভ হোৱাৰ পিছৰ পৰাই ভেকচিনৰ প্ৰতি ৰাইজৰ সজাগতা বৃদ্ধি কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। দিপংকৰৰ স্পষ্ট কথা চহৰখনৰ প্ৰতিজন ব্যক্তিয়ে ভেকচিন ল'লেহে কৰ'নাৰ ভয়াৱহতাৰ পৰা ৰক্ষা পৰিব সমগ্ৰ অঞ্চল। তেওঁৰ মতে বহু দুখীয়া পৰিয়ালৰ হাতত এনড্ৰ'য়েড মোবাইল নথকা আৰু দৈনিক দুবেলা দুমুঠি জোগাৰৰ তাগিদাত এই মানুহসকল ভেকচিনৰ দীঘলীয়া লাইনত যাব পৰা নাই। এতিয়া আমাৰ সকলোৰে কৰ্তব্য এইসকল লোকক চিনাক্ত কৰি তেওঁলোকক দ্ৰুত ভেকচিনৰ ব্যৱস্থা কৰাৰ লগতে ভেকচিনৰ প্ৰতি থকা ভয়-শংকা দূৰ কৰা। কোনেও চিন্তা নকৰা উক্ত লোকসকলৰ বাবে ধুবুৰীৰ দিপংকৰৰ এনে চিন্তা সঁচা অৰ্থত ব্যতিক্ৰমী আৰু দিপংকৰৰ এই প্ৰচেষ্টাই বহুতৰে জীৱন ৰক্ষা কৰাৰ যি পণ লৈছে সেয়াও বহুতে শলাগ লৈছে।

# ধুবুৰীৰ মাটিফাটা-শালকাটা পথ নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ স্থানীয় লোকৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৯ জুন ঃ** ধুবুৰী জিলাৰ মাটিফাটা বজাৰৰ পৰা শালকাটা বজাৰলৈ ২.৫৫২ কিঃমিঃ ৰাস্তা ৫বছৰৰ মেৰামতিৰ বাবে ২০১৮/১৯ বিত্তীয় বৰ্ষত গড়কাপ্তানী বিভাগৰ PMGSY আঁচনিৰ অধীনত ১৫.০৩ লাখ টকা আবণ্টন দিছিল। উল্লেখ্য যে এই একেটা পথ অৰ্থাৎ মাটিফাটা বজাৰৰ পৰা শালকাটা বজাৰলৈ যোৱা পথটোৰ বাবে দুনাই গড়কাপ্তানী বিভাগটোৱে SOPD আঁচনিৰ অধীনত ২০১৯/২০ বিত্তীয় বৰ্ষত মেৰামতিৰ বাবে প্ৰায় ৬৩লাখ টকা আবণ্টন দিয়া পৰিলক্ষিত হয়। এই কামটোৰ ঠিকা লাভ কৰে আহমেদ নুৰ আলম নামৰ এজন ব্যক্তিয়ে। এই কামটো কৰাৰ বাবে ঠিকা লাভ কৰা ঠিকাদাৰ দুজনৰ ভিতৰত এজনেও সঠিকভাৱে কাম নকৰাৰ বাবে ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে বুলি স্থানীয় ৰাইজে মন্তব্য কৰে। কিন্তু বৰ পৰিতাপৰ বিষয় যে চৰকাৰে এটা ৰাস্তাৰ বাবে বছৰে বছৰে ইমান টকা আবণ্টন দিয়াৰ পিছতো কিয় সঠিকভাৱে ৰাস্তাৰ কাম নহয়। ৰাইজে অভিযোগ কৰা মতে ৰাস্তাৰ কাম লোৱা ঠিকাদাৰসকলে ভালভাৱে ৰাস্তাৰ কাম নকৰে, গতিকে চৰকাৰে এই ঠিকাদাৰৰ বিৰুদ্ধে উচিত তদন্ত হ'ব লাগে বুলি মতপোষণ কৰে। এই অঞ্চলৰ ৰাইজে কিমান কষ্ট কৰি অহা-যোৱা কৰি আছে সেই দৃশ্য দেখি আপুনিও ভাবিবলৈ বাধ্য হ'ব যে কি কৰি আছে দক্ষিণ শালমৰা-মানকাচৰ জিলাৰ গড়কাপ্তানী বিভাগৰ ঠিকাদাৰসকলে। এই দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰসকলক চৰকাৰ তথা জিলা প্ৰশাসনে নাকী লগাব পাৰিবনে? চৰকাৰ তথা জিলা প্ৰশাসনে এই ঠিকাদাৰসকলৰ বিৰুদ্ধে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে হ'ব লক্ষণীয়।

## নগাঁৱত ক'ভিশ্বিল্ড ভেকচিন প্ৰদানত জিলা প্ৰশাসনৰ বিশেষ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ জুন ঃ** নগাঁও জিলা প্ৰশাসনে জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলাখনত ক'ভিড-১৯ মহামাৰীৰ টিকাকৰণ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিশেষকৈ নগাঁও চহৰত বৰ্তমান ক'ভিড-১৯ৰ টিকাকৰণ চলি থকা গোপীনাথ দেৱগোস্বামী বাণিজ্যিক মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয়, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, ৰ'টাৰী ক্লাবৰ উপৰি নতুনকৈ হয়বৰগাঁও আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, নগাঁও চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু খাগৰিজান মহাবিদ্যালয়ত কাইলৈ অৰ্থাৎ ১০ জুনৰ পুৱা ৯ বজাৰ পৰা ক'ভিড ভেকচিন প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। উল্লেখিত টিকাকৰণ কেন্দ্ৰসমূহত ১৮ বছৰৰ পৰা ৪৪ বছৰৰ বয়সৰ লোকক কোভিশ্বিল্ডৰ প্ৰথম পালি ভেকচিন প্ৰদান কৰা হ'ব। ইয়াৰ বাবে আজি বিয়লি ৪ বজাৰ পৰা অনলাইন বুকিং মুকলি কৰি দিয়া হয়। আনহাতে ১০ জুনৰ পৰা আগন্তুক তিনিদিনৰ বাবে হ'বলগীয়া এই টিকাকৰণে জিলাখনৰ চহৰ এলেকাৰ মুঠ ৯,৯০০ জন লোকক সামৰি ল'ব।

### কামৰূপ জিলাভিত্তিত অনলাইন কুইজ প্ৰতিযোগিতা

# বকোৰ দকুচি আদৰ্শ বিদ্যালয়ৰ বিশেষ সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৯ জুন ঃ** চৰকাৰী বিদ্যালয়ৰ উচ্চ প্ৰাথমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত 'সমগ্ৰ শিক্ষা'-কামৰূপৰ উদ্যোগত 'কিৰণ' কাৰ্যসূচীৰ অধীনত যোৱা ৬ জুনত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা হৈছিল এক ব্যতিক্ৰমী অনলাইন মাধ্যম (লাইভ)ৰ কুইজ প্ৰতিযোগিতাৰ। উক্ত প্ৰতিযোগিতাৰ উদ্বোধন কৰে কামৰূপ জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই। উল্লেখ্যে যে ক'ভিডসৃষ্ট পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ লগত পোনপটীয়া সংযোগেৰে মনোবল বৃদ্ধি কৰা এনে ধৰণৰ সৃজনীমূলক অনুষ্ঠানৰ আয়োজন কৰা বুলি জিলা প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। সৰ্বশিক্ষা অভিযান মিছনৰ কামৰূপ জিলাৰ আঁচনি বিষয়া সংগীতা গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰা এই অনলাইন কুইজ প্ৰতিযোগিতাৰ কুইজ মাষ্টৰ হিচাপে সঞ্চালনা কৰে কামৰূপ জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা ড° শিৰোমণি ভূঞাই। অতি সাৱলীলভাৱে আৰু নিয়াৰিকৈ কৰা এই প্ৰতিযোগিতা পৰিচালনাত সহযোগ কৰে 'কিৰণ' কাৰ্যসূচীৰ সদস্য ক্ৰমে গৌড় চন্দ্ৰ বৰ্মন, কবিতা দাস, অঞ্জনা ডেকা আদি খণ্ড আৰু মণ্ডল সমল কেন্দ্ৰ সমন্বয়কসকলে। পল্লৱী পাঠকে আঁত ধৰা এই অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় জিলা আঁচনি বিষয়া চুইটী বেজবৰুৱাই। উল্লেখ্য, মুঠ ৪৩ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অনলাইন কুইজ প্ৰতিযোগিতাত কামৰূপ জিলাৰ ছমৰীয়া শিক্ষাখণ্ডৰ অন্তৰ্গত দোকুচি আদৰ্শ বিদ্যালয়ৰ সপ্তম শ্ৰেণী ছাত্ৰী অশ্বেতা শৰ্মাই তৃতীয় স্থান দখল কৰে। ইফালে প্ৰতিযোগিতাখনত প্ৰথম স্থান অধিকাৰ কৰে বিশেষভাৱে সক্ষম 'ৰাণী হাইস্কুল'ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী গীতা বড়ো আৰু দ্বিতীয় স্থান দখল কৰে কৰৰা শিক্ষাখণ্ডৰ 'বিধোভূষণ বৈশ্য মধ্য ইংৰাজী বিদ্যালয়'ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ মৃণ্ময় ডেকাই।



# আমছুৰ খোলাবান্ধা আঞ্চলিক সমিতিৰ কৰ'না মহামাৰী সন্দৰ্ভত সজাগতা অভিযান ঃ ছেনিটাইজাৰ-মাস্ক বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৯ জুন ঃ** আমছুৰ দক্ষিণ বৰপেটা জিলা সমিতিৰ অধীনস্থ খোলাবান্ধা আঞ্চলিক সমিতিৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৰাইজৰ মাজত কৰ'না মহামাৰীৰ সন্দৰ্ভত সজাগতা অভিযানৰ লগতে ছেনিটাইজাৰ-মাস্ক বিতৰণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। স্থানীয় মৈৰাদিয়া-খোলাবান্ধা বজাৰত আমছুৰ কৰ্মকৰ্তাসকলে উক্ত কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পিছত বজাৰত উপস্থিত থকা ৰাইজক কৰ'না ভাইৰাছৰ পৰা ৰক্ষা পাবলৈ সকলোকে সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায়। তদুপৰি আমছুৰ কৰ্মীসকলে আজি অঞ্চলটোত ৰাইজৰ মাজত প্ৰায় সহস্ৰাধিক মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰে। এই কাৰ্যসূচীত আমছুৰ প্ৰাক্তন উপ-সভাপতি সোণাউল্লা, প্ৰাক্তন প্ৰচাৰ সম্পাদক অবিলউদ্দিন আহমেদ, দক্ষিণ বৰপেটা জিলা আমছুৰ কাৰ্যকৰী সভাপতি ইকবাল হুছেইন প্ৰমুখ্যে কৰি বহুকেইজন নেতৃত্ব উপস্থিত থাকে।

# নগাঁও-ধিং সংযোগী পথৰ ধিং গে'টৰ ওচৰত বিধ্বস্ত ৰূপ

## পানী জমা হৈ সৃষ্টি কৰিছে পুখুৰীসদৃশ গাঁতৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ জুন ঃ** নগাঁও জিলাৰ এটা গুৰুত্বপূৰ্ণ পথ হৈছে নগাঁও চহৰৰ পৰা বটদ্ৰৱা, ধিং হৈ মৈৰাবাৰীলৈ যোৱা গড়কাপ্তানী পথ। নগাঁও সদৰ, বটদ্ৰৱা আৰু ধিং সমষ্টিক সংযোগ কৰা নগাঁৱৰ ধিং-মৈৰাবাৰী সংযোগী পথটোৰ নগাঁও চহৰৰ ধিং গে'টৰ অংশ আৰু মৈৰাবাৰীৰ সমীপৰ প্ৰায় ২ কিঃ মিঃ অংশৰ দুৰৱস্থাই সৰ্বসাধাৰণ ৰাইজৰ লগতে যানবাহনত অহা-যোৱা কৰা লোকসকলক দীৰ্ঘদিন ধৰি জ্বলা-কলা খুৱাই আহিছে। বিশেষকৈ নগাঁও চহৰৰ ধিং গে'টৰ ফ্লাইঅ'ভাৰৰ নাতিদূৰৈৰ অংশত গাঁতৰ সৃষ্টি হোৱাত যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈ আহিছে। বছৰৰ পিছত বছৰ ধৰি পথটোৰ ধিং গে'টৰ অংশত পানী জমা হৈ থকাৰ ফলত এই পথেৰে অহা-যোৱা কৰা সকলোৱে দুৰ্ভোগ ভুগিব লগা হৈছে। বিভিন্ন সময়ত দল-সংগঠনৰ লগতে নাগৰিকসকলে পথটোৰ সেই অংশ যাতায়তৰ উপযোগী কৰি তুলিবলৈ চৰকাৰক দাবী জনাই আহিছে। পথটোৰ এই অংশত জমা হোৱা পানী ওলাই যোৱাৰ সুবিধা নথকাত পথটোৰ এই অংশত বছৰটোৰ অধিকাংশ সময়েই পানী জমা হৈ থাকে। বিশেষকৈ বাৰিষাৰ সময়ত হোৱা বৰষুণৰ ফলত পথটোৰ এই অংশত পুখুৰীসদৃশ গাঁত হৈ বিধ্বস্ত কৰি তোলে। যাৰ বাবে সকলোৱে যমৰ যন্ত্ৰণা ভুগিব লগা হয়। পথটোৰ এই অংশৰ দুৰৱস্থাৰ বাবেই উজনি, নামনি আৰু উত্তৰ অসমৰ পৰ্যটক আৰু ভক্তপ্ৰাণ ৰাইজে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মভূমি বটদ্ৰৱালৈ অহা-যোৱাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। পথটোৰ এই সমস্যা দূৰ কৰিবৰ বাবে গড়কাপ্তানী বিভাগে ২০২০ বৰ্ষত ধিং গে'টৰ পৰা সোণাই নদীলৈ পথৰ দুয়োকাষে নলা নিৰ্মাণ কৰাৰ লগতে পথটো আহল-বহল কৰিছিল। নগাঁওবাসী ৰাইজে পথটোৰ এই অংশৰ পানী নিষ্কাশণ কৰি পথটো যাতায়তৰ উপযোগী কৰি তুলিবলৈ চৰকাৰক দাবী জনায়।

# বৰপেটাৰ আদৰ্শ মহিলা তথা সাংবাদিক নৱজিৎ বায়নৰ মাতৃ ডিম্বেশ্বৰী বায়নৰ মৃত্যুত মন্ত্ৰী ৰণজিৎ দাসৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৯ জুন ঃ** বৰপেটাৰ আদৰ্শ, ধৰ্মপ্ৰাণ মহিলা, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা নিউজ লাইভৰ বৰপেটাৰ সাংবাদিক নৱজিৎ বায়নৰ মাতৃ ডিম্বেশ্বৰী বায়নৰ ৮ জুনৰ পুৱা পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৭৩ বছৰ। গজিয়া ৰোড নিবাসী অৱসৰপ্ৰাপ্ত মহিলাগৰাকীয়ে পুৱতি নিশা প্ৰায় ৪ বজাত নিজ গৃহত গুৰুতৰভাৱে অসুস্থ হৈ পৰে। লগে লগে পৰিয়ালৰ লোকে তেওঁক বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ যায় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। উল্লেখ্য যে প্ৰয়াত শিক্ষক ভৱহৰি বায়নৰ পত্নী তথা উপ-পঞ্জীয়ক কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ডিম্বেশ্বৰী বায়ন সামাজিক কামৰ সৈতেও জড়িত আছিল। ডিম্বেশ্বৰী বায়নৰ মাজু পুত্ৰ গুণজিৎ বায়ন এন ই এছ এছ এফ বেংকৰ উচ্চপদস্থ বিষয়া আৰু কনিষ্ঠ পুত্ৰ নৱজিৎ বায়নে নিউজ লাইভৰ বৰপেটাৰ সাংবাদিক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, এগৰাকী জীয়াৰীৰ লগতে নাতি-নাতিনী আৰু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। ধৰ্মপ্ৰাণ মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। সমাজসেৱিকা ডিম্বেশ্বৰী বায়নৰ মৃত্যুৰ খবৰ পাই পঞ্চায়ত-গ্ৰামোন্নয়ন আৰু যোগান আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পৰিয়ালৰ সৈতে টেলিফোনিক বাৰ্তালাপৰ জৰিয়তে শোকপ্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনায়। মুখ্যমন্ত্ৰীৰ প্ৰধান প্ৰেছ সচিব ধ্ৰুৱ মহন্তই ডিম্বেশ্বৰী বায়নৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে টেলিফোনযোগে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সৰ্বৱৰহী ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত বিভিন্ন দল-সংগঠন, ব্যক্তিৰ উপৰি বৰপেটা প্ৰেছ ক্লাব, জাৰ্ণেলিষ্ট ইউনিয়ন অফ অসমৰ বৰপেটা জিলা সমিতি, বৰপেটা জিলা সাংবাদিক সন্থা, বৰপেটা জিলা ডিজিটেল সাংবাদিক সন্থা, ইণ্ডিয়ান জাৰ্ণেলিষ্ট এছ'চিয়েচনৰ বৰপেটা জিলা সমিতি, বৰপেটা জিলা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, বৰপেটা জিলাৰ প্ৰাক্তন উপায়ুক্ত মুনীন্দ্ৰ শৰ্মা, বিজেপি নেতা অনিল কুমাৰ দাস, বৰপেটাৰ অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠকে শোক প্ৰকাশ কৰে। পুৱা ৮-৩০ বজাত বৰপেটা চহৰৰ নখান্দা পাৰৰ 'চাৰিখুটি' শ্মশানত তেওঁৰ শেষকৃত্য আজি সম্পন্ন কৰা হয়।

# ভূৰাগাঁৱৰ হলৌকান্ধা গাঁৱত ভয়েচ ফৰ পিপ'ল্‌ছ কমুনিটী গ্ৰুপৰ সাহায্য প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৯ জুন ঃ** সম্প্ৰতি দেশত কৰ'না মহামাৰী আৰু লকডাউন চলি থকাৰ বাবে সাধাৰণ মানুহৰ অৱস্থা জুৰুলা হোৱাটো পৰিলক্ষিত হৈছে। এই অৱস্থাত নৈপৰীয়া ৰাইজৰ দুৰৱস্থা দুনাই কোৱাৰ প্ৰয়োজন নাই। ঠিক তেনে সময়তে আজি মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ এটা নৱগঠিত মানুহৰ হকে মাত মতা আৰু আৰ্তজনৰ কাষত থিয় দিয়া Voice for People Community Groupৰ তৰফৰ পৰা হলৌকান্ধা নৈপৰীয়া গাঁৱৰ ৩০টা পৰিয়ালৰ মাজত অত্যাৱশ্যকীয় খাদ্যসামগ্ৰী বিতৰণ কৰি মহানতাৰ পৰিচয় দাঙি ধৰে আৰু এই সাহায্য বিতৰণ কাৰ্যত উপস্থিত আছিল গ্ৰুপৰ সভাপতি ইজাহাৰ আল তজদিদ, সম্পাদক মুদ্দাছ ৰাইহান, সহ সম্পাদক শিৰাজুল আলম, মুখ্য কাৰ্যবাহী সম্পাদক আমিৰ চোহেল (বৰাক ভেলী) আৰু ছাইফুল ইছলামে। তেওঁলোকৰ এনে সাহায্য প্ৰদান কাৰ্যত স্থানীয় লোকে ভূয়সী প্ৰশংসা কৰিছে।

### বঙাইগাঁও জিলাৰ চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ বৃত্তিত বৃহৎ কেলেংকাৰী

# ৫৪জন ছাত্ৰ-ছাত্ৰীৰ ভুৱা একাউণ্ট খুলি সৰকালে ধন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৯ জুন ঃ** ৰাজ্য চৰকাৰে সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ নামত কৌটি কৌটি টকা খৰচ কৰিছে যদিও সেই টকাৰ ওপৰত একাংশ শিক্ষকৰ শেন চকু পৰা পৰিলক্ষিত হৈছে। বঙাইগাঁও জিলাৰ চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৫৪জনকৈ ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ ধন সৰকালে বিদ্যালয় কৰ্তৃপক্ষই। ছাত্ৰ বৃত্তিৰ নামত ছাত্ৰ-ছাত্ৰীৰ পৰা বেংক একাউন্ট খোলাৰ নামত সহকাৰী শিক্ষক ছানোৱাৰ হুছেইনে নথি-পত্ৰ লয় যদিও ছাত্ৰ-ছাত্ৰীৰ নামত ভুৱা একাউণ্ট খুলি সেই একাউন্টত ধন সুমোৱাই সকলো টকা আত্মসাৎ কৰে। ছাত্ৰ বৃত্তিৰ ধন বিদ্যালয় কৰ্তৃপক্ষই আত্মসাৎ কৰাৰ কথা ইকান-সিকাণ হোৱাত অধ্যক্ষ নুৰ মহম্মদ আৰু সহকাৰী শিক্ষক ছানোৱাৰ হুছেইনে মধ্যস্থতাকাৰী দুজন ব্যক্তিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক ১০,৭০০ টকাৰ পৰিৱৰ্তে ২/৩ হাজাৰ টকাকৈ দি চহী ল'বলৈ বাধ্য কৰাবলৈ চেষ্টা অব্যাহত ৰাখিছে। কিন্তু একাংশ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলে এই কথাত মান্তি হোৱা নাই। ছাত্ৰ-ছাত্ৰীসকলে অধ্যক্ষ নুৰ মহম্মদ আৰু সহকাৰী শিক্ষক ছানোৱাৰ হুছেইনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ইফালে অধ্যক্ষ নুৰ মহম্মদে বিদ্যালয়খনত ছাত্ৰ বৃত্তিৰ ধনত দুৰ্নীতি হোৱা বুলি স্বীকাৰ কৰিছে।

### জহি-খহি গৈছে চকৰ্দৌ উপ স্বাস্থ্যকেন্দ্ৰ

# বিপদজনকভাৱে কৰ্তব্য পালন কৰি আছে স্বাস্থ্যকৰ্মীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৯ জুন ঃ** মাৰাত্মক কৰ'না মহামাৰীয়ে সমগ্ৰ ৰাজ্যৰ লগতে গুৱাহাটী মহানগৰবাসীকো আতংকিত কৰি ৰাখিছে। দিন-ৰাতি একাকাৰ কৰি চিকিৎসক-স্বাস্থ্যকৰ্মীয়ে নিজ দায়িত্ব পালন কৰি আছে। কিন্তু একাংশ উপ স্বাস্থ্যকেন্দ্ৰৰ জৰাজীৰ্ণ অৱস্থাই স্বাস্থ্যকৰ্মীৰ জীৱনলৈ ভাবুকি কঢ়িয়াই অনা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে মহানগৰীৰ আজাৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত চকৰ্দৌ উপ স্বাস্থ্যকেন্দ্ৰটোলৈ আঙুলিয়াব পাৰি। প্ৰায় তিনি দশক পূৰ্বে নিৰ্মাণ কৰা চকৰ্দৌ উপ স্বাস্থ্যকেন্দ্ৰটো সম্প্ৰতি জৰাজীৰ্ণ হৈ পৰিছে। নিৰ্মাণৰ পিছৰ পৰাই মেৰামতিৰ ব্যৱস্থা নকৰাৰ ফলত পকীবেৰবোৰ খহি পৰিছে। মূধচৰ একাংশ টিনপাত মামৰে ধৰি নাইকীয়া কৰি পেলোৱাত বৰষুণ দিলে ভিতৰত ছাতি ল'ব লগা পৰিস্থিতিৰ উদ্ভৱ হয়। তদুপৰি দুৱাৰ-খিৰিকীবোৰৰ অৱস্থাও জৰাজীৰ্ণ হৈ পৰাত উপ স্বাস্থ্যকেন্দ্ৰৰ সা-সামগ্ৰী চুৰি হোৱাৰ সম্ভাৱনাই দেখা দিছে। ইতিমধ্যে উপ স্বাস্থ্যকেন্দ্ৰটো মেৰামতি কৰিবলৈ বহু আবেদন-নিবেদন কৰা হৈছে যদিও বিভাগীয় কৰ্তৃপক্ষই বৰ্তমানলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। যাৰ বাবে উপ স্বাস্থ্যকেন্দ্ৰটোত নিয়োজিত স্বাস্থ্যকৰ্মীসকলে অতি বিপদজনকভাৱে নিজৰ দায়িত্ব পালন কৰি থাকিব লগা হৈছে।

# কাৰ্বি আংলঙত ড্ৰাগছৰ সৈতে মাতৃসহ দুই পুত্ৰ আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাওৰাঘাট, ৯ জুন ঃ** মাতৃসহ দুই পুত্ৰ কাৰ্বি আংলং আৰক্ষীৰ জালত। কালি নিশা কাৰ্বি আংলং জিলাৰ বোকাজানত এক অভিযানত উদ্ধাৰ হয় ড্ৰাগ্‌ছ। আৰক্ষীৰ অভিযানকাৰী দলটোৱে বোকাজানৰ প্ৰভাস শ্বাহ নামৰ লোকজনৰ ঘৰত উদ্ধাৰ কৰে প্ৰায় ১২ গ্ৰাম হেৰ'ইন। বোকাজান আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি মাটিত পুতি থোৱা অৱস্থাত উদ্ধাৰ কৰে হেৰ'ইনখিনি। ঘটনাৰ সৈতে জড়িত প্ৰভাস শ্বাহৰ পত্নী পাৰ্বতী দেৱীৰ (৪৫) লগতে দুই পুত্ৰ ৰামদেৱ শ্বাহ আৰু কপিল শ্বাহক আটক কৰে বোকাজান আৰক্ষীয়ে। জানিব পৰা মতে দীৰ্ঘদিন ধৰি বোকাজানত ড্ৰাগছৰ ব্যৱসায় চলাই আহিছিল এই পৰিয়ালটোৱে।

## ৰাশিফলত আজিৰ দিনটো

**২৬ জেঠ, বৃহস্পতিবাৰ, ১০ জুন, ১৪২৮ ভাস্কৰাব্দ তিথি ঃ অমাৱস্যা, নক্ষত্ৰ ঃ ৰোহিণী, জন্ম ৰাশি ঃ বৃষৰাশি**

**সূৰ্যোদয়- ৪-৪০-৫২, সূৰ্যাস্ত- ৬-৩-১**



■ **মেষ ঃ** ভোগ লাভ ■ **বৃষ ঃ** কোনো ব্যক্তিৰ সহায় ■ **মিথুন ঃ** স্ত্ৰীসুখ ■ **কৰ্কট ঃ** খেতিয়কৰ কষ্ট ■ **সিংহ ঃ** নৃত্য-গীতত সুনাম ■ **কন্যা ঃ** পদোন্নতি ■ **তুলা ঃ** এলাহ বৃদ্ধি ■ **বৃশ্চিক ঃ** শিল্পীৰ সুনাম ■ **ধনু ঃ** স্থানৰ পৰিৱৰ্তন ■ **মকৰ ঃ** মনোবাঞ্চা পূৰ্ণ ■ **কুম্ভ ঃ** আদৰ্শবাদী মনোভাৱ ■ **মীন ঃ** প্ৰিয়জনৰ আগমন

# মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ চিন্তা সুদূৰপ্ৰসাৰী ঃ দীপক শৰ্মা

## সমাজলৈ বৰঙণি আগবঢ়োৱা লোকক চৰকাৰীভাৱে সন্মানিত কৰা প্ৰচেষ্টাক আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৯ জুন ঃ** আনক সন্মান কৰিলেহে সন্মান পায়। যোগ্যজনক যোগ্যতাৰ সন্মান দিব জানিব লাগে। দিয়াটো উচিত। আদৰ্শ। ৰাজ্য চৰকাৰে পূৰ্বৰ 'অসমৰত্ন' বঁটাৰ লগতে ন-কৈ 'অসম বিভূষণ', 'অসম ভূষণ', 'অসমশ্ৰী' তিনিটি বঁটা প্ৰৱৰ্তন কৰা কাৰ্যক ভিন-ভিন দল-সংগঠনে একেমুখে আদৰণি জনাইছে। ইয়াৰ লগতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৱিত্ৰ স্মৃতি দিৱসত (১৭জানুৱাৰী), শিল্পী পেঞ্চন, প্ৰসিদ্ধ সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিৰ জন্মদিনত(৭ডিচেম্বৰ) সাহিত্যিক পেঞ্চন, অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনত (৩ছেপ্টেম্বৰ) ক্ৰীড়া পেঞ্চন প্ৰদানৰ সিদ্ধান্তও অতি আদৰণীয় প্ৰয়াস বুলিয়ে বিভিন্ন দল-সংগঠনে একেমুখে কৈছে। এক প্ৰেছ বিবৃতিত ৰাজ্যৰ অন্যতম সমন্বয়-সংহতি- ঐক্যৰ অনুষ্ঠান 'বহুবাক' (বহুভাষিক সাহিত্য মঞ্চ, অসম)ৰ প্ৰধান সম্পাদক তথা মাহেকীয়া সংবাদ-সাহিত্যালোচনী প্ৰভঞ্জনৰ সম্পাদক দীপক শৰ্মাই কয়- 'মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ চিন্তা সুদূৰপ্ৰসাৰী। যি কাম বহুবছৰ পূৰ্বে কৰিব লাগিছিল। কোনেও নকৰিলে। কিন্তু অসমৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ সমাজজীৱনৰ বিশিষ্ট ব্যক্তিসকলক স্বীকৃতি-সন্মান প্ৰদৰ্শনৰ যি নিদৰ্শন দাঙি ধৰিলে, সি সঁচাই অতুলনীয়। বৰ্তমান অসমৰ জনসংখ্যা ৩.০৯৪ কোটি। বহুবাকৰ প্ৰধান সম্পাদক শ্ৰীশৰ্মাই কয়— 'মনত প্ৰবল আত্মবিশ্বাস থাকিলে, গুণীজনক সন্মান কৰিব জানিলে, কৰ্তব্যপৰায়ণ হ'লে, এই কাম নিঃসন্দেহে কৰিব পাৰি। যি মূলা বাঢ়ে সি দুপাততে চিন- আপ্তবাক্য শাৰীৰ জৰিয়তে ক'ব পাৰি যে আগন্তুক দিনত এইখন চৰকাৰে অসম আৰু অসমীয়াক আগবঢ়াই নিবলৈ অহোপুৰুষাৰ্থ কৰিব।' মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ এই চিন্তাধাৰাক একেমুখে আদৰণি জনাইছে- বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, গাৰো সাহিত্য সভাৰ সভাপতি সৰোজ চাংমা, নিখিল ৰাভা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° মলিনা দেৱী ৰাভা, নেচাৰ্ছ বন্যপ্ৰাণৰ সভাপতি প্ৰদীপ কুমাৰ শৰ্মা- সচিবপ্ৰধান শংকৰ দত্ত, অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰী প্ৰধান অধ্যাপিকা তথা বিশিষ্টা কবি-লেখিকা ড° মৰমী বৰঠাকুৰ তালুকদাৰ, সাধাৰণ জাতি বিকাশ পৰিষদৰ কাৰ্যকৰী সভাপতি পদ্মনাথ শৰ্মা, অসম কবি সমাজৰ প্ৰাক্তন সভাপতি ৰমেন কলিতা,গুৱাহাটী জিলা বড়ো সাহিত্য সভাৰ সভাপতি লোহিত চন্দ্ৰ ব্ৰহ্ম-সম্পাদক গোলাপ বড়ো, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী মহানগৰ সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, গুৱাহাটী জিলা দেউৰী সাহিত্য সভাৰ পত্ৰিকা সম্পাদিকা সুৱন্তি দেউৰী, অসম শিশু সাহিত্য সমাজৰ সহঃ সম্পাদক প্ৰদীপ নাৰায়ণ ভট্ট, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ কুঁহিৰ আহ্বায়ক বুলু কুমাৰী বড়া, দক্ষিণ কামৰূপ সচেতন মঞ্চৰ অধ্যক্ষ মদন দাস, প্ৰচাৰ সম্পাদক ৰঞ্জিত মহন্ত, শিক্ষা সম্পাদক শিৱ দাস, বঙৰা আঞ্চলিক মঞ্চৰ সভাপতি গৌৰীকান্ত নাথ, পৰাগজ্যোতি প্ৰকাশন আদি দল-সংগঠনে। তেওঁলোকে মুখ্যমন্ত্ৰীৰ সজ প্ৰচেষ্টাক আদৰণি জনায়।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

১০ জুন, ২০২১ বৃহস্পতিবাৰ, গুৱাহাটী ২৬ জেঠ ১৯৪৩ শক 



নলবাৰীত অসমৰ মুখ্যসচিব জিষ্ণু বৰুৱা

## জিলা প্ৰশাসনৰে হোৱা জৰুৰী বৈঠকত সাম্প্ৰতিক ক'ভিড পৰিস্থিতি, আগন্তুক বান প্ৰস্তুতিৰ পৰ্যালোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৯ জুন ঃ** অসমৰ মুখ্যসচিব জিষ্ণু বৰুৱাই আজি দিনৰ ভাগত নলবাৰী জিলা পৰিদৰ্শন কৰে আৰু জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিয়লি ২.০০ বজাত জিলা উপায়ুক্ত গীতিমণি ফুকনৰ উপস্থিতিত জিলাখনৰ সংশ্লিষ্ট বিভাগসমূহৰ সৈতে বৰ্তমানে নলবাৰী জিলাত বাহাল থকা ক'ভিড পৰিস্থিতি তথা চলিত বৰ্ষৰ বান পৰিস্থিতি সম্বন্ধীয় বিভিন্ন বিষয় পৰ্যালোচনাৰ উদ্দেশ্য এখন সভাত মিলিত হয় । জিলা প্ৰশাসনৰ তৰফৰ পৰা আগবঢ়োৱা উষ্ম আদৰণিৰ মাজেৰে আৰম্ভ হোৱা সভাখনত অংশ লৈ মুখ্য সচিবগৰাকীয়ে সভাত উপস্থিত থকা নলবাৰী স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক তথা উক্ত বিভাগৰ অন্যান্য বিষয়াৰ পৰা বৰ্তমান জিলাখনত দৈনিক হৈ থকা ক'ভিড পৰীক্ষা, ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচী, তথা ক'ভিড ৰোগীৰ বাবে উপলব্ধ হোৱা চিকিৎসা ব্যৱস্থাপনা সম্পৰ্কীয় ছৱিখন আয়ত্ত কৰাৰ চেষ্টা কৰে। তেখেতে স্বাস্থ্য বিভাগক দৈনিক অব্যাহত ৰখা ক'ভিড পৰীক্ষাৰ সংখ্যা বঢ়াবলৈ কয় আৰু এজন ব্যক্তিৰ RAT পৰীক্ষাৰ কৰাৰ সময়তে RTPCR পৰীক্ষাটোও সম্পূৰ্ণ কৰিবলৈ পৰামৰ্শ দিয়ে । তেখেতে স্বাস্থ্য সেৱাৰ সৈতে জড়িত সকলোৰে অৰ্থাৎ চিকিৎসকৰ পৰা ধৰি চতুৰ্থ বৰ্গৰ কৰ্মীলৈকে তথা সমুখ সমৰৰ কৰ্মী বুলি পৰিগণিত হোৱা সকলোৰে সোনকালেই প্ৰতিষেধক প্ৰদান ১০০শতাংশ সম্পূৰ্ণ কৰাত মত পোষকতা কৰে । তেখেতে জিলাখনত ক'ভিড ৰোগীৰ বাবে মজুত থকা মুঠ ICU বিছনাৰ লগতে অক্সিজেনযুক্ত বিছনাৰ খতিয়ান লয়। ইয়াৰ উপৰি তেখেতে এজন সাধাৰণ লোক ক'ভিডত আক্ৰান্ত হ'লে কি কৰা উচিত, অনুচিতক লৈ যাতে বিভ্ৰান্ত হ'ব লগা নহয় তাৰ বাবে সেই সম্বন্ধীয় জৰুৰী তথ্য মাইকযোগে বহুলভাৱে প্ৰচাৰৰ ব্যৱস্থাৰ লগতে ঠায়ে ঠায়ে বেনাৰ-পোষ্টাৰ লগোৱাৰ বাবেও নিৰ্দেশ দিয়ে। সমান্তৰালভাৱে মুখ্য সচিবগৰাকীয়ে জিলা দুৰ্যোগ আৰু ব্যৱস্থাপনা বিভাগৰ পৰা যিকোনো সময়তে বানপানী পৰিস্থিতিৰ উদ্ভৱ হ'লে সক্ষমতাৰে মোকাবিলা কৰাৰ বাবে জিলাখনত সাজু কৰি তোলা ব্যস্থাপনা সম্পৰ্কেও বিতংভাৱে খতিয়ান লয়। তেখেতে উক্ত বিভাগৰ দায়িত্বত থকা সংশ্লিষ্ট বিষয়াক বানাক্ৰান্ত ৰাইজক চৰকাৰী সাহায্য বিতৰণৰ ক্ষেত্ৰত কোনো ধৰণৰ হেমাহিক প্ৰশ্ৰয় নিদিবলৈ তথা হিতাধিকাৰীক প্ৰাপ্য সাহায্য সময় মতে দিয়াৰ ব্যৱস্থা কৰাৰ বাবে এতিয়াৰে পৰা সাজু থাকিবলৈও সকীয়াই দিয়ে। বানত কৃষিভূমি ক্ষতিগ্ৰস্ত হোৱা কৃষকে যাতে জিলা কৃষি বিভাগৰ পৰা সকলো ধৰণৰ সহায়-সহযোগিতা পাই তাৰ বাবেও তেখেতে জিলা কৃষি বিষয়াক আজিৰ সভাতেই বিষয়টো উনুকিয়াই দিয়ে। উল্লেখ্য যে আজিৰ এই সভাত নলবাৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত উপায়ুক্তসকল, সহকাৰী আয়ুক্তসকল, ৰাজহ চক্ৰ বিষয়াসকল তথা সংশ্লিষ্ট বিভাগসমূহৰ মুৰব্বী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

## চাবুৱাত লোকনিৰ্মাণ বিভাগৰ আধৰুৱা কাম পৰিদৰ্শন বিধায়ক পোনাকণ বৰুৱাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ৯ জুন ঃ** চাবুৱা সমষ্টিত লোকনিৰ্মাণ বিভাগৰ অধীনত অৰ্ধনিৰ্মিত পথৰ লগতে পানী নিষ্কাশণৰ নলা-নৰ্দমা কালি বিভাগীয় বিষয়াক লগত লৈ চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই পৰিদৰ্শন কৰে। বিধায়কজনে প্ৰথমে চাবুৱাৰ নাদুৱা চাইডিঙৰ পৰা তিনিচুকীয়া জিলাৰ পানীতোলালৈকে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষেৰে নিৰ্মাণ হৈ থকা ২৮ কোটি টকীয়া প্ৰায় ১৫ কিলোমিটাৰ নলা নিৰ্মাণ কামৰ বুজ লয়। পৰিদৰ্শন কালছোৱাত বিধায়কজনে নলা নিৰ্মাণৰ কাম অতি নিম্নমানৰ হোৱা প্ৰত্যক্ষ কৰি হতবাক হৈ পৰে। অভিযোগ অনুসৰি অতি কৌশলেৰে ঠিকাদাৰে চাবুৱাৰ এম ই এছ তিনিআলিৰ সমীপত আগতেই থকা পকী নলাটো খান্দি নলাৰ আগৰ এটা কাষৰ পকী নভঙাকৈয়ে ওপৰতে দুটুকুৰা ইটাৰে প্ৰলেপ মাৰি অতি সহজে ধন ঘটাৰ কাৰবাৰ প্ৰত্যক্ষ কৰি খঙত বিধায়কে ঠিকাদাৰৰ লগতে বিভাগীয় বিষয়াক ধমক দিয়ে। লক্ষণীয় যে এই স্থানৰ কামৰ লগতে অন্য স্থানতো ব্যাপক অনিয়ম হোৱাৰ বিষয়ে ৰাইজে ইতিমধ্যে অভিযোগ কৰি আহিছে। কোনো কাৰণতে চাবুৱাত পথ আৰু নলা নিৰ্মাণত যাতে কোনো ধৰণৰ দুৰ্নীতি বা অনিয়ম নহয় তাৰ প্ৰতি চকু দিবলৈ বিভাগক নিৰ্দেশনা দিয়াৰ উপৰি ইয়াৰ অন্যথা কেতিয়াও সহ্য কৰা নহ'ব বুলিও বিধায়ক পোনাকণ বৰুৱাই স্পষ্টকৈ ৰাইজৰ সন্মুখত মন্তব্য কৰে। ইয়াৰ পিছতেই বিধায়কে বিভিন্ন স্থানত নিৰ্মাণ হৈ থকা পথ ক্ৰমে চাবুৱা-টেঙাখাত সংযোগী পথ, বালিজান চাইডিঙৰ পৰা নৰ্থ বালিজানত নিৰ্মাণ হৈ থকা পথ, জেৰাই গাঁৱৰ পৰা দিনজানলৈ নিৰ্মাণ হৈ থকা পথ, দিনজানৰ পৰা গুইজানলৈ নিৰ্মাণ হৈ থকা পথ, গুইজানৰ পৰা গটং সংযোগী নিৰ্মাণৰত আদি পদসমূহ পৰিদৰ্শন কৰি বিভাগীয় বিষয়াক অতি সোনকালে পথসমূহৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। বিধায়ক পোনাকণ বৰুৱাৰ লগত ভাৰতীয় জনতা পাৰ্টীৰ পানীতোলা মণ্ডলৰ সভাপতি পুলক সোণোৱাল, চাবুৱা সমষ্টি সমিতিৰ সম্পাদক নিপুল কোঁৱৰৰ লগতে আৰু বহুকেইজন নেতাই সংগ দিয়ে। বিধায়কজনে লোকনিৰ্মাণ বিভাগৰ অধীনত নিৰ্মাণ হৈ থকা কামসমূহৰ পৰিদৰ্শন কালছোৱাত গাঁওসমূহতো ৰাইজৰ লগত মত বিনিময় কৰি ৰাইজৰ সমস্যাসমূহৰ বিষয়ে বুজ লয়।

### কোটিটকীয়া নলা নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ



## নগাঁৱৰ পৰা কেৰালালৈ বাছৰ যাত্ৰা আৰম্ভ

### ক'ভিডৰ বাবে এমাহৰো অধিক কাল আবদ্ধ হৈ আছিল যাঠিখনৰো অধিক বাছ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ জুন ঃ** ক'ভিডৰ দ্বিতীয় লহৰে সৃষ্টি কৰা পৰিস্থিতিৰ বাবে আবদ্ধ হৈ থকা কেৰালাৰ বাছসমূহক কালি সন্ধিয়াৰ পৰা কেৰালা অভিমুখে পঠোৱাৰ ব্যৱস্থা কৰিছে নগাঁও জিলা প্ৰশাসনে। উল্লেখ্য যে বহিঃৰাজ্য কেৰালাত কৰ্মৰত অসমৰ শ্ৰমিকসকলক অনা-নিয়া কৰিবৰ বাবে কেৰালাৰ পৰা এই বাছসমূহ অহা-যোৱা কৰে । জিলাখনৰ নগাঁও চহৰৰ খুটিকটীয়াকে ধৰি কাতিমাৰী, ৰূপহী, ৰাঙলু আদিলৈ কেৰালাৰ পৰা এই বাছসমূহৰ চলাচল হৈ আহিছে । প্ৰায় ৬০খনৰো অধিক বাছ ক'ভিডজনিত পৰিস্থিতিৰ বাবে এমাহৰো অধিক কাল নগাঁৱত আবদ্ধ হৈ আছে । ফলত বাছসমূহৰ চালক- পৰিচালককে ধৰি কেৰেলাৰ শতাধিক লোক ভীষণ সমস্যাত পৰাৰ লগতে আৰ্থিক সংকটত পৰে । নিজৰ গৃহৰাজ্য কেৰালালৈ যাবৰ বাবে উদগ্ৰীব হৈ পৰিছিল যদিও ক'ভিডৰ বাবে যাব পৰা নাছিল । আনহাতে নগাঁৱৰ একাংশ সচেতন লোকে এই লোকসকলৰ পৰাই ক'ভিডৰ সংক্ৰমণ হ'ব পাৰে বুলি আশংকা প্ৰকাশ কৰি এই লোকসকলক বাছসহ কেৰালালৈ উভতাই পঠাবৰ বাবে এখন স্মাৰক-পত্ৰ জিলা উপায়ুক্তক প্ৰদান কৰিছিল । ইয়াকে কেন্দ্ৰ কৰি সেই সময়ত এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হৈছিল । পিছত নগাঁৱৰ আৰক্ষী অধীক্ষকে এই লোকসকলক কেৰালালৈ উভতাই পঠোৱা হ'ব বুলি আশ্বাস প্ৰদান কৰে । ইপিনে এই সন্দৰ্ভত কেৰালা চৰকাৰে অসম চৰকাৰৰ লগত যোগাযোগ কৰাৰ পিছতেই এই লোকসকলক কেৰালালৈ উভতাই পঠাবৰ বাবে নগাঁও জিলা প্ৰশাসন তৎপৰ হৈ পাৰে । কালি সন্ধ্যাৰ পৰা এই বাছসমূহ কেৰালালৈ পঠোৱাৰ ব্যবস্থা কৰিছে জিলা প্ৰশাসনে । কালি পাঁচখন বাছক কেৰালালৈ উভতাই পঠোৱাৰ পাছত আজিও কে'বাখনো বাছ কেৰালালৈ উভতাই পঠাইছে । যাত্ৰীহীনভাৱেই এই বাছসমূহে উভতনী যাত্ৰা কৰিছে । এই সমগ্ৰ প্ৰক্ৰিয়াতো তদাৰক কৰিছে নগাঁও সদৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া যুৱৰাজ বৰঠাকুৰ আৰু ইয়াত সহযোগিতা আগবঢ়ায় সমবায় বিভাগৰ বিষয়া ৰূপৰঞ্জন দাসে।

## চোৰৰ উৎপাতত চানমাৰিত নাগৰিকৰ নিদ্ৰাহৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা,৯ জুন ঃ** যোৱা কেইমাহমান ধৰি চানমাৰি ক'লনীৰ ৰে'লপথৰ দাঁতিৰ বাসিন্দাসকলৰ চোৰে টোপনি হৰিছে। তাৰ মূল কাৰণ হ'ল বৰ্তমান ৰে'লৰ চলাচল বন্ধ আছে আৰু ৰে'লপথৰ দাঁতিত অবৈধভাৱে বাস কৰা সেই 'কৰ্মী বাহিনী'ৰ উপাৰ্জন বন্ধ হৈ থকাত তেওঁ বিলাকে অন্য উৎসৰ ওপৰত নিৰ্ভৰশীল হৈছে বুলি ধাৰণা কৰিব পাৰি। ৰে'ল আলিৰ কাষৰ বাসিন্দাসকলৰ ঘৰৰ পানীৰ মটৰ, লাম-লাকটু আৰু শেহতীয়াকৈ অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগে সাজি দিয়া লোহাৰ দলং এখনৰ পৰা এতিয়ালৈ তিনিবাৰ ৰ'ড কাটি চুৰ কৰি নিয়াৰ পিছতো আৰক্ষীয়ে চোৰক কৰায়ত্ত কৰিব নোৱৰাত অতপালি বাঢ়ি গৈছে । প্ৰথমবাৰ ২০২০ চনৰ মাৰ্চ মাহৰ এক তাৰিখে চুৰ হৈছিল (কেছ নং ২৫২/২০২০)। তাৰ পিছত ২০২১ চনৰ ৩০ মে' তাৰিখে পুনৰ পাঁচ টুকুৰা চুৰ হয়। এইবাৰো আৰক্ষীয়ে ৩৭৯ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰে( নং ৩৬৮/২০২১)। কোনো ধৰণৰ তদন্তৰ অগ্ৰগতি নোহোৱাত চোৰে লাই পাই ৮ জুনৰ নিশা পুনৰ তিনিডাল ৰ'ড কাটি নিয়ে । এই বিষয়েও তুৰন্তে মৌখিকভাৱে চানমাৰি থানাৰ আৰক্ষী বিষয়াক জনোৱা হয়। নিশা মাজে মাজে নিজাববীয়াকৈ পহৰা দিয়া হয় যদিও সৰ্বক্ষণ দিব নোৱৰাৰ বাবে চোৰক চিনাক্ত কৰিব পৰা নহ'ল । ৰাইজে এই বিষয়ে উৰ্দ্ধতন কৰ্তৃপক্ষৰ দৃষ্টি আশা কৰে।

**নলা নিৰ্মাণৰ বাবে বাকী থকা কাম**

**ই-নিবিদা জাননী নংঃ টিএছকে/ইএনজিজি/ ০৯ অব্ ২০২১, তাৰিখঃ ০৭-০৬-২০২১।** নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছেঃ **আইটেমৰ সংক্ষিপ্ত বিৱৰণঃ** আইঅ'চিএল টাৰ্মিনেলৰ পৰা দল নং. ৫০ লৈ ডিগবৈত নলা নিৰ্মাণৰ বাবে বাকী থকা কাম। **নিবিদা মূল্যঃ** ৬৪,০৯,৬৩৪/- টকা। **ই-নিবিদা বন্ধ কৰা হ'ব** ৩০-০৬-২০২১ তাৰিখৰ ১৫.০০ ঘন্টাত আৰু **মুকলি কৰা হ'ব** ৩০-০৬-২০২১ তাৰিখৰ ১৬.০০ ঘন্টাত। উল্লিখিত ই-নিবিদাৰ নিবিদা নথি-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য ৱেবছাইট www.ireps.gov.in ত ৩০-০৬-২০২১ তাৰিখৰ ১৫.০০ ঘন্টা পৰ্যন্ত উপলব্ধ হ'ব।

ডিআৰএম (কাৰ্য)/ তিনিচুকীয়া

**উত্তৰ পূব সীমান্ত ৰেলৱে**

হাঁহিমুখে গ্ৰাহকলৈ সেৱা

মঙলদৈ প্ৰেছ ক্লাবৰ ২৭তম প্ৰতিষ্ঠা দিৱস

## পূৰ্বতকৈ এতিয়া সাংবাদিকসকলৰ মৰ্যাদা বাঢ়িছে ঃ ড° পৰমানন্দ ৰাজবংশী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৯ জুন ঃ** পূৰ্বতকৈ এতিয়া সাংবাদিকসকলৰ মৰ্যাদা বাঢ়িছে । আগতে বাতৰি কাকত বা টিভিত কোনো বিষয়ে বাতৰি প্ৰকাশ পালে বিষয়াসকলে গুৰুত্ব দিয়া নাছিল। এতিয়া বাতৰি ওলালেই বিষয়াসকলে গুৰুত্ব দিবই লাগিব । এইদৰে কয় অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে। আজি মঙলদৈ প্ৰেছ ক্লাবৰ ২৭তম প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজবংশীয়ে কয় যে বহুত ক্ষোভৰ কাৰণেহে তেওঁ ৰাজনীতিত প্ৰৱেশ কৰিছে। বিশেষকৈ ক্ষমতা আৰু সুবিধা থকাৰ পিছতো দৰং জিলাখন তথা ছিপাঝাৰ সমষ্টিটোত উন্নতি নহ'ল। বিগত কোনো এজন বিধায়ক , মন্ত্ৰীয়ে জিলাখনৰ কৃষি, শিক্ষা, স্বাস্থ্যক্ষেত্ৰৰ উন্নয়নত গুৰুত্ব নিদিলে । এতিয়া অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এক নতুন দিগন্তৰ সূচনা কৰি উন্নয়নৰ ধাৰা আৰম্ভ কৰিছে। কিন্তু এই উন্নয়নত আমাৰেই বহুতেই বিধি পথালি দিব পাৰে। সেয়েহে সাংবাদিকসকলে উন্নয়নৰ বিষয়ত তীক্ষ্ণ নজৰ দিব লাগিব বুলিও ৰাজবংশীয়ে কয়। তেওঁ আৰু কয় যে সাংবাদিকসকলে নিৰপেক্ষভাৱে প্ৰতিটো বিষয় দেখুৱাই দিলে চৰকাৰৰ যথেষ্ট সুবিধা হয় আৰু এনে বিষয়সমূহত বিধায়ক হিচাপে আমিও গুৰুত্ব দিব দিম । মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষী নন্দন কলিতাই আঁতধৰা সভাখনত মঙলদৈ মহাবিদ্যালয়ৰ ৰসায়ণ বিভাগৰ মুৰব্বী অধ্যাপক ডঃ কমলা কান্ত বৰাই বক্তব্য আগবঢ়াই সাম্প্ৰতিক ক'ভিড পৰিস্থিতিত ৰাজ্যখনৰ সংবাদ মাধ্যমে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ শলাগ লয়। ক'ভিড মহামাৰীৰ সময়ত নিজৰ জীৱনকো তুচ্ছ কৰি প্ৰথম শাৰীৰ যোদ্ধা হিচাপে ক'ভিড মহামাৰী নিয়ন্ত্ৰণত মঙলদৈ প্ৰেছ ক্লাবৰ সাংবাদিকসকলো দিনে-নিশাই কষ্ট কৰি সেৱা আগবঢ়োৱাৰ বাবে অভিনন্দনৰ পাত্ৰ। তেওঁ নিৰপেক্ষ সাংবাদিকতাই দেশৰ প্ৰগতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলিও মন্তব্য আগবঢ়ায়। প্ৰেছ ক্লাবৰ সভাপতি মদন চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জিলা তথ্য আৰু জনসংযোগ বিষয়া আয়ন হাজৰিকা, অসম জাতীয় আদৰ্শ শিক্ষা সংসদৰ প্ৰধান সচিব ৰাণা বশিষ্ঠ, আছুৰ বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, আপকুৰ সভাপতি আব্দুল খালেক, প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক মুকুট ৰাজ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে।

পশ্চিম কাৰ্বি আংলং জিলাৰ পৌৰ কৰ্মচাৰীৰ সংবাদমেল

## বছৰ বছৰ ধৰি দৰমহাৰ পৰা বঞ্চিত কৰ্মচাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ, ৯ জুন ঃ** পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ তিনিখনকৈ পৌৰসভা ক্ৰমে ডংকামোকাম পৌৰসভা, হামৰেণ পৌৰসভা আৰু বৈঠালাংছ পৌৰসভাৰ কৰ্মচাৰীসকলৰ বিভিন্ন অভাৱ-অভিযোগ সামৰি বুধবাৰে এখন গুৰুত্বপূৰ্ণ সংবাদমেলৰ আয়োজন কৰা হয়। উক্ত সংবাদমেলত পশ্চিম কাৰ্বি আংলং জিলা পৌৰসভা কৰ্মচাৰীৰ এখন নতুন সমিতি গঠন কৰা হয়। ডংকামোকাম পৌৰসভাৰ কৰ্মচাৰী হাৰছিং তিমুঙক সভাপতি আৰু হামৰেণ পৌৰসভাৰ কৰ্মচাৰী মোহন কাথাৰক সম্পাদক হিচাপে লৈ পশ্চিম কাৰ্বি আংলং জিলা পৌৰ কৰ্মচাৰীৰ এখনি শক্তিশালী সমিতি গঠন কৰি পৌৰ কৰ্মচাৰীসকলৰ বিভিন্ন ধৰণৰ অভাৱ-অভিযোগ সমাধানৰ বাবে এই সমিতিখনে অনাগত দিনত কৰ্মচাৰীসকলৰ ভৱিষ্যত সা-সুবিধাৰ বিষয়ে উৰ্দ্ধতন কৰ্তৃপক্ষৰ সৈতে যোগাযোগ অব্যাহত ৰাখিব বুলি ঠিৰাং কৰে। বিশেষকৈ ডংকামোকাম পৌৰসভাৰ কৰ্মচাৰীসকলে ৭২ মাহ, হামৰেণ পৌৰসভাৰ কৰ্মচাৰীসকলে ৬৭ মাহ আৰু বৈঠালাংছ' পৌৰসভাৰ কৰ্মচাৰীসকলে ১২ মাহ ধৰি মাহিলী দৰমহা পাবলৈ সক্ষম নোহোৱাত কেনেদৰে জীৱন অতিবাহিত কৰিছে সেই কথা এবাৰলৈ কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং তথা সংশ্লিষ্ট বিভাগীয় কাৰ্যবাহী সদস্যগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰাৰ লগতে এইসকল কৰ্মচাৰীৰ দুখ-দুৰ্দশা বুজিবলৈ অনুৰোধ জনাইছে। শেহতীয়াকৈ সৃষ্টি হোৱা ক'ভিডৰ ভয়াৱহ পৰিস্থিতিয়েও এইসকল পৌৰসভাৰ কৰ্মচাৰীৰ মূৰত পুনৰ এক মাধমাৰ সোধোৱাত উপায়হীন হৈ পৰিছে কৰ্মচাৰীসকল আৰু কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং তথা সংশ্লিষ্ট বিভাগীয় কাৰ্যবাহী সদস্যগৰাকীলৈও কেইবালানি দাবীৰে স্মাৰক-পত্ৰ প্ৰদানৰ প্ৰস্তুতি চলাইছে। উক্ত স্মাৰক-পত্ৰত পাৰ্বত্য জিলাখনৰ তিনিখনকৈ পৌৰসভাৰ কৰ্মচাৰীসকলৰ মাহেকীয়া বেতন কিছু পৰিমাণে আদায় দিয়াৰ লগতে প্ৰতিগৰাকী কৰ্মচাৰীক নিয়মীয়াকৰণ কৰি চৰকাৰী সা-সুবিধা প্ৰদানৰ পোষকতা কৰে।

## সোণডোবাত পকী পথ নিৰ্মাণৰ এমাহ পিছতে খহাই নিলে বৰষুণে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৯ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত সোণডোবাত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত গড়কাপ্তানী বিভাগৰ এটা নৱনিৰ্মিত পকী পথ। নিৰ্মাণৰ এটা মাহ পাৰ হোৱাৰ পিছতে খহিল পথটো। মাত্ৰ এজাক মূষলধাৰ বৰষুণেই খহাই নিলে পথছোৱাৰ মাটি। উল্লেখযোগ্য যে বিগত বছৰ বছৰ ধৰি সোণডোবাৰ পৰা বৰালিমাৰিৰ গড়কাপ্তানী পথছোৱাৰ দুৰৱস্থাই যমৰ যাতনা ভোগাইছিল অঞ্চলবাসীক। বিগত এটা মাহত পথছোৱাৰ নিৰ্মাণ সম্পূৰ্ণ হৈছিল যদিও পুনৰ ফাঁট মেলাত পুনৰ নিৰ্মাণৰ দাবী তুলিছে অঞ্চলবাসীয়ে।

**কামাখ্যা-আনন্দ বিহাৰ (টি)-কামাখ্যা স্পেচিয়েল এক্সপ্ৰেছ ৰেলসেৱাৰ পুনৰুদ্ধাৰ**

নিম্নলিখিত বিস্তৃত তথ্য অনুসাৰে **কামাখ্যা-আনন্দবিহাৰ (টি)-কামাখ্যা স্পেচিয়েল এক্সপ্ৰেছ** ৰেলসেৱা পুনৰুদ্ধাৰৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

**ৰেল নং. ০৫৬২১ কামাখ্যাৰ পৰা ১৭-০৬-২০২১ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ**

**ৰেল নং. ০৫৬২২ আনন্দ বিহাৰ (টি) পৰা ১৮-০৬-২০২১ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ (শুক্ৰবাৰে)**

| আগমন | প্ৰস্থান | ষ্টেচনসমূহ | আগমন | প্ৰস্থান |
|---|---|---|---|---|
| — | ০৫.৩৫ | কামাখ্যা | ১৫.৩০ | — |
| ০৮.৩০ | ০৮.৩৫ | নিউ বঙাইগাঁও | ১১.৪৫ | ১১.৫০ |
| ১০.০০ | ১০.০২ | আলিপুৰদুৱাৰ জংচন | ১০.০৫ | ১০.০৭ |
| ১৩.৪৫ | ১৪.১০ | নিউ জলপাইগুড়ী | ০৫.২০ | ০৫.৪৫ |
| ১৭.২০ | ১৭.৩০ | কাটিহাৰ জংচন | ০১.৫০ | ০২.০০ |
| ২০.০৫ | ২০.১৫ | বাৰাউনি জংচন | ২২.১৫ | ২২.২৫ |
| ০২.৩০ | ০২.৪০ | গোৰখপুৰ জংচন | ১৪.৫৫ | ১৫.০৫ |
| ১৮.১৫ | — | আনন্দ বিহাৰ (টি) | — | ২৩.৪৫ |

**অন্যান্য বাণিজ্যিক ষ্টেচনসমূহঃ** গোৱালপাৰা, কোকৰাঝাৰ জংচন, বিন্নাগুড়ী, কিশনগঞ্জ, নঙগছিয়া, খগৰিয়া জংচন, হাজিপুৰ জংচন, চাপ্ৰা, চিৱান জংচন, বস্তি, মনকাপুৰ জংচন, গোন্দা জংচন, সিতাপুৰ জংচন, চন্দাউচি জংচন, মোৰাদাবাদ, হাপুৰ, গাজিয়াবাদ।

**গঠনঃ** এচি- ২ টায়াৰ (এক), এচি- ৩ টায়াৰ (পাঁচ), শলীপাৰ শ্ৰেণী (দহ), সাধাৰণ দ্বিতীয় শ্ৰেণী- (চাৰি) আৰু লাগেজ ভেন (দুই) = ২২ টা ডবা।

মহাপ্ৰবন্ধক (অপাৰেচন)

**উত্তৰ-পূব সীমান্ত ৰেলৱে**

## বিটিআৰৰ সৰাইবিলৰ পথ-ফুটবল খেলপথাৰ উদ্বোধন এমচিএলএ ইউলছন হাছদাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৯ জুন ঃ** গ্ৰামাঞ্চলৰ বহু যুৱক -যুৱতীৰ মাজত খেল-ধেমালি কৰাৰ বাবে বহু প্ৰতিভা লুকাই থাকে। কিন্তু উপযুক্ত খেলপথাৰ নথকাৰ বাবে অনুশীলন কৰিব নোৱৰাত প্ৰতিভা কলিতে মৰহি যায়। সেয়েহে যুৱপ্ৰজন্মই যাতে খেল জগতৰ প্ৰতিভাসমূহ সূক্ষ্মভাৱে বিকাশ কৰি নিজকে একো একোজন ভাল খেলুৱৈ হৈ ৰাজ্য তথা দেশৰ বাবে গৌৰৱ কঢ়িয়াই আনিব পাৰে তাৰ বাবে ক্ৰীড়া জগতখনকো সমৃদ্ধিশালী কৰি তোলাৰ বাবে গ্ৰামাঞ্চলৰ খেলপথাৰসমূহ নতুনকৈ সজাই তোলাৰ বাবে বি টি আৰ পৰিষদীয় চৰকাৰে দৃষ্টি দিছে। এনেদৰে কয় বি টি আৰৰ মনোনীত এম চি এল এ ইউলছন হাছদাই। আজি ৫নং সৰাইবিল সমষ্টিৰ ভৰপূৰ ভি চি ডি চিৰ অন্তৰ্গত জিয়াগুৰি গাঁৱত এখন ফুটবল খেলপথাৰ, দুটা ৰাস্তা নিৰ্মাণৰ কামৰ শুভ উদ্বোধন কৰি ইউলছন হাছদাই আৰু কয় যে গ্ৰামাঞ্চলৰ লোকক অৰ্থনৈতিকভাৱে টনকিয়াল কৰাৰ লগতে ল'ৰা - ছোৱালীক শিক্ষাৰ ফালে আগুৱাই লৈ যাব লাগিলে গ্ৰামাঞ্চলৰ ৰাস্তাসমূহ নিৰ্মাণ কৰি চলাচল ব্যৱস্থা সুচল কৰি তোলাটো অতি জৰুৰী । গ্ৰামাঞ্চলৰ লোকসকলেই হৈছে ৰাজ্য তথা দেশক আগবঢ়াই লৈ যোৱাৰ চালিকা শক্তি। গ্ৰামাঞ্চলৰ উন্নয়নৰ ধ্বজা জাৰি থাকিব। গ্ৰামাঞ্চলৰ প্ৰতিটো ৰাস্তা পদূলি নিৰ্মাণ কৰা হ'ব । উল্লেখনীয় বিষয় যে ভৰপূৰ ভি চি ডি চিৰ জিয়াগুৰি গাঁৱৰ মূল ৰাস্তাৰ পৰা শালজুৰি হৈ বৰোবাদা পৰ্যন্ত হ'বলগীয়া ৰাস্তাটো ১৭.২২ লাখ টকা ব্যয়সাপেক্ষে W.P.T আঁচনিৰ আধাৰত নিৰ্মাণ কৰা হ'ব বুলি জানিব দিয়ে । শমদাতগুৰি এল পি স্কুলৰ পৰা চাওতালি বস্তি হৈ জিয়াগুৰিলৈ যোৱা ৰাস্তাটো ২০.৬৭ লাখ টকাৰ ব্যয়সাপেক্ষ W.P.T আঁচনিৰ অধীনত নিৰ্মাণ হ'ব। জিয়াগুৰি ফুটবল খেলপথাৰখন উক্ত আঁচনিৰ দ্বাৰা ১৫.১৬ লাখ টকাৰ ব্যয়সাপেক্ষ কৰা হ'ব বুলি জানিব দিয়ে। শুভ উদ্বোধন অনুষ্ঠানত বিজেপি দলৰ সংক্ৰিয় কাৰ্যকৰ্তা জেঠ মল মালু (ঠুনিয়া ) উপস্থিত থকাৰ লগতে ভি চি ডি চিখনৰ কৰ্ম-কৰ্তাকে ধৰি গাঁওবাসী উপস্থিত থাকে।



## বৰপেটাৰ মন্দিয়াৰ পৰা ২১ মেট্ৰিক টন ৰঙালাউ কলকাতালৈ প্ৰেৰণ

### উৎসাহিত কৃষক সমাজ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৯ জুন ঃ** অৰ্ধ লকডাউনজনিত পৰিস্থিতিৰ বাবে বৰপেটা জিলাৰ কৃষকসকলে উৎপাদিত শস্য বিক্ৰীৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰ সমাধানৰ বাবে জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালৰ বিশেষ তৎপৰতাত অসম কৃষি ব্যৱসায় তথা গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প, অৰ্থাৎ চমুকৈ এপাৰ্টৰ উদ্যোগত আৰু জিলা কৃষি বিভাগৰ বিশেষ সহযোগত কালি মন্দিয়াৰ পৰা ২১ মেট্ৰিক টন ৰঙালাউ বৰ্হিৰাজ্যলৈ প্ৰেৰণ কৰাৰ লগতে ৩.২০ মেট্ৰিক টন আলু যোৰহাটলৈ প্ৰেৰণ কৰা হয়। মন্দিয়াৰ ৩ নং বৰদলনিৰ প্ৰগতিশীল কৃষক ৰহিমুদ্দিনৰ পৰা এই বৃহৎ পৰিমাণৰ ৰঙালাউ প্ৰশাসনৰ সহযোগত স্থানীয় ব্যৱসায়ী মঞ্জু মিএগই কলকাতাৰ বজাৰলৈ ৰপ্তানি কৰিবলৈ সক্ষম হয়। নিজ পথাৰতে কেজিত ৬.৫০ টকা দৰ লাভ কৰি খেতিয়ক ৰহিমুদ্দিনক কালি বেচ উৎফুল্লিত দেখা যায়। এই ৰপ্তানি প্ৰক্ৰিয়াত সহযোগ কৰাৰ বাবে কালি এপাৰ্টৰ তৰফৰ পৰা কৃষি বাণিজ্য বিশেষজ্ঞ গৌতম গোস্বামী, বৰপেটা মহকুমা কৃষি বিষয়া পৰীক্ষিত বায়ন, মহকুমা কৃষি বিষয়া ( তথ্য) প্ৰদীপ কুমাৰ দাস, মন্দিয়াৰ কৃষি উন্নয়ন বিষয়া নৱনীতা বৈশ্য আৰু ভাৰপ্ৰাপ্ত ভঁৰাল তত্ত্বাৱধায়ক জগদীশ তালুকদাৰো উপস্থিত থাকে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে সকলোৰে মিলিত প্ৰচেষ্টাত বৰপেটা জিলাত উৎপাদিত পাচলি কলকাতাৰ অভিজাত বজাৰলৈ এনেদৰে বৃহৎ মাত্ৰাত ৰপ্তানি সম্ভৱ হৈ উঠে। ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰায়েও এই পদক্ষেপত সন্তুষ্টি প্ৰকাশ কৰি কালিয়ে এক টুইটযোগে জিলা কৃষি বিভাগ আৰু এপাৰ্টৰ শলাগ লয়। জনসংযোগ বিষয়াই জনোৱা মতে কেৱল সিমানেই নহয়, কালি মন্দিয়াৰ পৰাই দুখন ট্ৰাকত ৩.২ মেট্ৰিক টন আলু যোৰহাটৰ বজাৰলৈ প্ৰেৰণ কৰা হয়। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালৰ বিশেষ তৎপৰতাত প্ৰশাসনৰ তৰফৰ পৰা সকলো সহযোগ আগবঢ়োৱাৰ উপৰি জিলা কৃষি বিভাগৰ বিষয়াসকলেও এইক্ষেত্ৰত আগভাগ লোৱা দেখা যায়। ইয়াৰ ফলত চলিত সান্ধ্য আইনে কৃষকসকলৰ উৎপাদিত পাচলি বিক্ৰীত পেলোৱা নেতিবাচক প্ৰভাৱৰ পৰা কৃষকসকল কিছু উপকৃত হোৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে বৰপেটা জিলা কৃষিক্ষেত্ৰত অগ্ৰণী হোৱা হেতুকে অৰ্ধ লকডাউনৰ এই সময়ছোৱাত জিলাখনৰ কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত কিছু জটিলতাৰ সন্মুখীন হৈছিল যদিও সম্প্ৰতি জিলা উপায়ুক্ত আৰু কৃষি বিভাগৰ তৎপৰতাত কৃষি-বাণিজ্যৰ দিশত সুস্থিৰতা উভতি অহা পৰিলক্ষিত হৈছে। তেওঁ জনোৱা মতে বিভাগৰ উদ্যোগত বাঘবৰৰ চৰ অঞ্চলৰ পৰা ৰঙালাউৰ আন এটি বৃহৎ গোট বাহিৰলৈ প্ৰেৰণৰ প্ৰচেষ্টা চলি আছে।

Affordable Health Mission

GNRC

Quality • Value • Trust



Stay Safe, Stay Healthy

0361 23203 02

0361 23203 03

GNRC COVID-CARE CALL CENTRE

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১০ জুন ■ ২০২১ ■ ২৬ জেঠ ■ গুৱাহাটী

# অসমৰ বান-গৰাখহনীয়া আৰু বিজেপি চৰকাৰ

অসমৰ বানপানীয়ে খেতিয়ক তথা গঞা ৰাইজক ঢোকে ঢোকে পানী খুৱাই অহাটো কোনো নতুন কথা নহয়। বিজেপিৰ নতুন চৰকাৰে এই কথালৈ লক্ষ্য ৰাখিয়েই বানমুক্ত অসম গঢ়াৰ যি পৰিকল্পনা হাতত লৈছে সেয়া আদৰণীয়। সেয়েহে নৱনিযুক্ত জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই ৰাজ্যৰ ইটো প্ৰান্তৰ পৰা সিটো প্ৰান্তলৈ গৈ পৰিদৰ্শন কৰিছে ভগ্ন মথাউৰি তথা খহনীয়াগ্ৰস্ত অঞ্চলসমূহ। বান অহাৰ পূৰ্বেই এইবাৰ ভগ্ন মথাউৰিবোৰ মেৰামতিত তেওঁ গুৰুত্ব দিছে আনকি লেহেমীয়া গতিত কাম কৰা ঠিকাদাৰক তেওঁ ধমকো দিছে। মথাউৰিৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰিবলৈ তেওঁ ১০-১৫ দিনৰ সময়সীমা ধাৰ্য কৰি দিছে। সময় মতে কাম সম্পূৰ্ণ কৰিব নোৱৰা ঠিকাদাৰক ব্লেক লিষ্টেড কৰাৰ হুংকাৰো দিছে। মন্ত্ৰীগৰাকীৰ এনে কাৰ্যসূচীৰ মাজতে উন্মোচিত হৈছে বিভাগটোৰ ভিতৰচ'ৰাৰ কেতবোৰ বিস্ফোৰক তথ্য। মন্ত্ৰীগৰাকীয়ে সময়সীমা ধাৰ্য কৰাৰ দিন অনুসৰি সেইবোৰ কাম বিগত বৰ্ষতে সম্পূৰ্ণ হ'ব লাগিছিল। উল্লেখ্য যে নাবাৰ্ড, এছডিআৰএফ আৰু এছঅ'বিডিৰ অৰ্থসাহায্যত যিসমূহ আঁচনি লোৱা হৈছিল সেইবোৰ যোৱা বছৰ বানৰ পূৰ্বেই সম্পূৰ্ণ হ'ব লাগিছিল। কিন্তু বিভাগটোৰ একাংশ আমোলা বিষয়াৰ গাফিলতিৰ বাবে তাৎপৰ্যপূৰ্ণভাৱে এই আঁচনিসমূহ ৰূপায়ণ কৰা হোৱা নাছিল। বৰং তাৰ ধনৰাশি বিভাগৰ বেলেগ শিতানত খৰচ কৰি অহা হৈছে। অন্যান্য বহু আঁচনিৰ ক্ষেত্ৰতো এনে বহু দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈ আহিছে। বিশেষকৈ একাংশ দুৰ্নীতিপৰায়ণ বিষয়াৰ বাবে প্ৰতিখন আঁচনিৰ কাম আৰম্ভ কৰোতেই পলম হৈ আহিছে। সেয়ে ঠিকাদাৰে কাম আৰম্ভ কৰাতো বানপানীৰ সময়তহে সম্ভৱ হৈ পৰিছে। যাৰ কাৰণে বিগত বৰ্ষৰ আঁচনিসমূহৰ কাম সম্পূৰ্ণ হৈ নুঠে। উল্লেখযোগ্য যে বানৰ কোবাল সোঁতত ভাঙি যোৱা মথাউৰিৰ কাম কৰিবলৈ ঠিকাদাৰক নিৰ্দেশ দিয়া হোৱা নাই বাবে ভাঙি যোৱা মথাউৰিৰ অংশৰে পানী সোমোৱাৰ কথা খাটাং। বানে সৃষ্টি কৰিব বিভীষিকাৰ। এনে পৰিস্থিতিত বানপীড়িত ৰাইজে বিভাগ তথা চৰকাৰৰ পৰা কেনেকৈ বানমুক্ত হ'ব সেয়া সময়েহে ক'ব। সময়ত আঁচনিসমূহৰ ৰূপায়ণ কৰিব নোৱৰা বিভাগটোৰ সকলো দিশ পৰ্যালোচনা কৰাৰ সময় আহি পৰিছে। মন্ত্ৰীগৰাকীয়ে দিনে-নিশাই ভঙা মথাউৰি আৰু খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰিছে ঠিকেই বিভাগটোৰ কাম-কাজখিনিও উদঙাই দিলেহে বানপীড়িত ৰাইজ বানৰ পৰা মুক্ত হ'ব। নহ'লে যমৰ যন্ত্ৰণা ভুগিবলগীয়া হয় সাধাৰণ বানপীড়িত ৰাইজে। সেয়ে বিজেপি নেতৃত্বাধীন চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ আৰম্ভণিতে চৰকাৰখনে দিয়া বানমুক্ত অসম গঢ়াৰ শ্ল'গান বাস্তৱত ৰূপায়ণ হ'ব। মন্ত্ৰীগৰাকীৰ উদ্যম আৰু প্ৰচেষ্টা আদৰণীয়।



## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### চাকৰি

নিবনুৱা সমস্যা দিনক দিনে বৃদ্ধি হৈ আছে আৰু সেই অনুপাতে নিয়োগৰ কোনো ব্যৱস্থা কৰা হোৱা নাই । যিকোনো দলৰে চৰকাৰ গঠন হোৱাৰ পূৰ্বে নিয়োগৰ ক্ষেত্ৰত বহু প্ৰতিশ্ৰুতি দিয়ে যদিও কিছুমান প্ৰতিশ্ৰুতি পূৰণ হয় আৰু কিছুমান অপূৰণ হৈয়ে থাকে । যিয়ে নহওক এই চৰকাৰৰ বিগত কাৰ্যকালত বহুতৰে চাকৰি হৈছে, যেনে APSC, SI আৰু শিক্ষকৰ। অন্যান্য বহু ধৰণৰ চাকৰি হৈছে আৰু ইয়াক কোনেও অস্বীকাৰ কৰিব নোৱাৰে । বৰ্তমান সময়ত প্ৰায় এক লাখ চাকৰি দিব বুলি বৰ্তমানৰ চৰকাৰে জনসাধাৰণক প্ৰতিশ্ৰুতি দিছে আৰু নিশ্চয় সেই প্ৰতিশ্ৰুতি পূৰণ কৰিব বুলি সকলোৱে আশাবাদী । এতিয়া কথা হ'ল এক লাখ চাকৰিৰ কোনটো বিভাগত কিমানৰ চাকৰিৰ পদ হ'ব সেইয়া সময়তহে জনা যাব। আচলতে চাকৰিৰ বিজ্ঞাপন প্ৰকাশ হোৱাৰ পূৰ্বে চাকৰিৰ বাৰ্ষিক কেলেণ্ডাৰ প্ৰকাশ হ'ব লাগে কোনটো বিভাগত কিমানটা পদ আৰু কি কি পদ আবেদনৰ তাৰিখ, এডমিট কাৰ্ডৰ ডাউনল'ডৰ তাৰিখ, লিখিত পৰীক্ষাৰ তাৰিখ আদি কমেও ছয়মাহ পূৰ্বে বিজ্ঞাপন আকাৰে বিভিন্ন বাতৰি কাকতত প্ৰকাশ হ'ব লাগে। তেতিয়াহে যুৱক-যুৱতীসকলে সময়মতে প্ৰস্তুতি চলাব পাৰিব। আচলতে যিকোনো চাকৰি Common eligibility test আৰু CBT পদ্ধতিৰ জৰিয়তে হ'লে ভাল আৰু সৰ্বশেষত পদ অনুযায়ী Cut off marksৰ জৰিয়তে প্ৰাৰ্থীৰ বাছনি হ'ব লাগে। সময়মতে বিভিন্ন চাকৰিৰ পদবোৰ পূৰণ নোহোৱাৰ বাবে বহুতৰে চাকৰিৰ বয়সৰ সীমা পাৰ হৈ যায় আৰু এইদৰেই বহুতৰে সপোন অপূৰণ হৈ ৰয়। কেন্দ্ৰীয় চৰকাৰৰ অধীনত প্ৰতিবছৰেই এটা পৰীক্ষা হয় সেই পৰীক্ষাটো হ'ল CGL[ Combine graduation level] আৰু এই পৰীক্ষাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ সকলো চিভিল চাকৰিৰ প্ৰাৰ্থী বাছনি হয় আৰু লিখিত পৰীক্ষাৰ নম্বৰ অনুযায়ী প্ৰাৰ্থীয়ে সৰু বা ডাঙৰ পদ পায়। আমাৰ ৰাজ্যৰ ক্ষেত্ৰতো তেনে কিবা পৰীক্ষা বা ACET[ Assam common eligibility test] পৰীক্ষাৰ জৰিয়তে বিভিন্ন বিভাগৰ বাবে প্ৰাৰ্থী বাছনি কৰিলে নিশ্চয় ভাল হ'ব। লিখা-পঢ়া কৰি ডিগ্ৰী অৰ্জন কৰাৰ পিছত চাকৰি নাপালে সাধাৰণ পৰিয়ালৰ যুৱকসকলৰ বৰ্তমান সমাজত জীয়াই থকাই বৰ টান হৈ পৰে কাৰণ সমাজৰ মানুহৰ নানা কৰ্কশ কথা শুনা আৰু ইয়াৰ উপৰি ঘৰৰ নানা কথা শুনি জীৱনটো একেবাৰে তিতা-কেঁহা হৈ পৰে । লিখা-পঢ়া কৰি উচ্চশিক্ষিত হোৱাৰ পিছত সৰু-সুৰা কাম কৰাটো কোনেও পছন্দ নকৰে, সকলোৱে বিচাৰে যে ডিগ্ৰী অনুযায়ী এটা ভাল চাকৰি হওক। বৰ্তমান সময়ত সকলো যুৱকৰে এটা সপোন, এটা ভাল চাকৰি কৰি পৰিয়ালৰ দায়িত্ব পালন কৰা। কিন্তু চাকৰি নহ'লে সেইটো কেনেকৈ সম্ভৱ হ'ব।

■ জাহাঙ্গীৰ আলম

### কৰ'নাকালতো হেৰাই যোৱা নাই মানৱতা

সম্প্ৰতি ভাৰতবৰ্ষৰ লগতে অসমতো কভিড-১৯এ ভয়াবহ ৰূপ ধাৰণ কৰিছে। মহাকাল বেশত আহি অদৃশ্য কৰ'নাই এটা হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ কৰিছে। সাম্প্ৰতিক সময়ৰ বৃহত্তম জনস্বাস্থ্য সংকট হৈছে কৰ'না ভাইৰাছ। ক'ভিড-১৯ নামৰ এই মহামাৰীয়ে মানৱ জীৱনলৈ অবৰ্ণনীয় দুৰ্দশা নমাই আনিছে। ইতিমধ্যে অনেক মূল্যবান জীৱন চিৰদিনৰ বাবে হেৰাই গৈছে। কৰুণাহীন কৰ'নাৰ দ্বিতীয়টো লহৰে ভয়ংকৰ ৰূপ লোৱাৰ সময়তে দেশৰ বুকুত উত্তোলিত হ'ল মানৱতাৰ ধ্বজা। সৌ সিদিনা অৰ্থাৎ মুছলমানসকলৰ পৱিত্ৰ ঈদৰ দিনা এইখন ভাৰতবৰ্ষৰ বুকুত বাজি উঠিছিল সম্প্ৰীতিৰ জয়গান। পশ্চিম বংগৰ হুগলি জিলাৰ এগৰাকী বাসত্তৰ বছৰীয়া হিন্দু লোকৰ মৃত্যু হয় যদিও কৰ'নাৰ ভয়ত শেষকৃত্য সম্পন্ন কৰিবলৈ কোনেও আগবাঢ়ি অহা নাছিল। ঈদৰ আগদিনা মৃত্যুবৰণ কৰা হৰেন্দ্ৰ নাথ নামৰ হিন্দু লোকজনৰ অন্তিম সংস্কাৰ কৰিবলৈ পাছদিনা ৰাতিপুৱালৈ যেতিয়া কোনো আত্মীয়-স্বজন আগবাঢ়ি অহা নাহিল তেতিয়া পৰিয়ালৰ লোকে স্থানীয় মুছলমান লোকক সহায় বিচাৰে। মুছলমান সম্প্ৰদায়ৰ যুৱকসকলে তেওঁলোকৰ পৱিত্ৰ ঈদৰ নামাজ সমাপন কৰি প্ৰতিবেশী হিন্দু ভাইৰ মৃতদেহ ফুলেৰে সজাই কান্ধত কৰি শ্মশানলৈ লৈ নিয়ে আৰু হিন্দু ধৰ্মীয় নিয়ম-নীতি মতে সৎকাৰ কৰে। অসমতো এনেকুৱা সম্প্ৰীতিৰ দৃষ্টান্ত বিৰল। সিদিনা দৰং জিলাৰ খাৰুপেটীয়াত দেখা গ'ল, এগৰাকী ইছলামধৰ্মী লোকে হিন্দুধৰ্মী লোকৰ শেষকৃত্য সম্পন্ন কৰে। প্ৰকৃততে এয়াই হৈছে ভাৰত, এয়াই হৈছে ভাৰতীয়ৰ বৈশিষ্ট্য, এয়াই হৈছে ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু এইয়াই হৈছে ভাৰতীয় সমাজ ব্যৱস্থা। বৈচিত্ৰ্যৰ মাজত ঐক্য থকা এইখন বাৰেৰহণীয়া ফুলনি বাগিচা সুদৃশ্য ৰাম-ৰহিমৰ ভাৰতত এনে দৃষ্টান্ত অনেক আছে। যিসকলে ধৰ্মীয় মেৰুকৰণেৰে হিন্দু-মুছলমানক ভাগ ভাগ কৰিব বিচাৰে, যিসকলে হিন্দু-মুছলমানৰ মাজত দূৰত্ব বৃদ্ধি কৰিব বিচাৰে, যিসকলে হিন্দু-মুছলমানৰ মাজত থকা সাতামপুৰুষীয়া ভাতৃত্ববোধৰ এনাজৰীডাল ছিঙি থানবান কৰিব বিচাৰে, তেনে হৃদয়হীন পাষণ্ড ব্যক্তিসকলে ইয়াৰ পৰা শিক্ষা ল'বনে? সকলোৰে শুভবুদ্ধি উদয় হওক। আচলতে 'বিপদৰ সময়তহে জীৱশ্ৰেষ্ঠ মানুহৰ আচল স্বৰূপ প্ৰকাশ পায়'।—

■ জুলহাছ আলী আহমেদ

# আত্মনিৰ্ভৰ অসম সম্ভৱ নে?

■ চন্দন কুমাৰ নাথ

দেশৰ প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই সপোন ৰচিছে ভাৰতবৰ্ষক এখন আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ আৰু লগতে মোদী ডাঙৰীয়াই বাৰে বাৰে তেওঁৰ ভাষণত দেশবাসীক সম্বোধন কৰি কয় যে— 'ভাৰত এখন নতুন প্ৰজন্মৰ দেশ, ভাৰতবৰ্ষৰ ৮০ শতাংশতকৈয়ো ওপৰত বাস কৰা জনসংখ্যা নতুন প্ৰজন্মৰে পৰিপূৰ্ণ আৰু এই নৱপ্ৰজন্মৰ ভিতৰত দেশত ৩৫ বছৰৰ তলৰ যুৱক-যুৱতীৰ সংখ্যা আটাইতকৈ বেছি আৰু সেইবাবে ভাৰতবৰ্ষই প্ৰতিদিনে নতুন নতুন সৃষ্টি আৰু বিকাশৰ দিশত ভাবিব নোৱৰা ধৰণে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।' প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ মন্তব্যৰ পৰা আমি অনুমান কৰিব পাৰোঁ যে তেখেতে দেশৰ নৱপ্ৰজন্মক লৈ কিমানখিনি আশাবাদী। কিন্তু এতিয়া আমাৰ মনত কেতবোৰ প্ৰশ্নৰ উদয় হ'বলৈ আৰম্ভ কৰিছে যেনে - মোদী ডাঙৰীয়াই দেশৰ উঠি অহা নৱপ্ৰজন্মক আত্মনিৰ্ভৰ ভাৰতৰ সপোন দেখুৱাই নিবনুৱাক সংস্থাপন দিব বিচৰা নাই নেকি? নে সকলোকে আত্মনিৰ্ভৰৰ ঢৌত ভাঁহি যাবলৈ দি ভিতৰি ভিতৰি দেশৰ ৰাজকোষ শূন্য কৰাৰ ভয়ানক ব্লুপ্ৰিন্ট ৰচিছে? নে দেশত ভয়ানক ৰূপত বৃদ্ধি হোৱা নিবনুৱা সমস্যা সমাধানৰ প্ৰতি কোনো ধৰণৰ বিশেষ কাৰ্যপন্থা অৱলম্বন কৰিবলৈ বিচৰা নাই? নে দেশৰ কোটি কোটি নিবনুৱা যুৱক-যুৱতীক আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশলৈ ঠেলি দি চৰকাৰী চাকৰি দিয়াৰ কোনো সুচিন্তা মনত অব্যাহত ৰখা নাই? এনেধৰণৰ বহুতো গুৰুত্বপূৰ্ণ প্ৰশ্নই এতিয়া আমাৰ মাজত আগস্থান পাইছে তথা উদয় হ'বলৈ লৈছে আৰু লোৱাটোও স্বাভাৱিক। কিয়নো যি সময়ত দেশৰ জিডিপি নিম্ন গতিলৈ ধাৱমান হ'বলৈ লৈছে, যি সময়ত দেশৰ অৰ্থনীতিয়ে সংকটৰ গৰাহত প্ৰৱেশ কৰিবলৈ লৈছে, ঠিক তেনে সময়ছোৱাত দেশত আকাশত চাং পতাৰ দৰে কথাই শোভাবৰ্ধন নকৰে বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰোঁ। এতিয়া লাহে লাহে আমাৰ আপোন ৰাজ্য অসমতো আত্মনিৰ্ভৰ এই বিশেষ শব্দটোৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ ক'ভিড-১৯ মহামাৰীৰ এই জটিল সময়ছোৱাত ৰাজ্যত বাস কৰা প্ৰতিজন সাধাৰণ জনতাই আত্মনিৰ্ভৰশীলতাৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন দিশত নিজৰ নিজৰ পাৰদৰ্শিতা দেখুওৱাবলৈ সক্ষম হৈছে। ক'ভিড-১৯ মহামাৰীৰ ভয়াবহ গণ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি গোটেই ভাৰতবৰ্ষৰ বলৱৎ হোৱা লকডাউন আৰু আনলক প্ৰক্ৰিয়াৰ সময়ত ৰাজ্যৰ সাধাৰণ জনতাই আত্মনিৰ্ভৰ হৈ বিভিন্ন সৃষ্টিমূলক কাৰ্য সম্পাদন কৰিছে আৰু ইয়াৰ উপৰি বৰ্তমান ৰাজ্যত লকডাউনৰ সময়ৰ পৰাই ৰাজ্যৰ একাংশ শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মসংস্কৃতিৰ বিপ্লৱৰ লগতে জোৱাৰ বজাই ৰাখিবলৈ সক্ষম হৈয়েই আছে। শেহতীয়াভাৱে ৰাজ্যত বৰ্তমান দেখিবলৈ পোৱা গৈছে যে শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে চৰকাৰী চাকৰিৰ প্ৰতি বৈ নাথাকি নিজেই নিজস্বভাৱে কিবা এটা কৰাৰ পথে আগবাঢ়ি আহিছে। উদাহৰণস্বৰূপে- লকডাউনৰ সময়ছোৱাৰ পৰা আদি কৰি বৰ্তমানলৈকে ৰাজ্যত ভালেসংখ্যক শিক্ষিত নিবনুৱাই নিজেই শাক-পাচলিৰ আমদানি কাৰ্য তথা নিজৰ নিজৰ ঘৰৰ পথাৰত গৈ হাল বোৱা, মীন পালন, চৰকাৰী আঁচনিৰ সুযোগ লাভ কৰি গাহৰি পালন, হাঁহ-কুকুৰা, ব্ৰইলাৰ ফাৰ্ম, বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি কাঠফুলাৰ খেতি কৰি ৰাজ্যৰ বজাৰৰ পৰা অসমৰ বাহিৰলৈ ৰপ্তানি কৰি চাহিদা লাভ, চৰকাৰে প্ৰদান কৰা কৃষক ঋণৰ দ্বাৰা লাভালাভ হৈ ৰণজিৎ, কোমল, বৰা, জহা চাউল ইত্যাদিৰ কৃষিকাৰ্য সম্পাদন কৰি থলুৱা খাদ্যসামগ্ৰীৰ ভঁৰাল পূৰ্বতকৈ অধিক চহকী কৰাৰ দিশে গতি কৰিবলৈ মন মেলিছে আৰু ইয়াৰ সুফলস্বৰূপে ৰাজ্যত আজিৰ তাৰিখত বহুতো শিক্ষিত নিবনুৱাই আত্মনিৰ্ভৰ হোৱাৰ উপৰি নিজকে স্বাৱলম্বিতাৰ পথলৈ আগবাঢ়ি লৈ যাবলৈ শিকিবলৈ লৈছে। নিশ্চিতভাৱে প্ৰথম পৰ্যায়ত এই যাত্ৰাই বহুতো কঠিনতাৰ সন্মুখীন হ'ব লগা হৈছিল। কিন্তু বৰ্তমান আমাৰ ৰাজ্যত আত্মনিৰ্ভৰৰ ৰে'ল গাড়ীখনে পূৰ্বতকৈ অধিক গতিত আগবাঢ়ি যাবলৈ লৈছে আৰু হয়তো অনাগত দিনবোৰত অসম ৰাজ্যই নিজৰ থলুৱা সামগ্ৰী তৈয়াৰ আৰু বিদেশলৈ ৰপ্তানি কৰা মাধ্যমৰ জড়িয়তে গোটেই বিশ্বৰ দৰবাৰত এক নতুন দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হ'ব। কিন্তু ইয়াৰ বাবে আমি ৰাজ্যত বাস কৰা প্ৰতিজন সাধাৰণ জনতাই এই যাত্ৰাত আগভাগ লোৱাটো অত্যন্ত জৰুৰী, কিয়নো সকলোৱে একত্ৰিত হৈ আগবাঢ়িলেহে অসমী আইৰ সন্মান বিশ্বব্যাপী বিয়পি পৰিবলৈ সক্ষম হ'ব তাত কোনো সন্দেহ নাই।

গতিকে, আত্মনিৰ্ভৰ ভাৰতৰ হাততে হাত মিলাই আমাৰ আপোন ৰাজ্য অসমেও আত্মনিৰ্ভৰ অসমৰ হোৱাৰ দিশত খোজ লৈছে আৰু ইয়াৰ সুফলস্বৰূপে ৰাজ্যত বৰ্তমান বিভিন্ন অঞ্চলত বাস কৰা শিক্ষিত নিবনুৱা তথা খেতিয়ক বন্ধুসকলে নিজকে স্বাৱলম্বী হোৱাৰ উপৰি ৰাজ্যত অন্য দেশৰ পৰা অহা সামগ্ৰী ব্যৱহাৰৰ পৰাও আঁতৰি থাকিবলৈ লোৱাটো ইতিমধ্যে পৰিলক্ষিত হৈছে। কিয়নো ভাৰতৰ বাহিৰৰ পৰা যিবিলাক প্ৰয়োজনীয় সামগ্ৰী ভাৰতলৈ নিজৰ নিজৰ ব্যৱসায়ৰ আধিপত্য স্থাপন কৰাৰ উদ্দেশ্যে আহে তেনেবোৰ সামগ্ৰীৰ বাৰণ কৰাটো বৰ্তমান সময়ত দেখিবলৈ পোৱা গৈছে। কিয়নো বিদেশৰ সামগ্ৰীৰ অত্যধিক চাহিদা বৃদ্ধি পালে তেওঁলোকৰ বাণিজ্য আকাশলংঘী হ'বলৈ লয় কিন্তু ইয়াৰ বিপৰীতে নিজ দেশ ভাৰতৰ থলুৱা সামগ্ৰীৰ ব্যৱসায়-বাণিজ্য পানীত হাঁহনচৰা অৱস্থাৰ নিচিনা হৈ পৰে। থলুৱা কৃষিজাত সামগ্ৰীৰ পৰা আদি কৰি সকলোবোৰ দৈনন্দিন জীৱনত লাগতিয়াল সামগ্ৰীৰ উদ্যোগ প্ৰতিষ্ঠান বৰ্তমান ভাৰতবৰ্ষৰ বুকুত সৃষ্টি হ'বলৈ আৰম্ভ কৰিছে আৰু ইয়াক পূৰ্ণোদ্যমে সহায়- সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বহুতো গুৰুত্বপূৰ্ণ অভিলাসী আঁচনি ঘোষণা কৰিছে একমাত্ৰ নিজৰ দেশখনক আত্মনিৰ্ভৰ হোৱাৰ দিশলৈ আগবাঢ়ি যোৱাৰ বাবে। এক বিশেষ সমীক্ষাৰ পৰা পোৱা গৈছে যে আজিৰ তাৰিখত দেশৰ ৮৭শতাংশ জনসংখ্যাই বিদেশী সামগ্ৰীৰ ব্যৱহাৰ বৰ্জন আৰু স্বদেশী সামগ্ৰীক আঁকোৱালি ল'বলৈ আৰম্ভ কৰিছে আৰু যাৰ ফলত ভাৰতবৰ্ষত উৎপাদিত সামগ্ৰীয়ে এখন উচিত মঞ্চ পাবলৈ সক্ষম হৈছে। নিজৰ দেশত বনোৱা কেমিকেল মুক্ত সামগ্ৰীৰ চাহিদা বৃদ্ধি পোৱাৰ লগে লগে দেশৰ অৰ্থনীতিৰ ক্ষেত্ৰতো বহু পৰিবৰ্তন দেখিবলৈ পোৱা গৈছে। লকডাউনৰ পিছৰে পৰা দেশৰ জিডিপি নিম্নগামী হ'বলৈ লৈছিলে কিন্তু বৰ্তমান স্বদেশী সামগ্ৰীৰ ব্যৱসায়ে ঊৰ্দ্ধমুখী যাত্ৰা লাভ কৰাৰ ফলত ইয়াৰ সুপ্ৰভাৱৰ কিছু শতাংশ দেশৰ জিডিপিৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাবলৈও সহায়ক হৈছে। এখন দেশৰ উন্নয়ন আৰু প্ৰগতিমূলক কাৰ্যৰ বাবে দেশখনৰ অৰ্থনীতি মজবুত হৈ থকাটো অত্যন্ত জৰুৰী। কিয়নো সুস্থ অৰ্থনীতি সমৃদ্ধ দেশ এখনেহে অন্য বিকাশশীল দেশৰ লগত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সক্ষম হ'ব।

আমাৰ ৰাজ্যৰ লাখ লাখ শিক্ষিত যুৱক- যুৱতীয়ে নিজৰ ব্যক্তিত্ব আৰু আত্মসন্মান সমাজৰ উন্নয়ন আৰু প্ৰগতিৰ হকে বৰ্তাই ৰাখি অসমখনক এখন পৰিৱৰ্তনৰ মাজলৈ আগবঢ়াই নিবলৈ যথেষ্ট পৰিমাণে চেষ্টা অব্যাহত ৰাখিছে আৰু নিজ দেশ ভাৰতবৰ্ষক উন্নয়ন আৰু প্ৰগতিৰ দিশলৈ আগবঢ়াই নিয়াত উঠিপৰি লাগিবলৈ লৈছে। কিয়নো আজিৰ নৱপ্ৰজন্মই নিজৰ অসমী আইৰ লগতে ভাৰতবৰ্ষক এখন বিকাশশীল দেশলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাটো আমি সকলোৱে লক্ষ্য কৰিবলৈ সক্ষম হৈছো। গতিকে, এজন ভাৰতীয় নাগৰিক হিচাপে আত্মনিৰ্ভৰ ভাৰত - আত্মনিৰ্ভৰ অসমৰ স্বপ্ন তথা লক্ষ্যই আহিবলগীয়া দিনবোৰত আৰু বিকাশ লাভ কৰক, দেশৰ লগতে অসমৰ ভৱিষ্যত বিশ্ববাসীৰ মাজত জিলিকাই তুলিবলৈ নেদেখাজনে সাহস আৰু শক্তি প্ৰদান কৰক তাৰেই কামনা কৰিলো।

*ফোন: ৯১৩২৮-৪৯৭২৬*

# এটা দীঘলীয়া যাত্ৰাৰ আৰম্ভণি

(প্ৰথম পৃষ্ঠাৰ পৰা)

বিধানসভাৰ নিৰ্বাচনত বিজেপি দলৰ হৈ আমি অসমৰ ৰাইজক কেতবোৰ প্ৰতিশ্ৰুতি দিছিলোঁ। আগন্তুক পাঁচটা বছৰৰ বাবে আমাৰ ৰাজ্যখনৰ স্বাৰ্থত বিজেপি দলে প্ৰস্তুত কৰা বিকাশ আৰু সভ্যতা ৰক্ষাৰ এটা ৰূপৰেখা আমি ৰাইজৰ সন্মুখত দাঙি ধৰিছিলোঁ। বিজেপি আৰু মিত্ৰজোঁটে প্ৰস্তাৱ কৰা সেই নৱ প্ৰভাতৰ প্ৰতিশ্ৰুতিৰ প্ৰতি অসমৰ ৰাইজৰ অকুণ্ঠ সমৰ্থনে দিছপুৰত পুনৰবাৰ এখন অকংগ্ৰেছী চৰকাৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিলে। অসমৰ ইতিহাসত এখন অকংগ্ৰেছী চৰকাৰ একাধাৰে দ্বিতীয়বাৰৰ বাবে শাসনলৈ অহা ঘটনা এয়াই আছিল প্ৰথম।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক প্ৰাণ আৰু ঐতিহ্য দিছিল। গুৰুজনাৰ সাংস্কৃতিক আদৰ্শ আৰু পন্থাই জাতিটোক একতাৰ ডোলেৰে আজিও বান্ধি ৰাখিছে। অসমৰ মুখ্যমন্ত্ৰী হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহামায়া মা কামাখ্যা, আধ্যাত্মিক তীৰ্থ মাজুলী, ভুৱন তীৰ্থ আৰু মহাবাহু ব্ৰহ্মপুত্ৰক সন্মান জনাই মই অসমৰ ৰাইজক নিশ্চিতভাৱে এটা বাৰ্তা দিব খোজোঁ যে অহা পাঁচটা বছৰত অসমৰ জনসাধাৰণৰ আশা আৰু আকাংক্ষাক বাস্তৱত ৰূপায়ণ কৰাৰ বাবে এই চৰকাৰে ২৪ ঘণ্টাকৈ বছৰৰ ৩৬৫ দিনেই নিৰন্তৰভাৱে কাম কৰি যাব।

কল্যাণকামী ৰাষ্ট্ৰৰ কেন্দ্ৰবিন্দু হৈছে সমাজত যুগে যুগে বঞ্চিত হৈ থকা লোকসকল। তেওঁলোকক উত্তৰণৰ পথলৈ লৈ যোৱাটোৱেই হৈছে এই দৰ্শনৰ মূল লক্ষ্য। অসমৰ চাহ জনগোষ্ঠীৰ প্ৰতিগৰাকী লোক, অসমৰ অনুসূচিত জাতি আৰু জনজাতি তথা সংখ্যালঘু সম্প্ৰদায়ৰ মহিলাসকল আমাৰ কল্যাণকামী চৰকাৰৰ জনমুখী যাত্ৰাৰ মূল উপজীব্য হ'ব। তেওঁলোকক কেন্দ্ৰ কৰিয়েই অহা পাঁচটা বছৰত আমি এক নিৰন্তৰ বিকাশৰ যাত্ৰাৰে আগুৱাই যাবলৈ চেষ্টা কৰিম।

**আলফাৰ সৈতে আলোচনা ঃ** আমাৰ চৰকাৰখনে এক শান্তিৰ বতৰা লৈ নিজৰ যাত্ৰা আৰম্ভ কৰিছে। এই ক্ষেত্ৰত মই পোনপ্ৰথমে ধন্যবাদ জনাব খোজোঁ আলফা স্বাধীনৰ সেনাধ্যক্ষ পৰেশ বৰুৱা ডাঙৰীয়াক। আমাৰ এটা আবেদনৰ ভিত্তিত তেখেতে অপহৃত ৰিতুল শইকীয়াক যিধৰণে মুকলি কৰি দিলে সেই কথাই আমাৰ মনত এক আশাৰ সঞ্চাৰ কৰিছে। শান্তি-শৃংখলা অসমবাসীৰ অধিকাৰ। আমাৰ প্ৰজন্মটোৰ এতিয়া বয়স বাঢ়িছে। আমি পুৰণি চামটোৱে এখন শান্তিৰ অসম নবীন প্ৰজন্মটোক দি যাব লাগিব। মই পৰেশ বৰুৱা ডাঙৰীয়াক ক'ব খোজোঁ যে শান্তিৰ অসম, হিংসা বৰ্জিত এখন অসম আমাৰ নতুন প্ৰজন্মটোৰ অধিকাৰ। নতুন প্ৰজন্মৰ প্ৰতি সন্মান জনাই চৰকাৰ আৰু আলফা দুয়োটা পক্ষই মুকলি মনেৰে আলোচনাৰ পৰিৱেশ নিৰ্মাণ কৰিব লাগে। মই স্পষ্ট ভাষাৰে ক'ব খোজোঁ যে এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰী শ্ৰীমোদী ডাঙৰীয়া আৰু গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহ ডাঙৰীয়াৰ প্ৰচুৰ সদিচ্ছা আছে। ৰিতুল শইকীয়াৰ মুক্তিৰ জৰিয়তে অসমলৈ শান্তিৰ আগমন হওক, তাকে মই কামনা কৰোঁ।

**বড়োভূমিৰ শান্তি ঃ** প্ৰধানমন্ত্ৰী শ্ৰীমোদী ডাঙৰীয়াই বিটিআৰ চুক্তিৰ জৰিয়তে বড়োভূমিত স্থায়ী শান্তিৰ এক নতুন সপোন ৰচনা কৰিছে। যিসকলে বড়োভূমিত অশান্তিৰ বীজ সিঁচিব খোজে, যিসকলে হত্যা-হিংসাৰ পথলৈ ঘূৰি যাব খোজে, তেওঁলোকৰ প্ৰতি আমাৰ চৰকাৰৰ নীতি হ'ব শূন্য সহনশীলতা। আনহাতে বড়োভূমিলৈ শান্তিৰ পৰিৱেশ ঘূৰি আহক, বড়ো জাতিটোৱে এক নৱ উত্থানৰ পথত আগবাঢ়ি যাওক, তাৰ বাবে এই চৰকাৰে যিখিনি কৰিবলগীয়া আছে তাক দফাই দফাই সম্পূৰ্ণ কৰিব। কাৰ্বি পাহাৰতো স্থায়ী শান্তি ৰচনা কৰাৰ বাবে কাৰ্বি চুক্তি এখন কৰাৰ দিশত আমি আগবাঢ়িছোঁ। মই নিশ্চিত যে এই দিশতো আমি সফল হ'ব পাৰিম।

**উজ্জীৱিত অসমৰ পৰিচায়ক— কভিড মেনেজমেণ্ট ঃ** কভিড-১৯ৰ প্ৰথম লহৰৰ সফল ব্যৱস্থাপনাৰ বাবে অসম দেশজুৰি প্ৰশংসিত হৈছিল। এতিয়া দ্বিতীয় লহৰৰ মাজভাগত ঠিয় হৈ মই ক'ব খোজোঁ যে এইবাৰো অসমৰ জনতাৰ সহযোগিতাৰে অসম পুনৰাই সফল হ'ব। ইয়াৰ কাৰণ এয়ে যে জনতাৰ সহযোগত আমাৰ চৰকাৰে যি ধৰণে কাম কৰিছে ভাৰতৰ আন ৰাজ্যই তেনে কৰিব পৰা নাই। যিসময়ত ভাৰতৰ কোনো ৰাজ্যই অন্য এখন ৰাজ্যলৈ অক্সিজেন প্ৰেৰণ কৰিব পৰা নাই সেই সময়ত অসমে নিজৰ উৎপাদিত অক্সিজেন নিজে ব্যৱহাৰ কৰাৰ উপৰি প্ৰতিদিনে মেঘালয়, অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামলৈ প্ৰেৰণ কৰিছে। অসমে আজি নিজৰ ৰোগীৰ চাহিদা পূৰণ কৰাৰ পিছতো উত্তৰ-পূৱৰ দায়িত্বও বহন কৰিছে। আজি সমগ্ৰ উত্তৰ-পূৱত অসমৰ জনতাৰ প্ৰতি এক কৃতজ্ঞতাৰ ভাব জাগ্ৰত হৈছে। আনকি ইউপিএ চৰকাৰশাসিত ঝাৰখণ্ডৰ দৰে ৰাজ্যৰ প্ৰয়োজনৰ সময়তো আমি দুই হাজাৰ ড'জ ৰেমডিছিভিৰ ইনজেকচন সেইখন ৰাজ্যলৈ প্ৰেৰণ কৰিছোঁ। কেইদিনমানৰ আগতে তেলেংগানা ৰাজ্যৰ অনুৰোধত black fungus ৰোগৰ ঔষধো হায়দৰাবাদলৈ পঠিওৱা হৈছে। অসমৰ ক'ভিড নিয়ন্ত্ৰণ ব্যৱস্থাপনা আন কোনো ৰাজ্যৰ লগত তুলনা নহয়। অসমৰ এজন ৰোগীয়েও প্ৰয়োজনত আইচিইউ নোপোৱাকৈ থকা নাই। এজন ৰোগীয়েও অক্সিজেনযুক্ত বিচনাৰ অভাৱত ভোগা নাই। আজি অসমত এনেকুৱা এখন চিকিৎসালয় নাই, য'ত আমি বিচনা দিব পৰা নাই। চিকিৎসা মহাবিদ্যালয় কেইখনত নিৰন্তৰভাৱে দিনে-ৰাতিয়ে চিকিৎসকসকলে সেৱা আগবঢ়াইছে। তেখেতসকলৰ সৈতে মই নিজে আৰু স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াইও পুৱতি নিশালৈকে চিকিৎসালয়ৰ কাম-কাজ পৰ্যালোচনা কৰিছোঁ। টীকাকৰণৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনত ৮ জুনৰ বিয়লি ৪ বজালৈকে মুঠ ৪৪ লাখ ৩৮ হাজাৰ লোকক সামৰি লোৱা হৈছে। ইয়াৰে প্ৰথম পালি টীকা লোৱা লোকৰ সংখ্যা ৩৫ লাখ ৭৯ হাজাৰ আৰু দুটা পালি টীকা লোৱা লোকৰ সংখ্যা ৮ লাখ ৬০ হাজাৰ। জুলাই মাহৰ পৰা দৈনিক চাৰে তিনিলাখ লোকক যাতে আমি টীকাকৰণ প্ৰক্ৰিয়াত সামৰিব পাৰোঁ তাৰ বাবে কাৰ্যসূচী যুগুতাই উলিয়াইছোঁ। এনেদৰে ক'ভিড নিয়ন্ত্ৰণৰ ব্যৱস্থাৱলী হাতত লোৱাৰ ফলত আমাৰ ৰাজ্যৰ mortality rate থমকি ৰৈছে ০.৬ শতাংশ হাৰত। আজিৰ দিনটোত ৰাজ্যৰ পজিটিভিটি ৰেট ৩ শতাংশলৈ নামি আহিছে। ভাৰতৰ যিকোনো ৰাজ্যৰ তুলনাত এই হাৰ উন্নত আৰু আশাপ্ৰদ।

অসমৰ উদ্যোগ খণ্ডৱো আজি যথেষ্ট অৰিহণা যোগাইছে। ৰেমডিছিভিৰ ইনজেকচন আজি কামৰূপ জিলাৰ পলাশবাৰীৰ উদ্যোগত উৎপাদন কৰা হৈছে। ইয়াত উৎপাদিত ৰেমডিছিভিৰ প্ৰতি সপ্তাহত আশী হাজাৰ ড'জ বহিৰাজ্যলৈ প্ৰেৰণ কৰা হৈছে। আজি অক্সিজেনৰ বাবেই হওক বা ৰেমডিছিভিৰৰ বাবেই হওক আমি আনৰ ওচৰত হাত পাতিব লগা হোৱা নাই। এই ক্ষেত্ৰত অসমে অন্যান্য ৰাজ্যলৈ বৰঙনিহে যোগাইছে। যিখন অসমক লৈ আমি গৌৰৱ কৰিব পাৰোঁ, এয়া হৈছে তেনে এখন নতুন অসমৰ উদাহৰণ।

**জন অংশীদাৰিত্ব ঃ** ক'ভিড ব্যৱস্থাপনাত যাতে অসমৰ জনসাধাৰণেও প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে মই অসমৰ ৰাইজৰ জন অংশীদাৰিত্ব বিচাৰিছিলোঁ। সেই অনুসৰি অসমৰ সকলো শ্ৰেণীৰ ৰাইজলৈ মোৰ আহ্বান আছিল এই যে সকলোৱেই যেনেকৈ পাৰে তেনেকৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি যোগাওক। বিৰোধী দলৰ লোকসকলে এই ক্ষেত্ৰত আমাক সমালোচনা কৰিছিল। তেওঁলোকে প্ৰশ্ন কৰিছিল যে চৰকাৰৰ টকা নাই নেকি? কিন্তু আমি ধনৰ অভাৱৰ বাবে সেই আহ্বান দিয়া নাছিলোঁ। দুৰ্গা পূজাত যজমানে অকলে ফুল নিদিয়ে। ভক্তসকলকো ফুল দিবলৈ কয়। কাৰণ জনতা জড়িত নাথাকিলে কোনো কাম সিদ্ধ নহয়। ১৮ পৰা ৪৪ বছৰ বয়সলৈ ভেকচিন দিবলৈ আমাক ৮০০ কোটি টকা লাগিব। ৮০০ কোটি টকা ৰিলিফ ফাণ্ডৰ যোগেদি আহৰণ কৰাটো সম্ভৱ নহয়। কিন্তু কোনোৱে যদি দুখীয়া মানুহৰ টীকাকৰণৰ বাবে কিছু ধন দিব খোজে আমি সেই ৰাস্তাটো বন্ধ কৰিব নালাগিব। দান লোৱাটো ভাৰতৰ সভ্যতা-সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। গুৰু দ্ৰোণাচাৰ্যইয়ো শিষ্যৰ পৰা দক্ষিণা লৈছিল। সেইবাবে জন সহযোগিতাক আমি কেতিয়াও অগ্ৰাহ্য কৰিব নালাগে। ক'ভিদ ব্যৱস্থাপনাৰ বাবে কৰ আৰোপ নকৰাৰ সিদ্ধান্ত আমি লৈছোঁ। কৰৰ পৰিৱৰ্তে আমি মানুহক কৈছো এটকা দুটকা যি পাৰে আপোনালোকে টীকাকৰণৰ বাবে দিয়ক। এয়া হৈছে অসমবাসীৰ আত্মবিশ্বাসৰ প্ৰতিফলন।

চাৰে তিনি কোটি মানুহৰ টীকাকৰণ আমাৰ লক্ষ্য। যোৱাবাৰ অসম আৰোগ্য নিধিত ৰাইজে যিমান টকা দান দিলে সেই সমুদায় ধন আমি সযতনে সাঁচি ৰাখিছিলো। আজি সেই সঞ্চিত পুঁজি টীকাকৰণৰ জৰিয়তে আমি ৰাইজক উভতাই দিছোঁ। এইবাৰো মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৫০ কোটি টকা অসম আৰোগ্য নিধিলৈ মোকলাই দিছোঁ যাতে টীকাকৰণ চলি থাকে। এই সময়চোৱাত অৰ্থাৎ জুলাই মাহলৈকে টীকাকৰণ চলাই ৰাখিবৰ বাবে আমি ৰাইজৰ পুঁজিকেই ৰাইজক উভতাই দি আছোঁ। ইতিমধ্যে আমি ৫০ কোটি টকাৰ টীকা ক্ৰয় কৰিছোঁ।

ইয়াৰ মাজতে প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই ক'ভিডৰ টীকা বিনামূলীয়াকৈ প্ৰদান কৰাৰ বাবে সিদ্ধান্ত লৈছে। এনেক্ষেত্ৰত ৰাইজে দান বৰঙনিৰে আগবঢ়োৱা ধন পুনৰ সংস্থাপনৰ বাবে খৰচ কৰা হ'ব। তদুপৰি কভিড-১৯ৰ তৃতীয় লহৰৰ পৰা যাতে শিশুসকলক ৰক্ষা কৰিব পৰা যায় তাৰ বাবে শিশুৰ আইচিইউ নিৰ্মাণতো এই ধন ব্যয় কৰা হ'ব।

**১ লাখ নিবনুৱালৈ নিযুক্তি আৰু মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই ঃ** নিৰ্বাচনত আমাৰ প্ৰতিশ্ৰুতি আছিল যে আমি এক লাখ নিবনুৱাক চাকৰি দিম। সেই কথাত আমি অটল হৈ আছোঁ। আমি গণি গণি একলাখ নিবনুৱাক নিযুক্তি দিম— সেয়া আমাৰ প্ৰতিশ্ৰুতি। নিযুক্তিৰ সভাখনলৈ আমি বিৰোধী দলৰ দলপতিগৰাকীকো বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ জনাম। নিৰ্দ্ধাৰিত লক্ষ্যতকৈ নিযুক্তি দুই এগৰাকী বেছি হ'ব পাৰে, কিন্তু কম নহয়। মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই দিম বুলি আমি প্ৰতিশ্ৰুতি দিছিলো, আমি সেয়া ৰূপায়ণ কৰিম। তাৰ বাবে প্ৰয়োজন হ'লে আমি নিজৰ দৰমহাটোও নলওঁ। যিকোনো উপায়েৰে সেয়া কৰিবই লাগিব কাৰণ অসমৰ সহজ সৰল জনগণক দিয়া প্ৰতিশ্ৰুতি আমি আখৰে আখৰে পালন কৰিব লাগিব। তাত আমি কোনো শিথিলতা আহিবলৈ দিব নোৱাৰোঁ।

**আন্তঃগাঁথনি নিৰ্মাণ ঃ** আন্তঃগাঁথনি নিৰ্মাণ আমাৰ চৰকাৰৰ এক অন্যতম প্ৰাথমিকতা। এটা অঞ্চলৰ প্ৰগতিৰ এক অন্যতম চৰ্ত হৈছে উন্নত আন্তঃগাঁথনি। আন্তঃগাঁথনি, বিশেষকৈ যোগাযোগ আন্তঃগাঁথনিৰ দিশৰ পৰা অসমক এখন লেখত ল'বলগীয়া ৰাজ্যৰূপে গঢ়ি তোলাৰ প্ৰয়োজনীয়তা এইবাবেই আছে যে অসম হৈছে দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ। যোগাযোগৰ সুচলতাৰ বাবে বিজেপি চৰকাৰৰ দিনতে ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং নিৰ্মাণ হৈছে। ২০২৩ চনত আমি সেই দলং উদ্বোধন কৰিম। মাজুলী সংযোগী দলং নিৰ্মাণৰ কাম আৰম্ভ হৈছে। কলিয়া ভোমোৰা দলং কেইমাহমানতে সম্পূৰ্ণ হ'ব। গহপুৰ-নুমলীগড় সংযোগী দলং অলপতে আৰম্ভ হ'ব। ধুবুৰীৰ ফুলবাৰীত দলং নিৰ্মাণৰ কাম প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই শুভাৰম্ভ কৰিছিল। এয়া হৈছে এছিয়াৰ দীৰ্ঘতম দলং। এই দলঙে ধুবুৰীৰ পৰা দক্ষিণ শালমাৰা হৈ মেঘালয় পাওঁতে বহু সময় ৰাহি কৰিব। কোনোবা চৰকাৰে এনে কৰিব পাৰিব সেয়া আছিল এসময়ত কল্পনাৰো অগোচৰ।

**বানমুক্ত অসম ঃ** বানমুক্ত অসম আমাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল। বান নিয়ন্ত্ৰণৰ বাবে আমি মথাউৰিবোৰক নতুন প্ৰাণ দিব খুজিছোঁ। তাৰ বাবে আমি এটা নতুন পন্থা অৱলম্বন কৰিব খুজিছোঁ। সেয়া হৈছে - মথাউৰি নিৰ্মাণ আৰু যতন এই দুয়োটা কাম দুটা পৃথক বিভাগৰ হাতত অৰ্পণ কৰা। মথাউৰিবোৰৰ চোৱা-চিতাৰ দায়িত্বত থাকিব জলসম্পদ বিভাগ। কিন্তু সেইবোৰৰ নিৰ্মাণৰ বাবে আমি এনে এটা সংস্থা গঢ়ি তুলিব খুজিছোঁ য'ত আইআইটিৰ ইঞ্জিনিয়াৰসকলে যোগদান কৰিব। তদুপৰি ইয়াত থাকিব অসমৰ বান বিশেষজ্ঞসকল। এইবাৰৰ বানপানী পাৰ হৈ যোৱাৰ পিছত যুদ্ধকালীন গতিত মথাউৰিবিলাক নিৰ্মাণ কৰা হ'ব। মথাউৰিৰ ওপৰৰ পথবোৰ লোক নিৰ্মাণ বিভাগে পকী কৰি তুলিব। তাৰ ফলত মথাউৰিবোৰৰ বহন শক্তি বৃদ্ধি হ'ব। ব্ৰহ্মপুত্ৰৰ খনন সম্ভৱ নহ'লেও ইয়াৰ উপনদীবিলাকৰ যাতে আমি খনন চলাই থাকিব পাৰোঁ তাৰ বাবে আমি চেষ্টা চলাই যাম। ইতিমধ্যে বৰাকৰ বুকুত আৰম্ভ কৰা খননে দক্ষিণ অসমৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা আনি দিব।

**সভ্যতা-সংস্কৃতিৰ সুৰক্ষা ঃ** অসমৰ সভ্যতা-সংস্কৃতি ৰক্ষা কৰাটো সময়ৰ আহ্বান। অসমৰ পুৰাতন সভ্যতা-সংস্কৃতিৰ প্ৰতি আজি কেইবাদশকজুৰি প্ৰচণ্ড ভাবুকিৰ সৃষ্টি হৈছে। এই কথা সন্মুখত ৰাখিয়েই আমি নিৰ্বাচনৰ ঘোষণা পত্ৰত কৈছিলোঁ যে এনআৰচিৰ পুনৰীক্ষণ হ'ব লাগে। ৰাইজেও জনাদেশ দিছে আৰু এনআৰচিৰ পুনৰীক্ষণ বিচাৰিছে। গতিকে আমি এনআৰচিৰ পুনৰীক্ষণ বিচাৰিব লাগিব। ইয়াৰ বাবে যি ফ'ৰামতে আমি আমাৰ নিজা প্ৰতিশ্ৰুতিসমূহ ৰক্ষা কৰিব পাৰোঁ, সেই ফ'ৰামৰ সহায় আমি ল'ব লাগিব। মই জনতাক প্ৰতিশ্ৰুতি দিছোঁ যে সীমান্তৰ জিলাত এনআৰচিৰ ২০ শতাংশ পুনৰীক্ষণ কৰাব লাগিব। অন্যান্য জিলাত সেই পুনৰীক্ষণ ১০ শতাংশ হ'ব লাগিব। আমি আমাৰ এই প্ৰতিশ্ৰুতি পালন কৰিম। বিৰোধীয়েও প্ৰতিশ্ৰুতি দিছে যে নহয়, পুনৰীক্ষণ হ'ব নালাগে। গতিকে বিৰোধীয়ে বিৰোধীৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ চেষ্টা কৰিব। গণতন্ত্ৰ এনেকৈয়ে আগবাঢ়ি যাব। গণতন্ত্ৰৰ বিধিমতে কোনোবা ফ'ৰামত সিদ্ধান্ত হ'ব— সেই ফ'ৰাম কেতিয়াবা বিধানসভাৰ মজিয়া হ'ব পাৰে আৰু কেতিয়াবা হ'ব পাৰে আদালতৰ মজিয়া।

আমি বিশ্বাস কৰোঁ— গো আমাৰ মাতৃ। গতিকে আমি বিচাৰিম পশ্চিমবংগৰ পৰা গো-ধন নাহক। আমি বিচাৰিম যি ঠাইত গৰুক পূজা কৰা মানুহ আছে তাত গো ভক্ষণ নহওক। মই বহুবাৰ লক্ষৌৰ দাৰুল উলুমৰ বিবৃতি দেখিছোঁ, য'ত তেওঁলোকে কৈছে যে হিন্দু মানুহ থকা অঞ্চলত গো ভক্ষণ কৰিব নালাগে। গুৱাহাটীৰ ফাঁচী বজাৰৰ কেতবোৰ হোটেলত গো-মাংস বিক্ৰী কৰাৰ কোনো প্ৰয়োজনীয়তা নাই। কাৰণ এয়া এক স্পৰ্শকাতৰ বিষয়। ভাৰতৰ সংবিধানে কয় যে গো হত্যা কৰিব নালাগে। সংবিধানৰ নিৰ্দেশাত্মক নীতিত এই কথা উল্লেখ আছে। যেতিয়া সদনত এআইইউডিএফৰ বিধায়কসকলেও এনেধৰণৰ কথাৰ প্ৰতি সমৰ্থন জনাব তেতিয়া নতুন অসম নিৰ্মাণ হ'ব। সদনত মুছলমান বিধায়ক কৰিমউদ্দিন বৰভুইয়া ডাঙৰীয়াই সংস্কৃতত শপত লৈছে, কিন্তু আল্লাৰ নামত শপত লৈছে। দেৱ ভাষা সংস্কৃত ভাৰতৰ ঐতিহ্যৰ লগত জড়িত। কৰিম উদ্দিন বৰভুইয়া ডাঙৰীয়াই যি উদাহৰণ দাঙি ধৰিছে তেনেধৰণে যদি সকলোৱে চিন্তা কৰে অসমত সংঘাত হ'বই নোৱাৰে। যেতিয়া ইউডিএফ দলে ক'ব যে, কোনেও সত্ৰৰ মাটি বেদখল কৰিব নোৱাৰে - তেতিয়াই নতুন সমাজৰ সৃষ্টি হ'ব। তেতিয়া আমিও ক'ম যে মছজিদৰ মাটি দখল হ'ব নোৱাৰে। কিন্তু কোনোবাই যদি সত্ৰৰ মাটি দখল কৰে তেন্তে আন কোনোবাইতো মছজিদৰ মাটিও দখল কৰিব। সেইখন সমাজ আমি বিচৰা নাই।

অসমৰ সভ্যতা-সংস্কৃতি-সাহিত্যৰ ভিত্তিত নতুন অসমৰ ভেটি নিৰ্মাণৰ দিশত ইতিমধ্যে আমি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। সমাজলৈ উল্লেখনীয় বৰঙণি আগবঢ়োৱা একোজন বিশিষ্ট ব্যক্তিলৈ অসম ৰত্ন বঁটা প্ৰতি বছৰে নিয়মীয়াকৈ প্ৰদান কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। সমাজৰ সুযোগ্য সন্তানসকলক উৎসাহিত কৰাৰ স্বাৰ্থত বঁটাৰ পৰিসৰ বঢ়াবৰ বাবে অসম ৰত্নৰ উপৰি আন কেইবাটাও বঁটা প্ৰণয়নৰ সিদ্ধান্ত লোৱা হৈছে, যেনে - অসম বিভূষণ, অসম ভূষণ আৰু অসমশ্ৰী। এই বছৰৰ পৰা সাহিত্যিক পেঞ্চনসমূহ বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ নামেৰে নামাংকিত কৰা হ'ব। প্ৰতি বছৰে ৭ ডিচেম্বৰ তাৰিখে তেখেতৰ জন্ম দিনটোত সাহিত্যিক পেঞ্চনাৰসকলৰ নাম ঘোষণা কৰিবলৈ আমি সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। একেদৰে ক্ৰীড়া পেঞ্চনসমূহ অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামত তেখেতৰ জন্মদিন ৩ চেপ্তেম্বৰ দিনটোত প্ৰদান কৰা হ'ব। শিল্পী বঁটাসমূহ প্ৰতি বছৰে ১৭ জানুৱাৰীত প্ৰদান কৰা হ'ব। বৰদোৱা আমাৰ বাবে পৰম পৱিত্ৰ তীৰ্থ। এই তীৰ্থৰ শ্ৰীবৃদ্ধিৰ বাবে আমাৰ চৰকাৰে লক্ষ্য স্থিৰ কৰি লৈছে। বৰদোৱা থান সাংস্কৃতিক আৰু পৰ্যটন প্ৰকল্পৰ বাবে অতিৰিক্তভাৱে ৩৫ বিঘা মাটি আৱণ্টনৰ প্ৰক্ৰিয়াও আমি আৰম্ভ কৰিছোঁ। দৰং জিলাৰ ছিপাঝাৰৰ গৰুখুটি গাঁৱৰ ৭৭ হাজাৰ বিঘা মাটি বেদখলকাৰীৰ কবলৰ পৰা উদ্ধাৰ কৰি তাক কৃষিকৰ্মত ব্যৱহাৰ কৰাৰ বাবে ইতিমধ্যে বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়াৰ নেতৃত্বত এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰি দিয়া হৈছে।

সামৰণিত এনেকৈ, প্ৰতিশ্ৰুতি অনুসৰি এটা এটাকৈ কাম কৰি আমি অসমখনক অহা পাঁচটা বছৰৰ পিছত শ্ৰেষ্ঠতম অসম আৰু ভাৰতৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত এখন হিচাপে গঢ় দিম। তাৰবাবে প্ৰথম মাহটোতে এটা পৃষ্ঠভূমি তৈয়াৰ কৰা কামত আমি ব্ৰতী হৈছোঁ। এই ক্ষেত্ৰত মই বিৰোধী আৰু শাসকীয়— সকলো পক্ষকে গঠনমূলক ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছোঁ। এটা সুস্থ গণতান্ত্ৰিক পৰম্পৰা আমি আৰম্ভ কৰিব বিচাৰিছোঁ যি সুস্থ গণতন্ত্ৰৰ যোগেদি অহা পাঁচটা বছৰত অসমৰ জনতাই লাভ কৰিব তেওঁলোকৰ বহু ঈপ্সিত এখন সুন্দৰ অসম।

# ক'ভিড-১৯ৰ প্ৰতি সজাগতা অনাত ব্যস্ত মাজবাট ৰাজহ চক্ৰ বিষয়া-মাজবাটৰ বিজেপি দলীয় নেতা, সক্ৰিয় কৰ্মী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৯ জুন ঃ** বিটিআৰৰ অধীনস্থ ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত মাজবাট ৰাজহ চক্ৰ বিষয়া সুৰুজ সোণোৱাল, পাঁচনৈ চেৰফাং সমষ্টিৰ দীপক মৌৰ, মাজবাট, ওৰাং থানাৰ সক্ৰিয় সহযোগ ক'ভিভ-১৯ৰ পৰীক্ষা, ভেকচিনেশ্বন আদিৰ সজাগ অভিযান চলি আহিছে। বিশ্বব্যাপী সন্ত্ৰাসৰ সৃষ্টি কৰা ক'ভিড-১৯ দৰে মাৰাত্মক ৰোগৰ বৰ্ধিত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে নানান চেষ্টা কৰাৰ উপৰি ৰাইজক সজাগ হ'বলৈ আহ্বান জনাই আহিছে। মঙলদৈ লোকসভা সমষ্টিৰ যুৱ সাংসদ দিলীপ শইকীয়াই ওদালগুৰি জিলাৰ মাজবাটৰ পৰা আৰম্ভ কৰি সমগ্ৰ মঙলদৈ লোকসভা সমষ্টিৰ ৰাইজক সজাগ কৰিবলৈ নিজে লোকসভা সমষ্টিৰ জিলাই জিলাই গৈ ৰাইজক সজাগ কৰাত নিজেও গাঁও, বাগান অঞ্চলত প্ৰৱেশ কৰি ওদালগুৰি জিলাৰ দলীয় কৰ্মীসকলকো ৰাইজৰ মাজত সোমাই ৰাইজক সজাগ কৰাৰ বাবে বাৰম্বাৰ আহ্বান জনাই আহিছে। মাজবাটৰ বিজেপি দলৰ নেতা-কৰ্মীসকলে সাংসদ দিলীপ শইকীয়াই জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই বহু দিন ধৰি মাজবাটৰ দলীয় কৰ্মীসকলক ৰাইজৰ মাজত গৈ ক'ভিড-১৯ক লৈ সজাগ কৰি অহা দেখা পোৱা গৈছে। ৭০নং মাজবাট বিধানসভা সমষ্টিৰ ৰাইজৰ মাজত সজাগতা অনাৰ আপ্ৰাণ চেষ্টা কৰি থকা দেখা পোৱা গৈছে বিজেপি নেতা-কৰ্মীসকলক। ধনশ্ৰীঘাট, মাজবাট, ওৰাং, ৰৌতা আদি অঞ্চলৰ লগতে মাজবাটস্থিত সকলো চাহ বাগিচাৰ লাইনে লাইনে গৈ দলীয় নেতা-কৰ্মী আৰু চক্ৰ বিষয়া, স্বাস্থ্য কৰ্মীসকলে যথেষ্ট চেষ্টা কৰাৰ ফলত বহু ৰাইজ এতিয়া আগৰ তুলনাত এই ৰোগক লৈ কিছু সজাগ হোৱা পৰিলক্ষিত হৈছে। এই কালসদৃশ ৰোগৰ পৰা ৰাইজক সুৰক্ষিত ৰখাৰ স্বাৰ্থত মাজবাট বিজেপিৰ অন্যতম যুৱ নেতা কিশোৰ শৰ্মা, বিগত নিৰ্বাচনৰ বিজেপি দলৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য জিতু কিষাণ, পাঁচনৈ চেৰফাং সমষ্টিৰ এম চি এল এ দীপক মৌৰ, বিজেপি দলৰ মণ্ডল সভাপতিৰ পৰা আৰম্ভ কৰি সকলো বিজেপি দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা, বিজেপিৰ সকলো কৰ্মীয়ে মাজবাট বিধানসভা সমষ্টিৰ জনগণক ক'ভিড-১৯ৰ প্ৰতি সজাগ কৰি আহিছে। মাজবাটৰ চক্ৰ বিষয়া আৰু মাজবাট উন্নয়ন খণ্ডৰ বিডিঅ'ৰ দায়িত্বত থকা ক'ভিড যোদ্ধা সুৰুজ সোণোৱালেও ৰাইজৰ মাজত সজাগতা অনাৰ প্ৰয়াস কৰা পৰিলক্ষিত হৈছে। মাজবাটৰ যুৱ নেতা কিশোৰ শৰ্মাই তেওঁৰ সতীৰ্থ, জ্যেষ্ঠ দলীয়সকলক লৈ গাঁৱে গাঁৱে গৈ ক'ভিড-১৯ৰ বৰ্ধিত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন মাধ্যমেৰে সজাগ কৰি অহাৰ উপৰি যুৱ নেতাগৰাকীয়ে মাজবাট, ওৰাং চাৰিআলিৰ বজাৰ চ'ক, ৰাস্তা-ঘাট সকলোতে ছেনিটাইজ কৰিছে। মাজবাট বিধানসভা সমষ্টিৰ সকলো অঞ্চলৰ জনগণ এতিয়া ক'ভিড-১৯ৰ সংক্ৰান্তত অৱগত হৈছে কিন্তু ইমানখিনি কৰাৰ পিছতো অঞ্চলটোৰ কিছু অন্ধ বিশ্বাসত চলা ব্যক্তি, অপপ্ৰচাৰ আদিৰ বলি হৈ বিশেষকৈ গাঁও, বাগান আদি অঞ্চলৰ ৰাইজ এতিয়াও সজাগ নোহোৱাত চিন্তিত হৈছে অঞ্চলটোৰ সচেতন মহল। ওৰাং, মাজবাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাস, মিণ্টু সন্দিকৈ আৰু মাজবাট শ্ৰম পৰিদৰ্শক ডেইটী ৰয় চৌধুৰী আদিয়ে প্ৰত্যক্ষভাৱে সক্ৰিয় সহায়-সহযোগিতা কৰি থকা দেখিবলৈ পোৱা গৈছে। আনহাতে, মাজবাটৰ যুৱ নেতা কিশোৰ শৰ্মাই জানিবলৈ দিয়া মতে ক'ভিড-১৯ৰ সেনাপতি তথা মাজবাটৰ চক্ৰ বিষয়া সুৰুজ সোণোৱালেও বিভিন্ন সময়ত ক'ভিড সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি নিজে গৈ গাঁওসমূহত ৰাইজৰ মাজত সজাগতা অনা, অঞ্চলসমূহ ছেনিটাইজ কৰা আদি নানান ধৰণে ৰাইজৰ সেৱাৰ স্বাৰ্থত দলীয় কৰ্মীসকলকো সোণোৱালে যথাসম্ভৱ সহায় কৰি আহিছে বুলি শৰ্মাই জনাইছে।

## ওৰাঙৰ ২৫৯ ব্যৱসায়িক ক'ভিভ পৰীক্ষা, এজন পজিটিভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৯ জুন ঃ** ক'ভিড সংক্ৰমণ নিয়ন্ত্ৰণ কৰাৰ বাবে ৬ জুনত ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত মাজবাট ৰাজহ চক্ৰ বিষয়া, ওৰাং থানাৰ আৰক্ষী বিষয়া, পাঁচনৈ চেৰফাং সমষ্টিৰ এম চি এল দীপক মৌৰৰ সক্ৰিয় সহযোগিতাত ওৰাং ব্যৱসায়িক সন্থাই লৈছে এক বিশেষ পদক্ষেপ। ক'ভিড পৰীক্ষাৰ ফলাফল নিগেটিভ হ'লেহে ওৰাঙৰ ব্যৱসায়ীয়ে খুলিব পাৰিব ব্যৱসায়িক প্ৰতিষ্ঠান বুলি স্থানীয় প্ৰশাসনে সিদ্ধান্ত লৈছিল। ওৰাঙত ক'ভিড নিয়ন্ত্ৰণৰ বাবে এই সিদ্ধান্ত স্থানীয় প্ৰশাসন আৰু ওৰাং ব্যৱসায়িক সন্থাই সহযোগিতা কৰিছে। ওৰাঙৰ ব্যৱসায়িক সন্থাৰ প্ৰতিগৰাকী ব্যৱসায়ী তথা সদস্যক ক'ভিড পৰীক্ষা কৰাটো বাধ্যতামূলক ঘোষণা কৰিছে স্থানীয় প্ৰশাসনে। এইক্ষেত্ৰত সহযোগ কৰে ওৰাং ব্যৱসায়িক সন্থাই। ৬ জুনত ওৰাং পৰিদৰ্শন ভৱনত ব্যৱসায়ীসকলক কৰা হৈছে ক'ভিড পৰীক্ষা। ওৰাঙৰ প্ৰতিগৰাকী ব্যৱসায়ীয়েই ব্যৱসায়িক সন্থাক সহযোগ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা এই পদক্ষেপক সমৰ্থন আগবঢ়াই সচেতনতাৰে ক'ভিড পৰীক্ষা কৰিছে। ক'ভিড পৰীক্ষাত যিসকল ব্যৱসায়ীক স্বাস্থ্য বিভাগে নিগেটিভ প্ৰমাণ-পত্ৰ প্ৰদান কৰিব তেওঁলোকেহে ব্যৱসায়িক প্ৰতিষ্ঠান খুলিব পাৰিব বুলি স্থানীয় প্ৰশাসনে সিদ্ধান্ত হৈছে আৰু এই সিদ্ধান্তক ওৰাং ব্যৱসায়ী সন্থাই সহযোগ কৰিছে। ক'ভিড নিয়ন্ত্ৰণৰ বাবে ওৰাং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাস, মাজবাট ৰাজহ চক্ৰ বিষয়া সুৰুজ সোণোৱাল আৰু পাঁচনৈ চেৰফাং সমষ্টিৰ এম চি এল এ দীপক মৌৰে বিশেষ সহযোগিতা আগবঢ়াইছে। এই পৰীক্ষা কেন্দ্ৰটোত স্বাস্থ্য কৰ্মী বিপ্লৱজ্যোতি ডেকা, গজেন বড়ো, নিবেদিতা ভৰালী, হৰেন বসুমতাৰী, নীতা দেৱী, অজয় পালে ২৫৯ ৰেট পৰীক্ষাৰ কৰাৰ অন্তত ২জনক ক'ভিড পজিটিভ পোৱা গৈছে বুলি স্বাস্থ্য বিভাগে জনাইছে। এজন ব্যৱসায়ীৰ ক'ভিড পজিটিভ হৈছে আৰু চিকিৎসালয়লৈ অহা আন এজন ভালুকমাৰীৰ যুৱকৰো ক'ভিড হৈছে। ইতিমধ্যে দুয়োগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।

## ইটাখোলাত গছপুলি ৰোপণৰ লগতে কৰ'না সজাগতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৯ জুন ঃ** নদুৱাৰৰ অন্তৰ্গত ইটাখোলা ব্যৱসায়িক কেন্দ্ৰৰ মাজমজিয়াত সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ, অসমৰ উদ্যোগত আজি প্ৰায় ১০০ জোপা গছপুলি ৰোপণ কৰা হয়। সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ বিশ্বনাথ জিলাৰ উপ-সভাপতি পাপলু হুছেইন, প্ৰচাৰ সম্পাদক উজিৰ শ্বাহ, সদস্য সঞ্জু আহমেদে আঁত ধৰা গছপুলি ৰোপণ কাৰ্যসূচীত অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে সচেতন মহলে অংশগ্ৰহণ কৰে। গছপুলি ৰোপণ কৰি সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদৰ বিশ্বনাথ জিলাৰ উপ-সভাপতি পাপলু হুছেইনে কয়- প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ্থে আমি প্ৰত্যেকেই একোজোপাকৈ গছপুলি ৰোপণ কৰা উচিত। প্ৰকৃতি শক্তিশালী হ'লে মানৱ সমাজৰ পৰা মহামাৰীও আঁতৰ হ'ব। গছপুলি ৰোপণৰ লগতে সংগঠনটোৰ সদস্যসকলে কৰ'না মহামাৰী প্ৰতিৰোধৰ ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা অনাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি অহাৰ বিষয়েও জানিবলৈ দিয়ে পাপলু হুছেইনে। সংগঠনটোৰ এনে মহান পদক্ষেপক অঞ্চলবাসীয়ে ভূয়সী প্ৰশংসা কৰিছে।

## হোজাই-দৰঙৰ উচ্ছেদৰ বিৰোধিতা ইত্তেহাদ ফ্ৰণ্টৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেছিমাৰী, ৯ জুন ঃ** ইত্তেহাদ ফ্ৰণ্ট অসম ৰাজ্যিক সমিতিৰ সভাপতি নুৰ ইছলামে সাংবাদিকৰ আগত কয়— প্ৰতি বছৰে নৈ, উপনৈসমূহৰ কালৰূপ বান-খহনীয়াৰ কৱলত পৰি মাটি-ভেটি হেৰুৱাই হাজাৰ হাজাৰ পৰিয়াল সৰ্বস্বান্ত হৈ বিভিন্ন মথাউৰি, চৰকাৰী ভূমিত বছৰ বছৰ ধৰি বাস কৰিব লগা হৈছে। বিভিন্ন সময়ত এই পৰিয়ালবোৰে চৰকাৰীভাৱে উচ্ছেদৰ সন্মুখীন হোৱাৰ পিছত উপায়হীন হৈ বেলেগ বেলেগ ঠাইত গৈ বাস কৰিব লগা হয়। বিভিন্ন সময়ত দৰিদ্ৰ, লাঞ্ছিত, বঞ্চিত সৰ্বস্বান্ত হোৱা লোকসকলে নানা ধৰণৰ হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ লগতে সন্দেহযুক্ত নাগৰিক বুলি ইতিকিংসূচক বিশেষণ লাভ কৰিছে। ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশ এখনত প্ৰতিজন নাগৰিকৰে সন্মান সহকাৰে জীয়াই থকাৰ অধিকাৰ আছে। কিন্তু অতি আক্ষেপেৰে জনাব লগা হৈছে যে দেশজুৰি ক'ৰনা মহামাৰীৰ দ্বিতীয়টো ঢৌৱে বিভীষিকাময় পৰিৱেশ সৃষ্টি কৰাৰ সময়ত, ৰাজ্যখনত জনতাৰ সুৰক্ষাৰ হেতুকে আংশিক লকডাউন চলি আছে। মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে ১০ মে'ত কৰ'না কালত যিকোনো উচ্ছেদ অভিযান বন্ধৰ নিৰ্দেশনা প্ৰদান কৰিছিল যদিও মহামান্য ন্যায়ালয়ৰ সেই নিৰ্দেশনা অৱমাননা কৰি শোণিতপুৰ প্ৰশাসনে দীঘলীচাপৰি,বালিচাপৰি আৰু বালিতাচাপৰি অঞ্চলত হোজাই জিলা কাকী অঞ্চল, দৰং জিলাৰ ঢলপুৰ আদি অঞ্চলত উচ্ছেদ অভিযান চলাই শ শ পৰিয়ালক গৃহহীন কৰি এক অমানৱীয় পৰিস্থিতিৰ সৃষ্টি কৰি মৃত্যুমুখলৈ ঠেলি দিয়া বুলি বিস্ফোৰক অভিযোগ উত্থাপন কৰাৰ লগতে অমানৱীয়ভাৱে উচ্ছেদ অভিযান চলোৱা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে ৰাজ্য চৰকাৰক উচ্ছেদিত লোকসকলক ক্ষতিপূৰণসহ পুনৰ সংস্থাপন দাবী জনায় সংগঠনটোৰ সভাপতি নুৰ ইছলাম, উপ-সভাপতিদ্বয় ৰুবুল আলী,আছাদ উদ্দিন, সাধাৰণ সম্পাদক বাহাৰুল আমিনে।



## নাজিৰাত ৰাজপথৰ কাষত জাবৰ পেলাই গামোচা পিন্ধি আদৰণি ল'লে ব্যৱসায়ী গণেশ চাহুয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৯ জুন ঃ** নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে প্ৰদূষণমুক্ত নগৰ হিচাপে আদৰ্শ গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি নাজিৰা পৌৰসভা কৰ্তৃপক্ষই এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। সেই মৰ্মে আজি পুৱাৰ ভাগতে নগৰৰ মাজমজিয়াৰ চাহ-তামোলৰ ক্ষুদ্ৰ ব্যৱসায়ী গণেশ চাহুয়ে পদপথ তথা ঐতিহাসিক ধোদৰ আলিৰ কাষত জাবৰ পেলোৱাৰ অপৰাধত জৰিমনা বিহাৰ পৰিৱৰ্তে পৌৰসভাৰ কাৰ্যবাহী বিষয়া তথা দণ্ডাধীশ সুজাতা গগৈ আৰু পৌৰসভাৰ কৰ্মচাৰীয়ে ব্যৱসায়ী চাহুক এখন গামোচা পিন্ধাই আদৰণি জনাই এক প্ৰকাৰে লজ্জানত কৰে আৰু অনাগত সময়ত এনে কাৰ্য কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱাৰ লগতে সমূহ ব্যৱসায়ী আৰু নগৰবাসী জনগণক নগৰখন পৰিষ্কাৰ কৰি ৰাখি প্ৰদূষণমুক্ত নগৰ হিচাপে আদৰ্শ গঢ়ি তুলিবলৈ অনুৰোধ জনায়।

## যোৰহাটত কৰ'নাৰ গণ-সংক্ৰমণৰ আশংকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ যোৰহাট, ৯ জুন ঃ** যোৰহাট জিলাত কৰ'নাই প্ৰায় দুটা সপ্তাহত উত্তৰ দিশে গ্ৰাম্য অঞ্চলত ৮জন লোকৰ প্ৰাণ লৈছে। এই বৃহৎ এলেকাৰ নপমুৱা, নাওবৈছা, পটিয়াগাঁও, খাজুৰীগুৰি, নিমাতী, জ্যোতিপুৰ, শান্তিপুৰ, ভূএঞাচুক, কলাখোৱা, কমাৰগাঁও আদি অঞ্চলৰ কিছুমান লোকৰ দেহত কৰ'নাৰ অৱস্থিতি ধৰা পৰিছে। স্বাস্থ্য বিভাগে তেওঁলোকক হ'ম কোৱাৰেণ্টাইন আৰু কণ্টেইনমেন জ'ন ঘোষণা কৰি ফলক আঁৰি আহে। কিন্তু ইয়াৰ একাংশ লোকৰ কাম-কাজে কৰ'নাৰ গণ-সংক্ৰমণৰ পূৰ্ণ আশংকা প্ৰকাশ কৰিছে সচেতন মহলে। আক্ৰান্ত একাংশ লোক ঘৰে ঘৰে, দোকান, বজাৰ কৰি শ'লঠেকত পেলাইছে গাঁওবুঢ়া, আশা কৰ্মীক। এইসকলে দিন-ৰাতি একাকাৰ কৰি বেমাৰ ৰোধ কৰাতব্যস্ত হৈআছে। আক্ৰান্তই ৰোগ বঢ়োৱা কাৰ্যত বিপাঙত পৰিছে। ইয়াৰ ফলত গণ-সংক্ৰমণৰ পূৰ্ণ আশংকা কৰিছে সচেতন মহলে। ইয়াৰ উপৰি সন্ধিয়াৰ পৰা ৰাতিলৈকে অবৈধভাৱে পটিয়াগাঁও তিনিআলিৰ সমীপৰ পৰা বহু বছৰ ধৰি আৰক্ষীৰ লগত মিত্ৰজোঁট কৰি চুলাই মদৰ বেপাৰীয়ে যোগান দিয়া মদ ক্ৰয় কৰিবলৈ বহু যুৱক, বৃদ্ধ এক গোট হয়।

## খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া শিক্ষকৰ ৰূপত

### কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অনলাইন ক্লাছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৯ জুন ঃ** গোলাঘাট জিলাৰ দেৰগাঁৰৰ কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ কেৰিয়াৰ কাউন্সিলিং কোষৰ দ্বাৰা আয়োজিত এলানি অনলাইন কৰ্মশালাৰ আজি চতুৰ্থখন কৰ্মশালা অনুষ্ঠিত হয়। আজিৰ কৰ্মশালাৰ সমল শিক্ষকৰূপে অংশগ্ৰহণ কৰে খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই। কৰ্মশালাৰ বিষয়— 'ছাত্ৰ-ছাত্ৰীৰ মনত সামাজিক দায়বদ্ধতাৰ বিকাশ' সম্পৰ্কে অতি মনোগ্ৰাহীকৈ আলোচনা কৰে বিধায়কগৰাকীয়ে। ছাত্ৰৰ মনত সামাজিক দায়বদ্ধতাৰ বিকাশ সাধন হ'লেহে সমাজখনৰ উন্নতি সম্ভৱ হ'ব বুলি কৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ মংগলৰ হকে কাম কৰিবলৈ আহ্বান জনায়। কৰ্মশালাখন মুকলি কৰি গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক সমীৰণ বৰাই গোলাঘাট জিলাৰ শিক্ষা বিভাগৰ বাবে এক গৌৰৱময় দিন বুলি উল্লেখ কৰে। বিদ্যালয়ৰ অধ্যক্ষ তথা বিদ্যালয়ৰ কেৰিয়াৰ কাউন্সিলিং কোষৰ সমন্বয়ক জ্যোতি কুমাৰী শৰ্মাই কাৰ্যসূচীৰ আঁত ধৰি অত্যন্ত ব্যস্ততাৰ মাজতো এইদৰে ছাত্ৰ-ছাত্ৰীৰ মাজত উপস্থিত হোৱা বিধায়কগৰাকীক আৰু লগতে বিদ্যালয়সমূহৰ পৰিদৰ্শকক ধন্যবাদ জ্ঞাপন কৰে। গোলাঘাট জিলা আৰু জিলাখনৰ বাহিৰৰো কেইবাখনো বিদ্যালয়ৰ মুৰব্বী, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে আলোচনাত ভাগ লয় আৰু বিধায়ক মৃণাল শইকীয়াৰ আগত বহু প্ৰশ্নৰ অৱতাৰণা কৰে। বিধায়কগৰাকীয়েও উৎসাহেৰে প্ৰশ্নসমূহৰ উত্তৰ দিয়ে। এই কৰ্মশালাতেই বনভোজ খাবলৈ গৈ কেনেদৰে মানুহে ঠাইসমূহ অপৰিষ্কাৰ কৰি আহে, ৰাস্তাৰ মাজতে খোৱাপানীৰ বটল, বিভিন্ন ধৰণৰ পেকেট আদি পেলাই দিয়ে তাৰ প্ৰতি সজাগ হ'বলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

## মুখ্যমন্ত্ৰীক স্মাৰক-পত্ৰ প্ৰদান এএছএছপিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ৯ জুন ঃ** সোমবাৰে দৰং জিলাৰ অন্তৰ্গত ছিপাঝাৰ সমষ্টিৰ ধলপুৰ চৰ-চাপৰিত অৱস্থিত ঐতিহ্যমণ্ডিত শিৱ মন্দিৰ পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ভ্ৰমণ কালত সংগ দিয়ে দৰং জিলা অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পটোৱাৰী, ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে। ভ্ৰমণস্থলীত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মহম্মদ আলী খলিফা, দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদকদ্বয় নুৰ মহম্মদ আলী, মফিদুল ইছলাম উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীক অসমীয়াৰ জাতীয় স্বাভিমান এখন শৰাই, ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনায়। ইয়াৰ লগতে ছিপাঝাৰ আঞ্চলিক অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ তৰফৰ পৰা ছিপাঝাৰ সমষ্টিৰ সংখ্যালঘু এলেকাৰ লোকসকলৰ বিভিন্ন সমস্যা ৰাজিৰ ওপৰত ১০ দফীয়া দাবীৰে মুখ্যমন্ত্ৰীগৰাকীক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। ঐতিহাসিক ধলপুৰ শিৱধামৰ ভূমি সংৰক্ষিত কৰি ঐতিহাসিক পৰ্যটনস্থলীৰূপে চৰকাৰীভাৱে ব্যৱস্থা কৰা, ধলপুৰ শিৱধামলৈ অহা পৰ্যটকসকলৰ সুবিধাৰ বাবে গৰুখুঁটি আকবৰি চ'কৰ পৰা ভেটিবজাৰ হৈ ধলপুৰ শিৱধামলৈ পথটো নিৰ্মাণ কৰা, চৰাঞ্চলৰ একমাত্ৰ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ধলপুৰ কিৰকাৰা আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়খন চৰকাৰীকৰণ কৰা, ছিপাঝাৰ চৰ অঞ্চলৰ একমাত্ৰ ধলপুৰ ভেটিবজাৰ চৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ লগতে উপ-স্বাস্থ্য কেন্দ্ৰসমূহত পৰ্যয়াপ্ত পৰিমাণে স্বাস্থ্য কৰ্মী নিয়োগ কৰা, ৬৬নং ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সানোৱা আৰু বাজানাপথাৰ গাঁও পঞ্চায়তৰ চৰ অঞ্চলৰ উন্নয়নমূলক মুকলি কৰা, ছিপাঝাৰ অঞ্চলৰ মহাবাহুৰ খহনীয়া বৈজ্ঞানিক পদ্ধতিৰে ৰোধ কৰা, ছিপাঝাৰ অঞ্চলত বৈদ্যুতিক শক্তি যোগান ধৰা, ধলপুৰত উচ্ছেদিত পৰিয়ালসমূহক ভূমি আবণ্টনৰ লগতে পুনৰ সংস্থাপন কৰা, ছিপাঝাৰ অঞ্চলত যুগ যুগ ধৰি বসতি কৰা নাগৰিকক ভূমি পট্টা দিয়া, ছিপাঝাৰ অঞ্চলৰ নাগৰিকক ভেকচিন প্ৰদান কৰা, ধলপুৰ আৰক্ষী পহৰা চকীখন পূৰ্ণাংগ আৰক্ষী চকীলৈ ৰূপান্তৰ কৰাৰ দাবীসম্বলিত স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰীগৰাকীৰ হাতত অৰ্পণ কৰে। আনহাতে, ঐতিহাসিক শিৱ মন্দিৰটো সুৰক্ষা প্ৰদান কৰাৰ স্বাৰ্থত মন্দিৰ পৰিচালনা সমিতিৰ লগতে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বিষয়ববীয়াক লগত থাকিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ উপৰি ধলপুৰত হ'বলগীয়া পৰ্যটনস্থলী আৰু সকলো উন্নয়নমূলক কামত সংগঠনটোৰ সমৰ্থনৰ আহ্বান জনায় মুখ্যমন্ত্ৰীগৰাকীয়ে।

## বিশ্বনাথৰ সাধাৰুত আটছাৰ শ্বহীদ দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৯ জুন ঃ** বিশ্বনাথ জিলাৰ বিশ্বনাথ সদৰস্থিত সাধাৰুত অসম চাহ জনজাতি ছাত্ৰ সন্থা 'আটছা'ৰ বিশ্বনাথ শাখা সমিতিৰ উদ্যোগত আৰু সাধাৰু খেলমাটি প্ৰাথমিক গোট আৰু প্ৰতাপগড় প্ৰাথমিক গোটৰ সহযোগত ৩৩সংখ্যক শ্বহীদ দিৱস পালন কৰা হয়। প্ৰতাপগড় সাধাৰু খেলমাটি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কাৰ্যসূচীত বিশ্বনাথ জিলা আটছাৰ সভাপতি ধীৰাজ তাঁতীয়ে আঁত ধৰা অনুষ্ঠানত শ্বহীদ দিৱস উপলক্ষে সন্থাৰ পতাকা উত্তোলন কৰে বিশ্বনাথ শাখা আটছাৰ সভাপতি মহেশ চত্ৰীয়ে। আটছাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অনন্ত সোণাই শ্বহীদ তৰ্পণ কৰা ৩৩সংখ্যক শ্বহীদ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি চাহ জনগোষ্ঠীটোৰ প্ৰাপ্য আৰু অধিকাৰৰ হকে নিজৰ জীৱনটোক উচৰ্গা কৰাসকলৰ আদৰ্শৰে উদ্বুদ্ধ জনগোষ্ঠীটোৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠুপীয়াকৈ আয়োজিত ক'ভিড বিধিৰ মাজত অনুষ্ঠিত আটছাৰ ৩৩সংখ্যক শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ চৌপাশে গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আটছাৰ সাংগঠনিক সম্পাদক ঐৰন তাঁতীয়ে। গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত কেৱল আটছা কৰ্মীসকলৰ উপস্থিতিত অনুষ্ঠিত শ্বহীদ দিৱসত বিশেষভাৱে বিশ্বনাথ জিলা আটছাৰ প্ৰচাৰ সম্পাদক জিতেন চাওতাল, কাৰ্যনিৰ্বাহক জ্যোতিপ্ৰসাদ কুৰ্মী, শিৱা তাঁতীসহ বিশ্বনাথ শাখা আটছাৰ উপ-সভাপতি জিতেন তাঁতী, ভাৰপ্ৰাপ্ত সম্পাদক বিকাশ কুৰ্মী, সহকাৰী সম্পাদক জ্যোতিষ তাঁতী, সাংগঠনিক সম্পাদক ৰাজীৱ গোৱালা, প্ৰতাপগড় উপ-শাখা সমিতিৰ সভাপতি সুমন্ত তাঁতী, উপ-সভাপতি বিজয় ভূমিজ, সম্পাদক শেখৰ কৈৰী, বিত্ত সম্পাদক অবিনাশ তাছা, ঘিলাধাৰী উপ-শাখা সমিতিৰ সভাপতি নগেন ৰাজগড়, সাংগঠনিক সম্পাদক মনোজ পানতাঁতী, কাৰ্যনিৰ্বাহক ভূবেন কৰ, প্ৰতাপগড় প্ৰাথমিক গোটৰ সভাপতি জিতেন তাঁতী, সহকাৰী সম্পাদক কমলাকান্ত সোণা, সাধাৰু খেলমাটি প্ৰাথমিক গোটৰ সভাপতি সঞ্জয় নায়কৰ লগতে দিৰিং প্ৰাথমিক গোটৰ সভাপতি-সম্পাদক, সাকোমঠা প্ৰাথমিক গোটৰ সভাপতি-সম্পাদক, সাধাৰু প্ৰাথমিক গোটৰ সভাপতি-সম্পাদকৰ উপৰি সমূহ প্ৰাথমিক গোটৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## সোণাৰিৰ প্ৰাচুৰ্য বৰগোহাঁয়ে আৰ্তজনক বিলালে মাস্ক, ছেনিটাইজাৰ, খাদ্য-সামগ্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৯ জুন ঃ** আৰ্তজনলৈ সহায়ৰ হাত আগবঢ়াই মানৱতাৰ নিদৰ্শন দাঙি ধৰিছে সোণাৰিৰ এগৰাকী যুৱকে। যুৱকগৰাকীৰ নাম প্ৰাচুৰ্য বৰগোহাঁই। শ্বিলঙৰ ছেণ্ট এডমাণ্ড কলেজৰ ছাত্ৰ প্ৰাচুৰ্য বৰগোহাঁই আজি সোণাৰিৰ পদপথত বাস কৰা লোকসকলৰ কাষত উপস্থিত হৈ সহায়ৰ হাত আগবঢ়ায়। এইগৰাকী যুৱকে সাঁচতীয়া ধনেৰে সোণাৰিৰ পদপথত বাস কৰা প্ৰায় অৰ্ধশতাধিক লোকক মাস্ক, ছেনিটাইজাৰ আৰু খাদ্য-সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য যে, কৰ'না মহামাৰীৰ পৰিপ্ৰেক্ষিতত চৰকাৰে জাৰি কৰা নিৰ্দেশনাই আহুকালৰ সৃষ্টি কৰিছে বিভিন্নজনক। আংশিক লকডাউনৰ ফলত জনজীৱন স্তব্ধপ্ৰায় হৈ পৰিছে খাটিখোৱা সাধাৰণ জনতাৰ। তাৰ সমান্তৰালকৈ এতিয়া খাদ্য সংকটত ভুগিছে আশ্ৰয়হীন পদপথৰ বাসিন্দাসকল। এইসকল পদপথৰ বাসিন্দাক সহায়ৰ হাত আগবঢ়াবলৈ ওলাই আহিছে সোণাৰিৰ এইগৰাকী মানৱ দৰদী যুৱক প্ৰাচুৰ্য বৰগোহাঁই। সোণাৰিৰ সমাজকৰ্মী বিপুল বৰগোহাঁই আৰু মেৰী বৰগোহাঁইৰ এই পদক্ষেপ এতিয়া প্ৰশংসনীয় বিবেচিত হৈ পৰিছে সোণাৰিত। উল্লেখ্য, বিগত সময়তো বানপানীৰ লগতে বিভিন্ন কাৰণত উপায়হীন হৈ পৰা লোকসকলক সহায়ৰ হাত আগবঢ়ায় মানৱতাৰ নিদৰ্শন দাঙি ধৰিছিল প্ৰাচুৰ্য বৰগোহাঁয়ে।

## মঙলদৈ প্ৰেছ ক্লাবৰ ২৭সংখ্যক প্ৰতিষ্ঠা দিৱসত বিধায়ক পৰমানন্দ ৰাজবংশী



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৯ জুন ঃ** ক'ভিড মহামাৰীৰ মাজতে মঙলদৈ প্ৰেছ ক্লাবৰ ২৭সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ক'ভিড প্ৰট'কল মানি ক্লাবৰ কাৰ্যালয়ত উদ্‌যাপন কৰা হয়। প্ৰেছ ক্লাবৰ সভাপতি মদন বৰুৱাই পতাকা উত্তোলন আৰু উপ-সভাপতি আচাদ আলীয়ে স্মৃতি তৰ্পণ কৰাৰ পিছত ক্লাবৰ সভাকক্ষত অনুষ্ঠিত হয় মতবিনিময় সভা। প্ৰেছ ক্লাবৰ সভাপতি মদন বৰুৱাৰ সঞ্চালনাত আৰু সম্পাদক লক্ষীনন্দন বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা এই মতবিনিময় সভাত ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জিলা জনসংযোগ বিষয়া আয়ান হাজৰিকা, অসম সাহিত্য সভাৰ বিষয়ববীয়া ৰাণা বশিষ্ঠ, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° কমলাকান্ত বৰা অতিথি হিচাপে উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। জ্যেষ্ঠ সাংবাদিক কন্দৰ্প চহৰীয়া, আব্দুল খালেক, মুকুটৰাজ শৰ্মা, নৱ কুমাৰ শইকীয়া, অখিল কলিতা, অজয় ডেকা, নৱ মহন্ত, পংকজ শৰ্মাসহ শিক্ষাবিদ কুশল কলিতা উপস্থিত থকা মতবিনিময় সভাত জিলাখনৰ সামগ্ৰিক উন্নয়নত প্ৰতিগৰাকী সাংবাদিকৰ সহযোগিতা কামনা কৰে বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে।

## লকডাউনত হেৰাই গ'ল দুগ্ধ শৰ্মাৰ কল দোকানৰ ক্ষুদ্ৰ লাইব্ৰেৰী

### পাঠকে আৰু পঢ়িব নাপাব পাৰে দেশী-বিদেশী লেখকৰ নামী-দামী ভিন্ন স্বাদৰ গ্ৰন্থ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৯ জুন ঃ** মানুহজনৰ নাম দুগ্ধ শৰ্মা। বয়স প্ৰায় ৪৫-৫০ বছৰ হ'ব। ছিপাঝাৰৰ মাজমজিয়াত থকা পশ্চিম দিশৰ ফুটপাথত বিগত ২৫টা বছৰে কলৰ দোকান দি আহিছে। দোকানত মালভোগ, জহাজী, চেনি, ভীমকল আদি ভিন্ন তৰহৰ সকলোবোৰ কলেই পোৱা যায়। সাধাৰণতে মানুহজনৰ নামৰ বিপৰীতে কল বেপাৰী শৰ্মা বুলিহে সকলোৱে চিনি পাই। পিন্ধনত হাফ টি ছাৰ্ট, ভৰিত এযোৰ হাৱাই চেণ্ডেল। প্ৰায় ছফুট ওখ বৃহদাকাৰৰ মানুহজন দেখাত জধলা যেন লাগে যদিও মানুহজনৰ মনটোত লুকাই আছে এক বিৰাট প্ৰতিভা। জীৱনৰ ওঠৰ বছৰ বয়সৰ পৰাই সাহিত্য চৰ্চাত মনোনিৱেশ কৰা দুগ্ধ শৰ্মাই ব্যৱসায়ৰ মাজতে সাহিত্য চৰ্চা কৰে। গ্ৰাহকৰ অনুপস্থিতিৰ সময়ত হাতত কলমটো তুলি অনৰ্গলভাৱে লিখি যায় ভিন্ন অৰ্থপূৰ্ণ কবিতা। যিগৰাকী কল বেপাৰীৰ কবিতা অসমৰ আগশাৰীৰ বিভিন্ন আলোচনী, বাতৰি কাকতত সিঁচৰতি হৈ আছে। চমকপ্ৰদ কথাটো হ'ল— ব্যক্তিজনে দিনৰ দিনটো কল বিক্ৰী কৰি যিখিনি টকা উপাৰ্জন কৰে তাৰে কিছু টকাৰে গধূলি কিতাপৰ বিপণীৰ পৰা নিজৰ ভাল লগা কিতাপখন কিনি নি অধ্যয়ন কৰে। ভাৰতীয় লেখকৰ বিপৰীতে সাধাৰণতে বিদেশী লেখকৰ গ্ৰন্থহে পঢ়ি ভাল পায় কল বেপাৰী দুগ্ধ শৰ্মাই। যিবোৰ লেখকৰ নামী-দামী প্ৰায় ৫০০ কিতাপেৰে লোকজনে কলৰ দোকানতে গঢ়ি তুলিছে এটা ক্ষুদ্ৰ লাইব্ৰেৰী। কোনো অধ্যয়নপ্ৰিয় গ্ৰাহক গ'লে লাইব্ৰেৰীৰ পৰা উলিয়াই হাতত তুলি দিয়ে এখন কিতাপ। বুজাত অসুবিধা হ'লে এফালৰ পৰা কৈ যায় সকলো টান শব্দৰ ভাঙনি। কিতাপ পঢ়িব নাপালে থাকিব নোৱৰা সমাজৰ দুখীয়া-দৰিদ্ৰ লোকসকলকো সাধ্যানুসাৰে সহায়ৰ হাত আগবঢ়াই মানৱীয়তাৰ পৰিচয়ো দাঙি ধৰি আহিছে এইগৰাকী লোকে। পিছে ২০২০ চনত হোৱা লকডাউনৰ পিছত পৰিস্থিতি সুস্থিৰ হোৱাত ব্যক্তিজনে পুনৰ ছিপাঝাৰৰ ফুটপাথত কলৰ দোকান দিবলৈ লৈ ভাগি যোৱা কিতাপৰ ক্ষুদ্ৰ লাইব্ৰেৰীটো পাঠকৰ বাবে সজাই-পৰাই তোলোতেই ২০২১ৰ মিনি লকডাউনে থানবান কৰি পেলায় কলৰ ব্যৱসায়ৰ লগতে পাঠকক আমেজ দি অহা ক্ষুদ্ৰ লাইব্ৰেৰীটো। অকল ইমানেই নহয়, গ্ৰাহকৰ অনুস্থিতিত হাতত কলম লৈ কবিতা লিখি থকা এইজন প্ৰচাৰবিমুখ কবিক ফুটপাথত সচেতন মহলে দেখিবলৈ নোপোৱাত বিচাৰ্য হৈছে। মানৱ দৰদী হিচাপেও চিনাকি থকা দুগ্ধ শৰ্মাই ৰমজানৰ ৰোজাৰ সময়ত দৰিদ্ৰজনক ইফটাৰৰ বাবে আগবঢ়ায় ফলমূল, কাপোৰ। কল বেপাৰী হ'লেও এখন বহল হৃদয় থকা তথা মানৱক বুজি পোৱা এইগৰাকী ব্যক্তি সাধাৰণ হৈয়ো মানুহৰ প্ৰতি অফুৰন্ত মৰমৰ বাবে বিপদৰ সময়ত দৰিদ্ৰজনলৈ আগবঢ়ায় সহায়-সাহায্য। এনে এগৰাকী মানৱ প্ৰেমী লোকৰ অৱৰ্তমানত সকলোৱে মনত দুখ দিয়া বুলি প্ৰকাশ।

# ধুবুৰীৰ মাটিফাটা-শালকাটা পথ নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৯ জুন ঃ** ধুবুৰী জিলাৰ মাটিফাটা বজাৰৰ পৰা শালকাটা বজাৰলৈ ২.৫৫২ কিঃমিঃ ৰাস্তা ৫ বছৰৰ মেৰামতিৰ বাবে ২০১৮/১৯ বিত্তীয় বৰ্ষত গড়কাপ্তানী বিভাগৰ পিএমজিএছৱাই আঁচনিৰ অধীনত ১৫.০৩ লাখ টকা আবণ্টন দিছিল। উল্লেখ্য যে, এই একেটা পথ অৰ্থাৎ মাটিফাটা বজাৰৰ পৰা শালকাটা বজাৰলৈ যোৱা পথটোৰ বাবে দুনাই গড়কাপ্তানী বিভাগটোৱে এছ অ' পি ডি আঁচনিৰ অধীনত ২০১৯/২০ বিত্তীয় বৰ্ষত মেৰামতিৰ বাবে প্ৰায় ৬৭ লাখ টকা আবণ্টন দিয়া পৰিলক্ষিত হয়। এই কামটোৰ ঠিকা লাভ কৰে আহমেদ নুৰ আলম নামৰ এজন ব্যক্তিয়ে। এই কামটো কৰাৰ বাবে ঠিকা লাভ কৰা ঠিকাদাৰ দুজনৰ ভিতৰত এজনেও সঠিকভাৱে কাম নকৰাৰ বাবে ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে বুলি স্থানীয় ৰাইজে মন্তব্য কৰে। কিন্তু বৰ পৰিতাপৰ বিষয় যে চৰকাৰে এটা ৰাস্তাৰ বাবে বছৰে বছৰে ইমান টকা আবণ্টন দিয়াৰ পিছতো কিয় সঠিকভাৱে ৰাস্তাৰ কাম নহয়। ৰাইজে অভিযোগ কৰা মতে ৰাস্তাৰ কাম লোৱা ঠিকাদাৰসকলে ভালভাৱে ৰাস্তাৰ কাম নকৰে গতিকে চৰকাৰে এই ঠিকাদাৰৰ বিৰুদ্ধে উচিত তদন্ত কৰিব লাগে বুলি মত পোষণ কৰে। এই অঞ্চলৰ ৰাইজে কিমান কষ্ট কৰি অহা-যোৱা কৰি আছে সেই দৃশ্য দেখি আপুনিও ভাবিবলৈ বাধ্য হ'ব যে কি কৰি আছে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ গড়কাপ্তানী বিভাগৰ ঠিকাদাৰসকলে। এই দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰসকলক চৰকাৰ তথা জিলা প্ৰশাসনে নাকী লগাব পাৰিবনে? চৰকাৰ তথা জিলা প্ৰশাসনে এই ঠিকাদাৰসকলৰ বিৰুদ্ধে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে হ'ব লক্ষণীয়।



## বানে ছিঙিলে ৰঙিয়া-গোৰেশ্বৰ সংযোগী গড়কাপ্তানী পথ

### কেইবাখনো গাঁৱৰ যোগাযোগ বিচ্ছিন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৯ জুন ঃ** যোৱা কিছুদিন ধৰি হৈ থকা মূষলধাৰ বৰষুণৰ ফলত বৰষুণৰ বাঢ়নী পানীয়ে ৰঙিয়া-গোৰেশ্বৰ সংযোগী গড়কাপ্তানী পথৰ একাংশ উটুৱাই নিয়ে। ৰঙিয়াৰ সমীপৱৰ্তী বাক্সা জিলাৰ ধেপাৰগাঁৱত বৰষুণৰ পানীয়ে উটুৱাই নিয়ে পথটোৰ একাংশ। যাৰ ফলত পথটোৱে যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰে। পথটোৰ ওপৰেৰে পানী বাগৰি যোৱাৰ ফলত যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। ৰাইজে ততাতৈয়াকৈ এখন বাঁহৰ সাঁকো নিৰ্মাণ কৰি বৰ্তমান এই পথটোৱে বিপদসংকুল যাত্ৰা কৰিবলগীয়া হৈছে। উল্লেখ্য যে এই পথছোৱাই হ'ল কাউৰবাহা, মাদৈকাটা, গান্ধীবাৰী, লতিবাৰী আদি অঞ্চলৰ ৰাইজৰ যাতায়াতৰ প্ৰধান পথ। ৰাইজৰ অভিযোগ, ঠিকাদাৰে অবিজ্ঞানসন্মতভাৱে অতি নিম্নমানৰ কাম কৰি যোৱাৰ ফলতেই এইদৰে বৰষুণৰ পানীত পথছোৱা উটি গৈছে। বৰ্তমান ক'ভিডসৃষ্ট পৰিৱেশ। ইয়াকে লৈ ৰাইজ এতিয়া শংকাত ভুগিছে। কিয়নো স্বাস্থ্যসেৱাকে আদি কৰি যিকোনো জৰুৰীকালীন সেৱা তেওঁলোকে সহজতে নাপাব। উল্লেখ্য যে যোৱা বৰ্ষৰ জুলাই মাহত হোৱা প্ৰলয়ংকৰী বানে বগৰীবাৰীত মথাউৰি ছিঙি সমগ্ৰ অঞ্চলটো জলমগ্ন কৰিছিল। বাট-পথৰো বিস্তৰ ক্ষতি সাধন কৰিছিল। উটুৱাই নিছিল বহু পৰিয়ালৰ ঘৰ-দুৱাৰ। ইপিনে কিছুদিন পূৰ্বে মেৰামতি কৰা পথটো পুনৰ পানীয়ে এনেদৰে ছিগি নিয়াত আতংকিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। শীঘ্ৰে পথটো মেৰামতি কৰি যাতায়াত ব্যৱস্থা সুচল কৰিবলৈ সংশ্লিষ্ট বিভাগক ৰাইজে দাবী জনাইছে।

## বহিঃৰাজ্যত অসমৰ যুৱকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওপানী, ৯ জুন ঃ** পৰিয়ালৰ লোকৰ পৰা জানিব পৰা মতে বোকাজান মহকুমাৰ অন্তৰ্গত ৩নং হলৌখোৱা কলিয়াবিলৰ দেৱৰাজ চৰৰ দ্বিতীয় পুত্ৰ জিষ্ণু চৰৰ নামৰ ২৭ বছৰীয়া যুৱকজনে বিগত ৭ বছৰ ধৰি তামিলনাডুত কোম্পানীত কৰ্মৰত অৱস্থাত আছিল। বিগত সময়ত তামিলনাডুৰ পৰা যুৱকজনৰ ঘৰৰ লগত যোগাযোগ থিকে-থাকেই চলি আছিল। কিন্তু যোৱা এসপ্তাহ ধৰি ল'ৰাজনৰ লগত ঘৰখনে ফোনত যোগাযোগ কৰিব পৰা নাছিল। হঠাতে পৰিয়ালৰ ঘৰৰ ৯৪৯৮১-০১০৪৮ ফোন নম্বৰটোৰ পৰা তামিলনাডু পৰমাৰ্থি থানাৰ পৰা অহা এটা ফোন কল আৰু ল'ৰাজনৰ একপী ফটোৱে পৰিয়ালৰ লোকসকলৰ লগতে গাঁওবাসীক হতচকিত কৰি তুলিছে। ফোনযোগে পৰিয়ালৰ লোকক তামিলনাডুৰ আৰক্ষীয়ে জনোৱা মতে যুৱকজনৰ মৃতদেহ এটা নলাৰ পৰা উদ্ধাৰ কৰি চিনাক্ত কৰি পৰিয়ালৰ লোকক খবৰ জনাইছে। বৰ্তমান যুৱকজনৰ মৃতদেহ তামিলনাডুৰ কোনোবা চিকিৎসালয়ৰ মৰ্গত পৰি আছে। দৰিদ্ৰ দুৰ্ভগীয়া পৰিয়ালটোৱে ৰহস্যজনকভাৱে যুৱকজনৰ মৃতদেহটোৰ ফটো দেখি সন্দেহ প্ৰকাশ কৰিছে যে কোনোবাই নিৰ্মমভাৱে হত্যা কৰিছে তেওঁলোকৰ পুত্ৰক। তামিলনাডুৰ পৰা কেনেকৈ যুৱকজনৰ মৃতদেহটো ঘৰলৈ আনিব পাৰে তাৰ উপায় বিচাৰি স্থানীয় পুলিচ প্ৰশাসনৰ কাষ চপাৰ লগতে অসম চৰকাৰক পুত্ৰৰ মৃতদেহটো আনি দিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকসকলে।

## কাউলীত মটঙা নৈৰ ওপৰত আজিও নহ'ল দলং

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৯ জুন ঃ** দেশ স্বাধীন হোৱাৰ ৭৪ বছৰ পিছতো ভূটান সীমান্তৰ কুমাৰীকাটা- কাউলী গড়কাপ্তানী পথৰ মাজেৰে বৈ যোৱা মটঙা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ নকৰাত সম্প্ৰতি যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি আহিছে সীমান্তৰ হাজাৰ হাজাৰ লোকে। সম্প্ৰতি দলং নথকাৰ বাবেই বাৰিষাৰ আৰম্ভণিতে ভূটান পাহাৰৰ পৰা বৈ অহা মটঙা নৈৰ কোবাল সোঁতৰ মাজেদি বিপদসংকুলভাৱে যাতায়াত কৰিব লগা হৈছে স্থানীয় ৰাইজে। বাইকৰ ওপৰত মানুহ নহয় মানুহৰ কান্ধত বাইক উঠাই ভৰা নৈ পাৰ কৰিব লগা হৈছে। আনহাতে, এনে বিপদসংকুল যাতায়াতত অলপ ভুল মানেই হ'ব পাৰে ভয়ংকৰ অঘটন। স্থানীয় ৰাইজৰ অভিযোগ— বিগত সময়ছোৱাত ৰাজ্যত বহু চৰকাৰ আহিল আৰু গ'ল। কিন্তু আজিলৈ কোনো এখন চৰকাৰেই মটঙা নৈৰ ওপৰত এখন স্থায়ী পকী দলং নিৰ্মাণৰ ব্যৱস্থা নকৰিলে। কেৱল নিৰ্বাচনৰ সময়ত ৰাইজক মুখ দেখুওৱা জনপ্ৰতিনিধিসকলেও নল'লে কোনো পদক্ষেপ। কুমাৰীকাটা-কাউলী সংযোগী অতি গুৰুত্বপূৰ্ণ পথটোৰ মাজত থকা মটঙা নৈৰ ওপৰত আজিলৈকে এখন পকী দলং নিৰ্মাণ নোহোৱাৰ ফলত সীমান্তৰ বৃহত্তৰ অঞ্চলটোৰ ৰাইজে অতি বিপদসংকুলভাৱে অব্যাহত ৰাখিছে যাতায়াত। স্থানীয় ৰাইজে জনোৱা মতে, ইতিমধ্যে ভৰ বাৰিষা মটঙা নৈ পাৰ হ'বলৈ যাওঁতে নৈৰ প্ৰবল সোঁতে উটুৱাই নিয়াত কেইবাজনো লোকৰ মৃত্যুও হৈছে। আনহাতে, দলং নথকাৰ বাবে বাৰিষা কুমাৰীকাটা-কাউলী পথেৰে যাতায়াত ব্যৱস্থা ব্যাহত হৈ এম্বুলেন্স সেৱা বন্ধ হৈ গৰ্ভৱতী মহিলাৰ লগতে আন আন দুৰাৰোগ্য ৰোগত আক্ৰান্ত লোকৰ উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যু ঘটিছে বুলিও একাংশ লোকে জানিবলৈ দিছে। বিগত সময়ছোৱাত স্থানীয় ৰাইজে ৰাজ্য চৰকাৰ, বিটিচি চৰকাৰ, স্থানীয় বিধায়ক, সাংসদ, কাৰ্যবাহী সদস্য, এমচিএলক বাৰম্বাৰ অনুৰোধ কৰাৰ পিছতো মটঙা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ নকৰাত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা বিটিচিপ্ৰধান প্ৰমোদ বড়োলৈ বিনম্ৰ অনুৰোধ— আমাক এখন পকী দলং নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থা সুচল কৰি দিয়ক।

## তিনিগৰাকী আইতাই উন্মোচন কৰিলে মহেন শইকীয়াৰ 'বিদ্যালয়ত মূল্যবোধৰ শিক্ষা' গ্ৰন্থ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ৯ জুন ঃ** বৰ্তমান সময়ত বৌদ্ধিক আৰু সচেতন মহলত বহুলভাৱে চৰ্চিত হৈছে মূল্যবোধৰ শিক্ষাৰ প্ৰসংগ। বিদ্যালয়ত মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজনীয়তাই চৰ্চা লাভ কৰাৰ সময়তে নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা জ্যেষ্ঠ সাংবাদিক মহেন শইকীয়াই লিখি উলিয়াইছে 'বিদ্যালয়ত মূল্যবোধৰ শিক্ষা' শীৰ্ষক গ্ৰন্থ। ৮ জুনত বোকাখাত মহকুমাৰ কমাৰগাঁৱৰ বৰদিহিঙীয়া গাঁওস্থিত লেখক শইকীয়াৰ নিজা বাসগৃহৰ চোতালত ক'ভিড-১৯ৰ সকলো নীতি-নিয়ম মানি উক্ত গ্ৰন্থখন উন্মোচন কৰা হয়। উন্মোচন কৰে লেখক শইকীয়াৰ ৯০ৰ ঊৰ্ধ্বৰ মাতৃ তিলেশ্বৰী শইকীয়া, ৮০ৰ ঊৰ্ধ্বৰ দুগৰাকী আইতা প্ৰেমলতা শইকীয়া আৰু দেৱ কাকতিয়ে। উন্মোচক তিনিওগৰাকী আইতাই কিতাপখন ল'ৰা-ছোৱালীক পঢ়িবলৈ আহ্বান জনোৱাৰ লগতে লেখককো অধিক কিতাপ লিখিবৰ বাবে আশিস আৰু উদগনি দিয়ে। জীৱনৰ বিয়লি বেলাত তিনিওগৰাকী আইতাই কিতাপ উন্মোচন কৰিবলৈ পাই আনন্দিত হৈছে বুলিও প্ৰকাশ কৰে। কমাৰগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যতীন কাকতিয়ে আঁত ধৰা অনুষ্ঠানটোত লেখক শইকীয়াই শিক্ষকতাৰ বিভিন্ন অভিজ্ঞতাই গ্ৰন্থখন লিখিবলৈ অনুপ্ৰাণিত কৰা বুলি উল্লেখ কৰে। এগৰাকী ছাত্ৰ অথবা ছাত্ৰী পুথিগত শিক্ষাৰে যিমানেই শিক্ষিত নহওক কিয় মূল্যবোধৰ শিক্ষা নাথাকিলে সেয়া বৃথা বুলিও তেওঁ সদৰী কৰে। উল্লেখ্য যে ২০১৯ চনত ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা লাভ কৰা লেখক শইকীয়াৰ এইখন নৱম গ্ৰন্থ। ইতিমধ্যে লেখক মহেন শইকীয়াৰ প্ৰকাশিত আন আঠখন গ্ৰন্থ হ'ল— 'সময়ৰ দস্তাবেজ', 'দেওপাহাৰ', 'নুমলীগড়', 'আইদেউ সন্দিকৈ', 'জোনাক', 'ধাৰাপাত', 'জ্ঞান কোষ' আৰু 'গণিতৰ হাত পুথি'। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত কৃষি বিষয়া জীৱন শইকীয়া, শিক্ষয়িত্ৰী তুলা গগৈ শইকীয়া, সাংবাদিক ক্ৰমে ৰিণ্টু দুৱৰা, সাগৰ হাজৰিকা, চন্দন বৰা আদি উপস্থিত থাকে।

## 'আমাৰ গাঁৱত আমি যুঁজিম, আমিয়েই ক'ভিড জিনিম' শ্ল'গানেৰে সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ৯ জুন ঃ** বিশ্বত্ৰাসী কৰ'না মহামাৰীৰ পৰা পৰিত্ৰাণ পাবলৈ অসম চৰকাৰে আমাৰ গাঁৱত আমি যুঁজিম, আমিয়েই ক'ভিড জিনিম শ্ল'গানেৰে জনসাধাৰণৰ মাজত সজাগতা আনিবলৈ লোৱা প্ৰচেষ্টাৰ লগত সংগতি ৰাখি ধনশিৰি মহকুমাৰ সৰুপথাৰতো এই শ্ল'গানেৰে ৰাইজৰ মাজত সজাগতা আনিবৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰিছে। গোলাঘাট জিলাৰ দক্ষিণ উন্নয়ন খণ্ডৰ অন্তৰ্গত হালধিবাৰী লাচিত গাঁও পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন অঞ্চলত হালধিবাৰী লাচিত গাঁও পঞ্চায়ত আৰু ONUS THE DEVLOPMENT SOCIETY নামৰ এটা বেচৰকাৰী সংস্থাই হালধিবাৰী পঞ্চায়তত ধনশিৰি মহকুমাৰ সহকাৰী আয়ুক্ত প্ৰাণজিত গগৈ, স্বাস্থ্য বিভাগৰ হৈ ফণিন্দ্ৰ শৰ্মা, হালধিবাৰী গাঁও পঞ্চায়তৰ সভাপতি বাবু কুমাৰ, সচিব সুমন আহমেদ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী মিলন ৰাজপুত, ONUS THE DEVLOPMENT SOCIETYৰ সম্পাদক বাবুল কৰ্মকাৰৰ লগতে পঞ্চায়তটোৰ কৰ্মচাৰীসকলৰ উপস্থিতিত ক'ভিড মহামাৰীৰ পৰা পৰিত্ৰাণ পাবৰ বাবে কেনেদৰে ক'ভিড প্ৰট'কল মানি চলিব লাগে এই সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত কৰে। শেষত হালধিবাৰী পঞ্চায়তৰ অন্তৰ্গত ঘোলাপানী, বিদ্যাপুৰ বজাৰ এলেকাত ছেনিটাইজ কৰাৰ লগতে উপস্থিত ৰাইজক মাস্ক বিতৰণ কৰে।

## প্ৰয়াত সমীৰণ বৰদলৈক পেৰালিম্পিক এছ'চিয়েশ্বনৰ শ্ৰদ্ধাঞ্জলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** পেৰালিম্পিক এছ'চিয়েশ্বন অৱ আছামৰ সভাপতি সমীৰণ বৰদলৈৰ ৩০ মে'ত মৃত্যু হয়। প্ৰায়ত বৰদলৈৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি মহানগৰীৰ পল্টনবজাৰস্থিত গ্ৰীন এন ক্লেভত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। পেৰালিম্পিক এছ'চিয়েশ্বনৰ দ্বাৰা আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সমিতিৰ সাধাৰণ সম্পাদক ৰাজীৱ দে'ই উপস্থিত থাকি কয় যে তেওঁ এগৰাকী ক্ৰীড়া সংগঠক আছিল। বিভিন্ন সামাজিক সংগঠনৰ সৈতে জড়িত আছিল প্ৰয়াত সমীৰণ বৰদলৈ। অসমে এজন সুযোগ্য পুত্ৰক হেৰুওৱা বুলি সমিতিয়ে অনুভৱ কৰে বুলি ৰাজীৱ দে'ই উল্লেখ কৰে। কাৰ্যকৰী সভাপতি ৰাজীৱ দাসে সভাপতিগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে, সমীৰণ বৰদলৈৰ মৃত্যুৱে এটি যুগৰ অৱসন ঘটালে। আমাৰ সমিতিৰ সদস্যসকল আজি পিতৃহাৰা হ'ল বুলি দাসে কয়। উল্লেখ্য যে সমিতিৰ বিষয়ববীয়া চন্দন বৰুৱা, বসন্ত নাৰায়ণ, মানস মজুমদাৰ, হিমা ওজা দাস, বিকেশ মাহাতো, অমিত কুমাৰসহ ভালেসংখ্যক ব্যক্তিয়ে অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জনায়।

## মঙলদৈত লোক-শিল্পীৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৯ জুন ঃ** সামাজিক সংস্থা ফাইনাৰ উদ্যোগত আজি জিলাখনৰ প্ৰায় ৬০-৭০গৰাকী লোক-শিল্পীক খাদ্য-সামগ্ৰী বিতৰণ কৰে সাংসদ দিলীপ শইকীয়াই। সাংসদগৰাকীৰ মঙলদৈস্থিত বাসগৃহত ফাইনাৰৰ সঞ্চালক অনুপম ডেকা, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, অসম সাহিত্য সভাৰ বিষয়ববীয়া ৰাণা বশিষ্ঠৰ উপস্থিতিত শুকনানি, ব্যাসৰ ওজাপালি, দেওধনী আদিৰ লগত জড়িত লোক-শিল্পীসকলক বিতৰণ কৰে অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী।

## স্বেচ্ছাসেৱী সংগঠন ফাৰ্ম টু ফুড ফাউণ্ডেশ্বনৰ প্ৰশংসনীয় পদক্ষেপ

### দেৰগাঁৱৰ বাগিচা-গ্ৰামাঞ্চলৰ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সামগ্ৰী প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৯ জুন ঃ** সাংসদ গৌৰৱ গগৈৰ প্ৰত্যক্ষ তত্বাৱধানত স্বেচ্ছাসেৱী সংগঠন ফাৰ্ম টু ফুড ফাউণ্ডেশ্বনৰ সহযোগত মঙলবাৰে দেৰগাঁও সমষ্টিৰ অন্তৰ্গত বাগিচা আৰু গ্ৰামাঞ্চলত থকা নেঘেৰিটিং বাগিচা চিকিৎসালয়, নাহৰডোঙা আদৰ্শ চিকিৎসালয়, চুমনি স্বাস্থ্য কেন্দ্ৰ, হাতীখুলী স্বাস্থ্য কেন্দ্ৰ, সাতগাঁও স্বাস্থ্য কেন্দ্ৰ, চাংচোৱা স্বাস্থ্য কেন্দ্ৰ আদিত ক'ভিড-১৯ৰ চিকিৎসাৰ ক্ষেত্ৰত প্ৰয়োজনীয় চিকিৎসা সামগ্ৰী প্ৰদান কাৰ্যসূচী গ্ৰহণ কৰে। দেৰগাঁৱৰ নেঘেৰিটিং বাগিচা চিকিৎসালয়ত শুভাৰম্ভণী কৰি নাহৰডোঙা মডেল চিকিৎসালয়ত পি পি কিট, অক্সিমিটাৰ, মাস্ক আৰু ছেনিটাইজাৰ প্ৰদান কৰা এই কাৰ্যসূচীত কংগ্ৰেছৰ যুৱনেতা বাণী হাজৰিকা, কাকডোঙা ব্লক কংগ্ৰেছৰ সভাপতি ভবেন গগৈ, দেৰগাঁও আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰছিদ আলী, দেৰগাঁও পঞ্চায়তৰ সভাপতি আনোৱাৰ হুছেইন, ফাৰ্ম টু ফুড ফাউণ্ডেশ্বনৰ বাসুদেৱ দলে, পৰাগ মহন্ত, আটছাৰ বিষয়ববীয়াৰ লগতে চিকিৎসক আৰু চিকিৎসা কৰ্মীসকল উপস্থিত থাকে।

## অসম-মেঘালয় সীমান্তৰ নাবাং বজাৰত অত্যাধুনিক বজাৰ গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৯ জুন ঃ** গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্ত অঞ্চলৰ মেচেলখোৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত নাবাং বজাৰত ৮ জুনত এটি অত্যাধুনিক বজাৰ গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। মাংগলিক কাৰ্যসূচীৰ জৰিয়তে ২ কোটি ১৩ লাখ ১৪ হাজাৰ ৪৯৬ টকা আঁচনি ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া অত্যাধুনিক বজাৰ গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে গোৱালপাৰা পূব সমষ্টিৰ বিধায়ক এ কে ৰচিদ আলমে। উক্ত কাৰ্যসূচীত গোৱালপাৰা জিলা উপায়ুক্ত মীনাক্ষী দাস নাথৰ লগতে গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, কৃষ্ণাই আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী পূৰ্ণিমা চাংমা উপস্থিত থাকে। উল্লেখ্য যে এই বজাৰ গৃহ সম্পূৰ্ণ হ'লে স্থানীয় ব্যৱসায়ীসকলৰ বাবে যথেষ্ট সুবিধা হ'ব বুলি ৰাইজে মত পোষণ কৰিছে।





## গোলাঘাটৰ ক'ভিড ৰোগীৰ বাবে টেলি মেডিচিন সেৱা, বিশেষ হেল্পলাইন নম্বৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৯ জুন ঃ** ক'ভিড-0ত আক্ৰান্ত লোকসকলৰ সহায় হোৱাকৈ গোলাঘাট জিলা প্ৰশাসনে কেতবোৰ হেল্পলাইন নম্বৰ মুকলি কৰিছে। এই নম্বৰসমূহত ফোন কৰি যিকোনো লোকেই ক'ভিড সম্পৰ্কীয় তথ্য লাভ কৰিব পাৰিব। ক'ভিডৰ বিৰুদ্ধে যুঁজখনত ৰাইজৰ ওজৰ-আপত্তিসমূহ যাতে ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰিব পৰা যায়, তাৰ প্ৰতি লক্ষ্য ৰাখি তথা ৰাজ্য চৰকাৰৰ নিৰ্দেশ মৰ্মে জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্তৰ নেতৃত্বত ইতিমধ্যে জিলা পৰ্যায়ৰ এটা অভিযোগ নিষ্পত্তি কোষ গঠন কৰা হৈছে। ইচ্ছুক ব্যক্তিয়ে ০৩৭৭৪-২৮৩০০১ নম্বৰত ফোন কৰি তেওঁলোকৰ অভিযোগ তথা ওজৰ-আপত্তিসমূহ জিলা প্ৰশাসনৰ দৃষ্টিগোচৰ কৰাব পাৰিব। আনহাতে, ইচ্ছুক ব্যক্তিয়ে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিয়ন্ত্ৰণ কক্ষৰ ০৩৭৭৪-২৮৩২৮২ অথবা ১০৭৭ নম্বৰতো ফোন কৰিব পাৰিব। ক'ভিড সম্পৰ্কীয় সহায়-সহযোগিতাৰ বাবে ১০৪ সাৰথি সেৱাৰ নম্বৰত ফোন কৰিব পাৰিব। ক'ভিড ৰোগীসকলে টেলি মেডিচিন সেৱাৰ দ্বাৰাও উপকৃত হ'ব পাৰিব। তাৰ বাবে নিৰ্দিষ্ট বাৰত নিৰ্ধাৰিত সময়ত ০৩৭৭৪-২৮১২৮১ নম্বৰত ফোন কৰিলে পোনপটীয়াকৈ চিকিৎসকৰ পৰামৰ্শ লাভ কৰিব। ইতিমধ্যে ইয়াৰ বাবে দুগৰাকী চিকিৎসকক নিয়োগ কৰা হৈছে। প্ৰতি সপ্তাহৰ সোম, বুধ আৰু শুকুৰবাৰে আৰু মাহৰ প্ৰথম আৰু দ্বিতীয় দেওবাৰে পুৱা চাৰে ৯ বজাৰ পৰা বিয়লি ২ বজালৈ ডাঃ শ্যামন্ত শ্যামৰ পৰা পৰামৰ্শ লাভ কৰিব পাৰিব। আনহাতে, প্ৰতি সপ্তাহৰ মঙল, বৃহস্পতি আৰু শনিবাৰৰ লগতে মাহৰ তৃতীয় আৰু চতুৰ্থ দেওবাৰে ডাঃ সুদেষ্ণা দত্তই টেলিমেডিচিন সেৱা আগবঢ়াব।

## তামুলপুৰত ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি

### চোৰে লুটি নিলে মোবাইল-নগদ ধনসহ দুই লক্ষাধিক টকাৰ সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৯ জুন ঃ** ক'ভিডৰ বাবে কাৰ্ফিউ চলি থকাৰ মাজতে তামুলপুৰ মহকুমা সদৰৰ মাজমজিয়াৰ ঘগ্ৰাচ'কত থকা এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা অলপতে নগদ ধনসহ কেইবা লক্ষাধিক টকাৰ সামগ্ৰী চুৰি কৰি নিয়া ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে তামুলপুৰ মহকুমা সদৰৰ ঘগ্ৰাচ'কত থকা মৃদুল বৰ্মনৰ ডিজিটেল ইলেক্ট্ৰনিকছ নামৰ মোবাইলৰ দোকানখনত শুকুৰবাৰে নিশা চোৰে পিছ দুৱাৰেদি গ্ৰীল ভাঙি ভিতৰত সোমাই দোকানত থকা চি চি টিভি প্ৰথমে নষ্ট কৰি ইনভাৰ্টাৰৰ সংযোগ বিচ্ছিন্ন কৰে আৰু দোকানৰ ভিতৰত প্ৰৱেশ কৰি দোকানত থকা মোবাইল, চাৰ্জাৰ, বিভিন্ন মূল্যৱান ইলেক্ট্ৰনিক সামগ্ৰী আৰু নগদ ধনসহ দুই লক্ষাধিক টকাৰ সামগ্ৰী চুৰি কৰি নিয়ে। ঘটনা সংক্ৰান্তত ব্যৱসায়ীজনে তামুলপুৰ থানাত এটা গোচৰ ৰুজু কৰিছে আৰু আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

## ৰঙিয়া চহৰৰ ভগ্ন পথ আৰু কৃত্ৰিম বানে জলা-কলা খুৱাইছে ৰাইজক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৯ জুন ঃ** আজি কিছুদিন ধৰি হৈ থকা নেৰা-নেপেৰা বৰষুণৰ ফলত ৰঙিয়া চহৰৰ কেইবাটাও মূল পথ পানীত ডুব গৈ থকা পৰিলক্ষিত হয়। উল্লেখ্য যে ৰঙিয়াৰ মাজেৰে যোৱা এন টি ৰোড আৰু হাইৰে চ'ক সংযোগী নুৰুদ্দিন পথটো মেৰামতিৰ অভাৱত জহি-খহি গৈছিল, যাৰ ফলত এতিয়া এজাক বৰষুণ দিলেই পথ গৈ পুখুৰীত পৰিণত হয়। বৰ্তমানেও এক আঁঠুতকৈ বেছি পানী ভৰ্তি হৈ থকা পৰিলক্ষিত হয় এই পথটোত। স্থানীয় ৰাইজে অভিযোগ কৰি কয় যে এই পথটোৰ ওপৰত প্ৰতি বছৰে বাৰিষাৰ সময়ত কৃত্ৰিম বানৰ সৃষ্টি হয় কিন্তু বিভাগে আজিলৈকে এই পথটো ভালদৰে মেৰামতি নকৰিলে। প্ৰতি বছৰে নামমাত্ৰ মেৰামতি কৰিয়ে দায়িত্ব সামৰে বিভাগে। এই পথটোৰে নিতৌ ডাম্পাৰ, ট্ৰাক আদি চলি সম্পূৰ্ণ ভাঙি পেলায়, যাৰ বাবে বৰষুণ দিলেই ইয়াত এনেকুৱা অৱস্থাৰ সৃষ্টি হয়। ইয়াৰ লগতে এটা কথা উল্লেখ কৰিব লাগিব যে এই পথটোৰ দুয়ো পাৰে নলা আছে যদিও কামত নাই, কাৰণ এই নলাসমূহ জাবৰ-জোঁথৰ ভৰি মাৰ গৈ আছে, ফলত পানীসমূহ ভালদৰে ওলাই যোৱাৰ ৰাস্তা নাই। কি কাৰণত ৰঙিয়া চহৰৰ সদাব্যস্ত মূল পথসমূহৰ দুৰৱস্থা, এই প্ৰশ্ন ৰাইজৰ। বৰ্তমানেও কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ। আনহাতে, স্থানীয় বিধায়ক ভবেশ কলিতাই বিগত পাঁচ বছৰে কিমান উন্নয়ন কৰিলে, এয়াও এই পথসমূহৰ পৰাই অনুমেয়। দ্বিতীয়বাৰৰ বাবে ৰঙিয়া সমষ্টিৰ বিধায়ক নিৰ্বাচিত হোৱা কলিতাই ৰাইজৰ এই সমস্যাবোৰৰ প্ৰতি লক্ষ্য ৰাখি সু-ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

## আলোপতিৰ একাংশ যুৱকৰ প্ৰশংসনীয় পদক্ষেপ

### চৰকাৰ-বিধায়কলৈ বাট নাচাই নিজৰ গাঁঠিৰ ধন খৰচ কৰি মেৰামতি কৰিলে ৰাজপথ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৯ জুন ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ আলোপতিত একাংশ উদীয়মান যুৱকৰ প্ৰশসংনীয় পদক্ষেপ। চৰকাৰ কিম্বা জনপ্ৰতিনিধি লৈ বাট নাচাই হাতে হাতে কোৰ-বস্তা লৈ পথ মেৰামতি কৰিলে অঞ্চলটোৰ একাংশ উদীয়মান যুৱকে। বাঘবৰ সমষ্টিৰ চহৰাঞ্চলৰ আলোপতি মাজৰ চৰ বজাৰৰ পৰা আলোপতি স্বাস্থ্য কেন্দ্ৰ হৈ বাঘমাৰা বজাৰলৈ যোৱা মূল পথছোৱা দীৰ্ঘদিনৰে পৰা অতি শোচনীয় হৈ পৰিছিল। এজাক বৰষুণতে জলমগ্ন হৈ পৰিছিল পথছোৱা। পুখুৰীৰ ৰূপ লোৱা পথত পোহনীয়া হাঁহবোৰেহে কৰিছিল জলকেলি। ৰাইজে যাতায়াতৰ বিপৰ্যয়ৰ কথা বাৰম্বাৰ পঞ্চায়ত প্ৰতিনিধিৰ লগতে বিধায়ক শ্বেৰমান আলী আহমেদক অৱগত কৰিছিল যদিও বিধায়কগৰাকী কিম্বা পঞ্চায়ত প্ৰতিনিধিয়ে ৰাইজৰ অভিযোগৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাছিল। উপায়বিহীন হৈ গাঁঠিৰ ধন খৰচ কৰি অঞ্চলটোৰ একাংশ উদীয়মান যুৱকে পথছোৱা মেৰামতি কৰাৰ বাবে ওলাই আহিল। ভাৰাতীয়া ট্ৰেক্টৰেৰে পুখুৰীসদৃশ জলমগ্ন সদাব্যস্ত পথছোৱা মাটি কঢ়িয়াই আনি পেলালে যুৱকসকলে। হাতে হাতে কোৰ লৈ একাংশ যুৱকে মাটি কাটি যাতায়াতৰ বাবে সুগম কৰিলে সদাব্যস্ত পথছোৱা। এতিয়া প্ৰশ্ন হয়— ৰাইজৰ দুখ-দুৰ্দশা দেখি বিধায়ক কিম্বা চৰকাৰে আগলৈ ভাবিবনে পথটো উন্নত কৰিবলৈ। সেয়া সময়তহে হ'ব লক্ষণীয়।



# হোমেন বৰগোহাঞিৰ গল্প ঃ এটি বিশ্লেষণ

■ ড° অসীম চুতীয়া

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'ৰামধেনু'ৰ পাতত যিসকলে অসমীয়া গল্প সাহিত্যক সমৃদ্ধ কৰিছিল সেইসকলৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম। 'কটনিয়ান'ৰ পাতত বৰগোহাঞিৰ 'আবেলিৰ আলিবাটৰ গল্প' শীৰ্ষক প্ৰথমটো গল্প প্ৰকাশিত হৈছিল। তদুপৰি প্ৰকাশ পাইছিল 'এপিটাফ' আৰু 'ছেনাটোৰিয়াম' শীৰ্ষক দুটা গল্প। ভবানন্দ দত্তৰ দৰে লেখক-সাহিত্যিকৰ দৃষ্টি আকৰ্ষণ কৰাটো গল্পকাৰ হিচাপে বৰগোহাঞিৰ জীৱনৰ এটা তাৎপৰ্যপূৰ্ণ ঘটনা। এই কথা 'ধুমুহা আৰু ৰামধেনু'ৰ দ্বিতীয় খণ্ডত বৰগোহাঞিয়ে নিজে স্বীকাৰ কৰি লিখিছে। যথা—"এজন বন্ধুৱে মোক খবৰ দিলে যে সেই সময়ৰ অসমৰ শীৰ্ষস্থানীয় বুদ্ধিজীৱী আৰু সমালোচক ভবানন্দ দত্তই গল্পটো পঢ়ি মুগ্ধ হৈছে আৰু তেওঁ মোক লগ পাবলৈ ইচ্ছা কৰিছে। ভবানন্দ দত্ত তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শনৰ অধ্যাপক। অসমৰ চিন্তাশীল তৰুণ সম্প্ৰদায়ৰ ওপৰত তেওঁৰ প্ৰভাৱ আছিল অসামান্য। এনেকুৱা এজন মানুহে মোৰ জীৱনৰ প্ৰথম গল্পটো পঢ়ি মুগ্ধ হৈ মোক লগ পাবলৈ ইচ্ছা কৰিছে বুলি শুনি বিস্ময় আৰু আনন্দত মই অভিভূত হ'লো; লগতে গল্প লিখিবলৈ প্ৰেৰণা পালো। সেই মুহূৰ্তৰ পৰাই কবিতাক স্থানচ্যুত কৰি মোৰ হৃদয়-মন অধিকাৰ কৰি ল'লে গল্পৰ সাধনাই।' (ধুমুহা আৰু ৰামধেনু। ২য় খণ্ড। ২০১৩। পৃ-১৪২)

'আবেলিৰ আলিবাটৰ গল্প'টোত বৰগোহাঞিয়ে স্বাভাৱিকতাৰ মাজত অস্বাভাৱিকতা আৱিষ্কাৰ কৰিছে। মানুহৰ জীৱন জিজ্ঞাসাৰ এখন নিটোল ছবি গল্পটোৱে প্ৰতিফলন ঘটাইছে। চহৰৰ এখন সাধাৰণ দোকান। নাম 'কাফে ইণ্টাৰনেশ্যনাল'। এই দোকানখনৰ মুকলি বাৰাণ্ডাত বহি থাকিয়েই ঘণ্টাৰ পিছত ঘণ্টা গল্পকাৰে সময় পাৰ কৰিছে। প্ৰত্যক্ষ কৰিছে সাধাৰণ মানুহৰ দৈনন্দিন জীৱনৰ বাস্তৱতাৰ নিৰ্মম ছবি। য'ত গল্পকাৰৰ সমাজ বাস্তৱতাৰ প্ৰতিনিধি হৈ থিয় দিছে ধনীৰ জীয়াৰী মেঘালী ৰাজখোৱা, দিপালী ৰাজখোৱা, সিহঁতৰ বিধবা মাতৃ, চীনা মিস্ত্ৰী, মিস্ত্ৰীজনৰ পত্নী-ল'ৰা, ভিক্ষাৰীজনী, ৰাতিৰ নিস্তব্ধতা ভেদি কেঁচুৱা নিচুকোৱা বৰুৱাৰ পত্নীগৰাকী। গল্পটোত গল্পকাৰৰ নিজস্ব দৃষ্টিভংগী প্ৰকট হৈ উঠিছে। লেখকৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা আৰু বুদ্ধিদীপ্ত চিন্তাই গল্পটোক এক বিশেষ আয়তন দিছে। সমালোচক উপেন্দ্ৰনাথ শৰ্মাৰ ভাষাত—'আবেলিৰ আলিবাট গল্প'ত হোমেন বৰগোহাঞিয়ে সমসাময়িক অন্যান্য গল্পকাৰৰ তুলনাত বিস্তৃততৰ আৰু গভীৰতৰ অভিজ্ঞতাৰ পৰিচয় দিছে। গল্পটিৰ একসূত্ৰ হ'ল লেখকৰ অন্তৰংগ জীৱনত প্ৰতিভাত হোৱা চহৰৰ ৰাস্তাৰ এটা অংশ, য'ত উন্মুক্ত হৈ আছে পৃথিৱীৰ সমস্ত বিচিত্ৰ অভিজ্ঞতা। অসমীয়া গল্প সাহিত্যত দুৰ্লভ বৌদ্ধিকতা বৰগোহাঞিৰ গল্পতেই প্ৰথম দেখা যায়—ফ্ৰয়েড আৰু লৰেন্স প্ৰভৃতি পাশ্চাত্য চিন্তাবিদ আৰু লেখকৰ সান্নিধ্য লাভ কৰা হোমেন বৰগোহাঞিৰ পক্ষে এনে এটা নতুন আৱিষ্কাৰৰ উন্মাদনা আয়ত্তাধীন আছিল। এই পৰ্যায়ত বৰগোহাঞি এজন বৌদ্ধিক বোহেমিয়ান।'

বৰগোহাঞিৰ অন্য এটা বিখ্যাত গল্প 'অক্টোপাছ'। গল্পটোত অস্তিত্ববাদৰ প্ৰৱক্তা জ্যাঁ পল ছাৰ্ত্ৰেৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। 'ব'ব' নামৰ এটা ৰুগ্ন মানসিকতাৰ চৰিত্ৰৰ মাজেৰে সংঘটিত অপৰাধ জগতৰ এখন ছবি 'অক্টোপাছ' গল্পটোত দেখিবলৈ পোৱা যায়। গল্পটোত বৰ্ণনা কৰা মতে 'ব'বে' পূৰ্বতে সৈনিক হিচাপে কাৰ্যনিবাহ কৰিছিল। যুদ্ধবিধ্বস্ত সময়ত 'ব'ব' অসমলৈ আহিছিল। এক বিশেষ অপৰাধত লিপ্ত হোৱাৰ বাবে শাস্তিমূলকভাৱে সি চাকৰি হেৰুৱাই কাৰাবাস খাটিবলগীয়া হয়। জে'লৰ পৰা মুক্ত হৈ ডিব্ৰুগড়তে গাড়ী-মটৰৰ মেৰামতিৰ কাম কৰি জীৱনৰ পৰৱৰ্তী সময়ছোৱা কটোৱাৰ পৰিকল্পনা কৰে। সেইখিনি সময়ত সি চহৰখনৰ দাগী-অপৰাধী ব্যক্তিৰ সংস্পৰ্শলৈ আহে আৰু সেইবোৰৰ সৈতে তাৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠে। ক্ৰমান্বয়ে তাৰ প্ৰেমিকাৰূপত তাৰ সান্নিধ্যলৈ অহা নাৰীবোৰক নিষ্ঠুৰভাৱে হত্যা কৰিছে। 'ব'ব'ৰ এই বীভৎসতা গল্পটোত প্ৰকাশ পাই গৌতম আৰু 'ব'ব'ৰ কথোপকথনৰ মাজত। বাতৰি কাকতত জালুকপাৰাৰ এজনী আধা-বয়সীয়া খাটিয়ানী ছোৱালীক হত্যাৰ খবৰ প্ৰকাশ পাইছে। খবৰটো পঢ়ি থকা গৌতমক ব'বে নিৰ্বিকাৰভাৱে খুনী ধৰা পৰিছে নে নাই খবৰ সুধিছে। কেনেকৈ মানুহক হত্যা কৰিব লাগে তাৰো ব্যাখ্যা দিছে। 'মানুহ মাৰিবলৈ হ'লে গল টিপি মৰাই আটাইতকৈ উত্তম। তোৰ দেহযন্ত্ৰৰ ভিতৰৰ যিকণ লৈ বিচিত্ৰ খেলা কৰোৱায়, সেই স্পন্দন যেতিয়া তোৰ চকুৰ আগতে ক'ৰবালৈ উৰি যাবলৈ ধৰফৰণি লগায়, উস সেই দৃশ্য কি ভীষণ সুন্দৰ তই যদি এবাৰো দেখিলিহেঁতেন'(হোমেন বৰগোহাঞিৰ ৩৫টা গল্প। পৃঃ৩৫) কিমান নিৰ্বিকাৰ নিৰুদ্বেগ হ'লে ব'বৰ দৰে ৰুগ্ন মানসিকতাৰ গৰাকীয়ে এইদৰে ক'ব পাৰে। গৌতমৰ আগত বাতৰি কাকতত প্ৰকাশিত খবৰটোৰ হত্যাকাৰী যে ব'ব নিজে সেই কথাও স্বীকাৰ কৰিছে। হত্যা কৰাৰ কাৰণ সন্দৰ্ভত ব'বে কৈছে...'মই তাইক ভাল পাইছিলো। তাই বুঢ়ী হৈ আহিছিল। বেশ্যাৰ যৌৱনৰ বাহিৰে আন কোনো ভৱিষ্যৎ নাই। মই তাইক মুক্তি দিলো। ৰক্ষা কৰিলো।' (উল্লিখিত। পৃঃ৩৫)

নিজৰ পত্নী জুদিক হত্যা কৰি ব'বই নিজৰ ৰুগ্ন মানসিকতাক অধিক প্ৰকট কৰি তুলিছে। বন্ধুবৰ্গক ৰেস্তোঁৰাত বিয়া উপলক্ষে পাৰ্টী দিছে। বকুল বাগানৰ মেনেজাৰ প্ৰেগৰি চাহাবৰ জীয়েক জুদিৰ সৈতে ব'বৰ বিয়াৰ আয়োজন চলিছে। ব'বৰ দৰে 'জানোৱাৰ' এটাৰ সৈতে জুদিৰ দৰে নাৰী এগৰাকীয়ে বিয়া কৰাবলৈ আগবাঢ়ি অহাতো আশ্চৰ্যজনক। গল্পৰ কথকৰ ভাষাত—'তাইৰ জন্ম হৈছিল অন্ধ উন্মত্ত কামনাৰ তৰঙ্গ-শীৰ্ষত; তাইৰ চকুৰ চাৱনি, মুখৰ গঠন, দেহৰ ভঙ্গিমা— সকলোৱে মাজেদি ফুটি উঠিছে দেহ-সৰ্বস্ব যৌৱনৰ উদ্ধত মহিমা।' অথচ এইগৰাকী জুদিয়ে ব'বৰ বন্ধু ভিক্টৰৰ লগত কিছু অন্তৰংগ সম্পৰ্ক গঢ়ি তোলাৰ অপৰাধতেই হত্যা কৰিছে। গল্পকাৰে গল্পটোত ব'বৰ মানসিকতাৰ সন্দৰ্ভত ক'বলৈ গৈ এঠাইত লিখিছে— 'মাৰিবলৈ মন গ'ল কাৰণেই সি এজনী মানুহক মাৰি পেলালে।' ব'বৰ এই মানসিকতা গল্পটোৰ আদিৰে পৰা অন্তলৈকে বিৰাজমান হৈ আছে। গল্পকাৰ বৰগোহাঞিয়ে ব্যক্তি বিশেষৰ জটিল মানসিকতা গল্পটোত ব'ব অথবা গৌতমৰ যোগে বিশ্লেষণ কৰিছে।

◆ ◆ ◆

***যৌন জীৱনৰ এখন ছবি বৰগোহাঞিৰ প্ৰায়বোৰ গল্পতে লক্ষ্য কৰা যায়। যৌন জীৱনক প্ৰধান বিষয় হিচাপে লৈ বৰগোহাঞিয়ে 'পৰ্দা' আৰু 'জন্ম'ৰ দৰে গল্প লিখিছে। 'পৰ্দা' অশোক, মহেশ আৰু আৰ্নল্ডে এগৰাকী দেহোপজীৱিনীক নিজা নিজা দৃষ্টিকোণৰ পৰা পৰ্যবেক্ষণ কৰিছে। অশোকে সামাজিক দায়বদ্ধতাৰ খাতিৰত দেহোপজীৱিনী ৰাণী আৰু মহেশ্বৰ দায়িত্ব গ্ৰহণ কৰিছে। মহেশে আকৌ ৰাণীক কেৱল টকাৰ বাবে পত্নীৰ মৰ্যাদা দি ঘৰত ৰাখিছে। ইফালে অশোকে ৰাণীৰ যোগেদি নিজৰ যৌন-বাসনা পূৰণ কৰিছে। অশোকৰ দৃষ্টিত নাৰী কেৱল ভোগৰ সামগ্ৰী।***

◆ ◆ ◆

বৰগোহাঞিৰ এটি অতি হৃদয়স্পৰ্শী গল্প হৈছে 'ইস্মাইল ছেখৰৰ সন্ধানত'। দেশ বিভাজনৰ সময়ছোৱাক গল্পটোৰ পটভূমি হিচাপে লোৱা হৈছে। এইখিনি সময়ত ভঙনীয়া আৰু পমুৱাৰ মাজত বিশেষ কিছুমান সমস্যাই গা কৰি উঠিছিল। সেই সমস্যাৰ অন্তৰালত গল্পকাৰে প্ৰত্যক্ষ কৰা মানৱীয় দৃষ্টিভংগী গল্পটোত বিশ্লেষণ কৰা হৈছে। গল্পৰ কথক এজন মাটিৰ হাকিম। হাকিম হিচাপে চৰকাৰী নিৰ্দেশ পালন কৰিবলৈ গৈ বেআইনীভাৱে মাটি দখল কৰাসকলক সশস্ত্ৰ চিপাহী, পিয়াদা আৰু দহ-বাৰটা হাতীৰ সহযোগত উচ্ছেদ কৰে। ইয়াৰ মাজতে ইস্মাইল ছেখৰো বাদ পৰা নাছিল। পৰৱৰ্তী সময়ত হাকিমজনে ইস্মাইল ছেখৰৰ জীৱনৰ দুৰ্দশাৰ কথা জানিব পাৰি ক্ষমা বিচাৰিবলৈ ইস্মাইল ছেখৰৰ সন্ধানত নামি পৰিছে। এই সন্ধানৰ মাজতে এগৰাকী শিক্ষিত দেহোপজীৱিনীৰ সান্নিধ্যলৈ আহিছে গল্পৰ কথক। দেহোপজীৱিনীৰ কোঠাত আৱিষ্কাৰ কৰিছে মোৰাভিয়াৰ 'Woman of Rome' শীৰ্ষক কিতাপখন। দেহোপজীৱিনী মণিমালাৰ প্ৰতি গল্পৰ কথকৰ আকৰ্ষণ বাঢ়িছে আৰু তেওঁৰ জীৱনৰ কথাবোৰ জানিবলৈ উৎসুক হৈ পৰিছে। মণিমালা আৰু গল্পৰ কথকৰ কথোপকথনৰ মাজেদি উন্মোচিত হৈছে জীৱন-যন্ত্ৰণাৰ অকথিত কাহিনী। দৰিদ্ৰ জীৱনৰ সকৰুণ ছবি। পৰিস্থিতি সাপেক্ষে মানুহৰ জীৱনলৈ অহা চৰম বিপৰ্যয়ৰ ছবি। গল্পটোত মণিমালাই গল্পৰ কথকক কৈছে— 'সমাজৰ নিম্নস্তৰৰ মানুহবোৰৰ প্ৰায় প্ৰতিদিনেই বৃত্তিৰ সাল-সলনি হ'বই লাগিছে। আজি যি আছিল গাঁৱৰ খেতিয়ক বা কাৰখানাৰ বনুৱা, কালিলৈ অৱস্থাৰ তাড়ণাত সিয়েই হৈছেগৈ ৰিক্সাৱালা। নগৰৰ এহেজাৰ ৰিক্সাৱালাৰ অতীত ইতিহাস ভাবি আমি যেতিয়া মূৰ নঘমাওঁ, এটাৰ কথা ভাবি কিয় মূৰ ঘমাব লাগে? আজি যদি কোনোবা এজন ব্ৰাহ্মণে গম পাই যে তেওঁৰ সগোত্ৰ এজন ব্ৰাহ্মণ ৰিক্সাৱালা হৈছে, তেওঁ নিশ্চয় চিংকাৰ কৰি উঠিব। কাৰণ তেওঁ মনে মনে এই কথা বুজি উঠিব যে এইটো তেওঁৰ শ্ৰেণী ভাঙনৰ চিন। মোৰ বন্ধুজনে আৰু কি কয় জানে? এজন ব্ৰাহ্মণো যদি ৰিক্সাৱালা হয়, সেইটো ব্যক্তি বিশেষৰ কাৰণে যিমানেই ট্ৰেজিক নহওক, সামাজিক গুৰুত্বৰ ফালৰ পৰা আনন্দৰহে কথা।...এজন ব্ৰাহ্মণেও যদি পেটৰ কাৰণে আজি ৰিক্সা টানিবলগা হয়, সি ভালৰে কথা।' (হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প। পৃঃ১৫৪)

সম্ভৱতঃ গল্পকাৰৰ এনে বৰ্ণনা প্ৰত্যক্ষ কৰি সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে গল্পটোত মাৰ্ক্সবাদী দৰ্শনৰ প্ৰভাৱ নুই কৰা নাই। একপ্ৰকাৰে চাবলৈ গ'লে প্ৰকৃতাৰ্থত মানৱীয়তাৰ এক দস্তাবেজ হৈ উঠিছে 'ইস্মাইল ছেখৰৰ সন্ধানত' গল্পটো। 'ৰামধেনু'ৰ পাতত প্ৰকাশিত এই গল্পটোৱে তদানীন্তন পঢ়ুৱৈ সমাজৰ পৰা বিশেষ সমাদৰ লাভ কৰিছিল। এই গল্পটো ভাৰতীয় প্ৰান্তীয় ভাষালৈ অনুবাদো হৈছে। বৰগোহাঞিয়ে 'মোৰ যৌৱনৰ ৰামধেনু' গ্ৰন্থত উল্লেখ কৰা মতে কেৱল ইংৰাজী ভাষালৈকে ১২টা অনুবাদ হৈছে।

'ইস্মাইল ছেখৰৰ সন্ধানত' গল্পটোৰ সমধৰ্মী অন্য এটা গল্প হৈছে 'নৰকত বসন্ত'। এই গল্পটোত পূৰ্ববংগৰ পৰা অসমলৈ অহা ভঙনীয়াৰ কাহিনী বৰ্ণিত হৈছে। দৰিদ্ৰতা আৰু পৰিস্থিতিয়ে মানুহক কেনে পৰ্যায়লৈ লৈ যাব পাৰে তাৰেই বাস্তৱিক বৰ্ণনা গল্পকাৰে গল্পটোত দাঙি ধৰিছে। পৰিস্থিতিয়ে বাধ্য কৰোৱাৰ বাবে বাপেক-ভায়েক সহিতে মণিমালাই ভঙনীয়া দলৰ সৈতে অসমলৈ আহিছিল। মণিমালাৰ প্ৰেমিক শংকৰ। বিপদৰ সময়ত মণিমালা আৰু বাপেক-ভায়েকক শংকৰে কোনোধৰণৰ সহায় আগবঢ়াব নোৱাৰি অসহায় হৈ পৰিছে। তাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে শংকৰৰ বন্ধু নিৰঞ্জনে। মণিমালাক দেহোপজীৱিনীৰ ৰূপত নিৰঞ্জনে ব্যৱহাৰ কৰিছে। বাপেক-ভায়েকৰ দায়িত্ব ল'বলৈ গৈ পেটৰ ভোকত নিজকে দেহোপজীৱিনীৰ ৰূপত আৱিষ্কাৰ কৰিছে মণিমালাই। অথচ মণিমালাই পৰিস্থিতিত পৰি, নিজৰ মনৰ ইচ্ছাৰ বিৰুদ্ধে গৈ এইধৰণৰ অন্ধকাৰ গলিত ভৰি দিবলৈ বাধ্য হৈছে। গল্পটোত মণিমালাই কৈছে—'মই সুৰুচি-সন্মত উপায়েৰে জীৱন-নিৰ্বাহ কৰিব পৰা নাই। দেহৰ ওপৰত এটুকুৰা কাপোৰৰ আৱৰণ ৰাখিবলৈ মই বহুতো পুৰুষৰ আগত অনাবৃতা হৈ থিয় হৈছোঁ, এমুঠি নিমখ-ভাত খাই দেহৰ ৰক্ত-প্ৰবাহ সচল ৰাখিবলৈ মই অজস্ৰ ঘাম আৰু ৰক্ত ব্যয় কৰিছোঁ।' (হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প। পৃঃ১৮৫)

গল্পটোত মণিমালাৰ লগতে হিমাদ্ৰী, জুলেখাৰ দৰে নাৰীৰ অবৰ্ণনীয় জীৱনৰ এখন ছবিও সন্নিৱিষ্ট হৈ আছে। সংস্থাপনৰ বাবে যোৰহাটলৈ অহা মণিমালাৰ সন্ধানত শংকৰো এদিন যোৰহাটলৈ আহে। পুতিগন্ধময় পৰিৱেশত এদিন মণিমালাক শংকৰে আৱিষ্কাৰ কৰে। মণিমালাৰ প্ৰতি শংকৰে পোষণ কৰা ধাৰণাক মণিমালাই প্ৰতিবাদ কৰিছে গল্পটোত—'মই হাৰ মানিছো শঙ্কৰ, কিন্তু ঈশ্বৰৰ দোহাই, তুমি মোক পতিতা বুলি নক'বা। দাৰিদ্ৰ্যই আটাইতকৈ ডাঙৰ পাপ? সকলো দৰিদ্ৰই পতিত।' (হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প। পৃঃ১৮৫) ইফালে হিমাদ্ৰীৰ সৈতে শংকৰৰ নৈশ যাপন আৰু স্বামীৰ দ্বাৰা প্ৰতাৰিত হৈ জুলেখাই দেহোপজীৱিনী বৃত্তি বাছি লৈ জীৱননিৰ্বাহ কৰাৰ উপকাহিনীও গল্পটোত বৰ্ণিত হৈছে। সমাজৰ ব্যাধিস্বৰূপ 'বেশ্যাবৃত্তি'ৰ প্ৰসংগত গল্পকাৰে কিছুমান যুক্তিসংগত কাৰণ গল্পটোত মণিমালা, হিমাদ্ৰী, জুলেখাৰ দৰে চৰিত্ৰৰ যোগেদি ব্যাখ্যা কৰিছে।

'মোৰ যৌৱনৰ ৰামধেনু' সংকলনত বৰগোহাঞিয়ে তিনিটা গল্পক 'গল্পৰ সামান্য মৰ্যাদা দিওঁ' বুলি উল্লেখ কৰিছে। সেইকেইটা হ'ল 'ইস্মাইল ছেখৰৰ সন্ধানত', 'ভয়' আৰু 'গৰখীয়া'। 'ভয়' গল্পটোৰ বিষয়বস্তু নিৰ্মাণত গল্পকাৰ হিচাপে বৰগোহাঞিয়ে অভিনৱত্ব দেখুওৱা পৰিলক্ষিত হয়। বৰগোহাঞিৰ 'ভয়' গল্পটোৱে শীলভদ্ৰৰ 'ভয়' গল্পটোলৈ মনত পেলাই দিয়ে। প্ৰত্যেক মানুহৰে দুটা ৰূপ থাকে। বাহিৰৰ 'মই'টোৱে ভিতৰৰ 'মই'টোক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। অস্তিত্বহীনতাৰ মাজত অস্তিত্ব বিচাৰি অস্থিৰ হৈ পৰে মানুহ। গল্পটোৰ প্ৰধান চৰিত্ৰ অমল বৰুৱা প্ৰতিনিয়তত অস্থিৰতাত ভুগি থকা মানুহ। সেইফালৰ পৰা সাহিত্য সমালোচকসকলে চেতনাপ্ৰবাহৰ অস্তিত্ব গল্পটোৰ বিষয়বস্তুত অন্তৰ্নিহিত হৈ থকা বুলি ক'ব খোজে। ভয়ৰ কাৰণ অন্তহীন। মানুহে সমগ্ৰ জীৱনজুৰি অনাহক ভয়ৰ পৰা নিস্তাৰ নাপায়। বৰগোহাঞিয়ে অমল বৰুৱাক দুটা সত্তাৰ প্ৰতিনিধিৰ ৰূপত গল্পটোত উপস্থাপন কৰিছে। গৃহস্থী অমল বৰুৱা আৰু আলহী অমল বৰুৱাৰ মাজত পাৰ্থক্য ৰাখিছে গল্পকাৰে। গৃহস্থ অমল বৰুৱাৰ নাৰীৰ প্ৰতি থকা দুৰ্বলতা গল্পটোত প্ৰকট হৈ আছে। কিয়নো গৃহস্থ অমল বৰুৱাই স্ত্ৰীৰ হাঁহিটোৰ মাজত চুম্বনৰ তীব্ৰ তাড়ণা অনুভৱ কৰিছে। আনহাতে আলহী অমল বৰুৱাই সেই হাঁহিটো সন্ধিয়াৰ আকাশত চিৰদিনৰ কাৰণে ওলমাই ৰাখি সৌন্দৰ্য পান কৰাৰ পক্ষপাতী হৈছে। এইধৰণৰ উপলব্ধিৰ মাজত মানুহৰ অন্তৰ্মুখী জীৱনৰ চেতনাও গল্পকাৰে প্ৰকাশ কৰিছে—'আপুনি কিয় ধৰি লৈছে যে এটা মুহূৰ্তত আপুনি কেৱল এটা কথাহে ভাবিব পাৰে বা ভাৱে? এটা উদাহৰণ দিওঁ। এদিন সূৰ্যাস্তৰ সময়ত পৃথিৱীখন অপাৰ্থিৱ হোৱাৰ মুহূৰ্তত, এই মহিলাগৰাকীয়ে এটা অদ্ভুত ৰহস্যময় হাঁহি মাৰিছিল। আপোনাৰ ইচ্ছা হ'ল যে তেওঁৰ ওঁঠত ওঁঠ থৈ আপুনি সেই হাঁহিটো খাই পেলাব। মোৰ কিন্তু ইচ্ছা হৈছিল— সূৰ্যাস্তৰ দৰে সেই হাঁহিটো মই সন্ধিয়াৰ আকাশত চিৰকালৰ কাৰণে ওলমাই ৰাখিম, তোৰ পোহৰ গাত লৈ মই চিৰকাল বহি থাকিম। আচলতে একেজন মানুহেই এই দুয়োটা কথাকে ভাবিছিল।' (হোমেন বৰগোহাঞিৰ ৩৫টা গল্প। পৃঃ৩০৯)

মানুহৰ নিসংগতা আৰু সেই নিসংগতাই মানুহক অকলশৰীয়া কৰি তোলা পৰিস্থিতিত ভয়ৰ অনুভূতি ক্ৰিয়াশীল হৈ থাকে। গল্পটোত এই ধাৰণা গল্পকাৰে এইদৰে তুলি ধৰিছে—'এই ভয় প্ৰত্যেক মানুহৰ সহোদৰ। প্ৰত্যেক মানুহেই নিজকে এনেকৈ ভয় কৰে।' (হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প। পৃঃ৩০৯)

অন্তৰ্মুখী চেতনা প্ৰকাশ ঘটা বৰগোহাঞিৰ আন এটা গল্প হৈছে 'এপিটাফ'। গল্পটোত ব্যক্তি আৰু সমাজৰ পৰা বিচ্ছিন্ন হৈ অকলশৰীয়া অনুভৱ কৰা, সেই অনুভৱে আত্মহত্যা কৰিবলৈ প্ৰৰোচিত কৰা গৌতম বৰুৱাৰ কাহিনী আছে। নিসংগ মুহূৰ্তত গৌতম বৰুৱাৰ একমাত্ৰ সাৰথি হৈছে 'বুঢ়ী'। 'বুঢ়ী' এটা পোহনীয়া কুকুৰ। যি গৌতম বৰুৱাক বুজি পায়, চিনি পায়। গৌতম বৰুৱাই ভাৱে সকলোৱে পাহৰিলেও 'বুঢ়ী'য়ে অন্ততঃ পাহৰি নাযায়।

গল্পটোত বৰগোহাঞিৰ পাশ্চাত্য চিন্তা-চেতনাৰ প্ৰভাৱ উপলব্ধি কৰিব পাৰি। এফালে অস্তিত্ববাদী, আনফালে প্ৰকৃতিবাদী চিন্তাৰ প্ৰতিধ্বনি গল্পটোত অনুৰণিত হৈ আছে। নিজৰ অস্তিত্ব সম্পৰ্কে গল্পটোত গৌতম বৰুৱাই এইদৰে অনুভৱ কৰিছে—'সঁচাকৈয়ে এই বিশাল জগতখনত কাৰো লগত মোৰ অকণো সম্পৰ্ক নাই। মই সম্পূৰ্ণ অকলশৰীয়া।' (হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প। পৃঃ১৭)আত্মহত্যাৰ প্ৰতি প্ৰৰোচিত হৈ গৌতম বৰুৱাই অপৰাধবোধত ভুগিছে। বৰুৱাৰ ভাষাত—'জীৱনটো লৈ মই সঁচাকৈয়ে জুৱা খেলিলো নেকি? মই হয়তো নিজকে ফাঁকি দিলো। অকল মোকে কিয়, গোটেই জগতখনকে মই ফাঁকি দিলো।'(হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প। পৃঃ১৭) প্ৰকৃতিবাদী চিন্তাৰ দৃষ্টিভংগীৰ প্ৰতিফলন ঘটিছে এইদৰে—'মই পাহৰি গৈছো যে বুঢ়ী মানুহ নহয়, কুকুৰ। কিন্তু মোৰ চেতনাত এই অনুভৱ স্পষ্টতৰ হৈ আহিছে তাই মানুহো নহয়, কুকুৰো নহয়, তায়ো মোৰ দৰেই অনন্ত জীৱনধাৰাৰ এটি বুদবুদ মাত্ৰ।' (হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প। পৃঃ২০)

'গৰখীয়া' গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত বৰগোহাঞিৰ এটা বিখ্যাত গল্প। কৈশোৰত ভৰি দিব খোজা বুধিৰামৰ মনোজগতখনৰ সাৰ্বজনীন বৰ্ণনা গল্পকাৰে দাঙি ধৰিছে। পাঁচ বছৰ বয়সৰ পৰাই বুধিৰামে গৰখীয়া হিচাপে আনৰ ঘৰত থাকিবলৈ লৈছে। গৰুৰ সৈতে, গৃহস্থৰ সৈতে, গাঁওখনৰ সৈতে বুধিৰামৰ আন্তৰিকতাপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছে। ফলত সকলোৰে পৰা প্ৰয়োজনীয় মৰম আৰু আদৰ পাইছে বুধিৰামে। এদিন গৰখীয়া জীৱনৰ পৰা বিদায় লৈ নিজৰ ঘৰখনলৈ উভতি যোৱাৰ পৰত সেয়ে গৃহস্থৰ লগতে গাঁওখনৰ প্ৰতিজন লোক ব্যথিত হৈছে। প্ৰকৃতিৰ সৈতে অন্তৰংগতা আৰু বিচ্ছেদিত বেদনাই বুধিৰামকো আহত কৰি তুলিছে। গল্পটোত এইদৰে পৰিৱেশটো বৰ্ণনা কৰা হৈছে—'তেতিয়া কাতি মাহৰ প্ৰায় মাজ ভাগ, শালিধানৰ পথাৰবোৰত ধানবোৰ গাখীৰতী হ'বলৈ আৰম্ভ কৰিছে মাত্ৰ। মাঘ বিহুৰ আগে আগে ধান দাই শেষ নোহোৱা পৰ্যন্ত গাঁৱৰ পথাৰত গৰু-ম'হৰ প্ৰৱেশ নিষেধ কিন্তু নৈ সিপাৰৰ চাপৰিটো তেতিয়া গৰু ম'হৰ কাৰণে সম্পূৰ্ণ মুকলি। ৰাতিপুৱা গাখীৰ খীৰোৱাৰ পিছত গাই-দামুৰিবোৰ খেদি নি নৈ পাৰ কৰি থৈ আহিলেই হ'ল। হালোৱা গৰুবোৰটো ৰাতিপুৱাৰে পৰা চাপৰিতে থাকে, কাৰণ সেই সময়ত চাপৰিত মাহ-সৰিয়হৰ কাৰণে হাল বোৱাৰ বতৰ। হাল মেলি হালোৱাই সিহঁতক চাপৰিত এৰি থৈ আহে। গোটেই দিনটো গৰুবোৰে চাপৰিত মুকলি মনেৰে চৰি ফুৰে।'(হোমেন বৰগোহাঞিৰ ৩৫ টা গল্প, পৃষ্ঠাঃ ৩১৩)

কৈশোৰৰ মনত জাগি উঠা বিভিন্ন হাবিয়াস গল্পটোত দেখিবলৈ পোৱা যায়। বুধিৰামৰ সৈতে গৰু বিচাৰিবলৈ অহাৰ এশ-এবুৰি আকৰ্ষণ ৰাখিছে অকণে। বুধিৰামৰ সহযোগতে অকণে লুকাই চুৰকৈ বিড়ি খোৱাৰ অভ্যাস গঢ়ি তুলিছে। সেইদৰে অসমীয়া গ্ৰাম্য জীৱনৰ পৰা ক্ৰমান্বয়ে হেৰাই যাব খোজা গৰখীয়া সবাহৰ এখন ছবি গল্পটোত সংৰক্ষিত হৈ আছে।

মূল্যবোধ অৱক্ষয়ৰ ছবিখন বৰগোহাঞিৰ 'হাতী' গল্পটোত স্পষ্ট ৰূপত প্ৰকট হৈ উঠিছে। বলোৰাম মেধিৰ বাবে হাতীটো কেৱল সম্পদেই নহয়, ঘৰখনৰ অতি অপৰিহাৰ্য অংগ, অতি মৰমৰ, অতি চেনেহৰ এটি পৰিয়ালো। হাতীটো পদূলিত নাথাকিলে যেন ঘৰখনেই শূন্য। কিন্তু এইহেন হাতীটোৰ প্ৰতি থকা মূল্যবোধৰ লাহে লাহে অৱক্ষয় ঘটিল। হাতীৰ প্ৰতি পুতেকহঁতৰ মানসিকতা সলনি হ'ল। হাতীৰ পৰিৱৰ্তে গাড়ীখনক লৈহে গৰ্ব অনুভৱ কৰা হ'ল। আনকি বলোৰাম মেধিয়ে নিজৰ পুতেকৰ বাবে কইনা আনিবলৈ দৰা হাতীত উঠি যোৱাটো বিচাৰিছিল। সেই ক্ষেত্ৰতো হাতীটোৰ প্ৰতি চৰম অৱজ্ঞা আৰু অৱহেলা প্ৰদৰ্শন কৰি গাড়ীত উঠি কইনা আনিবলৈ গ'ল। এইখিনিত পৰম্পৰা আৰু আধুনিকতাৰ মাজত সংঘাত আৰম্ভ হৈছে। একালৰ সম্পদ, একালত হৈ পৰিছে আৱৰ্জনাসদৃশ। বলোৰাম ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতিনিধি। বলোৰামৰ পুতেক আধুনিকতাৰ প্ৰতিনিধি। পৰম্পৰাৰ লগত আধুনিকতাই বশ্যতা স্বীকাৰ কৰি লৈছে। হাতীটোক পুৰণি অসমীয়া আভিজাত্যৰ প্ৰতীক হিচাপে অংকন কৰা হৈছে। একেধৰণৰ দৃষ্টিভংগী প্ৰতিফলন ঘটা বৰগোহাঞিৰ আন এটা গল্প হৈছে 'শিল্প'। হাতী গল্পটোৰ দৰে 'শিল্প' গল্পটোত মাক-জীয়েকৰ মাজত সংঘাত দেখুওৱা হৈছে। সাধাৰণতে আধুনিক প্ৰজন্মই আনৰ ভাল-লগা বেয়া লগাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰে। নিজৰ ভাল লগাটোহে সদায় প্ৰতিষ্ঠা কৰিব খোজে। 'হাতী' গল্পত বাপেকৰ ভাল লগাখিনিক প্ৰত্যাখ্যান কৰি পুতেকে গাড়ীখনৰ প্ৰতিহে নিজৰ আগ্ৰহ প্ৰকাশ কৰিছে। সেইদৰে 'শিল্প' গল্পটোত মাকৰ ভাল লগাখিনিক জীয়েক অৱহেলাৰ দৃষ্টিৰে চাইছে। জীয়েকে বেৰত ওলমি থকা দেৱ-দেৱীৰ ছবিৰ সহিতে মৃত দেউতাকৰ ফটোখন আঁতৰাই দি তাৰ ঠাইত পিকাছোৰ ছবি আঁৰি দিছে। স্মৃতিৰ সৈতে জীয়াই থাকিব খোজা মাকৰ প্ৰতিনতুন মূল্যবোধৰ ওচৰত পুৰণি মূল্যবোধক জীয়েকে অৱজ্ঞা কৰাটোকে সূচায়।

ফ্ৰয়েডীয় মনস্তত্ত্বৰ প্ৰভাৱ হোমেন বৰগোহাঞিৰ গল্পৰ অন্যতম বিশেষত্ব। 'ছেনাটোৰিয়াম' আৰু 'মহেশ্বতাৰ বিয়া' তেনে দুটা গল্প। ইডিপাছ কমপ্লেক্সৰ আধাৰত 'ছেনাটোৰিয়াম' গল্পটো লিখা হৈছিল। জয়ন্তৰ যোগেদি ফ্ৰয়েডীয় মনোভঙ্গী প্ৰকাশ কৰা হৈছে। জয়ন্তৰ ৰুগ্ন মানসিকতাত মাকৰ অৱস্থিতি প্ৰতিনিয়ত বিৰাজমান হৈ থাকে। মাকৰ কথা ৰক্ষা কৰিবলৈ গৈ অনিমাক বিবাহৰ প্ৰস্তাৱ দিলেও মাকৰ বাহিৰে আন কোনো নাৰীৰ ওচৰতে জয়ন্তই সহজ অনুভৱ নকৰে। মাকৰ মৃত্যু মানেই যেন জয়ন্তৰ নিজৰো জীৱনৰ অৱসান বুলি ভাবিবলৈ লৈছে। জয়ন্তই অৱচেতনত মাকৰ ভাৱ-অনুভূতি কঢ়িয়াই ফুৰি এসময়ত ছেনাটোৰিয়ামলৈ পৰ্যৱসিত হৈছে। সেইদৰে 'মহেশ্বতাৰ বিয়া' গল্পটোত জীয়েক মহেশ্বতাৰ বিয়াৰ প্ৰসংগ বিভিন্ন অজুহাতত দেউতাক কমল চৌধুৰীয়ে এৰাই চলিব খোজে। কিয়নো জীয়েক মহেশ্বতাৰ উপস্থিতিত পত্নীৰ অনুপস্থিতি দেউতাকে পাহৰি থাকে। দেখাত অদ্ভুত যেন লাগিলেও ফ্ৰয়েডীয় মনস্তত্ত্বৰ ইলেক্ট্ৰা কমপ্লেক্স বা ইনভাৰটেড ইডিপাছ কমপ্লেক্সৰ অনন্যতম উদাহৰণ হিচাপে মহেশ্বতাৰ বিয়া গল্পটোক অন্তৰ্ভুক্ত কৰিব পাৰি।

যৌন জীৱনৰ এখন ছবি বৰগোহাঞিৰ প্ৰায়বোৰ গল্পতে লক্ষ্য কৰা যায়। যৌন জীৱনৰ প্ৰধান বিষয় হিচাপে লৈ বৰগোহাঞিয়ে 'পৰ্দা' আৰু 'জন্ম'ৰ দৰে গল্প লিখিছে। 'পৰ্দা' অশোক, মহেশ আৰু আৰ্নল্ডে এগৰাকী দেহোপজীৱিনীক নিজা নিজা দৃষ্টিকোণৰ পৰা পৰ্যবেক্ষণ কৰিছে। অশোকে সামাজিক দায়বদ্ধতাৰ খাতিৰত দেহোপজীৱিনী ৰাণী আৰু মহেশ্বৰ দায়িত্ব গ্ৰহণ কৰিছে। মহেশে আকৌ ৰাণীক কেৱল টকাৰ বাবে পত্নীৰ মৰ্যাদা দি ঘৰত ৰাখিছে। ইফালে অশোকে ৰাণীৰ যোগেদি নিজৰ যৌন-বাসনা পূৰণ কৰিছে। অশোকৰ দৃষ্টিত নাৰীক কেৱল ভোগৰ সামগ্ৰী। আৰ্নল্ডৰ মতে নাৰী একোগৰাকী স্বৰ্গীয় প্ৰেমৰ অনুভূতিস্বৰূপ। মহেশৰ বাবে নাৰীগৰাকীৰ কেৱল জীয়াই থকাৰ সম্বল। 'জন্ম' গল্পটোত কমল আৰু সাবিত্ৰীৰ মাজত হ'বলগীয়া বিয়াখনত হেঙাৰ হৈ থিয় দিছে নন্দেশ্বৰ। সাবিত্ৰীয়ে মাক-দেউতাকৰ কথা ৰাখিবলৈ গৈ নন্দেশ্বৰ সৈতে বিবাহত বহাৰ সন্মতি প্ৰদান কৰিছে। বিয়াৰ পূৰ্বে ৰত্ন বুঢ়ীৰ ঘৰত লগ হৈ এটা চাপৰিত কমল আৰু সাবিত্ৰীয়ে ৰাতি কটাইছে। য'ত দুয়ো আপোন-পাহৰা কৰি যৌন সম্ভোগৰ সুখ লৈছে। সাবিত্ৰীৰ শৰীৰটোৰ প্ৰতি কমলৰ অনুৰাগে সাবিত্ৰীক কমলৰ প্ৰতি বেলেগ ধাৰণা পোষণ কৰাইছে। ইপিনে ৰাতিপুৱাতেই নন্দেশ্বৰ কমল-সাবিত্ৰীক নিৰ্দিষ্ট ঠাইত আৱিষ্কাৰ কৰিছে। পৰিণতিত কমল-নন্দেশ্বৰ মাজত সংঘাত আৰম্ভ হৈছে। নন্দেশ্বৰক প্ৰাণে মাৰিবলৈ চেষ্টা কৰাৰ অভিযোগত কমলে তিনিবছৰীয়া জে'ল জীৱন কটাবলগীয়া হৈছে। জে'লৰ পৰা ওলাই আহিও নন্দেশ্বৰৰ প্ৰতি প্ৰতিশোধপৰায়ণ মনোভাৱ লৈছিল যদিও সাবিত্ৰীয়ে সন্মুখীন হোৱা দুখ-দুৰ্দশা প্ৰত্যক্ষ কৰি সেই মনোভাৱ সলনি কৰিছে।

'ৰামধেনু' যুগৰ সমসাময়িক গল্পকাৰসকলৰ বিপৰীতে বিষয়বস্তুৰ ক্ষেত্ৰত নতুনত্বৰ প্ৰকাশ ঘটিছিল বৰগোহাঞিৰ গল্পত। সততে অসমীয়া গল্পকাৰে উপেক্ষা কৰা সমাজৰ বাস্তৱ ছবিখন বৰগোহাঞিয়ে গল্পৰ বিষয়বস্তু হিচাপে নিৰ্বাচন কৰিছিল। বৰগোহাঞিয়ে নিজৰ গল্পৰ সন্দৰ্ভত কৈছে— 'বেছিভাগ মধ্যবিত্ত অসমীয়া লেখকে যিবোৰ চিৰ-পৰিচিত আৰু নিৰাপদ পথত বিচৰণ কৰে তাৰ পৰা কিছু দূৰলৈ গৈ মই কেইটামান নিষিদ্ধ অন্ধকাৰ গলিত প্ৰৱেশ কৰিছিলো আৰু তাৰ পৰা বুটলি আনিছিলো বেশ্যা, গুণ্ডা, খুনী অপৰাধী আৰু মানসিক ৰোগীৰ নিচিনা কিছুমান চৰিত্ৰ। অসমীয়া সাহিত্যত এনে ধৰণৰ চৰিত্ৰ যে ইতিপূৰ্বে একেবাৰেই দেখা নগৈছিল সেই কথা নহয়, কিন্তু বেছিভাগ ক্ষেত্ৰতে সেইবোৰ আছিল কষ্টকল্পিত আৰু ৰোমাণ্টিক ভাব-বিলাসৰ দ্বাৰা অতিৰঞ্জিত। কিন্তু মোৰ গল্পত তেওঁলোকক দেখা গ'ল ৰক্ত মাংসৰ আকাৰত; তেওঁলোকৰ জীৱনৰ বাস্তৱ পটভূমিত।'(ধুমুহা আৰু ৰামধেনু-২, পৃষ্ঠা-১৪৫) বৰ্ণনাধৰ্মিতাৰ লগতে বিশ্লেষণধৰ্মী গুণৰ সমাহাৰত বৰগোহাঞিৰ গল্পৰ বিষয়বস্তু গঢ় লৈ উঠিছে। গল্পকাৰ বৰগোহাঞিয়ে অসমীয়া সমাজৰ বাবে আচহুৱা আৰু অচিনাকি বিষয়বস্তুৰে পঢ়ুৱৈ সমাজক সদায় মোহাৱিষ্ট কৰিব খুজিছিল। অন্ধকাৰ জীৱনৰ বিপদজনক গলিবোৰ গল্পকাৰৰ সূক্ষ্ম নিৰীক্ষণ-পৰ্যবেক্ষণত মূৰ্ত হৈ উঠিছিল। গল্পকাৰৰ প্ৰায়বোৰ গল্পতে মানসিকভাৱে বিকাৰগ্ৰস্ত চৰিত্ৰ, পৰিস্থিতি সাপেক্ষে বেশ্যা হৈ পৰা বিভিন্ন নাৰী চৰিত্ৰ, হত্যাকাৰী, গুণ্ডা, অপৰাধী আদি চৰিত্ৰৰ বিকাশ ঘটিছে। মনোজগতৰ বিশ্লেষণ, নৰ-নাৰীৰ জীৱনৰ বিভিন্ন দিশৰ প্ৰতিনিধি হৈ পৰিছে বৰগোহাঞিৰ গল্প। মধ্যবিত্ত জীৱনৰ সুখ-দুখৰ সামগ্ৰিক ছবি এখনো গল্পবোৰে ধৰি ৰাখিছে। সেইদৰে নগৰীয়া আৰু গ্ৰাম্য জীৱনৰ সমান্তৰাল ছবিখন গল্পবোৰত লক্ষ্য কৰা যায়। অৰ্থনৈতিক সমস্যাই মানৱ জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলায়। পৰিণতিত মানুহৰ জীৱনলৈ আহি পৰা সম্ভাব্য প্ৰায়বোৰ দিশতে গল্পকাৰ বৰগোহাঞিয়ে দৃষ্টি নিক্ষেপ কৰিছে। মানুহৰ বাহ্যিক আৰু আভ্যন্তৰীণ দুয়ো দিশকে গল্পবোৰত প্ৰাধান্য দিয়া দেখা গৈছে। অন্যহাতে সমাজৰ ব্যক্তি বিশেষৰ প্ৰধান সমস্যা আৰু সেইবোৰৰ সমাধান সূত্ৰও কোনো কোনো গল্পত গল্পকাৰে উপস্থাপন কৰিছে। অধিকাংশ গল্পতে অৱস্থিতিবাদ, অস্তিত্ববাদ, চেতনা প্ৰৱাহ আৰু মনস্তাত্ত্বিক বিশ্লেষণৰ প্ৰভাৱ আছে। বিষয়বস্তুৰ প্ৰয়োজন অনুসৰি গল্পকাৰৰ ভাষাই গতিশীলতা লাভ কৰিছে। আলোচনাৰ পৰা বিনাদ্বিধাই ক'ব পাৰি যে বিষয়বস্তুৰ ক্ষেত্ৰত অভিনৱত্ব প্ৰকাশ কৰি অসমীয়া গল্প সাহিত্যৰ ভঁৰাল চহকী কৰা হোমেন বৰগোহাঞি নিঃসন্দেহে এজন শক্তিশালী গল্পকাৰ।

*প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ,*
*নৰ্থ লখিমপুৰ মহাবিদ্যালয়*

# সংহতি , সানোৱা আৰু ড° লক্ষ্মীনন্দন বৰা

■ ফখৰুদ্দিন আহমেদ



ইং ১৯৯৭ চনৰ কোনোবা এটি দিন । তাৰিখটো যদিও মনত নাই তথাপি সেই দিনটো আছিল উক্ত চনৰ মাৰ্চ মাহৰ অন্তৰ্গত। সেইদিনা দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ সানোৱা অঞ্চলৰ উচ্চ শিক্ষাৰ অনুষ্ঠান 'সানোৱা হাইমাদ্ৰাছা' (সম্প্ৰতি সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত পদাৰ্পণ কৰিছিলহি অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি, অসমৰ বিশিষ্ট কবি, গীতিকাৰ ইদ্ৰিছ আলী, অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট চিকিৎসক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন মুখপাত্ৰ, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমৰ বিশিষ্ট কবি, গীতিকাৰ চহিৰ ভূঞাই। আগমনৰ উদ্দেশ্য আছিল অসম সাহিত্য সভাই দৰং জিলা সাহিত্য সভাক উদ্‌যাপন কৰিবলৈ দায়িত্ব অৰ্পণ কৰা অসমৰ জাতীয় জীৱনৰ খনিকৰ , মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ জন্মোৎসৱটি 'অসম সাহিত্য সভাৰ সংহতি সপ্তাহৰ শুভাৰম্ভণি অনুষ্ঠান' হিচাপে তেখেতসকলে সানোৱাত সানোৱা সাহিত্য সভাৰ জৰিয়তে ৰূপায়ণ কৰিব বিচাৰে। তাৎক্ষণিকভাৱে সানোৱা সাহিত্য সভাৰ সভাপতি, গৰুখুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজুৰ ৰহমান, সানোৱা হাইমাদ্ৰাছাৰ সহকাৰী শিক্ষক, মোৰ শিক্ষাগুৰু খাইৰুল হুছেইন আৰু দুই/এক গণ্যমান্য ব্যক্তিৰ লগত আলোচনা কৰি তেখেতসকলক মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ জন্মোৎসৱটি সানোৱাত পালন কৰিম বুলি কথা দিয়া হ'ল। সেই সময়ত মই নিজে সানোৱা সাহিত্য সভাৰ সম্পাদক।

যথা সময়ত সানোৱাৰ ৰাইজক আহ্বান কৰি ৰাজহুৱা সভা অনুষ্ঠিত কৰি সমাজসেৱক চায়েদুৰ ৰহমান আৰু বিশিষ্ট সাহিত্যিক খাইৰুল হুছেইনক অভ্যৰ্থনা সমিতিৰ ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে মনোনীত কৰি যাৱতীয় কামত আগবঢ়া হয়।

যিহেতু অনুষ্ঠানটি অসম সাহিত্য সভাৰহে, সেয়ে ইং ১৯৯৭ চনৰ ১১ অক্টোবৰ তাৰিখ ঠিক কৰি তেখেতসকলে সেই দিনটোত আগবেলা আৰু ভাটিবেলা দুটি কাৰ্যসূচী ঠিক কৰিছিল। সেই মৰ্মে আগবেলা আলোচনা-চক্ৰ । বিষয় আছিল 'সম্প্ৰীতি আৰু অসম'। উক্ত অনুষ্ঠানটিৰ সঞ্চালক আছিল বিশিষ্ট কবি আৰু গীতিকাৰ তফজ্জুল আলী আৰু আলোচকসকল আছিল ক্ৰমে জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ, কবি ইমৰান আলী দৰঙী, বুৰঞ্জীবিদ ৰফিউল হুছেইন বৰুৱা, নাট্যকাৰ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৰজনীকান্ত নাথ। ভাটিবেলাৰ মুকলি সভাত সভাপতিত্ব কৰিছিল অসম সাহিত্য সভাৰ তদানীন্তন সভাপতি ডঃ নগেন শইকীয়া, মুখ্য অতিথি হিচাপে যোগদান কৰিছিল সদ্য প্ৰয়াত অসম সাহিত্য সভাৰ বোকাখাত অধিবেশনৰ সন্মানীয় সভাপতি, ভাৰত চৰকাৰৰ সাহিত্য অকাডেমী বঁটা বিজয়ী, পদ্মশ্ৰী ডঃ লক্ষ্মীনন্দন বৰা চাৰ, তদানীন্তন প্ৰধান সম্পাদক শৈলেন দাস আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ পৰমানন্দ ৰাজবংশীয়ে। উক্ত মুকলি সভাত সাহিত্যাচাৰ্য, অসমৰ বিশিষ্ট কথাশিল্পী আব্দুল মালিক ছাৰেও সন্মানীয় অতিথি যোগদান কৰাৰ কথা আছিল যদিও তেখেতে শাৰীৰিক অসুস্থতাৰ বাবে উপস্থিত থাকিব নোৱাৰিলে।

সেই অনুষ্ঠানটিত দুয়োজন সভাপতি ক্ৰমে ডঃ বৰা ছাৰ আৰু ডঃ শইকীয়া ছাৰক দৰং জিলা সাহিত্য সভা, সানোৱা সাহিত্য সভাৰ উদ্যোগত দৰং তথা সানোৱাৰ প্ৰায় পাঁচ সহস্ৰাধিক ৰাইজে দুয়োগৰাকী বৰেণ্য ব্যক্তিকে গাঁওখনৰ পশ্চিম দিশৰ পৰা প্ৰায় চাৰে তিনি কিলোমিটাৰ পথ শোভাযাত্ৰা কৰি মূল ক্ষেত্ৰ ৰহমত চিকাৰী-কান্তি ওঝা ক্ষেত্ৰৰ সানোৱা হাই মাদ্ৰাছা প্ৰাংগণলৈ সন্মান সহকাৰে আগবঢ়াই আনিছিল। প্ৰথম কাৰ্যসূচী আলোচনা-চক্ৰ আৰু মুকলি সভা দুয়োটা কাৰ্যসূচীতে ডঃ লক্ষ্মীনন্দন বৰা ছাৰ মঞ্চত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৰ্ধন কৰিছিল।

মুকলি সভাৰ মুখ্য আকৰ্ষণ আৰু মধ্যমণি আছিল ডঃ লক্ষ্মীনন্দন বৰা ছাৰ। মুকলি সভাত ৰভাস্থলীত সেই সময়ত প্ৰায় দহ সহস্ৰাধিক মানুহৰ সমাগম । মঞ্চত সভাপতি মহোদয়ৰ ঘোষণাক্ৰমে আৰম্ভ হৈছিল ডঃ বৰা ছাৰৰ মূল্যবান ভাষণ। দহ হাজাৰতকৈয়ো অধিক লোকৰ উপস্থিতিত সভাস্থলীত কাঁহ পৰি জীণ যোৱা পৰিৱেশ। ছাৰৰ ভাষণ আৰু কোনোবাই কাঁহ মাৰিলেও দহ হাজাৰ মানুহে শুনাৰ পৰিৱেশ। ভাষণো যে মানুহে এনে মনোযোগেৰে শুনে সেয়াই আছিল মোৰ জীৱনৰ প্ৰথম অভিজ্ঞতা। ডঃ বৰা ছাৰে প্ৰায় ডেৰ ঘণ্টা জুৰি ভাষণ প্ৰদান কৰিছিল। অসমৰ সাহিত্য জগতৰ পৰা আৰম্ভ কৰি সাধাৰণ নাগৰিকৰ জীয়াই থকাৰ সংগ্ৰামলৈ ছাৰে কোনো বিষয়কে ভাষণত এৰি যোৱা নাছিল। তেখেতে সভাৰ শেষত সানোৱা এৰি গুছি গৈছিল। কিন্তু হৃদয়ত সানোৱাখনক তুলি লৈ গৈছিল। পিছৰ সংখ্যা তিনিদিনীয়া অগ্ৰদূত কাকতত তেখেতে সানোৱাত দেখি যোৱা সাম্প্ৰদায়িক সংহতি আৰু সানোৱাৰ ৰাইজৰ মৰম-চেনেহ বৰ্ণনা কৰি ' সানোৱাত সংহতি বিচাৰি' নামৰ এটি প্ৰবন্ধ লিখিছিল।

ডঃ লক্ষ্মীনন্দন বৰা ছাৰে 'সানোৱাত সংহতি বিচাৰ' প্ৰবন্ধটি আৰম্ভ কৰিছিল এনেদৰে— 'যোৱা দুবছৰ অসমৰ বিভিন্ন ঠাইত সভা-সমিতিত উপস্থিত থাকি আৰু বহুলোকৰ সংস্পৰ্শলৈ আহি মোৰ নিশ্চিত ধাৰণা হৈছে যে আমাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সংহতি অদ্যপি বিদ্যমান আৰু যদি ক'ৰবাত তাৰ অভাৱ ঘটিছে তাৰ বাবে দায়ী ক্ষমতালোভী ৰাজনীতি কৰা মানুহখিনিহে। চৰ অঞ্চলৰ মুছলমান ৰাইজৰ মাজত, চাহ গছৰ শ্যামলী ধৰণীখনিত আৰু বৰ্ণাঢ্য জনজাতীয় জীৱনত (বড়ো ইছ্যুটোক বাদ দি)।'

তেখেতে সানোৱাৰ সন্দৰ্ভত লিখিছিল 'অসম সাহিত্য সভাই এই সংহতি দিৱসটি উদ্‌যাপন কৰিছিল দৰং জিলাৰ সানোৱাত। স্থান নিৰ্বাচন সঁচাকৈয়ে সুপৰিকল্পিত আছিল।' লগতে লিখিছিল 'আমাক শোভাযাত্ৰাৰে তিনি কিলোমিটাৰমান বাট লৈ যোৱা হৈছিল গায়ন-বায়নৰ লগত।....আলিৰ দাঁতিত থিয় দি থকা জীয়াৰী-বোৱাৰীৰ গাত দেখিলো কপাহী কেচ দিয়া চাদৰ, বুটা বছা মেখেলা। সকলোবোৰৰ মূৰত ওৰণি।'

তেখেতে প্ৰায় শেষত উল্লেখ কৰিছিল— 'সভাত বহুত মানুহ।...তাকে দেখি মোৰ মন ভৰি পৰিল। কাৰণ উজনি অসমত দেখিছিলো যে শঙ্কৰ জন্মোৎসৱত সাধাৰণতে ৰাতি ভাওনাতহে বহুত মানুহ হয়, দিনৰ সভাখনত বা ধৰ্মালোচনী সভাত ৰাইজৰ উপস্থিতি তেনেই সেৰেঙা।'

অসমীয়া সমাজজীৱনৰ মহা মহা সংগঠক, মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ জন্মোৎসৱ উপলক্ষে এশ শতাংশ মুছলমান লোকৰ দ্বাৰা ভৰপূৰ সানোৱাত হোৱা সভাখনৰ সফলতা আৰু সাৰ্থকতা দেখি সেইদিনা আদৰণীয় আৰু সদ্য প্ৰয়াত ডঃ লক্ষ্মীনন্দন বৰা ছাৰ বাৰুকৈয়ে আ!!দিত আৰু সুখী হোৱাৰ মুহূৰ্তৰ কথা এতিয়াও সানোৱাবাসীয়ে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। কথাটো হয়, অসমত সংহতিৰ অভাৱ হোৱা নাই আৰু কদাপিও নহয়। ডঃ বৰা ছাৰে লিখা কথা এশ শতাংশ শুদ্ধ— 'কৰবাত যদি সংহতিৰ অভাৱ হৈছে সেয়া ক্ষমতালোভী ৰাজনীতি কৰাখিনিৰ কাৰণেহে'।

*মোবাইল নং ঃ ৮৬৩৮৩১২০৭*

# ক'ভিড ভেকচিনৰ বিনিময়ত একোটাকৈ মাৰিজুৱানাৰ হোকা

## আজব খবৰ নহয়, আমেৰিকা যুক্তৰাষ্ট্ৰৰ সঁচা তথ্য

**ৱাশ্বিংটন, ৯ জুন ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন প্ৰদেশত নিচাসক্ত প্ৰাপ্তবয়স্ক লোকসকলৰ বাবে ক'ভিড ভেকচিন গ্ৰহণ কৰিবলৈ এক আজব প্ৰচাৰ চলাইছে প্ৰশাসনে। কিয়নো ক'ভিড ভাইৰাছৰ দ্বাৰা সৰ্বাধিক সংক্ৰমিত আৰু সৰ্বাধিক পৰিমাণৰ মৃত্যুমুখত পৰা দেশ হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাম তালিকাৰ শীৰ্ষত আছে যদিও শেহতীয়াকৈ দেশখনত যুদ্ধকালীন তৎপৰতাৰে সকলো নাগৰিকৰ বাবে ক'ভিড ভেকচিন প্ৰদান কৰাটো চৰকাৰী কাৰ্যসূচী হিচাপে চিহ্নিত কৰিছে। ইয়াৰ মাজতো একাংশই ভেকচিন গ্ৰহণৰ পৰা আঁতৰি থকা বুলি প্ৰকাশ পাইছে। সেয়েহে ৱাশ্বিংটন প্ৰদেশত স্থানীয় প্ৰশাসনে গ্ৰহণ কৰিছে



এই আজৱ নীতিৰ। সেই অনুসৰি ২১ বছৰ বা ততোধিক বয়সৰ লোকসকলক মাৰিজুৱানা অৰ্থাৎ ভাং সেৱনৰ বাবে অনুমতি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছে যদিহে তেওঁলোকে ক'ভিড ভেকচিন গ্ৰহণ কৰে বা ভেকচিন গ্ৰহণৰ প্ৰামাণ্য নথি কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিবলৈ সক্ষম হয়। ইতিমধ্যে প্ৰশাসনৰ এই অদ্ভুত প্ৰস্তাৱৰ প্ৰতি বিভিন্নজনে সঁহাৰি জনোৱা বুলি প্ৰকাশ পাইছে। কিন্তু মাৰিজুৱানাৰ বাহিৰে অন্য কোনো নিচাজাতীয় সামগ্ৰী গ্ৰহণৰ অনুমতি দিয়া নহয় বুলি স্পষ্ট কৰা হৈছে। উল্লেখ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰত অতি কমেও ৫৮ শতাংশ নাগৰিকে কমেও এপালিকৈ ক'ভিড ভাইৰাছ প্ৰতিৰোধী ভেকচিন গ্ৰহণ কৰিছে। আনহাতে ৪৯ শতাংশ বাসিন্দাই দুপালিকৈ ভেকচিন গ্ৰহণ কৰা বুলিও প্ৰকাশ পাইছে। ইয়াৰ উপৰিও সম্পৰ্ণকৈ ভেকচিন লোৱাসকলৰ বাবে প্ৰশাসনে উপহাৰ হিচাপে আগবঢ়াইছে বিনামূলীয়া বিয়েৰ, ৱাইন বা তেনেধৰণৰ পানীয়। ইতিমধ্যে ৱাশ্বিংটনৰ নাগৰিকৰ বাবে নিচাজাতীয় সামগ্ৰীৰ বিনিময়ত ভেকচিন গ্ৰহণ কৰিবলৈ প্ৰলোভিত কৰা কাৰ্য বিশ্বজুৰি চৰ্চিত হোৱা দেখা গৈছে।

# একেলগে দহটা সন্তান জন্ম দি বিশ্ব অভিলেখৰ শীৰ্ষত আৰোহণ আফ্ৰিকাৰ ৩৭বছৰীয়া মহিলাৰ

**জোহান্সবাৰ্গ, ৯ জুন ঃ** এক বিচিত্ৰ বিশ্ব অভিলেখৰ অধিকাৰী হ'ল আফ্ৰিকা মহাদেশৰ এগৰাকী মহিলা। ৩৭ বছৰ বয়সীয়া গোছাইমী থামাৰা ছিথুলি নামৰ মহিলাগৰাকীয়ে এবাৰতে জন্ম দিলে দহটাকৈ সন্তানৰ। ইয়াৰে সাতটা সন্তান ল'ৰা আৰু অন্য তিনিটা সন্তান কন্যা শিশু। সম্প্ৰতি আটাইকেইটা শিশু অতি সুস্থ আৰু সবল হৈ আছে। ইয়াৰ পূৰ্বেও মহিলাগৰাকীয়ে দুটা যমজ সন্তানৰ জন্ম দিছিল আৰু দুয়োটাকে পালন কৰিবলৈ সক্ষম হৈছিল। চিকিৎসকে অস্ত্ৰোপচাৰ কৰি সুকলমে আটাইকেইটা সন্তানৰ জন্ম দিয়াইছিল মহিলাগৰাকীৰ। পিছত তেওঁ সংবাদ মাধ্যমৰ আগত কয় যে আঠটা সন্তান জন্ম দিয়াৰ প্ৰবল ইচ্ছা আছিল তেওঁৰ। উদ্দেশ্য আছিল বিশ্ব অভিলেখৰ অধিকাৰী হোৱাৰ। কিন্তু চিকিসকে অস্ত্ৰোপচাৰৰ পিছত আঠটাৰ পৰিৱৰ্তে দহটা সন্তানৰ সুকলমে জন্ম হোৱা বুলি অৱগত কৰিছে। কোনোধৰণৰ শাৰীৰিক জটিলতাৰ সন্মুখীন নোহোৱাকৈয়ে ছিথুলিয়ে আটাইকেইটা সন্তান গৰ্ভত ধাৰণ কৰি লৈ ফুৰিছিল। ইফালে একেলগে দহটাকৈ সুস্থ আৰু সবল সন্তান তথা বৰ্তমানলৈকে জীৱিত অৱস্থাত থকা দহটাকৈ সন্তান জন্ম দিয়া বাবে মহিলাগৰাকী সম্প্ৰতি বিশ্ব অভিলেখৰ অধিকাৰী হৈছে। ইয়াৰ পূৰ্বে হালিমা ছিছে নামৰ এগৰাকী মহিলাই কিছুদিন পূৰ্বে নটাকৈ সন্তানৰ জন্ম দি অভিলেখৰ অধিকাৰী হৈ আছিল।





# কেৰালা প্ৰদেশ কংগ্ৰেছৰ নতুন সভাপতি কে সুধাকৰণ



**থিৰুৱনন্তপুৰম, ৯ জুন ঃ** কেৰালা প্ৰদেশ কংগ্ৰেছৰ নতুন সভাপতি হিচাপে নিযুক্তি দিয়া হৈছে ৰাজ্যখনৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা কে সুধাকৰণক। আজি কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে সুধাকৰণলৈ ফোন কৰি তেওঁক অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তাৰিক আনোৱাৰে অলপতে কেৰালা কংগ্ৰেছৰ নেতাসকলৰ সৈতে আলোচনা কৰি নেতৃত্ব সলনিৰ বিষয়টো চূড়ান্ত কৰিছে। পিছত আনোৱাৰৰ পৰামৰ্শৰ ভিত্তিত কংগ্ৰেছৰ সৰ্বভাৰতীয় সমিতিৰ অধ্যক্ষ ছোনিয়া গান্ধীয়ে কে সুধাকৰণক ৰাজ্যখনৰ দলীয় নেতৃত্ব অৰ্পণ কৰে। ইয়াৰ পূৰ্বে তেওঁ ৰাজ্যখনৰ বিৰোধী দলৰ দলপতি হিচাপে বিধানসভাৰ মজিয়াত কাৰ্যনিৰ্বাহ কৰিছিল। ইফালে জ্যেষ্ঠ নেতা ৰমেন ছান্দিয়ে, ৰমেশ ছেনিথালা, মুল্লাপল্লী ৰামচন্দ্ৰন আদি জ্যেষ্ঠসকলক বৰ্তমানলৈকে কোনো এটা দলীয় শীৰ্ষ পদত মনোনীত কৰা নাই বুলি প্ৰকাশ পাইছে। কিন্তু কংগ্ৰেছৰ অন্যান্য সাধাৰণ সম্পাদক ক্ৰমে কেচি বেনুগোপাল, কে মুৰালীধৰণ, পিটি থমাছ আদিয়েও ৰাজ্যখনত দলীয় নেতৃত্ব সলনিৰ পোষকতা কৰিছে। যাৰ বাবে বিদায়ী সভাপতি মুল্লাপল্লী ৰামচন্দ্ৰনৰ স্থানত সুধাকৰণক দায়িত্ব অৰ্পণ কৰা হৈছে। ইফালে দলীয় দায়িত্ব লাভৰ পিছতে সুধাকৰণে সংবাদ মাধ্যমৰ আগত কয় যে ৰাজ্যখনৰ জনগণৰ যি প্ৰত্যাশা আৰু কংগ্ৰেছ নেতৃত্বৰ যি বিশ্বাস সেয়া পূৰণ কৰিবলৈ তেওঁ চেষ্টা কৰিব। উল্লেখ্য যে দুটাকৈ কাৰ্যকালৰ বাবে কেৰালা প্ৰদেশত বিৰোধীৰ আসনত বহিছে কংগ্ৰেছ দল। হৈ যোৱা বিধানসভা নিৰ্বাচনত কেৰালাত কংগ্ৰেছ দলৰ প্ৰদৰ্শন একেবাৰে শোচনীয় আছিল। যাৰ বাবে নেতৃত্ব সলনিৰ জৰিয়তে দলটো শক্তিশালী কৰিবলৈ বিভিন্ন পক্ষই দাবী জনাই আহিছে।

# দ্বিতীয় দিনৰ বাবেও দেশত ক'ভিড সংক্ৰমণ লাখৰ তললৈ নামিল

**নতুন দিল্লী, ৯ জুন ঃ** একেৰাহে দ্বিতীয় দিনৰ বাবে দেশত ক'ভিড ভাইৰাছৰ দ্বাৰা সংক্ৰমিতৰ সংখ্যা এক লাখৰ তললৈ নামিছে। যোৱা এদিনৰ পূৰ্বে দৈনিক সংক্ৰমণ ৮৬ হাজাৰ অতিক্ৰম কৰি আশাৰ বতৰা কঢ়িয়াইছিল। একেদৰে মঙলবাৰৰ দিনটোত এই সংক্ৰমণ ৯২ হাজাৰৰ



*তেলেংগানাৰ ছেকুন্দ্ৰাবাদত অৱস্থিত এখন মাছৰ বজাৰত গ্ৰাহকৰ ভিৰ*

সামান্য বৃদ্ধি হ'ল যদিও সংক্ৰমিতৰ হাৰ নিম্নগামী হৈয়ে থাকিল। ফলত ক'ভিড সংক্ৰমণ বৰ্তমান এক নিয়ন্ত্ৰিত আৰু সুস্থিৰ অৱস্থালৈ অহা বুলিব পাৰি। প্ৰণিধানযোগ্য এয়ে যে আজি পুৱা কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ নিয়মীয়া বুলেটিনত প্ৰকাশ পোৱা তথ্য অনুসৰি মঙলবাৰৰ দিনটোত ২২১৯ জনৰ মৃত্যুৰ বিপৰীতে



নতুনকৈ সংক্ৰমিত হৈছিল ৯২৫৯৬ জন। দিনটোত সংক্ৰমিতৰ হাৰ ৪.৬৬ শতাংশ আৰু চলিত এসপ্তাহত সংক্ৰমিতৰ হাৰ ৫.৬৬ শতাংশলৈ অৱনমিত হ'ল। ইফালে মঙলবাৰে দিল্লীস্থ এইমছৰ সঞ্চালক ডাঃ ৰণদীপ গুলেৰিয়াই ব্যক্ত কৰিছিল যে যদিও দেশত ক'ভিড ভাইৰাছৰ সংক্ৰমণ নিম্নগামী হৈছে তথাপি ক'ভিড প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰিব লগা স্বাস্থ্যবিধিসমূহ কোনেও উপেক্ষা কৰিব নালাগে। কিয়নো ভাৰতৰ দৰে বৃহৎ জনসংখ্যাৰ এখন দেশত এতিয়াও সিংহভাগ লোকে ভেকচিন গ্ৰহণ কৰিবলৈ বাকী আছে। সেয়েহে ভেকচিন গ্ৰহণ কাৰ্য সম্পূৰ্ণ নোহোৱালৈকে দেশত ক'ভিড সংক্ৰমণ নিয়ন্ত্ৰিত অৱস্থালৈ অহা বুলি দাবী কৰিব নোৱাৰি। সাময়িকভাৱে হ্ৰাস পালেও এই সংক্ৰমণ পুনৰ উৰ্ধমুখী নহ'ব বুলি কোনেও নিশ্চয়তা দিব নোৱাৰে। তেওঁ লগতে কয় যে ভাৰততে হওক বা বিশ্বৰ যিকোনো দেশতে হওক ক'ভিড ভাইৰাছৰ পৰৱৰ্তী জোৱাৰত দেশৰ শিশুসকল অধিক সংক্ৰমিত হ'ব বুলি কোনো ধৰণৰ প্ৰামাণিক তথ্য পাবলৈ নাই। তেওঁ কয় যে বৰ্তমানৰ দ্বিতীয় সংক্ৰমণৰ জোৱাৰতো ৬০-৭০ শতাংশ শিশু সংক্ৰমিত হৈছিল আৰু তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। শিশুসকলৰ পুষ্টিজনিত সমস্যাৰ বাবেই বিভিন্ন আনুসংগিক ৰোগত আক্ৰান্ত থাকিব পাৰে আৰু ইয়াৰ বাবে ক'ভিড ভাইৰাছৰ সংক্ৰমণৰ ফলত জটিল পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। কিন্তু কেৱল শিশুসকলক লক্ষ্য কৰিয়ে কোনোধৰণৰ বিশেষ ক'ভিড ভাইৰাছ আহিব বুলি আতংকিত হোৱাৰ কাৰণ নাই। উল্লেখ্য যে আজি চৰকাৰীভাৱে প্ৰকাশিত তথ্য অনুসৰি দেশত ২৩.৯ কোটি ক'ভিড ভেকচিনৰ ড'জ ইতিমধ্যে প্ৰদান কৰা হৈছে। বৰ্তমানলৈকে ক'ভিশ্বিল্ড ভেকচিনৰ বাবে ২৫ কোটি ড'জৰ নিৰ্দেশনা আছে আৰু কোভাক্সিনৰ বাবে ১৯ কোটি ড'জৰ নিৰ্দেশনা গ্ৰহণ কৰা হৈছে। চলিত বৰ্ষৰ ডিচেম্বৰ মাহ পৰ্যন্ত কমেও ৪৫ কোটি ড'জ ভেকচিন দেশবাসীক দিবলৈ সক্ষম হ'ব বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে।

# ১২বছৰ অনূৰ্ধ্বৰ শিশুৰ বাবেও ভেকচিন প্ৰস্তুত কৰিছে ফাইজাৰে

## সম্পৰীক্ষাৰ বাবে ৪,৫০০ শিশুৰ নাম তালিকাভুক্ত

**নতুন দিল্লী, ৯ জুন ঃ** ক'ভিড ভাইৰাছৰ বাবে ভেকচিন প্ৰস্তুত কৰোতা ফাইজাৰ প্ৰতিষ্ঠানে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে যে তেওঁলোকে ১২ বছৰ অনুৰ্ধ শিশুৰ বাবেও এই ভেকচিনৰ প্ৰস্তুতি পৰ্ব আৰম্ভ কৰিছে। ইতিমধ্যে প্ৰথম পৰ্যায়ৰ সম্পৰীক্ষা সম্পন্ন কৰা বুলিও ব্যক্ত কৰিছে। দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষাৰ বাবে ৪৫০০টি শিশুৰ নাম তালিকাভুক্ত কৰিছে। এই শিশুসকলৰ দেহত এই ভেকচিন প্ৰয়োগ কৰি সম্পৰীক্ষা কৰা হ'ব। মুলতঃ৫-১১ বছৰৰ শিশুৰ বাবে এই নতুন ভেকচিনৰ সম্পৰীক্ষা চলাই থকা হৈছে। ইয়াৰ উপৰিও ফাইজাৰ প্ৰতিষ্ঠানে শিশুসকলৰ বাবে মুঠ তিনিটা পৰ্যায়ত



ভেকচিন প্ৰস্তুতিৰ বাবে প্ৰচেষ্টা চলাই থকা বুলিও সদৰী কৰিছে। নৱজাতক শিশুৰ বাবে ছমাহৰ পৰা দুই বছৰৰ ভিতৰত ভেকচিন প্ৰদান কৰিব পৰাকৈ চলোৱা হৈছে সম্পৰীক্ষা। দুই বছৰৰ পৰা ৫ বছৰৰ অনুৰ্ধ শিশুৰ বাবে ভেকচিনৰ প্ৰস্তুতিৰ সম্পৰীক্ষা চলোৱা হৈছে। অৱশ্যে বৰ্তমান এই তিনিওটা বয়সৰ শিশুৰ বাবে মুঠ ৪৫০০ গৰাকী শিশুৰ দেহত সম্পৰীক্ষাৰ জৰিয়তে ক'ভিড ভেকচিন প্ৰস্তুত কৰিবলৈ চেষ্টা চলোৱা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ফিনলেণ্ড, কুলেন আৰু স্পেইনৰ বিভিন্ন স্থানত ৯০ টাতকৈ অধিক সম্পৰীক্ষা চলাবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। স্থানীয় ভাৱেও ছমাহৰ উৰ্ধৰ নৱজাতকৰ দেহত এই ভেকচিন প্ৰদান কৰা হ'ব। এই সম্পৰ্কত ফাইজাৰ কৰ্তৃপক্ষই লগতে কয় যে বিশ্বৰ মুঠ জনসংখ্যাৰ ২৬ শতাংশতকৈ অধিক হ'ল ১৫ বছৰ অনুৰ্ধ শিশু তথা কিশোৰসকল। গতিকে বিশ্বৰ এই বৃহৎ অংশৰ বাসিন্দাৰ বাবে ক'ভিড ভেকচিন প্ৰস্তুত কৰাটো জৰুৰী হৈ পৰিছে। কিয়নো বিভিন্ন দেশত ১৬ বছৰৰ উৰ্ধৰ লোকসকলক ভেকচিন প্ৰদান কৰিবলৈ সাজু হৈছে। কিন্তু ১৫ বছৰ অনুৰ্ধ বয়সৰ লোকসকলৰ বাবে কোনো এখন দেশে ভেকচিন প্ৰস্তুত কৰা, উৎপাদন কৰা আৰু ভেকচিন প্ৰদান কৰিবলৈ সাজু হ'ব পৰা নাই। যাৰ বাবে অন্যান্য ভেকচিন প্ৰস্তুতকাৰী প্ৰতিষ্ঠানসমূহৰ তুলনাত ফাইজাৰে এই শিশুসকলৰ বাবে ভেকচিন প্ৰস্তুত কৰা বিষয়ত অধিক গুৰুত্ব দিয়া দেখা গৈছে। ফাইজাৰৰ এই সম্পৰীক্ষা সফল হ'লে আগন্তুক বৰ্ষত ১৫ বছৰৰ অনুৰ্ধসকলৰ বাবেও ক'ভিড ভাইৰাছ প্ৰতিৰোধী ভেকচিন উৎপাদন সম্ভৱ হৈ উঠিব।

# উত্তৰ প্ৰদেশৰ কংগ্ৰেছ শিবিৰত অঘটন, ইউপিএ চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী জিতিন প্ৰসাদে যোগ দিলে বিজেপিত

**নতুন দিল্লী, ৯ জুন ঃ** উত্তৰ প্ৰদেশত আগন্তুক বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে দ্বিতীয় বাৰলৈ একেৰাহে ক্ষমতা হস্তগত কৰিবলৈ ব্যাপক তৎপৰতা চলাইছে। পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনত প্ৰায় দুবছৰ ধৰি বিজেপি দলে প্ৰচাৰ চলোৱাৰ পিছতো ক্ষমতা দখল কৰিবলৈ সক্ষম নোহোৱা বিষয়টোৱে গেৰুৱা দলটোক চিন্তিত কৰি তোলা দেখা গৈছে। সেয়েহে উত্তৰ প্ৰদেশৰ বাবে কিছু সাৱধানতাৰে আগবাঢ়িবলৈ সাজু হোৱা পৰিলক্ষিত হৈছে। তাৰ অংশ হিচাপেই পূৰ্বৰ ইউ পি এ চৰকাৰৰ আমোলৰ কেন্দ্ৰীয় মন্ত্ৰী তথা উত্তৰ প্ৰদেশৰ প্ৰাক্তন সাংসদ জিতিন প্ৰসাদক আজি বিজেপি দলে নিজৰ মাজলৈ উষ্ম আদৰণি জনোৱা দেখা গ'ল। গেৰুৱা দলটো নতুন দিল্লীস্থ মুখ্য কাৰ্যালয়ত কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলৰ উপস্থিতিত জিতিন প্ৰসাদে বিজেপি দলত যোগদান কৰে। ইয়াৰ পিছতে সংবাদ মাধ্যমৰ আগত কয় যে তেওঁ আৰু তেওঁৰ পৰিয়ালটো কংগ্ৰেছ দলৰ সৈতে তিনিটা প্ৰজন্মৰ ঘনিষ্ঠতা আছিল। কিন্তু বাস্তৱ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কংগ্ৰেছৰ নেতৃত্ব বৰ্তমান অপাৰগ হৈছে। কংগ্ৰেছত থাকি দেশৰ জনগণৰ বাবে সেৱা কৰাৰ পৰিস্থিতি এতিয়া নোহোৱা হৈছে। সেয়েহে কংগ্ৰেছ ত্যাগ কৰি তেওঁ ৰাইজৰ কাষলৈ বিকল্প ব্যৱস্থাৰে আগুৱাই যোৱাৰ সিদ্ধান্ত লৈছে। যদিহে ৰাইজৰ সেৱা কৰিব নোৱাৰে তেনেহ'লে তেনেকুৱা এটা দলত অন্তৰ্ভুক্ত হৈ থাকি কি হ'ব বুলি তেওঁ ব্যক্ত কৰে। বিজেপিৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে ৰাষ্ট্ৰীয় একতা আৰু সম্প্ৰীতিৰ বাবে বৰ্তমান ভাৰতত কেৱল এটা ৰাজনৈতিক দলেই সেৱা কৰি আহিছে আৰু সেই দলটো ভাৰতীয় জনতা পাৰ্টী। যদিহে কোনো লোকে দেশৰ স্বাৰ্থত সহযোগ কৰিব খুজিছে আৰু দেশবাসীক আন্তৰিকতাৰে সেৱা কৰিব খুজিছে তেনেহ'লে বিজেপিৰ বিকল্প নাই। গেৰুৱা দলটোত যোগদান কৰা প্ৰাক্তন কংগ্ৰেছীজনে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো প্ৰশংসা কৰে। বিজেপিৰ বাহিৰে অন্যবোৰ ৰাজনৈতিক দল এতিয়া ৰাষ্ট্ৰীয় দলৰ মৰ্যদা হেৰুৱাই পেলাইছে বুলিও ব্যক্ত কৰে। সেয়েহে অন্যবোৰ দল এতিয়া আঞ্চলিক দলৰ সমপৰ্যায়ৰ বুলিও ব্যক্ত কৰে। এই যোগদান সমাৰোহত কংগ্ৰেছ এৰি বিজেপিলৈ অহা ৰাজস্থানৰ জ্যোতিৰাদিত্য সিন্ধিয়া আৰু অন্যান্যসকলেও উপস্থিত থকা দেখা গ'ল। উল্লেখ্য যে জিতিন প্ৰসাদ আৰু অন্যান্য ২৩ জন কংগ্ৰেছীয়ে ছোনিয়া গান্ধীলৈ পত্ৰ লিখি দলৰ নেতৃত্ব সলনিৰ দাবী কৰিছিল। কংগ্ৰেছৰ নেতৃত্বই এই ২৩ জনক ক্ৰমান্বয়ে একাষৰীয়া কৰিবলৈ আৰম্ভ কৰিছিল। ইয়াৰ মাজতে জিতিন প্ৰসাদে কংগ্ৰেছ দলটো সম্পূৰ্ণকৈ ত্যাগ কৰি তিনিটা প্ৰজন্মৰ সৈতে থকা সম্পৰ্ক ছিন্ন কৰা বুলিও ব্যক্ত কৰিছে। জিতিন প্ৰসাদৰ কংগ্ৰেছ ত্যাগে এতিয়া অন্যান্য বিসম্বাদী কংগ্ৰেছ নেতৃত্বৰ প্ৰতিও সন্দেহৰ আঙুলি উঠাইছে বিভিন্ন মহলে।



# পতঞ্জলিৰ কৰ'নীলৰ বিক্ৰী বাৰণ নেপালত ঃ ৰামদেৱৰ হাহাকাৰ

**কাঠমাণ্ডু, ৯ জুন ঃ** ভাৰতৰ পতঞ্জলি প্ৰতিষ্ঠানে উৎপাদন কৰা কৰ'নীল নামৰ কৰ'না ভাইৰাছ প্ৰতিৰোধী বুলি দাবী কৰা আয়ুৰ্বেদিক ঔষধৰ বিক্ৰী আৰু বিতৰণত নিষেধাজ্ঞা আৰোপ কৰিছে নেপাল চৰকাৰে। এই বিষয়টোক লৈ সংকটত পৰিছে পতঞ্জলিৰ স্বত্বাধিকাৰী বাবা ৰামদেৱ। প্ৰাপ্ত তথ্য মতে নেপাল চৰকাৰৰ আয়ুৰ্বেদিক আৰু বিকল্প মেডিচিন বিভাগে কয় যে কৰ'নীল নামৰ যি আয়ুৰ্বেদিক ঔষধ নেপাললৈ প্ৰেৰণ কৰা হৈছে সেই ঔষধৰ দ্বাৰা ক'ভিড ১৯ ভাইৰাছ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা আছে নে নাই বৰ্তমানলৈ প্ৰমাণিত হোৱা নাই। কিয়নো ভাৰতৰ বিভিন্ন সংবাদ মাধ্যমত কৰ'নীলৰ বিষয়ত বিপৰীতমুখী সংবাদ প্ৰচাৰিত হৈছে আৰু এইক্ষেত্ৰত পতঞ্জলি কৰ্তৃপক্ষ নীৰৱ হৈ আছে। সেয়েহে নেপাল চৰকাৰে পতঞ্জলি প্ৰতিষ্ঠানে প্ৰেৰণ কৰা কৰ'নীলৰ বিতৰণ আৰু প্ৰয়োগত নিষেধাজ্ঞা আৰোপ কৰিছে। অৱশ্যে দেশখনৰ চৰকাৰে আনুষ্ঠানিকভাৱে কোনো নিৰ্দেশনা জাৰি কৰা হোৱা নাই বুলি কোৱা হৈছে। তথাপি স্বাস্থ্য বিভাগে ভাৰতৰ পৰা প্ৰেৰণ কৰা পতঞ্জলি সম্পৰ্কত সন্দেহ পোষণ কৰিছে আৰু কৰ'নীল নেপালবাসীৰ বাবে ব্যৱহাৰৰ অনুমতি প্ৰদান কৰিবলৈ সন্মতি প্ৰকাশ কৰা নাই।






# চুৰি নহয়, ডেগাৰেৰে কাটিলে জন্মদিনৰ কেক

## চেন্নাইত আৰক্ষীৰ জালত পৰিল ছয় যুৱক

**চেন্নাই, ৯ জুন ঃ** চেন্নাই চহৰত এদল যুৱকে জন্মদিন উদযাপনৰ নামত বিকৃত পদ্ধতিৰে আনন্দ উদযাপন কৰিছিল। সাধাৰণতে জন্মদিনৰ কেক আদি সৰু কটাৰী বা চুৰি আদিৰে খণ্ডিত কৰা হয়। কিন্তু এইসকল যুৱকে জন্মদিনৰ কেক এখন দীঘল আৰু ধাৰাল ডেগাৰেৰে জপিয়াই জপিয়াই কাটিছিল। কেৱল ইমানেই নহয় বিকৃতভাৱে জন্মদিনৰ কেক কটাৰ এই পদ্ধতি ভিডিঅ' ৰেকৰ্ডিং কৰিছিল আৰু সামাজিক মাধ্যমত আপলোড কৰিছিল। অতিশয় উশৃংখল আৰু বিকৃতভাৱে চিঞঁৰবাখৰ কৰি উদযাপন কৰা জন্মদিনৰ ভিডিঅ' মুহূৰ্ততে ভাইৰেল হৈ পৰিছিল। যাৰ বাবে ৰাজ্যখনত সৃষ্টি হৈছিল ব্যাপক প্ৰতিক্ৰিয়াৰ। সুনীল নামৰ এজন যুৱকে চেন্নাইৰ কান্নাগী নগৰত থকা হাউচিং বোৰ্ডৰ এটা আৱাসত এই জন্মদিৱস উদযাপন কৰিছিল। তেওঁৰ সৈতে আছিল নবীন কুমাৰ, অপু, দীনেশ, ৰাজেশ আৰু কাৰ্তিক নামৰ যুৱককেইজন। আটাইকেইজনৰে বয়স ১৮-১৯ বৰ্ষৰ ভিতৰত। এই ভয়ানক পদ্ধতিৰে জন্মদিন উদযাপন কৰাৰ বিষয়টো কান্নাগী নগৰ আৰক্ষীৰ দৃষ্টিগোচৰ হয়। লগে লগে ভিডিঅ'টোৰ অনুসন্ধান কৰি যুৱকৰ দলটো চিনাক্ত কৰিবলৈ সক্ষম হয়। পিছত আটাইকেইজন যুৱককে গ্ৰেপ্তাৰ কৰে। ইয়াৰ পূৰ্বেও চহৰখনত এহাল দম্পতিয়ে এনেধৰণে জন্মদিনৰ কেক কাটিছিল আৰু সামাজিক মাধ্যমত এই ভিডিঅ' ভাইৰেল কৰিছিল। চলিত বৰ্ষৰ জানুৱাৰী মাহতো অভিনেতা বিজয় সেতুপথিয়ে একেধৰণৰ পদ্ধতি ব্যৱহাৰ কৰি এখন দীঘল তৰোৱালৰ দ্বাৰা জন্মদিনৰ কেক কাটিছিল। পিছত অৱশ্যে ৰাইজৰ ব্যাপক সমালোচনাৰ বাবে ৰাজহুৱাভাৱে ক্ষমা বিচাৰিব লগা হৈছিল অভিনেতাজনে। কি কাৰণত একাংশই জন্মদিনৰ কেক এনেদৰে বিকৃত পদ্ধতিৰে আৰু দীঘল তৰোৱালৰ দ্বাৰা কাটিবলৈ লৈছে তাক লৈ এতিয়া চিন্তিত হৈছে সচেতন মহল।



# দিল্লী আৰক্ষীৰ কব্জাত চীনৰ প্ৰৱঞ্চকৰ দল লুটিলে ডেৰশ কোটিতকৈ অধিক টকা

**নতুন দিল্লী, ৯ জুন ঃ** দিল্লী আৰক্ষীৰ ক্ৰাইম ব্ৰাঞ্চৰ জালত পৰিল ভাৰতত থিতাপি লৈ প্ৰৱঞ্চনাৰে ধন সৰকাই থকা ১১ জনকৈ চীনৰ নাগৰিক। এই দলটোৱে বিভিন্ন এপ' প্ৰস্তুত কৰি ভাৰতীয় নাগৰিকৰ তথ্য সংগ্ৰহ কৰে আৰু পিছত তেওঁলোকৰ বেংকৰ পৰা জমা ধন কৌশলেৰে সৰকাই নিয়ে। এনেকৈয়ে পাঁচ লক্ষাধিক ভাৰতীয় নাগৰিকৰ পৰা চীনৰ এই প্ৰৱঞ্চকৰ দলটোৱে ডেৰশ কোটিতকৈ অধিক টকা সৰকাই নিয়া বুলি প্ৰকাশ পাইছে। অৱশ্যে এতিয়াও জেৰা চলি আছে আৰু লুণ্ঠিত ধনৰ পৰিমাণ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। প্ৰণিধানযোগ্য এয়ে যে চীনৰ এই দলটোৱে পাৱাৰবেংক, ছানফেক্টৰী, ইজিপ্লেন ইত্যাদি বিভিন্ন এপ'ৰ জৰিয়তে ভাৰতীয় নাগৰিকসকৰ ব্যক্তিগত তথ্যসমূহ আহৰণ কৰে। দিল্লী আৰক্ষীৰ ছাইবাৰ কোষৰ উপ আয়ুক্ত এনিয়াছ ৰয়ে সংবাদ মাধ্যমৰ আগত কয় যে এই দলটোৱে এনেদৰে কৌশলেৰে সৰকাই নিয়া ব্যক্তিগত তথ্যপাতিৰ জৰিয়তে সংশ্লিষ্ট লোকসকলৰ বেংকৰ একাউণ্টৰ সৈতে সংযোগ স্থাপন কৰাৰ প্ৰচেষ্টা চলায়। কেতিয়াবা এনে প্ৰচেষ্টাত সফল হয় আৰু তেতিয়াই অতি কৌশলেৰে বেংকৰ জমা ধন সৰকাই নিবলৈ সক্ষম হয়। এই লোকসকলে প্ৰতিশ্ৰুতি দিয়ে যে তেওঁলোকৰ এপ'ৰ জৰিয়তে যদিহে কোনোবাই বিনিয়োগ কৰে তেনেহ'লে উচ্চ নিৰিখত এই ধন আৰু লাভাংশ ঘূৰাই পাব। এই দলটোত দুজনকৈ ছাৰ্টাৰ্ড একাউণটেণ্ট আছে আৰু তেওঁলোকে সহজেই বিনিয়োগ কৰিব খোজা লোকসকলক বিভিন্ন লাভাংশ, কৰ ৰেহাই আদি বিষয়বোৰ পতিয়নযোগ্যভাৱে উপস্থাপন কৰে। এনেকৈয়ে এই লোকসকলৰ সংস্পৰ্শলৈ অহাৰ পিছত বিনিয়োগকাৰীসকলৰ বেংকৰ ব্যক্তিগত তথ্য, একাউণ্ট নম্বৰ, একাউণ্টৰ সৈতে সংলগ্ন ফোন নাম্বাৰ, পেন নাম্বাৰ, ই-মেইল আদি আহৰণ কৰে আৰু পিছত এইসমূহ হেকিং কৰি প্ৰকৃত গৰাকীয়ে গম নোপোৱাকৈয়ে ধন সৰকাই নিয়ে নিৰ্বিঘ্নে। অভিযানৰ সময়ত আৰক্ষীয়ে প্ৰৱঞ্চকৰ দলটোৰ পৰা আহৰণ কৰা অৰ্থাৎ এই দলটোৱে বেলেগ একাউণ্টত জমা ৰখা ৯৭ কোটি আৰু ১১ কোটিৰ সমুদায় ছীল কৰিবলৈ সক্ষম হৈছে। এই দলটোৰ সৈতে থকা অন্যান্য কোন কোন জৰিত আছে, বেংকৰ বিষয়া-কৰ্মচাৰী জৰিত আছে নেকি ইত্যাদি বিষয়বোৰ উদ্ধাৰৰ বাবে দিল্লী আৰক্ষীয়ে প্ৰচেষ্টা চলাই আছে।





*উত্তৰ-পশ্চিম পাকিস্তানৰ পেছোৱাৰত একাংশ প্লাম খেতিয়কে ফল সংগ্ৰহ কৰাৰ দৃশ্য*

## বিএনআই ব্ৰহ্মপুত্ৰৰ উদ্যোগত ‘বেপাৰ সঞ্চাৰক’

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** নিজৰ নিজৰ ব্যৱসায়ৰ মাজত বিনিময় প্ৰথাৰে ব্যৱসায়ত সহায় কৰাই হৈছে বিএনআই ব্ৰহ্মপুত্ৰৰ মূল লক্ষ্য আৰু উদ্দেশ্য। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ধাৰণাৰে গঠন কৰা ব্যৱসায় নেটৱৰ্কিং সংগঠন বিএনআই গুৱাহাটীয়ে ২০১৮ চনত গুৱাহাটীত জন্মলাভ কৰে। সামাজিক মাধ্যমত অনলাইন প্ৰচাৰৰ জৰিয়তে ব্যৱসায় বৃদ্ধি কৰাৰ লক্ষ্যৰে এক পদক্ষেপ গ্ৰহণ কৰা হৈছে বেপাৰ সঞ্চাৰক। সামাজিক মাধ্যমৰ জৰিয়তে ব্যৱসায়ীসকলক উদ্‌গণি জনোৱাৰ উদ্দেশ্যে এই কাৰ্যসূচী হাতত হোৱা হৈছে। উক্ত অনলাইন ভাৰ্চুৱেল বৈঠকখন সঞ্চালনা কৰে সভাপতি বিবেক চৌধুৰীয়ে। বৈঠকত অংশগ্ৰহণ কৰে উপ-সভাপতি মুকেশ আগৰৱালা, সম্পাদক-ধন ভৰালী ঈশা আগৰৱালা আৰু হোষ্ট নিলেশ আগৰৱালা। এই বিশাল অনলাইন মুকলি অনুষ্ঠানটো লুধিয়ানাৰ কাৰ্যবাহী সঞ্চালক শিৱানী গুপ্তা, বিএনআই গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক সিদ্ধাৰ্থ গাৰোদিয়া, বিএনআই গুৱাহাটীৰ আনসকলে আকৰ্ষণীয় কৰি তোলে। উল্লেখ্য যে বিএনআই ব্ৰহ্মপুত্ৰৰ গুৱাহাটীৰ ৮০তকৈ অধিক সফল ব্যৱসায়িক মালিক আছে। যিসকলে প্ৰতি বুধবাৰে পুৱা লগ হয় আৰু নেটৱৰ্কিঙৰ জৰিয়তে ৰেফাৰেল আৰু ব্যৱসায়ৰ সহায়ত ইজনে-সিজনক ব্যৱসায় বৃদ্ধি কৰাত সহায় কৰে।



শোণিতপুৰত বিশেষভাৱে সক্ষম ব্যক্তি আৰু পৰিয়ালৰ লোকক ক’ভিড ভেকচিন প্ৰদানৰ দৃশ্য

### বৈঠালাংছত পুনৰ ক’ভিডবিধি ধোঁৱাচাঙত

## জিলা প্ৰশাসন-আৰক্ষী প্ৰশাসনক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন অন্য জিলাৰ ব্যৱসায়ীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ’, ৯ জুন ঃ** পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছত পুনৰ ক’ভিডবিধি ধোঁৱাচাঙত তুলিলে একাংশ ব্যৱসায়ীয়ে। বৈঠালাংছৰ মঙলবৰীয়া সাপ্তাহিক বজাৰত দেখা গ’ল গাতে গা লাগি ব্যৱসায় কৰা একাংশ ব্যৱসায়ীক। পশ্চিম কাৰ্বি আংলং জিলাৰ দুৱাৰমুখস্বৰূপ বৈঠালাংছৰ অন্যতম গুৰুত্বপূৰ্ণ সাপ্তাহিক বজাৰ হিচাপে পৰিগণিত মঙলবৰীয়া সাপ্তাহিক বজাৰত গ্ৰাহক-বিক্ৰেতাৰ লানি নিছিগা ভিৰে সচেতন মহলক ভাবিবলৈ বাধ্য কৰাইছে যে জিলাখনত ক’ভিডবিধি সক্ৰিয় হৈ আছে নে নাই। উক্ত বৈঠালাংছৰ সাপ্তাহিক বজাৰখনলৈ নগাঁও জিলাৰ কচুৱা, কামপুৰ, শিঙিমাৰী, ৰজাগাঁৱৰ পৰা অহা একাংশ ব্যৱসায়ীয়ে ভিৰ কৰাৰ সমান্তৰালকৈ ক’ভিডবিধিৰ মাস্ক আৰু সামাজিক দূৰত্ব অবিহনেই চলাই গৈছে ক্ৰয়-বিক্ৰয়ৰ কাম-কাজ। লক্ষণীয়ভাৱে ৰাজ্যত আন্তঃজিলা যাতায়ত সেৱা বন্ধ হৈ থকাৰ পিছতো কেনেদৰে এইসকল ব্যৱসায়ীয়ে বৈঠালাংছৰ এই সাপ্তাহিক বজাৰখনলৈ আহিবলৈ সক্ষম হ’ল, সিও এক ৰহস্যজনক বিষয় বুলি স্থানীয় সচেতন মহলে প্ৰকাশ কৰিছে। বিশেষকৈ ক’ভিডবিধিৰ বাবে সদা সচেতন হৈ থকা জিলা প্ৰশাসন, জিলা আৰক্ষী প্ৰশাসন আৰু বৈঠালাংছ পৌৰসভাৰ কটকটীয়া ব্যৱস্থাকো বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি বৈঠালাংছস্থিত আন্তঃজিলাৰ সীমা পাৰ হৈ কেনেদৰে এইসকল অন্য জিলাৰ ব্যৱসায়ীয়ে আহিবলৈ সক্ষম হ’ল সিও এক বহুমূলীয়া প্ৰশ্ন হৈ পৰিছে স্থানীয় ৰাইজৰ মনত। উল্লেখযোগ্য যে ৰাজ্যখনৰ ভিতৰতেই পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙত ক’ভিড সংক্ৰমণৰ হাৰ সৰ্বনিম্ন হৈ থকাৰ বাবে জিলা প্ৰশাসনে এই শিথিলতা অৱলম্বন কৰিছেনে নে এইসকল অন্য জিলাৰ ব্যৱসায়ীয়ে মঙলবৰীয়া বজাৰত হাট কৰাৰ বিশেষভাৱে অনুমতি লাভ কৰিছে সিও এক প্ৰশ্নবোধক চিন হৈ পৰিছে বৈঠালাংছ অঞ্চলৰ সচেতন ৰাইজৰ মনত।

### কৰ’নাৰ প্ৰভাৱ ঃ তেজপুৰৰ দুই শতাধিক স্কুল ভানৰ গৰাকী আৰু চালকৰ জীৱনলৈ নামি আহিছে ঘোৰ অমানিশা

# প্ৰচুৰ আৰ্থিক সংকটত স্কুল ভানৰ গৰাকী আৰু চালক

### বেংকৰ ঋণৰ তাগিদাত মানসিকভাৱে ভাগি পৰিছে এইসকল লোক ঃ পত্ৰৰ জৰিয়তে অৱগত কৰালে স্থানীয় বিধায়কক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৯ জুন ঃ** কৰ’না অতিমাৰীয়ে আমাৰ সমাজৰ একাংশ খাটি খোৱা মানুহৰ জীৱনলৈ ঘোৰ অমানিশা কঢ়িয়াই আনিছে। যোৱা বছৰৰ পৰা আৰম্ভ হোৱা কৰ’না অতিমাৰীৰ বাবে আমাৰ সমাজৰে একাংশ লোকৰ জীৱন-জীৱিকালৈ কেনেদৰে ঘোৰ অমানিশা নামি আহিছে সেই কথা এনে ভুক্তভোগী লোকসকলৰ পৰিয়ালেহে নিশ্চয় হৃদয়ংগম কৰিব পাৰিছে। কৰ’নাই সকলো ক্ষেত্ৰতে ব্যাপক প্ৰভাৱ বিস্তাৰ কৰাৰ দৰে তেজপুৰৰ প্ৰায় দুই শতাধিক বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী কঢ়িয়াই নিয়া স্কুল ভানৰ গৰাকী আৰু চালকৰ আৰ্থিক অৱস্থা অতি মহঙা কৰি তুলিছে। তেজপুৰৰ বিভিন্ন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অনা-নিয়া কৰা প্ৰায় দুশ স্কুল ভানৰ গৰাকী আৰু চালকৰ অৱস্থা পানীত হাঁহ নচৰা কৰি তোলাৰ পিছত মঙলবাৰে তাৰে একাংশ ওলাই আহিল তেজপুৰৰ বিধায়কৰ লগতে সাংবাদিকৰ সন্মুখলৈ। যোৱা বছৰৰ পৰা বৰ্তমান সময়লৈকে প্ৰায় ডেৰ বছৰ ধৰি বিদ্যালয়সমূহ বন্ধ থকাৰ বাবে এই স্কুল ভানৰ গৰাকী আৰু চালকসকলে কেনে দুৰ্বিসহ জীৱন-যাপন কৰিছে সেই কথা এখন কৰুণ পত্ৰৰ জৰিয়তে অৱগত কৰালে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাক। যোৱা বছৰৰ পৰা বৰ্তমানৰ সময়লৈকে তেওঁলোকে নিজৰ গাড়ীখন ঘৰতে ৰাখি ভাল দিন আহিব বুলি অপেক্ষা কৰি কৰি পেটত গামোচা বান্ধিবলগীয়া হোৱা অৱস্থাৰ বৰ্ণনা কৰি বিধায়কগৰাকীক প্ৰদান কৰা পত্ৰখন লাভ কৰি নতুনকৈ বিধায়ক হিচাপে নিৰ্বাচিত হোৱা বিধায়কগৰাকীও ভীষণ বেদনাৰ সন্মুখীন হয়। এইক্ষেত্ৰত বিধায়কগৰাকীয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰে, তাৰ বাবে চৰকাৰৰ লগত আলোচনা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি এই পত্ৰখন শোণিতপুৰৰ উপায়ুক্তৰ হাতত দাখিল কৰাৰ কথা এই স্কুল ভানৰ গৰাকী আৰু চালকসকলক অৱগত কৰায়। উল্লেখ্য যে একমাত্ৰ স্কুল ভানৰ জৰিয়তে লাভ কৰা ধনৰাশিৰেই পৰিয়াল পোহপাল দি অহা এনে ভানৰ গৰাকী আৰু চালকসকল প্ৰচণ্ড আৰ্থিক সংকটত পৰাৰ সমান্তৰালভাৱে বেংকৰ পৰা ঋণ লৈ গাড়ীসমূহ ক্ৰয় কৰাৰ বাবে ঋণৰ ধন পৰিশোধ কৰিবলৈ বেংকৰ পৰা বাৰম্বাৰ তাগিদা লাভ কৰি মানসিকভাৱে ভাঙি পৰাৰ কথাটোও সকলোৰে সাংবাদিকৰ আগত সদৰী কৰি তেওঁলোকৰ পৰিয়াল চলাবলৈ সৃষ্টি হোৱা সমস্যা কেনেদৰে দূৰ হ’ব তাক লৈ সন্দিহান হৈ পৰিছে বুলি জানিবলৈ দিয়ে। চৰকাৰে শিল্পী বা অনান্য কেতবোৰ লোকক এই সময়ছোৱাত আৰ্থিক সকাহ প্ৰদান কৰাৰ দৰে শেহতীয়াকৈ মহিলাসকলৰ মাইক্ৰ’ ফাইনেন্সৰ ঋণৰ পৰা ৰেহাই দিয়াৰ কথা ঘোষণা কৰাৰ দৰে এনে স্কুল ভানৰ গৰাকী আৰু চালকসকলকো কিঞ্চিত সকাহ দিবলৈ চৰকাৰৰ প্ৰতি এই লোকসকলে কৰযোৰে প্ৰাৰ্থনা জনাইছে। তেওঁলোকে কয়— নিৰ্বাচনৰ সময়ত এইসকল স্কুল ভানৰ গৰাকী আৰু চালকে নিৰ্বাচন পৰিচালনাৰ ক্ষেত্ৰত সৰ্বাত্মকভাৱে সহযোগিতা আগবঢ়াই আহিছে। সেয়েহে এতিয়া তেওঁলোকৰ পৰিয়ালৰ এই বিপদৰ সময়ত চৰকাৰে কিঞ্চিত সঁহাৰি জনোৱাৰ প্ৰয়োজন বুলি মন্তব্য কৰে।

## টিহুত মৰাপাগলদিয়া নদীৰ ছিগিল মথাউৰি

### প্লাৱিত বিস্তীৰ্ণ কৃষিভূমি

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ৯ জুন ঃ** বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত টিহু মহকুমাৰ মাজেৰে যোৱা মৰাপাগলদিয়া নদীৰ জলপৃষ্ঠ উফন্দি উঠিছে। তেনে পৰিস্থিতিত মৰাপাগলদিয়া নদীৰ বাঢ়নী পানীয়ে টিহুৰ বালি গাঁৱৰ উদয়পুৰত ওচৰা-ওচৰিকৈ দুঠাইত মথাউৰি ছিঙাৰ ফলত বিস্তীৰ্ণ কৃষিভূমি অঞ্চল প্লাৱিত হয়। ফলস্বৰূপে অঞ্চলটোৰ কৃষিভূমিৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে অঞ্চলটোৰ কৃষিজীৱী লোকসকল শংকিত হোৱাটো পৰিলক্ষিত হৈছে। কৃষিভূমি পানীৰে উপচি পৰাত পশুধনৰ খাদ্য সংকটে দেখা দিয়া পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে কঠীয়া ৰোপণৰ এই সময়ত জলপৃষ্ঠ বৃদ্ধি পাই থাকিলে কৃষকসকল বেছিকৈ সমস্যাৰ সন্মুখীন হ’ব। সেয়েহে বিভাগীয় কৰ্তৃপক্ষলৈ বাট নাচাই স্থানীয় একাংশ সচেতন ৰাইজে ততাতৈয়াকৈ ভগ্ন মথাউৰি মেৰামতিৰ চেষ্টা কৰে যদিও আনটো অংশ এতিয়াও উন্মুক্ত অৱস্থাত আছে। উল্লেখ্য যে টিহু উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৫ নম্বৰ পশ্চিম নামবৰভাগ গাঁও পঞ্চায়তৰ অধীনত উত্তৰ-পূব সীমান্ত ৰে’লপথৰ পৰা বালি উদয়পুৰ হৈ হাৰিভাঙা-কৈঠালকুছি গড়কাপ্তানী পথ সংযোগী মৰাপাগলদিয়া নদীৰ নতুন মথাউৰিটো দহ লক্ষাধিক টকাৰে নিৰ্মাণ কৰা হৈছিল। কিন্তু মথাউৰিটোৰ নিৰ্মাণকাৰ্য অতি নিম্নমানৰ হোৱা বুলি ৰাইজে অভিযোগ কৰে। এইক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষক শীঘ্ৰে কাৰ্যব্যৱস্থা হাতত ল’বলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।

## এলআইচিৰ বঙাইগাঁও সংমণ্ডল আৰু এণ্টৰ তৰফৰ পৰা চিৰাং জিলা প্ৰশাসনক জীৱন সুৰক্ষাদায়িনী সামগ্ৰী প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৯ জুন ঃ** চিৰাং জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সোমবাৰে অনুষ্ঠিত এক অনুষ্ঠানত ভাৰতীয় জীৱন বীমা নিগমৰ বঙাইগাঁও সংমণ্ডল আৰু কুকুৰমাৰীত থকা দ্য এণ্ট নামৰ এনজিঅ’টোৰ তৰফৰ পৰা চিৰাং জিলা প্ৰশাসনক জীৱন সুৰক্ষাদায়িনী সামগ্ৰী প্ৰদান কৰে। অনুষ্ঠানত এল আই চিৰ ফালৰ পৰা ১৫০টা পিপিই কীট আৰু ৭৫০টা এন-৯৫ মাস্ক আৰু দ্য এণ্টৰ ফালৰ পৰা ১০টা অক্সিজেন কনচেনট্ৰেটৰ জিলাখনৰ ক’ভিড যোদ্ধাসকলক প্ৰদান কৰাৰ উদ্দেশ্যে চিৰাং জিলা প্ৰশাসনৰ হাতত অৰ্পণ কৰে। জিলা প্ৰশাসনৰ হৈ সামগ্ৰীসমূহ গ্ৰহণ কৰে চিৰাং জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু অতিৰিক্ত উপায়ুক্ত অজিত কুমাৰ শৰ্মাই। সামগ্ৰীসমূহ জিলা প্ৰশাসনৰ হাতত অৰ্পণ কৰাৰ বাবে জিলা উপায়ুক্তই নিজৰ ভাষণত ভাৰতীয় জীৱন বীমা নিগম আৰু দ্য এণ্টৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰি কয় যে এই সামগ্ৰীসমূহে জিলাখনত ক’ভিড যোদ্ধাসকলক ক’ভিড-১৯ৰ বিৰুদ্ধে যুঁজ দিয়াত সহায় কৰিব। লগতে জিলাখনত থকা বাকী এনজিঅ’সমূহকো ক’ভিডৰ বিৰুদ্ধে চলি থকা এই যুঁজৰ সময়ত সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনায়। উল্লেখ্য যে জিলাখনত যোৱা ১ এপ্ৰিলৰ পৰা এতিয়ালৈ ক’ভিডত আক্ৰান্তৰ হাৰ ৩.০২% আৰু যোৱা দেওবাৰে ১.৪৯% হোৱা বুলিও উল্লেখ কৰি তেওঁ জিলাখনত ক’ভিড-১৯ৰ পৰিস্থিতি নিয়ন্ত্ৰণত আছে বুলি প্ৰকাশ কৰে। সামগ্ৰী প্ৰদান অনুষ্ঠানত এলআইচিৰ বঙাইগাঁও সংমণ্ডলৰ জ্যেষ্ঠ সংমণ্ডল প্ৰবন্ধক টি এন ভূটীয়া, বজাৰ প্ৰবন্ধক এছ কে শ্বাহ, শাখা প্ৰবন্ধক প্ৰবাস চক্ৰৱৰ্তী, দ্য এণ্টৰ কাৰ্যবাহী সঞ্চালিকা প্ৰণামী গাৰ্গ, চিৰাং জিলা প্ৰশাসনৰ নিৰ্বাচনী বিষয়া পাৰ্থপ্ৰতীম বৰুৱা, সহকাৰী আয়ুক্তসকল ক্ৰমে কুশল ডেকা, প্ৰতীক্ষা দত্ত, ৰাখিশ্ৰী লেখাৰু, চিৰাং জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ৰাতুল বৰদলৈ, জনসংযোগ বিষয়া গগণ নাৰ্জাৰী আদি উপস্থিত আছিল।

## ননৈ নদীৰ কবলত টংলাৰ ডলাগ্ৰেঙ্গু গাঁও

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৯ জুন ঃ** ওদালগুৰি জিলাৰ ৬৫ নং কলাইগাঁও বিধানসভা সমষ্টিৰ ভূএগ্ৰাখাট ভিচিডিচিৰ অন্তৰ্গত ডলাগ্ৰেঙ্গু গাঁৱৰ কেইবাটাও পৰিয়াল ননৈ নদীৰ কবলত বিধ্বস্ত হোৱাৰ উপক্ৰম হৈছে। দিনক দিনে বৃদ্ধি হৈ অহা গৰাখহনীয়াই প্ৰতিবছৰে গাঁওখনলৈ ক্ৰমান্বয়ে মাতি আনিছে কাল অমানিশা। এনেকৈ বছৰে বছৰে ননৈ নদীৰ খহনীয়াই ডলাগ্ৰেঙ্গু গাঁৱৰ প্ৰায় পৰিয়ালৰে ঘৰ-দুৱাৰ, মাটি-বাৰী ভাঙি লৈ গৈ আছে। অতি দুখৰ বিষয় ইমানদিনে ডলাগ্ৰেঙ্গু গাঁৱৰ এই দুৰৱস্থা বাৰম্বাৰ জনপ্ৰতিনিধিয়ে প্ৰত্যক্ষ কৰাৰ পিছতো কোনো ব্যৱস্থা হাতত লোৱা নাই। স্থানীয় লোকৰ অভিযোগ আজিলৈকে কোনো জনপ্ৰতিনিধিয়ে গাঁওখনৰ এই দুৰৱস্থাক লৈ মাত মাতি অহা নাই। নিৰ্বাচনৰ আগমুহূৰ্তত প্ৰাৰ্থীসকলে দিয়া বৰ বৰ ভাষণ বাৰম্বাৰ শুনি অহাৰ কথা প্ৰকাশ কৰিছে গাঁওবাসীয়ে।



সৰুসজাইত ৩০০ খন বিছনাযুক্ত ক’ভিড কেয়াৰ চিকিৎসালয় নিৰ্মাণত ব্যস্ত একাংশ কৰ্মী

## সৰ্প দংশনৰ চিকিৎসাৰ বাবে সকলো চিকিৎসকক আগ্ৰহী হ’বলৈ আহ্বান ডাঃ সুৰজিত গিৰিৰ

### ভুল চিকিৎসা গ্ৰহণ, পলমকৈ চিকিৎসকৰ কাষ চপা, গ্ৰাম্য চিকিৎসালয়ত আই চি ইউ, এণ্টিভনমৰ অভাৱ আদি সৰ্প দংশন চিকিৎসাৰ প্ৰত্যাহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ৯ জুন ঃ** ডিমৌ আদৰ্শ চিকিৎসালয়ৰ সংজ্ঞাহাৰক বিশেষজ্ঞ তথা বিষাক্ত সাপে দংশন কৰা অলেখ ব্যক্তিক নৱজীৱন দিবলৈ সক্ষম হোৱা ডাঃ সুৰজিত গিৰিয়ে সকলো বিভাগৰ চিকিৎসকক সৰ্প দংশনৰ চিকিৎসা প্ৰদান কৰিবলৈ আহ্বান জনাইছে। শিৱসাগৰ জিলাখনত সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহা ডাঃ সুৰজিত গিৰিৰ নেতৃত্বতে ডিমৌ আদৰ্শ চিকিৎসালয়খনত সৰ্প দংশনৰ এটা আছুতীয়া কোঠা সাজু কৰি চিকিৎসা প্ৰদান কৰি থকা হৈছে। ডিমৌ প্ৰেছ ক্লাবৰ যোগেৰে জনোৱা আহ্বানত ডাঃ গিৰিয়ে কয় সাপে দংশন কৰা ৰোগীক সূক্ষ্ম পৰ্যবেক্ষণ কৰি সাপৰ প্ৰজাতিৰ বিষ অনুধাৱন কৰি বেজী প্ৰদান কৰাটো অতি প্ৰয়োজন। বহু সময়ত বিষাক্ত সাপে দংশন কৰা ব্যক্তিৰ স্বাস্থ্যৰ দ্ৰুত অৱনতিৰ বিপৰীতে গ্ৰাম্য চিকিৎসালয়ত আই চি ইউ আৰু আন সা-সুবিধাৰ অভাৱত বিষত আক্ৰান্ত ব্যক্তিক অন্য চিকিৎসালয়লৈ ৰেফাৰ কৰিবলগীয়া হোৱাত বিপদ নামি আহে। ইফালে চিকিৎসা বিজ্ঞানৰ ভিন্ন বিভাগ অনুসৰি সকলো চিকিৎসকে সৰ্প দংশনৰ বলি হোৱাজনক এণ্টিভনম প্ৰদান কৰাত কিছুক্ষেত্ৰত অনীহা প্ৰকাশ কৰা দেখা যায়। বিষাক্ত সাপে দংশন কৰা ব্যক্তিৰ প্ৰাণ ৰক্ষা কৰিবলৈ প্ৰতিষেধকৰ তাৎক্ষণিক আৱশ্যকতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি কেৱল বিশেষজ্ঞ চিকিৎসকেই নহয় সকলো চিকিৎসকে সৰ্প দংশনৰ চিকিৎসাৰ প্ৰতি আগ্ৰহী হ’বলৈ ডাঃ সুৰজিত গিৰিয়ে অনুৰোধ জনাইছে। ডাঃ গিৰিৰ পৰা লাভ কৰা তথ্য মতে ডিমৌ আদৰ্শ চিকিৎসালয়তে এতিয়ালৈকে ৬২৪ জন সৰ্প দংশনৰ বলি হোৱা ব্যক্তিক প্ৰদান কৰা হৈছে চিকিৎসা। চলিত মাহতে বিষাক্ত সাপে দংশন কৰা দুজনক চিকিৎসালয়খনত চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তোলা হৈছে। বিষাক্ত সাপে দংশনৰ ফলত ভুল চিকিৎসা, পলমকৈ চিকিৎসকৰ কাষ চপা আৰু গ্ৰাম্য প্ৰধান অঞ্চলৰ চিকিৎসালয়ত আই চি ইউ তথা অত্যাধুনিক সুবিধা, এণ্টিভনমৰ অভাৱ আদি সৰ্প দংশনৰ চিকিৎসাৰ প্ৰত্যাহ্বান বুলি ডাঃ সুৰজিত গিৰিয়ে অভিহিত কৰিছে।

## ধুবুৰী সৎসংগ কেন্দ্ৰত দুখীয়া ৰাইজৰ মাজত ছেনিটাইজাৰ, মাস্ক বিতৰণৰ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৯ জুন ঃ** ধুবুৰীত সৎসংগ কেন্দ্ৰত মঙলবাৰে বাবাইদাৰ ৫৪তম্ জন্ম দিৱস উপলক্ষে সৎসংগ মন্দিৰ কমিটীৰ পৰা এক সেৱামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। পুৱা ৮ বজাত সম্পূৰ্ণ ক’ভিড প্ৰট’কল আৰু সামাজিক দূৰত্ব মানি মন্দিৰ কমিটীৰ তৰফৰ পৰা দুখীয়া ৰাইজৰ মাজত মাস্ক, ছেনিটাইজাৰ, বিস্কুট বিতৰণ কৰা হয়। ক’ভিডৰ বাবে এইবাৰ জন্মোৎসৱত ভক্তৰ ভিৰ যথেষ্ট কম হয়।

## গোসাঁইগাঁও বিদ্যুৎ বিভাগৰ বিৰুদ্ধে ৰাইজৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৯ জুন ঃ** যি সময়ত গোটেই ৰাজ্যজুৰি ১২বজাৰ পিছত সান্ধ্য আইন জাৰি কৰা হৈছে, সেই সময়ত বিদ্যুৎ বিভাগে কিছুমান নিৰ্দ্দেশ জাৰি কৰিছে যে যিবোৰ লোকে বিদ্যুতৰ বিল দিয়া নাই সেইবোৰ লোকৰ গাঁৱৰ বিদ্যুৎ সংযোগ কাটি দিব লাগে, কিন্তু সৰ্বসাধাৰণ ৰাইজৰ অভিযোগ যিবোৰৰ বিল দিয়া হৈছে, সিহঁতৰ কিয় বিদ্যুৎ কাটি দিব লাগে, সেয়া হ’ল সৰ্বসাধাৰণ ৰাইজৰ দাবী। কিন্তু এখন গাঁৱৰ প্ৰায় সংখ্যক ৰাইজৰ বিল দিয়া হৈছে, তেনেহ’লে কেনেকৈ এখন গাঁৱৰ বিদ্যুৎ কাটি দিব পাৰে এইটো এটা ডাঙৰ প্ৰশ্ন হিতাধিকাৰীৰ। এনে এক ঘটনা সংঘটিত হয় গোসাঁইগাঁও মহকুমাৰ কছুগাঁও থানাৰ অন্তৰ্গত ১নং পাণবাৰী গাঁৱত আৰু এটা কথা যিটো সময়ত সমগ্ৰ ৰাজ্যতে ১২ বজাৰ পিছত সান্ধ্য আইন জাৰি কৰা হৈছে, ঠিক তেনে সময়তে কোনো নিৰ্দ্দেশ নোহোৱাকৈ কেনেকৈ এখন গাঁৱৰ বিদ্যুৎ কাটি দিয়ে। সৰ্বসাধাৰণ ৰাইজৰ গুৰুতৰ অভিযোগ অন্ততঃ সান্ধ্য আইনৰ পিছত চৰকাৰে অলপ সময় দিব লাগে। আমি ধৰিলো বিদ্যুতৰ বিল দিয়া আমাৰ কৰ্তব্য, কিন্তু চৰকাৰে অলপ সময় দিব লাগে নাইবা বিদ্যুৎ কাটি দিয়াৰ আগত আমাক অৱগত কৰাব লাগে এয়া সৰ্বসাধাৰণ ৰাইজৰ অভিযোগ।

## সাহিত্যিক মনোৰমা বৰগোহাঞিৰ বিয়োগত ডিব্ৰুগড় সাহিত্য সভাৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৮ জুন ঃ** অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক, গীতিকাৰ, গল্পকাৰ, শিশু সাহিত্যিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী মনোৰমা বৰগোহাঞিৰ বিয়োগত ডিব্ৰুগড় সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়া আৰু ভাৰপ্ৰাপ্ত সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে এক বিবৃতিত উল্লেখ কৰে যে বিশিষ্ট সাহিত্যিক বৰগোহাঞিয়ে শৈশৱৰে পৰা সাহিত্যৰ পথাৰত ভৰি দি গল্প, কবিতা, প্ৰবন্ধ, শিশু সাহিত্য, সংগীতালেখ্য লিখি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছিল। তিনিচুকীয়া জিলাৰ বৰহাপজানৰ সমীপৰ শুকানগুৰি চাহ বাগিছাত জন্মগ্ৰহণ কৰা বৰগোহাঞিয়ে শুকানগুৰিতে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক শিক্ষা গ্ৰহণ কৰি গুৱাহাটীৰ কটন আৰু ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াৰ দুটা গ্ৰুপত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰাই বি এড ডিগ্ৰী লাভ কৰি ডক্টৰেট ডিগ্ৰী অৰ্জন কৰে। নতুন অসমীয়া কাকতৰ মৌকোঁহ শিতানত ‘আমাৰ বাইদেউ’ নামৰ কবিতা প্ৰকাশ কৰি বৰগোহাঞিয়ে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। বৰগোহাঞিয়ে অসম বাণী, অসম বাতৰি, জনমভূমি, গণতন্ত্ৰ, আমাৰ প্ৰতিনিধি, দীপক, জোনবিৰি, প্ৰান্তিক আদি বিভিন্ন কাকত-আলোচনীত একেধাৰে তেওঁৰ মৌলিক সৃষ্টি প্ৰকাশ কৰিছিল। তেওঁ দহখনতকৈও অধিক গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছিল। বৰগোহাঞিৰ অংকুৰ, মাজত এখন আকাশ কাব্য গ্ৰন্থ। ‘অসমীয়া কবিতাৰ ঐতিহাসিক সমীক্ষা ঃ মহিলা কবিৰ কবিতা’ শীৰ্ষক তেওঁৰ প্ৰবন্ধ সংকলন। মেঘে ঢকা তৰা, অকণিৰ নলিনীবালা দেৱী, ৰ’দ জিলমিল পুৱা আদি তেওঁৰ জনপ্ৰিয় সৃষ্টি। ১৯৭৯চনত তেওঁ ৰ’দালী পাণ্ডুলিপিৰ বাবে বাণী পাঠক সোঁৱৰণী বঁটা লাভ কৰিছিল। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ এগৰাকী স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ মনোৰমা বৰগোহাঞিয়ে স্বৰ্ণলতা হাজৰিকা সোঁৱৰণী বঁটাও লাভ কৰিছিল। দুৰদৰ্শনৰ স’তেও তেওঁ ঘনিষ্ঠভাৱে জড়িত হৈ আছিল। বৰগোহাঞিৰ আকস্মিক বিয়োগত ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰতিজন কৰ্মকৰ্তা, বিষয়ববীয়াই গভীৰ শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

### নাজিৰা পৌৰ কৰ্তৃপক্ষৰ সাংবাদিকৰে কথা-বাৰ্তা

# শতবৰ্ষীয় পৌৰসভাৰ সমস্যা অতিক্ৰম কৰি চকুত লগা কৰ্ম সম্পাদনৰ অৰ্থে চিন্তা-চৰ্চা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৯ জুন ঃ** নাজিৰা পৌৰসভাৰ নিজ চৌহদৰ অনেক অভাৱ-অভিযোগ বৰ্তি থকাৰ মাজতে ৭ জুনত ক’ভিড আচৰণ বিধি অনুকৰণ কৰি কাৰ্যবাহী বিষয়াই নাজিৰাৰ সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলৰ লগত এক আলোচনাত মিলিত হয়। ৰাইজৰ বৃহত্তৰ স্বাৰ্থত আঁচনিৰ ৰূপায়ণ কেনেদৰে সফল কৰি তুলিব পাৰি আৰু নাগৰিক সমাজে কৰদাতা হিচাপে কেনেদৰে গৌৰৱ অনুভৱ কৰিব পাৰে, তাৰ জোখাৰে সাংবাদিকসকলৰ পৰা পৰামৰ্শ বিচাৰে। সংবাদকৰ্মীসকলে পৌৰ প্ৰশাসনৰ কামত অহেতুক ৰাজনৈতিক হস্তক্ষেপ আৰু উন্নয়নৰ আঁচনিক ৰাজনৈতিক তোষামোদৰ বাবে ব্যৱহাৰ কৰি কোনোটো লক্ষ্যকে পূৰ্ণ কৰিব নোৱাৰি, গেঠেলা মৰা কাম কৰাৰ পৰা নাজিৰা পৌৰসভাক বিৰত থকাৰ আহ্বান জনায়। কাৰ্যবাহী বিষয়া তথা নাজিৰাৰ মহকুমা নিৰ্বাচনী বিষয়া সুজাতা গগৈৰ বক্তব্যৰ আঁত ধৰি প্ৰায় ১৫হাজাৰ জনসংখ্যাৰ নাজিৰা পৌৰ এলেকাক ১৯০৯ চনৰ প্ৰতিষ্ঠা কালৰ পৰা শতবৰ্ষ অতিক্ৰমৰ গৌৰৱ থাকিলেও পৌৰসভাখনৰ কোনো প্ৰকল্পমুখী সফলতা নথকাৰ কথাত সাংবাদিকসকলে আক্ষেপ প্ৰকাশ কৰে। কাৰ্যবাহী বিষয়াৰ সন্মুখত সাংবাদিকসকলে দাঙি ধৰা অনুসৰি নগৰৰ ৰাজহুৱা প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰক এক পৰিকল্পনাৰে উপযুক্ত পকীৰে নিৰ্মাণ কৰি একক কৰ্ম-সংস্থাপনেৰে স্থায়ী ৰূপ দিয়া, দিখৌ নদী আৰু নাফুক জানৰ গভীৰতা পৰীক্ষা কৰি পানী নিষ্কাশণৰ নলাসমূহ প্ৰস্তুতিৰ পৰামৰ্শ দিয়ে। প্ৰতি পৰিকল্পনা সম্পূৰ্ণ হোৱাকৈ প্ৰয়োজনত একোটাকৈ খণ্ডৰ বাজেট তৈয়াৰ কৰি কামসমূহ স্বচ্ছতাৰে নাগৰিকৰ চকুত লগাকৈ নিৰ্মাণ কৰাৰ পৰামৰ্শ আগবঢ়ায়। আনহাতে ৰাজনৈতিক প্ৰভাৱপুষ্ট হোৱাৰ বাবেই বহু সময়ত নাজিৰাৰ এটা প্ৰকল্পৰ নামত নিৰ্দ্ধাৰিত ধনৰাশিক সকলো ৱাৰ্ডৰ নাগৰিকৰ চাহিদা থকা বুলি দাবী কৰি ৱাৰ্ড কমিছনাৰে টানি নি কোনো পৰিপূৰ্ণতা প্ৰদৰ্শন কৰিব নোৱৰা দেধাৰ উদাহৰণ থকা বুলি আঙুলিয়াই দি পানী নিষ্কাশণ প্ৰক্ৰিয়াত নদী বা জলাধাৰৰ বুকুৰ পৰা নগৰমুখীভাৱে সম্পূৰ্ণ কৰাত গুৰুত্ব দিয়াৰ পোষকতা কৰে। আনহাতে নগৰৰ মূল পথৰ যান-বাহনৰ নিয়ন্ত্ৰণৰ হেতু নৱনিৰ্মিত জয়খমদাং পথক এতিয়াৰে পৰা পৰিকল্পিত আৰু বেদখলমুক্ত কৰি ৰখাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে সাংবাদিকসকলে। ইয়াৰ বাবে নাজিৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা সক্ৰিয় পৌৰ আইনৰ অধীনত পথটোৰ দীঘ-পুতল নিৰীক্ষণ কৰি পকী খুটাৰে সীমা নিৰ্দ্ধাৰণৰ পৰামৰ্শ দিয়ে সাংবাদিকসকলে। নাজিৰা দৈনিক বজাৰত একাংশ দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ লোকে কাহানিবাই আবন্টন লোৱা দোকান গৃহসমূহৰ মাজত দ্বিতীয় আৰু তৃতীয় ব্যক্তিক প্ৰৱেশ কৰোৱাই শোষণৰ যন্ত্ৰত পৰিণত কৰাৰ প্ৰতি আঙুলিয়াই দিয়া হয়। নাজিৰা নগৰৰ প্ৰাণকেন্দ্ৰত থকা চৰকাৰী সাহায্যপ্ৰাপ্ত চিকিৎসালয়খনৰ মাটিত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীয়ে বেদখল কৰাৰ বিষয়ে সাংবাদিকসকলে আঙুলিয়াই দি শীঘ্ৰে বেদখলমুক্ত কৰি সেই স্থানত নগৰৰ অতি গুৰুত্বপূৰ্ণ ডাকঘৰ, শ্ৰম বিভাগৰ কাৰ্যালয়, বিদ্যালয় উপ-পৰিদৰ্শকৰ কাৰ্যালয়, বাণিজ্য আৰু উদ্যোগ বিভাগৰ কাৰ্যালয়, নিয়োগ বিনিময় কেন্দ্ৰ আদি স্থায়ী চৰকাৰী কাৰ্যালয়ৰ বাবে আবণ্টন ঘটাবলৈ দৃষ্টি আকৰ্ষণ কৰে। ইতিমধ্যে নাজিৰা নগৰৰ মাজ-মজিয়াৰ পৰা চৰকাৰী খাদী আৰু গ্ৰামোদ্যোগ ব’ৰ্ডৰ কাৰ্যালয় তথা খাদী ভাণ্ডাৰ নাজিৰা প্ৰশাসনে ভূমি আবণ্টন দিব নোৱৰাৰ বাবেই চৰকাৰীভাৱে প্ৰতিষ্ঠানটোকে উঠাই নিয়াৰ ঘটনাক লৈ সাংবাদিকসকলে জৰুৰী দৃষ্টি আকৰ্ষণ কৰে। কাৰ্যবাহী বিষয়াগৰাকীয়ে প্ৰতিটো বিষয়ত উপযুক্ত দৃষ্টি ৰাখি কামে-কাজে আগবঢ়াত ৰাইজ আৰু সংবাদসেৱীসকলৰ সহযোগ কামনা কৰে। সম্প্ৰতি নাজিৰা নগৰত কৰ’না মহামাৰীৰ সময়তে যান-বাহনৰ ভিৰে নগৰৰ ৰাজপথত ১কিঃমিঃ দূৰত্ব অতিক্ৰম কৰাত কুৰি মিনিটৰ অধিক সময়ৰ দৰকাৰ হোৱা বুলি কাৰ্যবাহী বিষয়াগৰাকীয়ে উল্লেখ কৰে। এনে পৰিস্থিতত যান-জঁট দূৰ কৰি দুৰ্ঘটনাৰ পৰা মুক্ত ৰখা আৰু ৰাইজৰ সহজ অহা-যোৱাৰ বাবে নাজিৰা মিলন মন্দিৰৰ পৰা নাজিৰা নাট্য মন্দিৰৰ সন্মুখলৈ পথৰ দুয়োপাৰে সকলো প্ৰকাৰৰ যান-বাহন ৰখোৱা নিষিদ্ধ ঘোষণা কৰিছে। যান-বাহনসমূহ ৰাখিবৰ বাবে নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ সন্মুখৰ পৰা নাজিৰা চাৰিআলিলৈকে আৰু নাজিৰা মিলন মন্দিৰৰ সন্মুখৰ পৰা নাজিৰা এম চি ক্লাবৰ সন্মুখলৈকে যান-বাহনসমূহ ৰাখিব পাৰিব বুলি নাজিৰা পৌৰসভাৰ ৭জুনত ঘোষিত এক নিৰ্দেশযোগে জনোৱা হৈছে। এই আইন অমান্য কৰাসকলক থিতাতে জৰিমনা জাৰি কৰিবলৈ আৰক্ষী কৰ্তৃপক্ষক সম্ভম কৰা হৈছে।



ডিব্ৰুগড়ৰ চৌকিডিঙীত সান্ধ্য আইন নিৰীক্ষণ কৰিছে ডিব্ৰুগড় আৰক্ষীয়ে



# ফ্ৰেন্স অপেনৰ মহিলাৰ ছেমিফাইনেলত জিডানছেক-আনাষ্টাছিয়া, বাৰ্বোৰা কৰেজকিক'ভা-মাৰিয়া ছাকাৰি

**পেৰিছ, ৯ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ চাৰিওজনী ছেমিফাইনেলিষ্ট নিৰ্ণয় হৈছে। সেই অনুসৰি ছেমিফাইনেলত তামাৰা জিডানছেকে খেলিব ৰাছিয়াৰ আনাষ্টাছিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাত প্ৰথম খেলুৱৈৰূপে ছেমিফাইনেলত প্ৰৱেশ কৰিছে তামাৰা জিডানছেকে। কোৱাৰ্টাৰ ফাইনেলত তামাৰাই ৭-৫, ৪-৬, ৮-৬ ৰ ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে শ্ল'ভেনিয়াৰ প্ৰথম মহিলাৰূপে ফ্ৰেন্স অপেনৰ একক শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে তামাৰা জিডানছেকে। ইয়াৰপূৰ্বে ৭-৬, ৬-১ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰিছিল তামাৰাই। আনহাতে, যোৱানিশাৰ কোৱাৰ্টাৰ ফাইনেলত ৰাছিয়াৰ আনাষ্টাছিয়াই ৬-৭, ৬-২, ৯-৭ ৰ ব্যৱধানত পৰাস্ত কৰে এলিনা ৰিবাকিনাক। উল্লেখ্য যে পূৰ্বৰ মেচত ছেৰেনা উইলিয়ামছক ৬-৩, ৭-৫ ৰ পোনপটীয়া ব্যৱধানত হৰুৱাইছিল এলিনা ৰিবাকিনাই। ইফালে, মহিলাৰ আন এখন ছেমিফাইনেলত চেক গণৰাজ্যৰ বাৰ্বোৰা কৰেজকিক'ভাই খেলিব গ্ৰীচৰ মাৰিয়া ছাকাৰিৰ বিৰুদ্ধে। উল্লেখ্য যে আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত বাৰ্বোৰাই ৭-৬, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ক'ক' গফেক। উল্লেখ্য যে এলিনা ছ'ভিট'লিনাক ৬-৩, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল বাৰ্বোৰা। আনহাতে, ক'ক' গফে পূৰ্বৰ মেচত ৬-৩, ৬-৩ ৰ ব্যৱধানত জয়ী হৈ অন্তিম আঠত স্থান নিশ্চিত কৰিছিল। আজি হোৱা মহিলাৰ আন এখন কোৱাৰ্টাৰ ফাইনেলত গ্ৰীচৰ মাৰিয়া ছাকাৰিয়ে ৬-৪, ৬-৪ ৰ ব্যৱধানত হৰুৱাই বিগত বৰ্ষৰ চেম্পিয়ন ইগাক। স্মৰ্তব্য যে চতুৰ্থ ৰাউণ্ডৰ মেচত ইগাই ৬-৩, ৬-৪ ৰ ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে মাৰিয়াই ৬-১, ৬-৩ ৰ ব্যৱধানত পৰাস্ত কৰিছিল ছ'ফিয়াক।

# ৩০জুলাইৰ পৰা শ্ৰীলংকান প্ৰিমিয়াৰ লীগ

## ভাৰত-শ্ৰীলংকাৰ সকলো মেচ কলম্বোত

**কলম্বো, ৯ জুন ঃ** ভাৰতীয় ক্ৰিকেট দলৰ আসন্ন শ্ৰীলংকা ভ্ৰমণ অহা ১৩ জুলাইৰ পৰা আৰম্ভ হৈ ২৫ জুলাইত সমাপ্ত হ'ব। উল্লেখ্য যে শ্ৰীলংকাত ভাৰতীয় দলে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচ খেলিব। সূচী অনুসৰি ভাৰতীয় দলে শ্ৰীলংকাৰ বিৰুদ্ধে অহা ১৩, ১৬, ১৮ জুলাইত খেলিব তিনিখন এদিনীয়া। আনহাতে, তিনিখন টি-২০ মেচ খেলিব ২১, ২৩, ২৫ জুলাইত। ইফালে, শ্ৰীলংকা ক্ৰিকেট ব'ৰ্ডে জনোৱা অনুসৰি ভাৰত-শ্ৰীলংকাৰ সকলো মেচ কলম্বোৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ব'ৰ্ডে লগতে জনাই যে অহা ৩০ জুলাইৰ পৰা আৰম্ভ হ'ব শ্ৰীলংকান প্ৰিমিয়াৰ লীগ। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ইংলণ্ড ভ্ৰমণ আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচৰ বাবে ইতিমধ্যে ভাৰতীয় দল ঘোষণা কৰিছে তথা দল সম্প্ৰতি লণ্ডনত আছে। ২০ জনীয়া দলে ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ ল'ব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ'ব নিউজিলেণ্ডৰ। অহা ১৮ জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে পাঁচ খনীয়া টেষ্ট শৃংখলা। অহা চাৰি আগষ্ট ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব ১৪ ছেপ্টেম্বৰত। সেয়ে এটা নতুন দল যাব শ্ৰীলংকালৈ। এই ভ্ৰমণত অ'পেনিং বেটছমেন শিখৰ ধৱনৰ নেতৃত্বত ভাৰতীয় ক্ৰিকেট দল শ্ৰীলংকা ভ্ৰমণলৈ যোৱাৰ চৰ্চা চলি থকাৰ মাজতে অধিনায়কৰূপে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াৰ নামো পোহৰলৈ আহিছে। উল্লেখ্য যে ধৱন বা হাৰ্দিকক টীম ইণ্ডিয়াৰ এদিনীয়া দলৰ নেতৃত্ব দিয়াৰ মুখ্য কাৰণ হ'ল সেইসময়ত ভাৰতীয় দলৰ অধিনায়ক বিৰাট কোহলিৰ লগতে কেবাজনো সদস্য ইংলণ্ড ভ্ৰমণত থাকিব টেষ্ট শৃংখলাৰ বাবে। ইফালে, শ্ৰীলংকা ভ্ৰমণত মুখ্য প্ৰশিক্ষক হ'ব টীম ইণ্ডিয়াৰ প্ৰাক্তন ক্ৰিকেটাৰ তথা বৰ্তমানৰ এন চি এৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়।

### গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ ফ্ৰেন্স অপেন

# পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত জেৰভ-ষ্টেফান'ছ

**পেৰিছ, ৯ জুন ঃ** জাৰ্মানীৰ আলেজান্দ্ৰা জেৰভে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত মুখামুখি হ'ব ষ্টেফান'ছৰ। কোৱাৰ্টাৰ ফাইনেলত জেৰভে ৬-৪, ৬-১, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে স্পেইনৰ ফ'কিনাক। উল্লেখ্য যে পুৰুষৰ একক শাখাত প্ৰথম খেলুৱৈৰূপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল জাৰ্মানীৰ আলেজান্দ্ৰা জেৰভ। চতুৰ্থ ৰাউণ্ডৰ মেচত জেৰভে ৬-৪, ৬-১, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে জাপানৰ তাৰকা নিশ্বিকৰিক। উল্লেখ্য যে তৃতীয় ৰাউণ্ডৰ মেচত জেৰভে ৬-২, ৭-৫, ৬-২ ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈছিল। আনহাতে, দ্বিতীয় ৰাউণ্ডৰ মেচত জেৰভ ৭-৬, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰিছিল। তদুপৰি জেৰভে প্ৰথম ৰাউণ্ডৰ মেচত ৩-৬, ৩-৬, ৬-২, ৬-২, ৬-০ ব্যৱধানত জয়ী অভিযান আৰম্ভ কৰিছিল। এতিয়া ছেমিফাইনেলত জেৰভ মুখামুখি হ'ব ষ্টেফান'ছৰ। উল্লেখ্য যে পুৰুষৰ একক শাখাৰ আনখন কোৱাৰ্টাৰ ফাইনেলত ষ্টেফান'ছে ৬-৩, ৭-৬, ৭-৫ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ডানিলক। উল্লেখ্য যে বিশ্ব টেনিছৰ তাৰকাদ্বয় ৰাফেল নাডাল আৰু ন'ভাক ডক'ভিচ ইতিমধ্যে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে নাডালে ৭-৬, ৬-৩, ৬-০ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে ডক'ভিছে প্ৰথম দুটা ছেটত পৰাস্ত হোৱাৰ পাছতো শক্তিশালী প্ৰত্যাৱৰ্তন কৰি ৬-৭, ৬-৭, ৬-১, ৬-০, ৪-০ ৰ ব্যৱধানত জয়ী হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ক্লে-ক'ৰ্টৰ সম্ৰাট ৰাফেল নাডালে ৬-৩, ৬-৩, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত জয়ী হোৱাৰ লগতে দ্বিতীয় ৰাউণ্ডত নাডাল ৬-২, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈছিল। ইফালে, ন'ভাক ডক'ভিচে ৬-১, ৬-৪, ৬-১ ৰ পোনপটীয়া ব্যৱধানত জয়ী হোৱাৰ লগতে পূৰ্বৰ মেচত ৬-২, ৬-৪, ৬-২ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰিছিল। ছেমিফাইনেলত নাডল-ন'ভাক মুখামুখি হোৱাৰ সম্ভাৱনা আছে।

# মেছিৰ লগত মোক তুলনা কৰাটো ভুল ঃ সুনীল

**নতুন দিল্লী, ৯ জুন ঃ** 'ফুটবল খেল বুজি পোৱা ব্যক্তিয়ে কেতিয়াও মেছিৰ লগত মোৰ তুলনা নকৰে। এয়া বাস্তৱত সমিচিনো নহয়। আমি দুয়ো পৃথক পৃথক স্থিতিত অতুলনীয় বিন্দুত থিয় হৈ থকা ব্যক্তি।' এই মন্তব্য ভাৰতৰ তাৰকা ষ্ট্ৰাইকাৰ সুনীল চেত্ৰীৰ উল্লেখ্য যে চেত্ৰীয়ে বিশ্বৰ সৰ্বাধিক আন্তৰ্জাতিক গ'ল কৰাৰ তালিকাত আৰ্জেণ্টিনাৰ লিয়নেল মেছিক চেৰ পেলাই দ্বিতীয় স্থানত উপনীত হৈছে। ডোহাত চলি থকা ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী খেলত ভাৰতে এখন গুৰুত্বপূৰ্ণ মেচ খেলে বাংলাদেশৰ বিৰুদ্ধে। মেচখনত ভাৰতে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে বাংলাদেশক। ভাৰতৰ এই জয়ৰ নায়ক হ'ল তাৰকা ষ্ট্ৰাইকাৰ সুনীল চেত্ৰী। মেচত দুয়োটা গ'লেই দিয়ে সুনীলে। খেলৰ ৭৯ মিনিটত প্ৰথমটো গ'ল কৰা সুনীলে ইঞ্জুৰী টাইমত দ্বিতীয়টো গ'ল কৰে। উল্লেখ্য যে সুনীলে



গ'ল দুটা কৰি ব্যক্তিগতভাৱেও গৌৰৱ অৰ্জন কৰে। বিশ্বৰ সৰ্বাধিক আন্তৰ্জাতিক গ'ল কৰাৰ তালিকাত দ্বিতীয় স্থানত উপনীত হয় সুনীল। আৰ্জেণ্টিনাৰ লিয়নেল মেছিক চেৰ পেলাই সুনীলে। স্মৰ্তব্য যে সুনীলৰ দেশৰ হৈ খেলি কৰা গ'লৰ সংখ্যা হ'ল ৭৪। ১০৩ টা গ'ল কৰি শীৰ্ষত আছে পৰ্তুগালৰ ক্ৰিষ্টিয়ানো ৰোণাল্ডো। তৃতীয় স্থানত আছে ৭৩ টা গ'ল কৰা আৰৱৰ আলি। আনহাতে, আৰ্জেণ্টিনাৰ মেছিৰ আন্তৰ্জাতিক গ'লৰ সংখ্যা হ'ল ৭২ টা। পঞ্চম স্থানত আছে পোলেণ্ডৰ ৰ'বাৰ্ট লেৱাণ্ডোস্কি (৬৬ টা গ'ল)। উল্লেখ্য যে সুদীৰ্ঘ ২০ বছৰৰ পাছত বিদেশৰ মাটিত খেলা ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত জয়লাভ কৰাৰ সফলতা লাভ কৰে ভাৰতীয় ফুটবল দলে। আনহাতে, যোৱা ছয় বছৰ ধৰি ভাৰতীয় ফুটবল দলে ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত জয়ৰ সফলতা অৰ্জন কৰা নাছিল। অন্তিমবাৰৰ বাবে ভাৰতে বাংগালুৰুত ২০১৫ ত খেলা এখন ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত জয়ৰ সফলতা লাভ কৰিছিল। গুৱামক একমাত্ৰ গ'ল হৰুৱাইছিল ভাৰতে। ভাৰতে অহা ১৫ জুনত আফগানিস্তানৰ বিৰুদ্ধে অন্তিম মেচ খেলিব।

# আজিৰে পৰা ৱেষ্ট ইণ্ডিজ-দক্ষিণ আফ্ৰিকাৰ প্ৰথম টেষ্ট

**ছেইণ্ট লুছিয়া, ৯ জুন ঃ** কাইলৈৰ পৰা আৰম্ভ হ'ব ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই দুখন টেষ্ট আৰু পাঁচখন টি-২০ মেচ খেলিবলৈ ৱেষ্ট ইণ্ডিজ ভ্ৰমণ কৰিছে। প্ৰথম টেষ্ট ১০-১৪ জুনত আৰু দ্বিতীয় টেষ্ট ১৮-২২ জুনত অনুষ্ঠিত হ'ব। আনহাতে, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখন টি-২০ মেচ অহা ২৬ জুনৰ পৰা তিনি জুলাইলৈ অনুষ্ঠিত হ'ব। কেৰিবিয়ান বাহিনীক নেতৃত্ব দিব ক্ৰেইগ ব্ৰেথৱেইটে। আনহাতে, দক্ষিণ আফ্ৰিকাই ডিন এলগাৰৰ নেতৃত্বত খেলিব। ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ প্ৰশিক্ষক ফিল ছিমনছে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টেষ্ট শৃংখলাত সফলতা লাভ কৰা বাবে পেচ বলিঙত গুৰুত্ব দিয়াৰ কথা ইতিমধ্যে ব্যক্ত কৰিছে। আনহাতে, ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা আসন্ন শৃংখলা দক্ষিণ আফ্ৰিকাৰ বাবে প্ৰত্যাহ্বান হ'ব বুলি ব্যক্ত কৰিছে দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলৰ নতুন অধিনায়ক ডিন এলগাৰে। বিশেষকৈ কেৰিবিয়ান ভূমিত টেষ্ট শৃংখলা জয় কৰাটো দক্ষিণ আফ্ৰিকাৰ বাবে সহজ নহয় বুলি কয় দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলৰ নতুন অধিনায়কজনে। ইয়াৰ কাৰণ হিচাপে এলগাৰে কয় যে যোৱা এবছৰ ধৰি দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলে টেষ্ট ক্ৰিকেট খেলাৰ পৰা আঁতৰি আছে। সেয়ে দলক নতুনকৈ সাজু কৰাত সময়ৰ প্ৰয়োজন হ'ব। উল্লেখ্য যে দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলে যোৱা যোল্ল মাহত মাত্ৰ চাৰিখন টেষ্ট মেচহে খেলিছে।

## ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচ

# ব্ৰাজিলৰ জয়, আৰ্জেণ্টিনা-কলম্বিয়া, উৰুগুৱেৰ ড্ৰ'

**ছাও পাওলো, ৯ জুন ঃ** দক্ষিণ আমেৰিকাৰ ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত পাঁচবাৰৰ বিশ্ব চেম্পিয়ন ব্ৰাজিলে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখিছে। আজি হোৱা মেচত ব্ৰাজিলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে পাৰাগুৱেক। দলৰ জয়ৰ নায়ক নেইমাৰ। উল্লেখ্য যে অন্তিম মেচত ব্ৰাজিলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ইকুৱেডৰক। ব্ৰাজিলৰ হৈ গ'ল দুটা দিছিল নেইমাৰ আৰু ৰিছাৰ্লিছনে। উল্লেখ্য যে ব্ৰাজিলেৰ দক্ষিণ আমেৰিকাৰ ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত ক্ৰমাগত ষষ্ঠ জয় অৰ্জন কৰিছে। ছয়খন মেচ খেলা ব্ৰাজিলে অপৰাজেয় হৈ পইণ্ট তালিকাৰ শীৰ্ষত আছে। অপৰাজেয় হৈ আছে আৰ্জেণ্টিনাও। কিন্তু দলে ছখন মেচৰ তিনিখনত জয়ী হোৱাৰ বিপৰীতে তিনিখন ড্ৰ খেলে। যোৱানিশা আৰ্জেণ্টিনাই ২-২ গ'লৰ ব্যৱধানত ড্ৰ খেলে কলম্বিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে আৰ্জেণ্টিনাই অন্তিম মেচত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে চিলিৰ লগত। ইফালে, কলম্বিয়াই অন্তিম মেচত ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পেৰুক। যোৱানিশাৰ অন্য মেচত উৰুগুৱে গ'লশূণ্য ড্ৰ খেলে ভেনিজুৱেলাৰ লগত। উল্লেখ্য যে অন্তিমখন মেচতো গ'লশূণ্য ড্ৰ খেলিছিল উৰুগুৱে আৰু পেৰাগুৱে। আনহাতে, বলিভিয়াই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভেনিজুৱেলাক। আজি চিলিয়ে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে বলিভিয়াৰ স'তে। আনহাতে, পেৰুই ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ইকুৱেডৰক। উল্লেখ্য যে অহা ১৩ জুনৰ পৰা ব্ৰাজিলত আৰম্ভ হ'ব কোপা আমেৰিকা ফুটবল। ব্ৰাজিল আৰু আৰ্জেণ্টিনাৰ অপৰাজেয় সফলতাই প্ৰতিযোগিতাৰ উত্তেজনা আৰু ৰোমাঞ্চ বৃদ্ধি কৰিব।

# আজিৰে পৰা ইংলেণ্ড-নিউজিলেণ্ডৰ ২য় টেষ্ট

## কিৱিক নেতৃত্ব দিব টম লথামে

**বাৰ্মিংহাম, ৯ জুন ঃ** নিউজিলেণ্ড আৰু ইংলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হোৱাৰ পাছত কাইলৈৰ পৰা আৰম্ভ হ'ব দ্বিতীয় টেষ্ট। কিন্তু এই টেষ্টত আঘাতৰ বাবে নেখেলে নিউজিলেণ্ডৰ অধিনায়ক কেন উইলিয়ামছনে। দ্বিতীয় টেষ্টত কিবি বাহিনীক নেতৃত্ব দিব টম লথামে। অৱশ্যে উইলিয়ামছনে ভাৰতৰ বিৰুদ্ধে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত খেলিব। উল্লেখ্য যে নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে ইংলণ্ডৰ বিৰুদ্ধে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লৈছে। লৰ্ডছত হোৱা প্ৰথম টেষ্টত নিউজিলেণ্ডে ইংলণ্ডৰ সন্মুখত ২৭৩ ৰাণৰ বিজয়লক্ষ্য ৰাখিছিল। প্ৰত্যুত্তৰত, অন্তিমদিনা ইংলণ্ডে তিনি উইকেটত ১৭০ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ হয়। দলৰ হৈ ছিবলিয়ে ৬০ ৰাণ আৰু জ'ৰুটে ৪০ ৰাণ কৰে। উল্লেখ্য যে টেষ্টখনত নিউজিলেণ্ডে প্ৰথম ইনিংছত ১০৩ ৰাণৰ অগ্ৰগতি লাভ কৰিছিল। নিউজিলেণ্ডৰ ৩৭৮ ৰাণৰ প্ৰত্যুত্তৰত ২৭৫ ৰাণত প্ৰথম ইনিংছ সামৰে ইংলণ্ডে। ইংলণ্ডৰ হৈ অপেনাৰ বাৰ্ণছে শতক অৰ্জন কৰি ১৩২ ৰাণত অন্তিম বেটছমেন ৰূপে আউট হয়। আনহাতে, জ' ৰুট আৰু ৰবীনছনে ৪২ ৰাণকৈ কৰে। নিউজিলেণ্ডৰ হৈ ছাউথীয়ে ছটা উইকেট লাভ কৰে। ইয়াৰপূৰ্বে ১০৩ ৰাণৰ অগ্ৰগতি লাভ কৰি দ্বিতীয় ইনিংছ আৰম্ভ কৰা নিউজিলেণ্ডে ছয় উইকেটত ১৬৯ ৰাণ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰে আৰু ইংলণ্ডৰ সন্মুখত ২৭৩ ৰাণৰ বিজয়লক্ষ্য দিয়ে। উল্লেখ্য যে নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩৭৮ ৰাণ কৰিছিল। কিবি বাহিনীৰ হৈ দ্বিশতক অৰ্জন কৰে অভিষেক কৰা অপেনাৰ ক'নৱে (২০০)। আনহাতে, নিকলছে ৬১ ৰাণ কৰে। উভয় বেটছমেনৰ বাদে বাকী সকলে বিশেষ অৱদান আগবঢ়াব নোৱাৰিলে। ইংলণ্ডৰ ৰবীনছনে চাৰিটা, মাৰ্ক উদে তিনিটা আৰু এণ্ডাৰছনে দুটা উইকেট পায়।



# প্ৰথম অনলাইন ৰাষ্ট্ৰীয় উশ্বু চেম্পিয়নশ্বিপত অসমৰ ৯ টা পদক অৰ্জন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চাংসাৰি, ৯ জুন ঃ** প্ৰথম ৰাষ্ট্ৰীয় উশ্বু চেম্পিয়নশ্বিপত অসমে ৫টা সোণৰ পদক, ২টা ৰূপ ২ টা ব্ৰঞ্জসহ ৯ টা পদক লাভ কৰে। ৩০ মে'ৰ পৰা ৪ জুনলৈ উশ্বু এছ'চিয়েশ্যন অফ ইণ্ডিয়াৰ অধীনত চণ্ডিগড় বিশ্ববিদ্যালয়ৰ সহযোগত উশ্বু এছ'চিয়েচন পাঞ্জাৱে প্ৰথম অনলাইন চেম্পিয়নশ্বিপৰ সফল আয়োজন কৰে। উশ্বু এছ'চিয়েচন অসমৰ প্ৰচাৰ সম্পাদক গনেশ শীলে জানিবলৈ দিয়া মতে অনলাইন চেম্পিয়নশ্বিপখনৰ উদ্বোধন কৰে চণ্ডিগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰ এছ বাবাই, অনুষ্ঠানত উশ্বু এছ'চিয়েচন অফ ইণ্ডিয়াৰ সভাপতি ভূপেন্দ্ৰ সিংহ বাজুৱাই অংশগ্ৰহণ কৰে। ২৫ খন ৰাজ্য মুঠ ৪০০ খেলুৱৈয়ে অংশ গ্ৰহণ কৰা প্ৰতিযোগিতাখনত অসমৰ আৱহান বৰুৱা ২টা সোণ (চাব জুনিয়ৰ), দানৰিয়ালি কাব্যা প্ৰতিভা ১টা সোণ (চাব জুনিয়ৰ) মনজয় চেট্ৰি ১ টা সোণ (ছিনিয়ৰ), নাবনিতা বড়ো (ছিনিয়ৰ), আয়ান দত্ত ১টা ৰূপ (চাব জুনিয়ৰ ল'ৰা), শ্যামলী ডেকা ১টা ৰূপ (চাব জুনিয়ৰ ছোৱালী), প্ৰাঞ্জল মেধি ১টা ব্ৰঞ্জ (চাব, জুনিয়ৰ), নিবিৰ ৰঞ্জন বৰুৱা ১টা ব্ৰঞ্জৰ (ছিনিয়ৰ) পদক লাভ কৰে।

অসম চৰকাৰ

# কৃতজ্ঞতা

ক'ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| সুভাষ চন্দ্ৰ বিশ্বাস | ২,০০০ টকা |
| উপেন তালুকদাৰ | ১,০০০ টকা |
| নিৰন্ত কুমাৰ পাল | ৩০,০০০ টকা |
| ৰামচৰণ পাঠক | ১,৫০০ টকা |
| অৰবিন্দ অধিকাৰী | ৬,৪০০ টকা |
| বিদ্যুৎ বিকাশ ডেকা | ২৫,০০০ টকা |
| প্ৰদীপ এডভাৰটাইজিং কোম্পানী | ২০,০০০ টকা |
| সুমন্ত সাৰথি দাস | ৫০,০০০ টকা |
| ওমশ্ৰী এছোচিয়েটছ | ৫,০০,০০০ টকা |
| এডভাৰটাইজাৰ্ছ এছোচিয়েশ্বন অব নৰ্থ ইষ্ট | ২,০০,০০০ টকা |
| হিমাংশু শেখৰ বৈশ্য | ৩০,০০০ টকা |
| মাধৱ বৰুৱা | ১৫,০০১ টকা |
| প্ৰডিজী কমিউনিকেশ্বন এণ্ড মাৰ্কেটিং প্ৰাঃলিঃ | ২,০০,০০০ টকা |
| ইমানুৱেল মুছাহাৰী | ৬৫,০০০ টকা |
| ৰাজীৱ লোহিয়া | ৫১,০০১ টকা |
| সংযুক্তা বৰুৱা | ২,০০,০০০ টকা |
| বি.এন. দে' এণ্ড কোঃ | ২,০০,০০০ টকা |
| হালিমা খাতুন | ৫,০০০ টকা |
| ইউ.বি. ফটোজ | ৫০,০০০ টকা |
| নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী যুৱ পৰিষদ | ৫০,০০১ টকা |
| ভনিতা মেধি | ৫,০০০ টকা |
| স্নেহল কাশ্যপ | ২,০০১ টকা |
| চন্দনজ্যোতি ফুকন | ২০,০০০ টকা |
| চৈয়েৱ খান | ৫,০০,০০০ টকা |
| বিজু চৌধুৰী | ১০,০০০ টকা |
| কুলজিৎ দাস | ১০,০০০ টকা |
| অশোক কুমাৰ সিং | ১,০০,০০০ টকা |
| ত্ৰিনয়ন বৰ্মন | ২০,০০০ টকা |
| বৃহত্তৰ ওদালবাক্ৰা সাৰ্বজনীন পূজা কমিটি | ৩০,০০০ টকা |
| হৰভজন সিং | ১১,০০০ টকা |
| ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা মে'মৰিয়েল ট্ৰাষ্ট | ৩০,১০০ টকা |
| এছ.এম.জে. এণ্টাৰপ্ৰাইজ এণ্ড প্ৰিণ্টাৰ্ছ | ১০,০০০ টকা |
| জয়ন্ত ডেকা | ১,০০১ টকা |
| কৰ্ণেল বিজয় সিন্হা | ১০,০০০ টকা |
| বৰুৱা ফাৰটিলাইজাৰ ষ্ট'ৰ | ২,০০,০০০ টকা |
| পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগ | ১৭,০০০ টকা |
| মা কামাখ্যা ট্ৰেডিং | ২,১০০ টকা |
| মা কামাখ্যা অ'টো চেণ্টাৰ | ২০০ টকা |
| দিলীপ কুমাৰ দাস | ২২,০০১ টকা |
| মচলিম আলী | ৫০,০০০ টকা |
| গুৰুদ্বাৰা প্ৰৱন্ধক কমিটি | ৫১,০০০ টকা |
| ৰূপক শৰ্মা | ১,০০,০০০ টকা |
| ৰামলাল দুৰ্গাদত্ত এণ্ড কোঃ | ১,২১,০০০ টকা |
| এছ.ডি. এণ্টাৰপ্ৰাইজ | ৫০,০০০ টকা |
| টাইদাৰ আলী | ৩৬,০০০ টকা |
| নগাঁও জিলা মেডিছিন ডিলাৰ এছোচিয়েশ্বন | ২৫,০০০ টকা |
| শ্বৰিফুল ইছলাম | ২১,০০০ টকা |
| ইন্দ্ৰজিৎ দে'ৰয় | ১৫,০০১ টকা |
| ৰুবুল শৰ্মা | ১০,০০০ টকা |
| অতুল শৰ্মা | ৫,০০০ টকা |
| ধ্ৰুৱজ্যোতি বৰুৱা | ৫,০০০ টকা |
| নাগিৰ খান | ৫,০০০ টকা |
| শ্ৰীশ্ৰী দুৰ্গা মন্দিৰ | ৫,০০০ টকা |
| ৰিটেইল এডভাৰটাইজিং এছোচিয়েশ্বন অব নৰ্থ ইষ্ট, গুৱাহাটী | ১,০০,০০০ টকা |
| নয়নমণি বৈশ্য | ৫০,০০০ টকা |
| শ্যাম এণ্ড চনচ্ | ২,০০,০০০ টকা |
| মাদাৰ টেৰেছা ছ'চিয়েল ওৱেলফাৰ মিছন, কে.কে.এইছ. এচ.অ.ইউ. | ৫,০০,০০০ টকা |

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| দাস ইউটেৰো এণ্টাৰপ্ৰাইজ | ২৫,০০০ টকা |
| ধীৰাজ তুমুং | ২৫,০০০ টকা |
| অনিল ফাংচু | ২৫,০০০ টকা |
| প্ৰণৱ বৈশ্য | ২৫,০০০ টকা |
| কৰুণা কান্ত টেৰণ | ১৫,০০০ টকা |
| চন্দ্ৰধৰ টেৰণ | ১৫,০০০ টকা |
| বি.বি. ইণ্ডাষ্ট্ৰীজ | ১০,০০০ টকা |
| সুমিত আগৰৱাল | ১০,০০০ টকা |
| মেচাৰ্চ ৰুহুল ষ্ট'ন ক্ৰেছাৰ | ১০,০০০ টকা |
| এছ.এছ. ইণ্ডাষ্ট্ৰীজ | ১০,০০০ টকা |
| তনুশ্ৰী ষ্ট'ন ক্ৰেছাৰ | ১০,০০০ টকা |
| তিৱা স্বায়ত্ব-শাসিত পৰিষদ, মৰিগাঁও | ৩,০০,০০০ টকা |
| বলেন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া | ১০,০০০ টকা |
| সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সংস্থা, নগাঁও | ৫১,০০০ টকা |
| নাগৰিক সমবায় বেংক লিঃ | ১,০০,০০০ টকা |
| অমূল্য চন্দ্ৰ | ২,০০০ টকা |
| গৌতম দাস | ১,১১১ টকা |
| গৌতম বৰুৱা | ১০১ টকা |
| নন্দিতা দেৱ | ১০০ টকা |
| বিজয় সিং | ৫০১ টকা |
| দিলীপ কুমাৰ শৰ্মা | ৫১ টকা |
| দিলীপ কুমাৰ নেওঁগ | ১০,০০০ টকা |
| বিজয় কুমাৰ বিহানী | ১০১ টকা |
| জীৱেশ ৰয় | ৫০১ টকা |
| কামাখ্যা সাহা | ২,৫০০ টকা |
| আশীষ কুমাৰ ৰয় | ৫,০০১ টকা |
| ধৰ্মেন্দ্ৰ বৰা | ৫,০০০ টকা |
| শংকুমণি বৰা | ১০১ টকা |
| অজিত কুমাৰ বৰুৱা | ২,০০০ টকা |
| সৰ্বেশ্বৰ শ্বা | ১৫,০০০ টকা |
| মানস প্ৰডাক্ট | ১,০০,০০০ টকা |
| ডম্বৰু দত্ত | ৫,০০১ টকা |
| হিতেশ কুমাৰ কটকী | ৫,০০১ টকা |
| বসন্ত কুমাৰ ফুকন | ২,০০০ টকা |
| কুশল কুমাৰ বৰুৱা | ৩,০০০ টকা |
| দামোদৰ সোণোৱাল | ১০,০০০ টকা |
| অজিত কুমাৰ শৰ্মা | ১,৫০০ টকা |
| ভাস্কৰদ্যুতি সিন | ৩০০ টকা |
| অপূৰ্ব কুমাৰ বৰুৱা | ১,৫০০ টকা |
| ফণীধৰ মালাকাৰ | ৭৭৭ টকা |
| ডিম্বেশ্বৰ কলিতা | ১ টকা |
| বিশ্বপণ চলিহা | ১,০০,০০০ টকা |
| গিৰিন্দ্ৰ নাথ বড়ো | ৫৫১ টকা |
| বুবুল চন্দ্ৰ বৰা | ৫৫০ টকা |
| হেমন্ত শইকীয়া | ১১,১১১ টকা |
| অৰ্জুন জ্যোতি ভূঞা | ১০১ টকা |
| ৰবি প্ৰকাশ শৰ্মা | ১১১ টকা |
| ৰামস্বৰূপ যাদৱ | ১,০০,০০০ টকা |
| মাধৱ চেত্ৰী | ২,৬০০ টকা |
| বিপিন চন্দ্ৰ লহকৰ | ১,০০০ টকা |
| গোস্বামী ইঞ্জিনিয়াৰিং | ৫,০০০ টকা |
| শ্ৰী আগৰৱাল | ৫,০০০ টকা |
| তৈয়ব আলী | ৫,০০০ টকা |
| দেৱপ্ৰিয় দেৱ | ৫০,০০০ টকা |
| দেৱজিৎ দেৱ | ৫০,০০০ টকা |
| দেৱজিৎ শইকীয়া | ১০,০০০ টকা |
| বিমল পাল | ৫,০০০ টকা |
| জয়জ্যোতি পাল | ১,০০০ টকা |
| মঞ্জুৰুল কাদেৰ | ৬০০ টকা |
| ড° গিৰিৰাজ কুশৰে | ৫,০০১ টকা |
| নাইমুদ্দিন চৌধুৰী | ৫০০ টকা |
| ভবেন চন্দ্ৰ ৰাজখোৱা | ২,০০০ টকা |
| প্ৰিয়াংকণা অধিকাৰী | ১,০০০ টকা |
| নিৰদ চক্ৰৱৰ্তী | ৫০১ টকা |
| নাজিমউদ্দিন খান | ৫০১ টকা |
| প্ৰসেনজিৎ সান্যাল | ১,০০১ টকা |
| অৰবিন্দ নেৱাৰ | ৪১ টকা |
| গুৱাহাটী গেছট্ৰএণ্টিআৰলজি | ৫,০০০ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
3596960230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam https://dipr.assam.gov.in/

Janasanyog /D/963/21

## ধাৰাবাহিক কিশোৰ উপন্যাস—

# শৈশৱৰ ৰংবোৰ

(এই উপন্যাসখনৰ মাজেৰে ক'ব বিচৰা হৈছে আশী আৰু নব্বৈ দশকৰ মাজভাগত জন্ম লাভ কৰা এটি কিশোৰ ৰসকান্তৰ শৈশৱ, কৈশোৰৰ বিভিন্ন কাহিনী। ইয়াৰ মাজত সন্ধান পাব আপোনালোকে শৈশৱৰ বহু স্মৃতিৰ...। লগতে ৰসকান্তই জন্মগ্ৰহণ কৰা ঠাইখনৰ এক অলিখিত ইতিহাসো দাঙি ধৰিব বিচৰা হৈছে।)



ৰাজীৱ বৰুৱা

খণ্ড-২

সেইদিনা আছিল দেওবাৰ। স্কুল বন্ধ। গতিকে বিশেষ কাম নাই। সেইয়ে দেউতাক হৰেশ্বৰে পুৱাই ৰসকান্তক এটা কামৰ দায়িত্ব দিলে—

ঃ আজি স্কুল নাই নহয়। এইবেলা গৰুকেইটা অলপ নৈৰ পাৰৰ ফালে চৰায় আনগৈ। ভাটিবেলা এৰাল দিম। দেউতাকৰ আদেশ মানি ভাত কেইটামান খাইয়েই- বেতৰ নালৰ ছাটিটো আৰু নলীয়া এখন কটাৰী লৈ, তিয়নী গামোছাখন ককালত বান্ধি, গৰুকেইটা লৈ ঘৰৰ পৰা ওলাল ৰসকান্ত কিলাকিলিৰ পাৰলৈ। বাটতে সনাতনো আহি লগ লাগিল। বয়সত সনাতন ৰসকান্ততকৈ সৰু যদিও শৈশৱৰ বিভিন্ন কাণ্ড-কাৰখানাত তাক সহযোগ কৰা বিশ্বস্ত লগৰীয়া আছিল সনাতন। ৰসকান্তহঁত গৈ কিলাকিলিৰ পাৰৰ পথাৰ পোৱালৈ চামপৰা, বালিজান আদি গাঁৱৰ পৰা ল'ৰাবোৰে পাল চৰাবলৈ অনা গৰুবোৰে চৰণীয়া পথাৰ নধৰা হৈ আছিল। বৃহৎ গৰু পালটোৰ মাজত ৰসকান্ত আৰু সনাতনৰ গৰুবোৰো মিলি গৈছিল মুকলিকৈ চৰিবলৈ পায়। নৈৰ পাৰত বিশেষ খেতি-পথাৰ নাছিল যদিও ন-মাটি ভাঙি ঘৰৰ তেলকণ যোগাৰৰ বাবে কৰা সৰিয়হ দুদৰামান আছিল একানে। সেইয়ে ৰসকান্ত, সনাতনকে আদি কৰি আটাইবোৰ গৰখীয়া ল'ৰা সৰিয়হ কেইদৰাৰ কাষে কাষে বৈ আছিল এচাৰি লৈ। গৰুবোৰ সৰিয়হৰ কেইদৰাৰ ফালে আহিলেহে উভটাই পঠিয়াব লাগে আৰু গৰু ঘুৰাব লগা নাই।

সময় বঢ়াৰ লগে লগে পুৱাৰ ৰ'দজাক চোকা হৈ আহিছিল। সৰিয়হ কেইদৰালৈ আগমন ঘটিছিল মৌ-মাখি, পখিলা, ভোমোৰাকে আদি কৰি ফুলৰ মৌ চুঁহি খোৱা অনেক বনৰীয়া কীট-পতংগৰ। ইতিমধ্যে ভৰ ফুল ধৰিছিল সৰিয়হ কেইদৰাৰ। মাজে মাজে দুই/এটা গৰু পোৱালীৰ হেম্বলনী আৰু মৌ-মাখি, ভোমোৰাৰ গুণগুণনিয়ে কিলাকিলিৰ পাৰৰ পৰিৱেশটো মায়াময় কৰি তুলিছিল। ৰসকান্তই সৰিয়হ ফুলৰ ইটো পাহিৰ পৰা সিটো পাহিৰ মৌ-চুঁহি ঘূৰি ফুৰা মৌ-মাখিবোৰ খুউব সূক্ষ্মভাৱে প্ৰত্যক্ষ কৰিছিল। ইমান ব্যস্ত যে মৌ-মাখিবোৰ। মৌ-মাখিবোৰে সৰিয়হ ফুলৰ ৰস চুঁহি নি বাৰু কৰে কি? সিহঁতে নি পোৱালিক খোৱাই গৈ, নে নিজেই খাবলৈ জমা কৰেগৈ বাহত? এনেকুৱা অনেক প্ৰশ্ন মাজে মাজে খেলাই ৰসকান্তৰ কিশোৰ মনত। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা ৰসকান্তই কিতাপৰ পাতত মৌ-মাখিৰ বাহ, মৌচাকৰ ছবি দেখিছে। ৰাণী মৌ, কৰ্মী মৌ, সৈনিক মৌ আদি মৌৰ ভাগ থাকে বুলিও শিক্ষকে কোৱা কথা শুনিছে। কিন্তু আজিলৈকে বাস্তৱত মৌ-মাখি'ৰ বাহ দেখা পোৱা নাই। দেউতাকে ঘৰৰ কাৰোবাৰ কাঁহ হ'লে তুলসীৰ পাতৰ ৰসৰ সৈতে মৌ-জোল মিলাই খাবলৈ দিয়া দেখিছে। দুই-তিনিদিন এইদৰে খোৱাৰ পিছত কাঁহ ভাল হোৱাও প্ৰমাণ পাইছে ৰসকান্তই। মৌ-জোলৰ যে যথেষ্ট ঔষধি গুণ আছে সেইয়াও ৰসকান্তই বুজি উঠিছে। দেউতাকে পূৰ্ণিমা বা অমাৱস্যাৰ দুই-এদিন আগত হাবিৰ বনৰীয়া মৌৰ-বাহ পাৰি অনা হালধীয়া ৰঙৰ মৌজোলৰ চিচাৰ বটলবোৰো দেখিছে ৰসকান্তই মাকে বেৰত ওলোমাই থোৱা। ৰ'দ চোকা হৈ অহাৰ লগে সৰিয়হকেইদৰালৈ আৰু হাজাৰ বিজাৰ মৌ-মাখিৰ আগমণ ঘটিছিল। ৰসকান্তৰ এনে লাগিল যেন সি এখন মৌ-মাখিৰ ৰাজ্যতহে বহি আছেহি। সি সনাতনক উদ্দেশ্যি কলে— ঐ ভাই আজি মৌ-মাখিৰ বাহ বিচাৰো ব'ল।

ঃ কোন টুকুৰা হাবিত আছে মৌ বাহ কেনেকৈ বিচাৰি উলিয়াবি? নৈৰ ইপাৰ-সিপাৰ গোটেইখন দেখোন হাবি-লতাই বেৰি আছে। সনাতনৰ উত্তৰ শুনাৰ পিছত ৰসকান্তই কিছু চিন্তা কৰিলে। হয়তো সনাতনে ঠিকেই কৈছে— ইমানখন হাবি-লতাৰ মাজত মৌ-মাখিৰ বাহটো কেনেকৈকেনো বিচাৰি উলিয়াব সিহঁতে। ৰসকান্তৰ চিন্তাত যতি পেলাই সনাতনে কলে— মৌৰ-বাহ বিচাৰি হাবি-লতা মহতিয়াই ফুৰোঁতে যদি বঠা বৰলে কামুৰি নাইকিয়া কৰে চকু-মুখ? আকৌ যদি কেনেবাকৈ আমি গৈ মৌৰ বাহতে গছকি দিয়াৰ বাবে গোটেই বাহ মৌৱে হেঁচা মাৰি ধৰেহি কি গতি হ'ল তেতিয়া?

ঃ ধেই... ভয় পাদুৰাটো। সেইবোৰ একো নহয় আমাৰ। ৰহ। বুদ্ধি এটা মনলৈ আহিছে।

ঃ কি বুদ্ধি মনলৈ আহিল অ' তোৰ? ৰসকান্তই এইবাৰ সনাতনক নিৰ্দেশৰ সুৰত কলে— ঐ তই প্ৰথমে সৰিয়হ ফুলত পৰা মৌ-মাখি দুটামান ধৰি আন মোৰ ওচৰলৈ। পাখি, ঠেঙত দুখ পাবলৈ নিদিবি আকৌ। তাৰ পিছত মোৰ বুদ্ধি খটুৱাই আছোঁ চাবি।

সনাতনে কিছুসময় যুজঁ-বাগৰ কৰি যেনে তেনে দুটা মৌ ধৰি আনি ৰসকান্তৰ ওচৰ পোৱালেহি। ৰসকান্তই কঁকালত বান্ধি যোৱা গামোছাখনৰ আগৰ ফালৰ পৰা ৰঙা আচু সূতা এদাল উলিয়ালে টানি। এহাতমান দীঘলৈ দুডাল সূতা চিঙি লৈ বিশেষ কায়দাৰে মৌ-মাখি দুটাৰ কঁকালত বান্ধি দিলে। তাৰ পিছত লাহেকৈ এৰি দিলে মৌ-মাখি দুটা। ৰসকান্তই সনাতনক ক'লে— তই এটাৰ পিছত গৈ থাক, ৰঙা সূতাদাল লক্ষ্য কৰি সি কেনি কেনি যায়। আৰু মই এটাৰ পিছত যাওঁ। ৰসকান্তৰ কথামতেই ৰঙা সূতাডালক অনুসৰণ কৰি সনাতন আগবাঢ়িল। মৌ-মাখি দুটা গৈ নৈৰ পাৰ নলনিৰ জোপা এটাৰ ভিতৰলৈ সোমাই গ'ল। সনাতন আৰু ৰসকান্তই এইবাৰ সেই নলনিৰ জোপাটো ফালি-চিৰি ভিতৰলৈ জুমা-জুমি কৰিবলৈ ধৰিলে। কিছু সময়ৰ পিছত সনাতনৰ চকুত পৰিল অসংখ্য মৌ-মাখিয়ে বেৰি থকা মৌৰ বাহটো। সনাতনে আঙুলিয়াই দিয়া অনুসৰি ৰসকান্তই দেখিলে চাউল জৰা কোলা এখনৰ সমান মৌৰ বাহটো। বাহটো বিচাৰি পালে হয়। পিছে এতিয়া ইমানবোৰ মৌ-মাখিৰ আক্ৰমণ প্ৰতিহত কৰি মৌৰ জুল কিদৰে সংগ্ৰহ কৰিব।কেনেকৈ খাব মৌ'ৰ ৰসেৰে উপচি থকা মৌছাকখন। এইবাৰ আকৌ নতুন বুদ্ধি খেলালে সনাতনৰ মুৰত।ৰসকান্তৰ কটাৰীখন লৈ পোন আৰু দীঘল চাই কুমলীয়া নল এডাল কাটিলে সনাতনে।পাতবোৰ কাটি ধুনীয়াকৈ চাঁচিলে আগৰ পৰা গুৰিলৈ। ইয়াৰ পিছত সেইদাল নলৰ ফুটাত সোমোৱা জোখৰ আৰু এদাল নল কাটি গুৰিটো জুঙা কৰি ল'লে। এইবোৰ দেখি ৰসকান্তই ক'লে— ঐ নলদালেৰ মৌ-বাহ জোকাই লৈ, কামোৰ খাই মৰিব খুজিছ নেকি? সনাতনে একো উত্তৰ নিদিলে। গুৰি জুঙা কৰা নলডাল ইদাল নলৰ ভিতৰত ভৰাই খুছি খুছি কিছু সময়ৰ পিছত নলাৰ দৰে ইমূৰৰ পৰা সিমূৰ মনিব পৰাকৈ ফুটা কৰিলে। প্ৰথমে সনাতনে কিলাকিলিৰ পানীত ফুটা কৰা নল ডালৰ এটা মূৰ জুবিয়াই হুপিবলৈ ধৰিলে আনটো মূৰে। পানী গৈ সনাতনৰ মূখত সোমালগৈ। ৰসকান্তই মাথোঁ সনাতনৰ কাণ্ড-কাৰাখানা বোৰ চাই থাকিল। এইবাৰ সেই নল ডালৰ এটা মূৰ এচলীয়াকৈ কাটি মৌ বাহৰ ফালে লাহে লাহে আগবঢ়াই দিলে। নল দালৰ আগটো গৈ মৌ বাহৰ ৰহঘৰাটোৰ ভিতৰত সোমোৱাৰ লগে লগেই সনাতনে হুপিবলৈ ধৰিলে এইমূৰে। নল ডালৰ ফুটাৰ ভিতৰেদি মৌৰ ৰস বৈ আহি সনাতনৰ জিভাত পৰিলহি। ৰসকান্তকো মৌৰ ৰস হুপিবলৈ দিলে সনাতনে। দুইটাই তপালি পাৰি পাৰি মুখত তিতা অনুভৱ হোৱালৈকে হেপাঁহ গুচাই খালে মৌৰ ৰস। প্ৰকৃতিৰ কোলাত কৰ্ম ব্যস্ততাৰে জীয়াই থকা। কোনোদিন নিজৰ কৰ্তব্যত অৱহেলা নকৰা অজলা, মৌ মাখিবোৰে নল ডালৰ ওপৰ ভাগ বেৰি-কুৰি ধৰি গু-গুৱাই আছিল যদিও সনাতন, ৰসকান্তৰ চয়তানী বুদ্ধিৰ একো ওমান পোৱা নাছিল।

এই ধৰণৰ বুদ্ধিৰেই ৰসকান্ত, সনাতনহঁতে সৰিয়হ খেতিৰ বতৰত কিলাকিলি নৈৰ পাৰৰ হাবি-লতাৰ মাজত থকা মৌ মাখিৰ বাহ বিচাৰি উলিয়াই ৰস খাই তহিলং কৰিছিল। এবাৰ এডাল শকত ফুটাৰ নলেৰে মৌৰ ৰস হুপোতে ৰসকান্তৰ ডিঙিত ভাগি-চিগি অহা মৌচাকে চতহা মাৰি ধৰিছিল। উশাহ নিশাহ ল'ব নোৱাৰি চকু-মুখ ঢেলখাই গৈছিল। সনাতনে বাওঁহাতেৰে ডিঙিটো অলপ মালিছ কৰি সোঁহাতৰে ৰসকান্তৰ গলধনত এটা প্ৰচণ্ড ভুকু মৰাতহে ডিঙিৰ জাম ভাগিছিল।

সম্বিত ঘূৰি আহিছিল মৌৰ বিচনী চতহা মাৰি লাগি ধৰি সিপুৰিলৈ যাবলৈ ওলোৱা ৰসকান্তৰ। (আগলৈ)

ফোন ঃ ৮১৩৫০১১০২৬

# শোণিতপুৰ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ ৬ দুৰ্ধৰ্ষ ডকাইত

## জব্দ বৃহৎ পৰিমাণ গাঞ্জা ঃ নিচাযুক্ত দ্ৰব্য সৰবৰাহ কৰা দুজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৯ জুন ঃ** ৰাজ্যৰ আনবোৰ জিলাৰ দৰে শোণিতপুৰতো ড্ৰাগছ তথা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অভিযান কঠোৰ কৰি তোলা হ'ব বুলি আজি জিলা আৰক্ষীয়ে আয়োজন কৰা এক সংবাদ মেলত ঘোষণা কৰা হয়। ইতিমধ্যে জিলাখনৰ জামুগুৰি অঞ্চলত ৩১ বিঘা ভাঙৰ খেতি নষ্ট কৰি এজন লোকক আটক কৰা হৈছে আৰু আজি তেজপুৰ গাভৰু দলঙৰ সমীপত এজন ব্যক্তিয়ে গাঞ্জা কঢ়িয়াই অনা অৱস্থাত আৰক্ষীয়ে ১০ কেজি গাঞ্জাসহ এজন লোকক আটক কৰিছে। ইফালে যোৱা ২৫ মে'ত তেজপুৰ চহৰৰ মাজমজিয়াত ব্যৱসায়ী প্ৰয়াত নকুল পালৰ গৃহত সংঘটিত হোৱা এক ডকাইতি কাণ্ডত জড়িত তিনিটাকৈ ডকাইতক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, অকলশৰীয়া বৃদ্ধা এগৰাকীৰ মুখত কাপোৰ বান্ধি সকলো সোন আৰু হীৰাৰ অলংকাৰ লুট কৰি নিছিল ডকাইতৰ দলে। শোণিতপুৰ আৰক্ষীয়ে অভিযান চলাই ডকাইতৰ দলটোৰ আজিমউদ্দিন, জাকিৰ হুছেইন আৰু আমিৰ হুছেইনক গ্ৰেপ্তাৰ কৰিছে। ডকাইতৰ পৰা আৰক্ষীয়ে সোণ-ৰূপৰ আ অলংকাৰ কিছু পৰিমানে উদ্ধাৰ কৰাৰ লগতে মোবাইলফোন আৰু নগদ ধন জব্দ কৰিছে। ইফালে বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত আমোলাপামৰ ৰাজেশ্বৰ প্ৰসাদ কৈৰীৰ ঘৰত চুৰি কাৰ্য কৰা আন তিনিচোৰ নগদ ধন আৰু চুৰিকৰা সামগ্ৰী সহ গ্ৰেপ্তাৰ কৰিছে। নিৰাজুল ইছলাম, আমিৰ আলী ওৰফে লাডেন আৰু দিলদাৰ হুছেইন নামৰ চোৰকেইটাক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। আনহাতে তেজপুৰ বেবেজীয়া, বিহগুৰি আৰু কছাৰীগাঁও আৰক্ষী চকীয়ে যুটীয়া অভিযান চলাই গাভৰুৰ পৰা প্ৰায় ৩৫ হাজাৰ টকাৰ মূল্যৰ গাঞ্জা জব্দ কৰে। ইয়াৰোপৰি জামুগুৰি থানাৰ অন্তৰ্গত কুসুমতোলাৰ ধৰ্মেশ্বৰ নায়ক নামৰ লোকজনৰ পৰা আৰক্ষীয়ে গাঞ্জা জব্দ কৰাৰ লগতে গাঞ্জা সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰে। শোণিতপুৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক চফিকুল হুছেইন, এছ শুক্লবৈদ্য আৰু উপ আৰক্ষী অধীক্ষক লুইত তালুকদাৰ উপস্থিত থকা সংবাদ মেলখনত শোণিতপুৰত শেহতীয়াকৈ আৰক্ষীয়ে চলোৱা অভিযান আৰু সাফল্য সন্দৰ্ভত খতিয়ান দাঙি ধৰে। আনহাতে ক'ভিড সংক্ৰমণ ৰোধৰ বাবে আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থাৱলী সন্দৰ্ভতো সংবাদ মেলত অৱগত কৰা হয়।

# মুছলপুৰত ৫০০ গছপুলি ৰোপণ চিআৰপিএফৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৯ জুন ঃ** চিআৰপিএফৰ মুছলপুৰস্থ শিবিৰৰ উদ্যোগত ৫ জুনৰ পৰা আৰম্ভ হোৱা বিশ্ব পৰিৱেশ দিৱসৰ আজি সামৰণি পৰে। এই সমগ্ৰ কাৰ্যসূচীত তেওঁলোকে মুঠতে ৫০০ বিভিন্ন গছপুলি ৰোপণ কৰে। আজি সামৰণিৰ দিনাও বাক্সা জিলা উপায়ুক্তৰ বাসভৱন চৌহদত চিআৰপিএফৰ জোৱানসকলে আম, মধুৰিআম, লিচু, জামু, নাগেশ্বৰ, বকুল আদি গছৰ পুলি ৰোপণ কৰে। আজিৰ সামৰণী অনুষ্ঠানত ১৫২ বেটেলিয়ন চিআৰপিএফৰ মুছলপুৰ শিবিৰৰ সহকাৰী কমাণ্ডেণ্ট ঈশ্বৰ সিং, ইন্সপেক্টৰ শিৱ যাদৱ, পৰিদৰ্শক ৰামলীলা, জনক সিং আৰু কনিষ্টবল যতীন চন্দ্ৰ নাথৰ নেতৃত্বত গছপুলি ৰোপণ কৰা হয়।


সত্যমেৱ জয়তে
অসম চৰকাৰ

NATIONAL HEALTH MISSION
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

অসমৰ চিকিৎসা খণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত আৰু এটি দৃঢ় পদক্ষেপ



ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সংলগ্ন চিকিৎসালয়ৰূপে

সৰুসজাইত

৩০০ খন বিচনাযুক্ত ক'ভিড কেয়াৰ চিকিৎসালয়ৰ

শুভ উদ্বোধন

ডিআৰডিঅ', ভাৰত চৰকাৰৰ সহযোগত নিৰ্মিত

দিনাংক: ১০ জুন, ২০২১

শুভ উদ্বোধন কৰিব
অসমৰ মাননীয় মুখ্যমন্ত্ৰী
ড° হিমন্ত বিশ্ব শৰ্মাদেৱে

লগতে উপস্থিত থাকিব
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী
শ্ৰীযুত কেশৱ মহন্তদেৱে

অসম চৰকাৰে ক'ভিড-১৯ মহামাৰীৰ বিৰুদ্ধে যুঁজিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। নিৰীক্ষণ আৰু নিয়ন্ত্ৰণ ব্যৱস্থাৰ উপৰিও চৰকাৰে আন্তঃগাঁথনি উন্নীতকৰণ আৰু নতুন আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। সৰুসজাইৰ ক'ভিড কেয়াৰ চিকিৎসালয় ইয়াৰে ভিতৰত অন্যতম।

সৰ্বমুঠ প্ৰকল্প ব্যয়:
২১,৪৬,৫৬,৬২০ টকা







চিকিৎসালয়খনৰ উল্লেখনীয় বৈশিষ্ট্যসমূহ

- ৩০০খন বিছনাযুক্ত মুখ্য চিকিৎসালয় ৱাৰ্ড (এলেকা : ৩২০০ বৰ্গমিটাৰ)
  - অক্সিজেনৰ সুবিধাৰ সৈতে ২০০খন বিছনাযুক্ত সাধাৰণ ৱাৰ্ড
  - ভেণ্টিলেটৰ/মনিটৰৰ সৈতে ১০০খন আইচিইউ বিছনা
  - নাৰ্চিং ষ্টেচন
- প্ৰশাসনীয় আৰু আৱাসিক খণ্ড (এলেকা : ৩৬১ বৰ্গমিটাৰ)
  - জ্যেষ্ঠ চিকিৎসকৰ বাবে ৫ (পাঁচ) টা কক্ষ
  - গৱেষণাগাৰৰ স্থান
  - ফাৰ্মাচী
  - কনফাৰেন্স কক্ষ
  - এক্স-ৰে কক্ষ
  - আল্ট্ৰাচ'ন'গ্ৰাফি আৰু ইচিজি কক্ষ
  - ৩ (তিনি) টা কেবিন
- ডফিং জোন (এলেকা : ৩০৪ বৰ্গমিটাৰ)
- ৰোগীৰ খণ্ড (এলেকা : ৩০৪ বৰ্গমিটাৰ)
  - ট্ৰায়েজ কক্ষ
  - চিকিৎসকৰ বাবে ৩ (তিনি) টা কক্ষ
  - ৰেকৰ্ড আৰু ইউটিলিটি কক্ষ
- শৱ গৃহ (এলেকা : ৯০ বৰ্গমিটাৰ)
- পাকঘৰ (এলেকা : ১৫০ বৰ্গমিটাৰ)
- সংৰক্ষণ কোঠা (এলেকা : ২০০ বৰ্গমিটাৰ)
- কাৰ্যালয় স্থান (এলেকা : ১৫০ বৰ্গমিটাৰ)
- দৰ্শনাৰ্থীৰ এলেকা (এলেকা : ১৮০ বৰ্গমিটাৰ)
- অগ্নি নিৰ্বাপনৰ বাবে ভূগৰ্ভস্থ পানীৰ টেংকিত ১ লাখ লিটাৰ পানীৰ ব্যৱস্থা

সকলো সময়তে ক'ভিড সংক্ৰান্তীয় নীতি-নিয়ম মানি চলক | মাস্ক পৰিধান কৰক | চেনিটাইজাৰ ব্যৱহাৰ কৰক | সামাজিক ব্যৱধান মানি চলক | হাত ধোৱক | টীকাকৰণ কৰাওক


শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি

অত্যধিক মূল্যবৃদ্ধি আৰু অনৈতিক তথা বেআইনী কাৰ্যকলাপৰ বিৰুদ্ধে অভিযোগ দাখিলৰ বাবে হেল্পলাইন নম্বৰ মুকলি

# গোলাঘাটত এসপ্তাহৰ ভিতৰত ৰাজহ চক্ৰ বিষয়াই চিনাক্ত কৰিব লাগিব খাদ্য সুৰক্ষা আইনৰ ৰেচন কাৰ্ডৰ ভুৱা হিতাধিকাৰীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ৯ জুন ঃ** গোলাঘাটৰ বিভিন্ন স্থানত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন-২০১৩ৰ অধীনত সুলভ মূল্যৰ দোকানসমূহৰ পৰা ৰেচন কাৰ্ড লাভ কৰি থকা যোগ্যতাবিহীন হিতাধিকাৰীসকলক চিনাক্ত কৰাৰ বাবে গাঁওবুঢ়াসকলক সত্যাসত্য নিৰূপণৰ দায়িত্ব দিবলৈ জিলা প্ৰশাসনে ৰাজহ চক্ৰ বিষয়াসকলক নিৰ্দেশ দিছে। জিলা প্ৰশাসনে গোলাঘাট, দেৰগাঁও, খুমটাই আৰু মৰঙিৰ ৰাজহ চক্ৰ বিষয়ালৈ এই সন্দৰ্ভত জাৰি কৰা এটা নিৰ্দেশনাত কোৱা হৈছে যে চৰকাৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত কোনো ভুৱা হিতাধিকাৰী যাতে উপকৃত নহয় সেয়া সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰিছে। জিলা খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্তই জাৰি কৰা নিৰ্দেশনাটোত এই নিৰ্দেশ লাভ কৰাৰ ৭ দিনৰ ভিতৰত গাঁওবুঢ়া আৰু সুলভ মূল্যৰ দোকানীৰ স্বাক্ষৰসম্বলিত সত্যাসত্য নিৰূপন কৰা হিতাধিকাৰীৰ তালিকা দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে প্ৰশাসনে জাৰি কৰা এখন গোহাৰিত সকলো চৰকাৰী চাকৰিয়াল, পেন্সনভোগী পৰিয়াল, বাৰ্ষিক আয় এক লাখ টকাৰ ওপৰৰ বে-চৰকাৰী চাকৰিয়াল, সচ্ছল ব্যৱসায়ী, সচ্ছল খেতিয়কৰ লগতে চাৰিচকীয়া বাহন থকা পৰিয়াল আৰু আৰ চি চি বিল্ডিং থকা পৰিয়ালক অতি সোনকালে মহকুমা যোগান বিভাগৰ কাৰ্যালয়ত ৰেচন কাৰ্ডসমূহ ওভতাই দিবলৈ নিৰ্দেশ দিয়া হৈছিল। অন্যথা প্ৰশাসনৰ নিজাববীয়া অনুসন্ধানত এনে পৰিয়ালে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰি থকা বুলি প্ৰমাণ হ'লে অত্যাৱশ্যকীয় সামগ্ৰী আইন ১৯৫৫ আৰু ভাৰতীয় দণ্ডবিধিৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট কৰি দিয়া হৈছিল। ইফালে গোলাঘাট মহকুমাত জিলা উপায়ুক্তৰ নিৰ্দেশক্ৰমে অত্যধিক মূল্যবৃদ্ধি আৰু ব্যৱসায়ত অনৈতিক তথা বেআইনী কাৰ্যকলাপ আদিৰ বিষয়ে অভিযোগ দাখিল কৰাৰ বাবে এটা হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। গ্ৰাহকসকলে ৩৭৭৪২-৮৩২৮২ নম্বৰত ফোন কৰি গোলাঘাট মহকুমাৰ অধীনৰ এলেকাৰ এই সম্পৰ্কীয় ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। গ্ৰাহকে বিভাগৰ কাৰ্যালয়ত লিখিত অভিযোগো দাখিল কৰিব পাৰিব।

## পশ্চিম কাৰ্বি আংলং জিলাত পঞ্চমগৰাকী ক'ভিড ৰোগীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ৯ জুন ঃ** পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙত ক্ৰমাৎ যেন ভয়াৱহ হৈ পৰিছে ক'ভিড সংক্ৰমণ। জিলাখনত যোৱা তিনিটা দিনত দুগৰাকী লোকৰ মৃত্যুৱে জিলাবাসীক পুনৰ আতংকিত কৰি তুলিছে। শেহতীয়াকৈ, পাৰ্বত্য জিলাখনত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱা আৰু যথেষ্ট কম হোৱা বুলি স্বাস্থ্য বিভাগৰ তথ্যত প্ৰকাশ পাই অহাত জিলাবাসী উৎফুল্লিত হৈ থকাত বুধবাৰৰ এগৰাকী ক'ভিড ৰোগীৰ মৃত্যুৱে পুনৰবাৰ জিলাবাসীক শংকিত কৰি তুলিছে। প্ৰাপ্ত তথ্য অনুসৰি, পাৰ্বত্য জিলাখনৰ খেৰণি থানাৰ অন্তৰ্গত হাৰাইপুৰ অঞ্চলৰ ডিক্লেম গাঁও নিৱাসী দিল বাহাদুৰ কাৰ্কী (৪২) শাৰীৰিকভাৱে অসুস্থ হৈ থকাৰ সন্দৰ্ভত ক'ভিডৰ পৰীক্ষা কৰাত ক'ভিডৰ উপস্থিতি ধৰা পৰে। সেই বাবে ক'ভিড চিকিৎসাৰ বাবে যোৱানিশা টুম্প্ৰেংস্থিত ক'ভিড কেয়াৰ চেণ্টাৰলৈ অনা হৈছিল কাৰ্কীক। ক'ভিড ৰোগী হিচাপে চিহ্নিত এইগৰাকী লোকে শ্বাস-প্ৰশ্বাসজনিত কিছু অসুবিধাৰো সন্মুখীন হৈছিল বুলি চিকিৎসকৰ তথ্যত প্ৰকাশ। টুম্প্ৰেংস্থিত ক'ভিড কেয়াৰ চেণ্টাৰত অনাৰ পিছত ৰোগীগৰাকীৰ অৱস্থা শোচনীয় আছিল যদিও ততাতৈয়াকৈ ক'ভিড কেয়াৰ চেণ্টাৰটোৰ প্ৰথম মহলাৰ ৰোগী ৰখা কক্ষলৈ নি থকা অৱস্থাত কাৰ্কীয়ে শ্বাস-প্ৰশ্বাসত অধিক অসুবিধাৰ সন্মুখীন হৈ মৃত্যুমুখত পৰে। উল্লেখ্য যে পূৰ্বৰে পৰা বিভিন্ন ধৰণৰ সৰু-বৰ ৰোগত আক্ৰান্ত হৈ থকা কাৰ্কীৰ শাৰীৰিক অৱস্থা কিছু পৰিমাণে দুৰ্বল আছিল বুলি পৰিয়ালৰ লোকে সাংবাদিকৰ আগত প্ৰকাশ কৰে। এই ঘটনাক লৈ পশ্চিম কাৰ্বি আংলং জিলাত সৰ্বমুঠ পাঁচগৰাকী ক'ভিড ৰোগী মৃত্যুমুখত পৰিছে।

## সান্ধ্য আইনৰ অচিলা লৈ কালুগাঁৱত পশুধন চোৰৰ তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ৯ জুন ঃ** ৰাজ্যজুৰি ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে জাৰি কৰা সান্ধ্য আইনৰ সুবিধা গ্ৰহণ কৰি কালুগাঁও আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত গৰু-ছাগলী চোৰৰ উপদ্ৰৱ বৃদ্ধি পাইছে। অঞ্চলটোৰ জেৰেঙা, পাহীগাঁও, শলগুৰি আদি অঞ্চলত মানুহৰ ঘৰৰ গোহালিৰ পৰা গৰু-ছাগলী চোৰে লৈ উধাও হয়। জয়সাগৰ আৰক্ষী চকীয়ে দিনে-ৰাতিয়ে অহৰহভাৱে সমগ্ৰ অঞ্চলটোত টহল দি থাকে যদিও আৰক্ষীৰ পাছে পাছে চোৰে দুষ্কাৰ্যবোৰ কৰি থাকে বুলি ৰাইজে মত পোষণ কৰিছে। আৰক্ষী চকীৰ অন্তৰ্গত গাঁওসমূহত কিছুসংখ্যক গাঁওৰক্ষী বাহিনী আছে যদিও বহুতো গাঁওৰক্ষী বাহিনী এতিয়াও সবল নহয় আৰু বহুতো গাঁৱত এতিয়াও গাঁওৰক্ষী বাহিনী গঠন হোৱাই নাই। যিকেইখন গাঁওৰক্ষী বাহিনী আছে সেইসকলৰো সদস্যসকলৰ কৰ্মদক্ষতা কম। সেয়ে এই বৃহৎ এলেকাটোত জয়সাগৰ আৰক্ষীয়ে একেলগে টহলদাৰী কৰিবলৈ অসুবিধাৰ সন্মুখীন হয় আৰু ইয়াৰ সুবিধা গ্ৰহণ কৰি দুষ্ট চক্ৰই দুষ্কাৰ্য কৰিবলৈ সুবিধা পায়। যদি গাঁওৰক্ষী বাহিনী আৰু স্থানীয় ৰাইজে আৰক্ষীক সহায় কৰে তেন্তে সমাজৰ দুষ্টচক্ৰৰ দুষ্কাৰ্যবোৰ ৰোধ কৰিবলৈ সক্ষম হ'ব বুলি সমাজ সচেতকসকলে মত পোষণ কৰিছে।



*ঢকুৱাখনাৰ কৰঙা বলহী নদীত খহনীয়া, নতুন দলঙৰ কাষতে*

## ফিল'বাৰী অঞ্চলত অচিন ৰোগত আক্ৰান্ত গো-ধন

### ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় দল-সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ৯ জুন ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ ফিল'বাৰী অঞ্চলত অচিন ৰোগত প্ৰায় দুইৰ পৰা তিনি শতাধিক পশুধন আক্ৰান্ত হোৱাত দুখীয়া গো-পালকসকলক চিন্তিত তুলিছে। কৰ'না ভাইৰাছৰ আতংকৰ সময়তে ডুমডুমা সমষ্টিৰ বৃহত্তৰ ফিল'বাৰী অঞ্চলত দুখীয়া কৃষকসকলৰ পশুধন আক্ৰান্ত হৈছে অচিন ৰোগত। বিশেষকৈ গাভৰুভেটি অঞ্চলৰ স্থানীয় একাংশ লোকে জানিবলৈ দিয়া মতে, আজি কিছুদিনৰ পৰা নিজৰ পশুধনৰ উপৰি সোণোৱাল গাঁও, বৰগাঁও, ৰবৰগুৰি, আমগুৰি আদি অঞ্চলৰ দুখীয়া কৃষক ৰাইজৰ শতাধিক পশুধন অচিন ৰোগত আক্ৰান্ত হৈছে। প্ৰথমতে, গোটেই শৰীৰত সৰু সৰু উখহা হৈ আহি লাহে লাহে ই ডাঙৰ হৈ আহে আৰু খোজকাঢ়িব নোৱৰা হয়। কৃষকসকলৰ কেইবাটাও হালোৱা গৰু এনে ৰোগত আক্ৰান্ত হোৱাত ভীষণ সমস্যাৰ সন্মুখীন হৈছে কৃষক সমাজৰ লগতে গো-পালকসকল। যি সময়ত অঞ্চলটোৰ কৃষক ৰাইজে পথাৰত কৃষি কৰ্মত জড়িত হ'ব লাগিছিল তেনে সময়ত কৃষকসকল কৃষি কৰ্মৰ পৰা আঁতৰি থাকিব লগা হৈছে। সেয়েহে অতি সোনকালে চৰকাৰ, কৃষি বিভাগ তথা পশুপালন বিভাগক ইয়াৰ সু-ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। আনহাতে, ৰবৰগুৰি গাঁৱৰ কৃষক দিগন্ত সোণোৱালে কয় যে, অঞ্চলটোত এখন পশু চিকিৎসালয় আছে যদিও বহু দিন ধৰি চিকিৎসকবিহীনভাৱে চিকিৎসালয়খন চলি আছে, যাৰ বাবে চৰকাৰী চিকিৎসাৰ বাবে বঞ্চিত হ'ব লগা হৈছে পশুধনসমূহ। চিকিৎসালয়খনত এজন ক্ষেত্ৰ সহায়ক আছিল যদিও মাত্ৰ দহ দিন আগত ক'ভিড আক্ৰান্ত হৈ তেওঁ মৃত্যুমুখত পৰাত অস্থায়ী ভিত্তিত বিগত পোন্ধৰ বছৰে কৰ্ম সম্পাদন কৰি অহা চতুৰ্থ বৰ্গৰ কৰ্মীজনেই ৰাইজৰ আশা-ভৰসাৰ থল হৈ পৰিছে। আনহাতে, মূল চিকিৎসকগৰাকীক আজিলৈকে অঞ্চলটোৰ ৰাইজে দেখা পোৱা নাই। এতিয়া দুখীয়া ৰাইজে গাঁঠিৰ ধন ভাঙি আক্ৰান্ত পশুধনসমূহৰ চিকিৎসা কৰিব লগা হৈছে বুলি তেওঁ কয়। অঞ্চলটোত এতিয়াও দৈনিক অচিন ৰোগত আক্ৰান্ত হৈ থকা পশু ধনৰ চিকিৎসাৰ ব্যৱস্থা কৰি দিবৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসন আৰু পশু পালন বিভাগক দাবী জনোৱাৰ লগতে ক্ষতিগ্ৰস্ত গো-পালকৰ ক্ষতি পূৰণ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে ফিল'বাৰী আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ আৰু ফিল'বাৰী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ বিষয়ববীয়াই।

## ক'ভিডে স্তব্ধ কৰিছে ঢকুৱাখনাৰ একমাত্ৰ কাঁহ শিল্পীৰ জীৱন-জীৱিকাৰ পথ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ৯ জুন ঃ** সৰ্থেবাৰীৰ চিনাকি — কাঁহশিল্প। কাঁহৰ বাচন-বৰ্তন নিৰ্মাণৰ বাবেই বিখ্যাত অসমৰ বৰপেটা জিলাৰ এখন সৰু ঠাই সৰ্থেবাৰী। সৰ্থেবাৰীৰ সমান্তৰালভাৱে ঢকুৱাখনাতো সৰ্থেবাৰীৰ কেইজনমান ব্যক্তিয়ে ১৯৭৬ চনৰ পৰা আজি ৪৫ টা বছৰে অব্যাহত ৰাখিছে এই কাঁহ শিল্প। ঢকুৱাখনা মহকুটোৰ ভিতৰত এখন একমাত্ৰ কাঁহশিল্পৰ দোকান, য'ত ৰণীধৰ কাকতি, বিনোদ, প্ৰাঞ্জল, যোগেশ পাটোৱাৰী, ৰঞ্জিত বৰ্মন নামৰ এই ৫গৰাকীকৈ কাঁহ শিল্পীয়ে ঢকুৱাখনাত কাঁহ শিল্পক জীয়াই ৰাখিবৰ বাবে দিনে-ৰাতিয়ে অব্যাহত ৰাখিছিল নিজ কৰ্ম। কিন্তু ৰাজ্যত চলি থকা ক'ভিড সৃষ্ট পৰিস্থিতিৰ বাবে কাঁহ শিল্পৰ লগত জড়িত পৰিয়ালসমূহত চৰম আৰ্থিক সংকটে দেখা দিছে। ঢকুৱাখনা মহকুমাটোত থকা একমাত্ৰ কাঁহ শিল্পীৰ পৰিয়ালত খাদ্য সংকটে দেখা দিছে সৰ্বত্ৰ ৰাজ্যত চলি থকা অৰ্ধ লকডাউনৰ তথা সান্ধ্য আইনৰ সময়ছোৱাত। যাৰ ফলত বৰ্তমান সময়ত ঢকুৱাখনাত এই শিল্প বিধ হেৰাই যোৱা উপক্ৰম হৈছে। কাৰণ পৰম্পৰাগতভাৱে চলি অহা পদ্ধতিৰে কেৱল কাঁহী-বাটি- বঁটা নিৰ্মাণ কৰি পৰিয়াল পোহ-পাল দিয়াটো কঠিন হৈ পৰিছে কাঁহ শিল্পীসকলৰ বাবে। এইখন কাঁহৰ শালৰ পৰাই কেৱল কাঁহী-বাটি, বঁটা নিৰ্মাণৰ পৰম্পৰাগত পৰিবৃত্তৰ মাজতে আবদ্ধ নাথাকি কাঁহেৰে বিভিন্ন ধৰণৰ সামগ্ৰী নিৰ্মাণ কৰি কাঁহ শিল্পক জনপ্ৰিয় কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল এই শিল্পীসকলে। প্ৰতি বছৰে ২ৰ পৰা ৩ লাখকৈ টকা অৰ্জন কৰা শিল্পটোক নতুন ৰূপ দি উলিয়াইছিল জীৱিকা নিৰ্বাহৰ পথ। বিশেষকৈ কাঁহ শিল্পীৰ এনে দুৰৱস্থাৰ সময়ত চৰকাৰে কোনো আঁচনি গ্ৰহণ কৰি উন্নয়ন কৰিবলৈ আগবাঢ়ি নাহিল আজি পৰ্যন্ত। যাৰ বাবে সৰ্থেবাৰীৰ চিনাকি কাঁহশিল্প উদ্যোগৰ সমান্তৰালভাৱে ঢকুৱাখনাত গঢ় লৈ উঠা কাঁহশিল্প এই সৰু উদ্যোগসমূহৰ ৰজাঘৰৰ সদিচ্ছাৰ অভাৱৰ ফলত সাম্প্ৰতি ই মধ্যভোগীৰ কৰাল গ্ৰাসত পৰি ধ্বংসৰ গৰাহলৈ পৰ্যবাসিত হৈছে। আনহাতে, চৰকাৰে এনে শিল্পীসকলৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে যদিও আজিও এনে বহু ব্যক্তি আছে কাঁহ শিল্পৰ লগতে জড়িত হৈ আজিকোপতি কোনো ধৰণৰ চৰকাৰী সাহায্য লাভ কৰিবলৈ সক্ষম হোৱা নাই। এতিয়া ঘৰতে শিল্পীসকলে আটোমটোকাৰীকৈ নিৰ্মাণ কৰা কাঁহ শিল্পসমূহ ঘৰতেই দ'মাই থোৱাত দাগ লাগি বিনষ্ট হ'বলৈ ধৰিছে। সাম্প্ৰতিক বজাৰ যিহেতু নাই, আনফালে আৰ্থিক সংকটৰ বাবে কাঁহ শিল্প নিৰ্মাণৰ বাবে প্ৰয়োজনীয় - কয়লা, ভঙা কাঁহ, পিতল, কাঁহী , বাটি, পৰীয়া, বাণ কাঁহী ইত্যাদি সামগ্ৰী কিনিব নোৱৰাৰ বাবে শিল্পীসকলে নতুনকৈ কাঁহ শিল্প নিৰ্মাণ কৰিব পৰা নাই। এনে অৱস্থাত অনাগত দিনৰ কথা ভাবি শিল্পীসকল চৰম দুশ্চিন্তাত ভুগিছে। অৱশেষত উপায়ান্তৰ হৈ কাঁহশিল্পী সকলে নতুন চৰকাৰখনক আৰ্থিক সাহায্য বিচাৰি এইক্ষেত্ৰত সহায় কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে।

### অনতিপলমে ব্যৱস্থা গ্ৰহণৰ আশ্বাস

## ঐতিহাসিক জয়সাগৰ পুখুৰীৰ খহি পৰাৰ উপক্ৰম হোৱা পাৰ পৰিদৰ্শন কৰিলে জিলা উপায়ুক্তই

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ৯ জুন ঃ** ঐতিহাসিক জয়সাগৰ পুখুৰীৰ দক্ষিণ পাৰত সৃষ্টি হোৱা এক ধোন্দক লৈ ইতিমধ্যে প্ৰকাশিত হোৱা বাতৰিৰ ফলত আজি তৎপৰ হৈ পৰা দেখা গ'ল শিৱসাগৰ জিলা প্ৰশাসন। ঐতিহাসিক পুখুৰীটোৰ দক্ষিণ অংশত নিৰ্মাণ কৰা পথ আৰু উক্ত পথৰ ফালেদি পুখুৰীৰ অতিৰিক্ত পানী পৰিবাহিত হ'বৰ বাবে নিৰ্মাণ কৰা এক কালভাৰ্টৰ তলত মাটি খহি সৃষ্টি হোৱা ধোন্দটোৱে ঐতিহাসিক পুখুৰীটোৰ প্ৰতি অশণি সংকেট কঢ়িয়াই আনিছে। উল্লেখযোগ্য যে, কিছু বছৰৰ আগত এতিয়া সৃষ্টি হোৱা ধোন্দৰ সমীপতে পুখুৰীৰ পাৰ খহি এক বৃহৎ পৰিমাণৰ পানী কাষৰ পথাৰলৈ বৈ যোৱাৰ ফলত পুখুৰীটোৰ পানীৰ স্তৰ হ্ৰাস পোৱাৰ লগতে বহু মূল্যবান মাছ-কাছ পুখুৰীটোৰ পৰা বাহিৰ হৈ গৈছিল। সেই সময়ত জিলা প্ৰশাসনৰ তৎপৰতাত তথা স্থানীয় ৰাইজৰ সহযোগত উক্ত খহি যোৱা অংশ নিৰ্মাণ কৰা হৈছিল যদিও তেতিয়াই একাংশই বিজ্ঞান ভিত্তিক ভাৱে এনে সমস্যা সমাধান নকৰিলে পুনৰ পুখুৰীৰ পাৰ খহি যোৱাৰ প্ৰকট কৰিছিল। আজিৰ দিনত দক্ষিণ পাৰত সৃষ্টি হোৱা উক্ত ধোন্দে এনে সম্ভৱনাক প্ৰতিয়মান নিয়াইছে। আনহাতে জয়সাগৰ পুখুৰীৰ দক্ষিণ পাৰত সৃষ্টি হোৱা ধোন্দক লৈ বাতৰি প্ৰকাশ পোৱাৰ পাছতে আজি শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণু কমল বৰা, সমাজকৰ্মী ডঃ সব্যসাচী মহন্তকে আদি কৰি বহু কেইটা জাতি-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বই পুখুৰীৰ উক্ত অংশ পৰিদৰ্শন কৰে। স্থানীয় লোক আৰু জাতীয় সংগঠনৰ নেতৃত্বই উক্ত খহনীয়া অংশ অনতিপলমে নিৰ্মাণৰ দাবী উত্থাপন কৰাৰ বিপৰীতে শিৱসাগৰ জিলা উপায়ুক্তই উক্ত খহনীয়া অংশ তৎকালীনভাৱে মেৰামতিৰ আশ্বাস প্ৰদান কৰিছে। উল্লেখ্য বিষয় এই যে, স্বৰ্গদেউ ৰুদ্ৰসিংহই মাতৃ জয়মতীৰ স্মৃতিত খন্দোৱা এই অসম গৌৰৱ সাগৰ হেন পুখুৰীটো কোনো এক বিভাগৰ তদাৰকৰ অন্তৰ্গত বিষয় নহয়। প্ৰায় আঢ়ৈশ বছৰ অতিক্ৰম কৰা এই পুখুৰীটো কেন্দ্ৰীয় তথা ৰাজ্যিক পুৰাতত্ব বিভাগৰ আওতাত নথকাৰ বিপৰীতে শিৱসাগৰ জিলা প্ৰশাসনেও পুখুৰীটো সংৰক্ষণৰ স্থায়ী ব্যৱস্থা হাতত নলয়। যাৰ বাবে বছৰ বছৰ ধৰি সীমা দেৱালৰ অবিহনে এলাগি হৈ পৰি ৰৈছে ঐতিহাসিক জয়া স্মৃতি বিজড়িত জয়সাগৰ পুখুৰী।

### পাগলাদিয়া নৈৰে ভাহি আহিল ১৫ কিলোমিটাৰ

## মুকালমুৱাৰ সূতাৰকুছিত পাগলাদিয়াত জীৱন্তে উদ্ধাৰ এগৰাকী বৃদ্ধা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ৯ জুন ঃ** ৰাখে হৰি মাৰে কোনে। এই আপ্ত বাক্যশাৰীৰ সত্যতা আজি পুনৰবাৰ প্ৰতিপন্ন হ'ল মুকালমুৱাৰ সূতাৰকুছি গাঁৱত। বিৱৰণী মতে, বৰমূৰীকোণা গাঁৱৰ ষাঠিৰ ঊৰ্দ্ধৰ এগৰাকী বৃদ্ধা প্ৰায় ১৫ কিলোমিটাৰ দূৰত্ব পাগলাদিয়া নদীৰ প্ৰবল সোঁতত উটি অহাৰ পিছত জীৱন্তে উদ্ধাৰ কৰে স্থানীয় লোকে। মুকালমুৱাৰ নিকটৱৰ্তী সূতাৰকুছি গাঁৱৰ পাগলাদিয়া নদীৰ পাৰত ঘাহ কাটিবলৈ যোৱা এজন যুৱকে বৃদ্ধাগৰাকীক প্ৰথমতে নদীত উটি অহা প্ৰত্যক্ষ কৰে। পিছত যুৱকজনে চিঞৰ-বাখৰ কৰি সূতাৰকুছি গাঁৱৰ কিছুসংখ্যক স্থানীয় লোকৰ সহযোগত বৃদ্ধাগৰাকীক জীৱন্তে উদ্ধাৰ কৰে। স্থানীয় ৰাইজে বৃদ্ধাগৰাকীক উদ্ধাৰ কৰি আদাবাৰীস্থিত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ নি চিকিৎসকৰ দ্বাৰা চিকিৎসা কৰোৱায়। উদ্ধাৰ হোৱা বৃদ্ধ মহিলাগৰাকীৰ নাম সুৱলা ডেকা। বৃদ্ধাগৰাকী সম্প্ৰতি বিপদমুক্ত বুলি চিকিৎসকে জানিবলৈ দিয়ে যদিও বৃদ্ধাগৰাকীৰ দেহত ক'ভিড পজিটিভ পোৱা গৈছে। পিছত চিকিৎসকে বৃদ্ধাগৰাকীক নলবাৰী অসামৰিক চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰিছে। ইতিমধ্যে সূতাৰকুছি গাঁৱৰ ৰাইজে নলবাৰীৰ বৰমূৰীকোণাত থকা মহিলাগৰাকীৰ পৰিয়ালৰ লোকৰ লগত যোগাযোগ কৰিছে। আনহাতে, পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে বৃদ্ধাগৰাকীয়ে ঘৰুৱা কামৰ বাবে পাগলাদিয়া নদীৰ ঘাটলৈ পানী আনিবলৈ যাওঁতে পিছল খাই পানীত পৰি যায়। পিছত পাগলাদিয়া নদীৰ প্ৰচণ্ড সোঁতে মহিলাগৰাকীক উটুৱাই লৈ যায়।



## ডিব্ৰুগড় জিলাত অনুষ্ঠিত মেগা ভেকচিনেশ্বন ড্ৰাইভত প্ৰায় ১০,৪৩৬জন ব্যক্তিৰ ক'ভিড-১৯ টিকাকৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৯ জুন ঃ** ডিব্ৰুগড় জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ উদ্যোগত ক'ভিড-১৯ সংক্ৰমণ প্ৰতিৰোধৰ অংশস্বৰূপে ৮-৬-২০২১ তাৰিখে জিলাখনত এক মেগা ভেকচিনেশ্বন ড্ৰাইভ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত কেৱল ১৮ বছৰ ঊৰ্দ্ধৰ ব্যক্তিক টীকাকৰণ কৰাৰ লক্ষ্য স্থিৰ কৰি ১৭টা টীকাকৰণ কেন্দ্ৰত ২,৫৫০ ড'জ আৰু চাহ বাগিচা অধ্যুষিত এলেকাত ১৯টা টিকাকৰণ কেন্দ্ৰত ২০০০ ড'জ ভেকচিনৰ ব্যৱস্থা কৰা হয়। তদুপৰি ৪৭টা স্বাস্থ্য কেন্দ্ৰত ৬০০০ ড'জ ভেকচিন কেৱল ৪৫ বছৰৰ ঊৰ্দ্ধৰ ব্যক্তিসকলক তথা ৮টা স্বাস্থ্য কেন্দ্ৰত ১৬০০ ড'জ ভেকচিন কেৱলমাত্ৰ বিশেষভাৱে সক্ষম ব্যক্তিসকলক প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। ঠিক সেইদৰে আন ৫টা চৰকাৰী ভৱনতো ৭০০ ড'জ ভেকচিন প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয়। এনেদৰে মুঠ ৯৬টা টিকাকৰণ কেন্দ্ৰত ১২,৮৫০ ড'জ ভেকচিন প্ৰদান কৰাৰ লক্ষ্যৰে অনুষ্ঠিত কৰা এই মেগা ভেকচিনেশ্বন ড্ৰাইভৰ দিনান্তত ১০,৩৭০ জন ব্যক্তিক প্ৰথম ড'জ আৰু ৬৬ জন ব্যক্তিক দ্বিতীয় ড'জ ভেকচিন, সৰ্বমুঠ ১০,৪৩৬ জন ব্যক্তিক ভেকচিন প্ৰদান কৰা হয়। ক'ভিড-১৯ৰ টিকাকৰণ ভেকচিন প্ৰদানৰ উপৰি এই কেন্দ্ৰসমূহত ক'ভিড আক্ৰান্ত ব্যক্তিসকলৰ চিনাক্তকৰণৰ বাবে ক'ভিড টেষ্টৰো ব্যৱস্থা গ্ৰহণ কৰা হয়, য'ত সৰ্বমুঠ ১০,০৯৫ জন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইয়াৰে ভিতৰত ৯,৬৯২জন ব্যক্তিক আৰ এ টি টেষ্ট আৰু ৪০৩জন ব্যক্তিক আৰ.টি.পি.চি.আৰ টেষ্ট কৰোৱা হয়। এই টেষ্টৰ জৰিয়তে ২৩০জন ব্যক্তিক কৰ'না আক্ৰান্ত হিচাপে চিনাক্ত কৰা হয় আৰু ক'ভিড-১৯ৰ বিধি অনুযায়ী যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হয়।

### শিৱসাগৰত পুনৰ মৃতদেহ উদ্ধাৰ

## এটা পষেকত উদ্ধাৰ পাঁচোটাকৈ মৃতদেহ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ৯ জুন ঃ** বিগত এটা পষেকৰ ভিতৰত শিৱসাগৰ নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলত উদ্ধাৰ হোৱা এটাৰ পাছত আনটো মৃতদেহক লৈ চিন্তিত হৈ পৰিছে শিৱসাগৰীয়াৰ লগতে আৰক্ষী প্ৰশাসন। আজি পুনৰ বনিয়াবাৰীৰ দৰিকা দলঙৰ তলত উদ্ধাৰ হোৱা এটা মৃতদেহে চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা ২২ মে তাৰিখে আজি উদ্ধাৰ হোৱা মৃতদেহৰ স্থানৰ পৰা কেইশ মান মিটাৰ নিলগত বনিয়াবাৰী দেউলীয়াখাটত এক অচিনাক্ত নৰকংকাল উদ্ধাৰ হৈছিল। তাৰ পিছতে ২৪ মে তাৰিখে নাওজানৰ দৰিকা নদীত উদ্ধাৰ হৈছিল বুদ্ধেশ্বৰ চাংমাই নামৰ এজন লোকৰ মৃতদেহ। ইয়াৰ পাছতে ২৬ মে তাৰিখে শিৱসাগৰ ৰেলৱে ষ্টেচনৰ চৌহদৰ পুখুৰীত এগৰাকী ৬ বছৰীয়া শিশুৰ মৃতদেহ উদ্ধাৰ হৈছিল। পৰৱৰ্তী সময়ত ২৯ মে তাৰিখে শিৱসাগৰ ৰেলৱে ষ্টেচনৰ ৰেল লাইনত এজন ব্যক্তিক ৰেলে কটাক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছিল। এনে মৃত্যুসমূহৰ সম্পূৰ্ণ কাৰণ নিৰ্ধাৰণ নোহোৱাৰ সময়তেই যোৱা ৬ জুন তাৰিখে শিৱসাগৰ নগৰৰ সমীপৰ শ'লগুৰিত উদ্ধাৰ হৈছিল পাষাণ মাতৃয়ে পুখুৰীত ডুবাই হত্যা কৰা কণমানি ত্ৰিদিশা নাথৰ মৃতদেহ। এনে মৃত্যুসমূহৰ নিৰ্দ্ধাৰিত কাৰণ সম্পূৰ্ণ ৰূপে উন্মোচিত নোহোৱাৰ বিপৰীতে আজি বণিয়াবাৰী দৰিকা দলঙত উদ্ধাৰ হোৱা মৃতদেহে আন এক কৌতুহলৰ সৃষ্টি কৰিছে। যোৱা ৬ জুন তাৰিখৰ পৰা নগৰৰ হাবিৰাম বৰা পথৰ ঘৰৰ পৰা নিৰুদ্দেশ হৈ থকা সঞ্জীৱ বৰা বুলি উক্ত মৃতদেহৰ পৰিচয় পৰিয়ালৰ লোকে জানিব দিছে। বগা চাৰ্ট আৰু নীলা জিনচ্ পেণ্ট পৰিহিত ৩৮ বছৰীয়া এটা সন্তাৰ পিতৃ সঞ্জীৱ বৰা কিহৰ পাকত পৰি মৃত্যুবৰণ কৰিলে সেই বিষয়ে আৰক্ষী তথা পৰিয়ালৰ লোকে কোনো স্পষ্ট ধাৰণা প্ৰদান কৰিব পৰা নাই যদিও মৃতদেহ পানীৰ পৰা উঠোৱাৰ সময়ত প্ৰত্যক্ষ কৰা ৰাইজে এই মৃত্যু এক হত্যাকাণ্ডৰ ফল হ'ব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, শ'লগুৰিৰ ত্ৰিদিশা নাথৰ মৃত্যু এক হত্যাকাণ্ড বুলি আৰক্ষীয়ে আনুষ্ঠানিক ভাষ্য প্ৰদান কৰাৰ বিপৰীতে বিগত এটা পষেকত মৃত্যু হোৱা আন আন লোকসকলৰ মৃত্যু প্ৰকৃততে হত্যাকাণ্ড, দুৰ্ঘটনা নে আত্মহত্যা এই কথা শিৱসাগৰ আৰক্ষীয়ে বৰ্তমানলৈকে থাৱৰ কৰিব পৰা নাই।

## শিৱসাগৰত পুনৰ ৯২ জনৰ দেহত ক'ভিড পজিটিভ

কৰ'না অতিমাৰীয়ে শিৱসাগৰ জিলাখনত ক্ৰমান্বয়ে সংহাৰী ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। আজিৰ দিনটোতেই জিলাখনত ৯২ গৰাকী ব্যক্তি আক্ৰান্ত হোৱাৰ বাতৰি পোৱা গৈছে। শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা প্ৰদান কৰা কভিড আক্ৰান্ত লোকৰ তথ্য অনুসৰি আজি পুনৰ ২৪ ঘণ্টাত ৯২ জন লোক কভিডত আক্ৰান্ত হোৱাৰ বিপৰীতে জিলাখনত ১৯০০ গৰাকী ৰেপিড এণ্টিজেন পৰীক্ষা কৰাত ৯২ গৰাকী পজিটিভ হোৱা বুলি জানিব পৰা গৈছে। আনহাতে জিলাখনত সক্ৰিয় কভিড ৰোগীৰ সংখ্যা ৮৫৭ গৰাকী। ইয়াৰে জয়সাগৰ অসামৰিক চিকিৎসালয়ত ৭৫ গৰাকী, চুকাফা হস্পিতালত ১৬ গৰাকী, আমগুৰি সামূহিক স্বাস্থ্য কেন্দ্ৰ ১৯, অ'এনজিচি চিকিৎসালয়ত ৯ গৰাকী, অসম চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড় ৪ গৰাকী, যোৰহাট চিকিৎসা মহাবিদ্যালয় ২ গৰাকী, চাহ বাগান হস্পিতালত ৯৩ গৰাকী, লিগিৰিপুখুৰী হস্পিতালত ১১ গৰাকী, ডিমৌ পলিটেক্নিকত ১৫ গৰাকী, সঞ্জীৱনী হস্পিতাল ডিব্ৰুগড় ১ গৰাকী, ব্ৰহ্মপুত্ৰ হস্পিতাল ডিব্ৰুগড় ৬ গৰাকী,হোম আইচলেচনত ৫৫৩ গৰাকী ব্যক্তি চিকিৎসাধীন হৈ আছে। জিলাখনত মুঠ কভিড ৰোগীৰ সংখ্যা ৪৭৪৯ গৰাকী, আজিৰ দিনটোত ৯২ গৰাকী আৰোগ্য লাভ কৰি চিকিৎসালয়ৰ পৰা ডিছাৰ্জ লাভ কৰিছে। ইফালে আজি জিলাখনৰ ২ গৰাকী ব্যক্তি কভিড আক্ৰান্তত মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে।

## গাঁওবুঢ়া প্ৰফুল্ল বৰুৱাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ৯ জুন ঃ** মগৰাহাট ৰজাবাৰী নিৱাসী তথা গড়কাষৰীয়া, আইলাহাবি, ৰূদ্ৰসাগৰ আৰু জয়সাগৰ খণ্ডৰ গাঁওবুঢ়া প্ৰফুল্ল বৰুৱাৰ (৭৭) ৮ জুনৰ নিশা ৮.৩০ বজাত বাৰ্ধক্যজনিত ৰোগত নিজা বাসগৃহত মৃত্যু হয়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত থকা বৰুৱাই ১৯ বছৰীয়া কাৰ্যকাল অতি নিষ্ঠাৰে চাৰিখন গাঁৱৰ গাঁওবুঢ়াৰ দায়িত্ব পালন কৰি গৈছিল। বৰুৱাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেখেতৰ বাসগৃহত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ছাত্ৰ সন্থাৰ প্ৰাক্তন বিষয়ববীয়া ব্ৰজেন বৰুৱাই আঁত ধৰা উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত গাঁওবুঢ়া সন্থাৰ হৈ চাংমাই খণ্ডৰ গাঁওবুঢ়া নিপেন বৰুৱা, কালুগাঁও প্ৰেছ ক্লাব, ৰজাবাৰী বৰনামঘৰ পৰিচালনা সমিতি, দোলাকাষৰীয়া বৰনামঘৰ পৰিচালনা সমিতি, ময়ূৰধ্বজ পুথিভঁৰাল আদিয়ে বৰুৱাৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত মিলনজ্যোতি যুৱ সংঘ, মগৰাহাট মাহীকুৰ যুৱ সংঘ, গড়কাষৰীয়া বৰনামঘৰ পৰিচালনা সমিতি, শিৱসাগৰ মহকুমা গাঁওবুঢ়া সন্থাকে আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদ্গতিৰ প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত বৰুৱাই ছজন পুত্ৰ, এগৰাকী জীয়ৰীসহ বহু আত্মীয়-স্বজন ইহসংসাৰত এৰি থৈ গৈছে।

### ক'ভিড-১৯ৰ আতংকৰ মাজতো আশাৰ কিৰণ

## কাকজানত প্ৰকৃতিক সেউজীয়া কৰাৰ পণ লৈ ওলাইছে নতুন প্ৰজন্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৯ জুন ঃ** ক'ভিড-১৯ৰ ভয়াৱহতা সংক্ৰমণ ৰোধ কৰিবলৈ চৰকাৰে বান্ধি দিয়া কঠোৰ নীতি-নিৰ্দেশনাৰ বাবে ৰাজ্যৰ নগৰ-চহৰাঞ্চলৰ সমান্তৰালভাৱে গ্ৰামাঞ্চলতো এতিয়া লকডাউনসদৃশ পৰিৱেশ। এই সময়ছোৱাত আপুনি হয়তো নিজ ঘৰতেই থাকি টেলিভিছনৰ মনোৰঞ্জনধৰ্মী অনুষ্ঠান চাই, গ্ৰন্থ পঢ়ি অথবা নিজৰ ভাল লগা কামবোৰত নিজকে আত্মনিয়োগ কৰি পৰিয়ালৰ সৈতে সময়বোৰ কটাইছে। কিন্তু এনে পৰিৱেশৰ মাজতে বহুজনে বহুজনৰ কাৰণে মানৱীয় দৃষ্টিভংগীৰে সমাজৰ কাৰণে নিজকে আত্মনিয়োগ কৰিছে। চৰ্চালৈ আহিছে যোৰহাটৰ কাকজান অঞ্চলৰ কেইগৰাকীমান কলেজীয়া যুৱক-যুৱতী। যিটো সময়ত জীৱশ্ৰেষ্ঠ মানৱৰ কুঠাৰাঘাতত প্ৰকৃতি লঠঙা হৈছে, ক'ভিড-১৯ৰ ভয়াৱহ সংক্ৰমণৰ সময়ত পৃথিৱীয়ে অক্সিজেনৰ কাৰণে হাহাকাৰ কৰিব লগা হৈছে, সেই সময়তে এইসকল যুৱক-যুৱতীয়ে পৰিৱেশ সেউজীয়া কৰাৰ পণ লৈছে। দৈনিক কাহিলি পুৱাতে মুখত মাস্কখন মাৰি, কান্ধত কোৰখন আৰু হাতত কেইটামান গছপুলি লৈ ওলাই আহে আশা, অজয়, উৰ্বি, সীমাহঁত। তেওঁলোক কোনো প্ৰকৃতিপ্ৰেমী সংগঠন অথবা স্বেচ্ছাসেৱী সংগঠনৰ সদস্য নহয়। কেৱল মাথোঁ গছ থাকিলেহে মানুহ থাকিব শ্ল'গানটোৱে বাৰুকৈয়ে ক্ৰিয়া কৰা এইসকল তৰুণে মুকলি ঠাইসমূহত ৰোপণ কৰিছে গছপুলি। প্ৰথমেই নিজৰ আপোন গাঁওখনৰ পৰাই আৰম্ভ কৰিছে প্ৰকৃতি সেউজীয়া কৰাৰ সোণোৱালী সপোন। বিভিন্ন স্থানৰ পৰা যুৱককেইজনে গছপুলি সংগ্ৰহ কৰি মুকলি ঠাই পালেই ৰোপণ কৰি প্ৰতিপালনো কৰে। এই সন্দৰ্ভত যুৱক-যুৱতীগৰাকীয়ে অৱগত কৰা অনুসৰি-পহিলাতে কমাৰখাটোৱাল নামৰ নিজ গাঁওখনৰ পৰাই আৰম্ভ কৰা এই কাৰ্যসূচীৰ জৰিয়তে বিভিন্ন স্থানত ৰোপণ কৰি যাব গছপুলি। ৰাইজৰ আশা- অজয়, উৰ্বি, সীমাহঁতৰ দৰে তৰুণ প্ৰজন্মৰ হাতৰ পৰশত প্ৰাণ পাই উঠিব প্ৰকৃতিয়ে। নগৰ-চহৰ, গাঁৱৰ পথৰ কাষত মিচিকিয়াই হাঁহিব এজাৰ, সোণাৰু, কৃষ্ণচূড়া, ৰাধাচূড়াই।



